অদম্য শক্তি

ADAMYA SHAKTI : Assamese translation of Dr. A P J Abdul Kalam's **INDOMITABLE SPIRIT** done by Mr. Suresh Sharma and published by Shri Nagen Sarmah on behalf of M/s Jyoti Prakashan, Jaswanta Road, Panbazar, Guwahati 781 001, Assam, in arrangement with RAJPAL & SONS, Madarsa Road, Kashmere Gate, Delhi 110 006.

***First published :** December, 2007* ***Price :** Rs.120.00 only*

প্ৰকাশক
শ্ৰীনগেন শৰ্মা
জ্যোতি প্ৰকাশন
যশোৱন্ত পথ, পাণবজাৰ
গুৱাহাটী ৭৮১ ০০১
অসম

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০০৭

মূল্য ঃ ১২০.০০ টকা

ছপাশাল
হৰাইজন প্ৰিণ্টাৰ্ছ
১৪৮৮, পাটাউদি হাউছ
দৰিয়াগঞ্জ, নতুন দিল্লী

অদম্য শক্তি

এ পি জে আব্দুল কালাম

অনুবাদ

সুৰেশ শৰ্মা

জ্যোতি প্ৰকাশন

পাণবজাৰ ঃ গুৱাহাটী ঃ অসম

সূচীপত্ৰ

অনুবাদকৰ যৎকিঞ্চিৎ .... vii-ix

১। মোক অনুপ্ৰাণিত কৰা ব্যক্তিসকল ১

২। মোৰ শিক্ষাগুৰুসকল ১৯

৩। শিক্ষাৰ উদ্দেশ্য ৪১

৪। সৃজনশীলতা আৰু নতুনত্ব ৬১

৫। কলা আৰু সাহিত্য ৭৯

৬। শাশ্বত প্ৰমূল্য ৯৫

৭। বিজ্ঞান আৰু আধ্যাত্মিকতা ১১৫

৮। ভৱিষ্যতৰ নাগৰিক ১৩৫

৯। শক্তিশালী নাৰী ১৫১

১০। এখন বিজ্ঞ সমাজ অভিমুখে ১৬৩

১১। বিকশিত ভাৰত নিৰ্মাণ ১৮১

১২। প্ৰবুদ্ধ নাগৰিকত্ব ১৯৭

১৩। সৃষ্টিশীল নেতৃত্ব ২১৩

১৪। অদম্য শক্তি ২৩১

১৫। প্ৰসংগ নিৰ্দেশ ২৪৫

অনুবাদকৰ যৎকিঞ্চিৎ

'Great dreams of great dreamers are always transcended.'

— ড° কালাম

'উইংছ্ অব্ ফায়াৰ্' (অনু.- অগ্নিৰ ডেউকা) ড° এ পি জে আব্দুল কালামদেৱৰ বৰ্ণিল জীৱনৰ অকপট কাহিনী। তেখেতৰ সেই আত্মকথাখন এখন বহুল পঠিত গ্ৰন্থ। বিক্ৰীৰ অভিলেখ সৃষ্টি কৰা সেই গ্ৰন্থখন ইতিমধ্যে চীনা ভাষাকে আদি কৰি পৃথিৱীৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে। পাৰ্থিৱ ভোগবিলাস-ঐহিক সুখ আদিৰ পৰা বহু যোজন নিলগত ন্যূনতম প্ৰয়োজনীয়তাৰে ঋষিতুল্য জীৱন-যাপন কৰা কোবিদ বিজ্ঞানী ড° এ পি জে আব্দুল কালামৰ 'ইনডমিটেব্‌ল্ স্পিৰিট্' (অনু.- অদম্য শক্তি) আত্মকথাৰে সমাৰ্থক বুলিব পাৰি। জীৱনৰ শাশ্বত প্ৰমূল্যসমূহক জীৱনৰ অভীপ্সিত অমূল্য বৈভৱ জ্ঞান কৰা ড° কালামৰ জীৱনবোধৰ ই এক স্বচ্ছ দাপোণ। গ্ৰন্থখনত তেখেতৰ জীৱন-দৰ্শন পৰিস্ফুট হৈছে— যি জীৱন-দৰ্শনে দেশৰ মানুহক যোগাত্মক ভাবনাৰে উদ্বুদ্ধ কৰিব, যি জীৱন-দৰ্শনে মানুহক জীৱন-পৰিক্ৰমাৰ সঠিক পথ-নিৰ্দেশনা কৰিব, যি জীৱন-দৰ্শনে সকলো বয়সৰ মানুহক অনুপ্ৰাণিত কৰিব, যি জীৱন-দৰ্শনে সকলোকে আশাৰ বাণী শুনাব আৰু সকলোকে সামূহিক কল্যাণবোধত সম্পৃক্ত কৰিব। 'অদম্য শক্তি' এগৰাকী ৰাষ্ট্ৰপ্ৰধানৰ জীৱন-চয়ন নহয়— এক অনন্য সাধাৰণ লোকৰ ভূমা-স্পৃহা। চকুত ৰামধেনুৰ সাতোৰঙী স্বপ্ন লৈ এক নিৰ্মল পৰিচ্ছন্ন জীৱন-যাপন কৰাৰ বাবে নিজে অন্তৰত যি অনমনীয় সংকল্পৰ বীজমন্ত্ৰ, মনত অদম্য শক্তি আৰু আত্মিক মনোবল লৈ সফলতাৰ শীৰ্ষত উঠিল সেই একে আত্মবিশ্বাস, মনোবল আৰু অদম্য শক্তি লৈ দেশ নিৰ্মাণৰ মহান সংকল্প আৰু দেশ সেৱাৰ পবিত্ৰ ব্ৰত হৃদয়ত ধাৰণ কৰি সকলোকে কামত ব্ৰতী হ'বলৈ তেওঁ আহ্বান জনাইছে। দেশৰ মানুহ আৰু তৰুণ প্ৰজন্মক লৈ স্বপ্ন দেখা মানুহ ড° কালামৰ বাদে দ্বিতীয় এজন আছে বুলি আমাৰ মনে নধৰে। সেই কাৰণে তেওঁৰ গ্ৰন্থসমূহৰ যি বাণী বা মেছেজ সি সৰ্বসাধাৰণ লোকৰ হৃদয় চুই যাব পাৰিছে। সকলোৱে বুজি পায় যে তেওঁৰ কথা হৃদয়ৰ কথা, মৰ্মস্থলৰ কথা। সি কোনো বুদ্ধিজীৱীৰ কপট বাক্‌চাতুৰ্য নহয়; যিটো বিশ্বাস কৰিছে তেওঁ তাক অকপটে বিবৃত কৰিছে। ড° কালামৰ গভীৰ বিশ্বাস— দেশৰ মানুহে অক্লান্ত পৰিশ্ৰম কৰি দেশত এদিন সুখ-শান্তি-সমৃদ্ধিৰ অভ্ৰভেদী সৌধ নিৰ্মাণ কৰিব। তেওঁ এজন অভ্ৰভেদী ব্যক্তিত্বৰ লোক— তেওঁৰ সদৰ্থক জীৱন-দৰ্শনৰ পৰা অসমীয়া পাঠকো উপকৃত হ'ব বুলি বিশ্বাস কৰিয়েই গ্ৰন্থখনৰ অনুবাদ এটি আগবঢ়ালোঁ।

মহামান্য ভূতপূৰ্ব ৰাষ্ট্ৰপতিগৰাকীৰ এইখন অনূদিত গ্ৰন্থও জ্যোতি প্ৰকাশনৰ স্বনামধন্য

প্ৰকাশক শ্ৰীযুত নগেন শৰ্মাদাই পৰম আগ্ৰহেৰে প্ৰকাশ কৰি মোক পুনৰাই অনুগৃহীত কৰিছে। তেখেতৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ ভাষা নাই। মোৰ প্ৰতিটো কামৰ গুৰি-ব'ঠা ধৰা ভাতৃপ্ৰতিম শ্ৰীমান দীপলু ৰঞ্জন শৰ্মাৰ প্ৰতি সস্নেহ ধন্যবাদ থাকিল।

শৈশৱৰ বন্ধু জগদীশ শৰ্মা আৰু গিৰীন ডেকাই সদায় আশাৰ বাণীৰে মোৰ মোলান পৰি যাব খোজা মনটোক দুগুণে সক্ৰিয় কৰি তোলে। বন্ধুবৰ মুনীন বায়ন, হেমন্ত দাস, প্ৰবীণ শৰ্মা, চন্দন শৰ্মা, জ্যোৎস্না আলী, হৃদয়ানন্দ গগৈ, শান্তনু কৌশিক বৰুৱা, ইছমাইল হোছেইনৰ বন্ধুত্বৰ সংসৰ্গই মোক সদায় উৎসাহিত কৰে। তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা থাকিল।

জ্যোতি প্ৰকাশনৰ শ্ৰীবিনোদ ভূঞা, সুশীল শৰ্মা, হেমন্ত শৰ্মা, মণ্টু কলিতা, ৰিংকু বৈশ্য, অৰূপ শৰ্মা, ৰবীন কলিতা, গিৰীশ কলিতা, তপন ডেকা আটাইকে সস্নেহ কৃতজ্ঞতা জনালোঁ। ময়ূৰ ডেস্কটপৰ অনিল ডেকা, হিৰণ্য শৰ্মা আৰু অঞ্জন চন্দ্ৰ কলিতালৈকো কৃতজ্ঞতা থাকিল। বাইদেউ শ্ৰীমতী ৰেণু দেৱী, ভিনিহিঁদেউ শ্ৰীযুত কামাখ্যা প্ৰসাদ শৰ্মা, ভাইটি অনিল কুমাৰ শৰ্মা, নৃপেন আৰু মৰমৰ ভনী বিজুৰ প্ৰতিও থাকিল কৃতজ্ঞতাৰ এফেৰি। শ্ৰদ্ধেয়া বাইদেউ শ্ৰীযুতা প্ৰভাৱতী ৰয় আৰু নবৌ শ্ৰীযুতা তৰু দেৱী ৰয়ৰ শলাগ ল'লোঁ। মিছ্ন ইণ্ডিয়াৰ প্ৰথম সংস্কৰণটো এমাহতে শেষ হোৱা বুলি শুনি আনন্দত আত্মহাৰা হৈ মোক শুভেচ্ছা জনোৱা ভনী শ্ৰীমতী নিৰুপমা গোস্বামী আৰু তেওঁৰ স্বামী শ্ৰীযুত জিতেন্দ্ৰ নাথ গোস্বামীদাৰ প্ৰতি গভীৰ কৃতজ্ঞতা জনালোঁ। মোৰ সকলো কামত বন্ধু অৱনীকান্ত মিশ্ৰ ভাগৱতী আৰু দীপিকা বাইদেউৰ শুভেচ্ছা লাভ কৰি মই আহ্লাদিত হওঁ। ভাতৃপ্ৰতিম (গোসাঁই) পাৰ্থপ্ৰতিম গোস্বামী আৰু নাৰায়ণ কুৰীৰ প্ৰতিও মই কৃতজ্ঞ। নাৰায়ণ কুৰীয়ে ফোন কৰি মোক ড° আব্দুল কালামৰ দুটা মহামূল্যৱান সাক্ষাৎকাৰ টিভিত চোৱাৰ সুযোগ দি মোৰ কিমান উপকাৰ কৰিছে তাক ভাষাৰে বুজাব নোৱাৰোঁ। সুলেখিকা দিতিমণি গগৈ আৰু তেওঁৰ স্বামী উজ্জ্বল বৰাৰ শুভেচ্ছাও সদায় মনত ৰাখিম।

মোৰ কিতাপবিলাকৰ খুটি-নাতি মাৰি আৰ্হি-কাকত আদি পৰীক্ষা কৰি, কম্পিউটাৰত বেটুপাত কৰি দি ভাতৃপ্ৰতিম ডেকা সাহিত্যিক বন্ধু বিকাশজ্যোতি বৰুৱাই মোক যথেষ্ট সহায় কৰে। তদুপৰি মোৰ কিতাপবিলাকৰ ছপা-বন্ধা কামৰ চোৱা-চিতা কৰে বন্ধুবৰ শ্ৰীৰাম প্ৰসাদে। তেওঁলোক দুজনক কি বুলি কৃতজ্ঞতা জনাম!

লেখা-মেলা কৰাৰ বাবে প্ৰথম ফলি-পুথি হাতত লওঁতে অধুনামৃত দৈনিক 'নতুন অসমীয়া'ৰ সম্পাদক, বৰ্তমানে দৈনিক বাতৰিৰ সম্পাদক শ্ৰীযুত ৰাধিকা মোহন ভাগৱতী ছাৰে মোক হাতে হাত ধৰি, হাত পোনাবলৈ শিকাইছিল। আজিও তেখেতে মোক আন্তৰিক শুভেচ্ছা আৰু আশীৰ্বাদ দি আছে। এই ছেগতে তেখেতলৈ গভীৰ শ্ৰদ্ধা জনালোঁ।

ড° কালামদেৱৰ এই গ্ৰন্থখন অনুবাদ কৰাৰ বাবে অনুমতি প্ৰদান কৰি মোক

অনুগৃহীত কৰিছে দিল্লীৰ প্ৰসিদ্ধ প্ৰকাশক 'ৰাজপাল এণ্ড ছন্‌ছ'ৰ শ্ৰীমতী মীৰা জুহৰীয়ে। তেখেতলৈ গভীৰ কৃতজ্ঞতা জনালোঁ।

ভূতপূৰ্ব ৰাষ্ট্ৰপতিজনাৰ এই বিচক্ষণ গ্ৰন্থখনৰ মূলানুগ অনুবাদ কৰাৰ বাবে মই যথাসাধ্য চেষ্টা কৰিছোঁ। স্বপ্ন, জীৱন-দৰ্শন, মূল্যবোধ, বিজ্ঞান, প্ৰযুক্তি, শিক্ষা, সমাজবিজ্ঞান সকলো সামৰি লোৱা গুৰু-গম্ভীৰ গ্ৰন্থখন মোৰ সীমিত ইংৰাজীৰ জ্ঞানেৰে অনুবাদ কৰিবলৈ গৈ ক'ত কিমান ভুল-ত্ৰুটি কৰিলোঁ নাজানো। ক'ৰবাত মূলৰ সৌন্দৰ্য যদি ব্যাহত হৈছে সেয়া মোৰেই মূঢ়তা। সকলো ভুল-ত্ৰুটিৰ বাবে সুজন অসমীয়া পাঠকৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ। ৰসগ্ৰাহী পাঠকে এইখন গ্ৰন্থকো মৰমৰ চকুৰে চালে এই অভাজনৰ শ্ৰম সাৰ্থক হ'ব। শুভমস্তু!

শান্তিপুৰ — সুৰেশ শৰ্মা
গুৱাহাটী ৭৮১ ০০৯

Phone : 98640 11975 (M)
e-mail : suresh_ch_sharma@yahoo co in

১

মোক অনুপ্ৰাণিত কৰা ব্যক্তিসকল

সামাজিক অথবা ৰাজনৈতিক সকলো ব্যৱস্থাৰ ভেটি
সাধাৰণ লোকৰ কল্যাণৰ ওপৰতহে বৰ্তি থাকে।
কেৱল সংসদীয় আইন-কানুনৰ বাবে কোনো দেশ
মহান হ'ব নোৱাৰে।
মানুহবোৰ সৎ আৰু মহান হোৱাৰ বাবেহে দেশ এখন
সৎ বা মহান হ'ব পাৰে।[১]

মোক অনুপ্ৰাণিত কৰা ব্যক্তিসকল

প্ৰতিজন ব্যক্তিৰ জীৱনটো মানৱ ইতিহাসৰ একো-একোখিলা পাত, লাগিলে তেওঁ যি পদতেই নাথাকক অথবা যি কামকেই নকৰক লাগিলে!

মোৰ স্নেহশীলা জননী

দ্বিতীয় বিশ্বযুদ্ধৰ সময়টো আমাৰ পৰিয়ালটোৰ বাবে আছিল এক অত্যন্ত কঠিন সময়। সেই সময়ত মোৰ বয়স দহ বছৰ মাত্ৰ। আৰু যুদ্ধ আমাৰ ৰামেশ্বৰমৰ ঘৰৰ প্ৰায় দুৱাৰডলি পাইছিলহি। সকলো বস্তু দুৰ্লভ আৰু নাটনি হৈছিল। আমাৰ বৃহৎ আকাৰৰ যৌথ পৰিয়ালটিত দেউতা আৰু তেওঁৰ সৰু ভায়েকৰ পৰিয়ালৰ সদস্যবোৰ একেলগে আছিলোঁ। সেই সুবৃহৎ পৰিয়ালটি ধৰি ৰাখিছিল একমাত্ৰ মোৰ মা আৰু আইতাই। ঘৰখনত যি কোনো সময়তে তিনিখনকৈ দোলনা আছিল। সুখ আৰু দুখৰ মাজতে পৰিৱেশৰ সলনা-সলনি হৈ আছিল।

মোৰ শিক্ষাগুৰু শ্ৰীযুত স্বামীয়াৰ দেৱৰ ওচৰত গণিত শিকিবলৈ যোৱাৰ বাবে মই ৰাতিপুৱা চাৰি বজাতে উঠোঁ।

তেখেত অংকশাস্ত্ৰৰ অগাধ পণ্ডিত আছিল। তেখেতে বছৰত পাঁচজনকৈ ছাত্ৰক বিনামূলীয়াকৈ পঢ়ুৱাইছিল। সকলো ছাত্ৰৰ বাবে তেখেতে এক কঠোৰ চৰ্ত আৰোপ কৰিছিল। সেইটো হ'ল ছাত্ৰসকলে গা-পা ধুই ৰাতিপুৱা পাঁচ বজাৰ লগে লগে তেখেতৰ শ্ৰেণীকোঠাত হাজিৰ হ'বগৈ লাগিব। মোৰ মাতৃদেৱী মোৰ বহু আগতেই উঠি মোক গা-পা ধোৱাত হাত ধৰি দি টিউচনলৈ যাবলৈ সাজু কৰি দিয়ে। টিউচনৰ পৰা ঘূৰি আহি দেখোঁ দেউতা মোৰ বাবে ৰৈ আছে। তেখেতে মোক নামাজ পঢ়িবলৈ আৰু আৰবী স্কুলত 'কোৰ্-আন্ শ্বৰীফ্' পঢ়িবলৈ লগত লৈ যায়। তাৰ পিছত ঘৰৰ পৰা তিনি কিলোমিটাৰ বাট খোজকাটি ৰামেশ্বৰম ৰোড ৰে'ল ষ্টেচনলৈ যাওঁ— সেইপিনেদি যোৱা ধনুস্কোদি মেইলখনৰ পৰা দলিয়াই দিয়া খবৰ কাগজৰ বান্দিলটো অনাৰ বাবে। খবৰ কাগজখিনি লৈ ৰামেশ্বৰম নগৰখনৰ কেউফালে দৌৰি দৌৰি যাওঁ। ৰামেশ্বৰমৰ মানুহক ৰাতিপুৱা ময়েই প্ৰথমে খবৰ কাগজ দিওঁগৈ। আঠ বজাত ঘৰলৈ ঘূৰি আহিলে মায়ে মোক ৰাতিপুৱাৰ জলপান খাবলৈ দিয়ে। মায়ে কিন্তু সদায় মোৰ ভাগটো আন ভাই-ভনীবোৰতকৈ ডাঙৰকৈ দিয়ে— কাৰণ মই যে পঢ়াৰ উপৰি কামো কৰোঁ। বিদ্যালয় ছুটী হোৱাৰ পিছত গ্ৰাহকৰ পৰা পইচা আদায় কৰিবলৈ গধূলি আকৌ পাক এটা মাৰোঁ।

সেই সময়তে ঘটা ঘটনা এটা মোৰ আজিও মনত আছে। এদিনাখন ঘৰৰ আটাইকেউটা ভাই-ভনী একেলগে বহি লৈ খাই আছিলোঁ। মায়ে মোক চাপাতি (ৰুটি) দি আছিল। (আমি ভাতকে খাওঁ— চাউল সহজলভ্য আছিল, কিন্তু আটা ৰেচন কৰা হৈছিল)। মোৰ খোৱা হ'লত ককাইদেৱে মোক একাষৰীয়াকৈ মাতি নি এই বুলি গালি দিলে, "কালাম, কি হৈছে তুমি জানানে? এখনৰ পিছত এখনকৈ তুমি চাপাতি খাই

আছা, মায়েও তোমাক দি আছে। মায়ে নিজৰ ভাগৰ চাপাতিকেইখনো তোমাকে দি দিলে। এতিয়া বৰ কষ্টৰ দিন। তোমাৰ অলপ দায়িত্ব জ্ঞান থাকিব লাগে। মাক লঘোণে থাকিবলৈ দিব নালাগে।"

সেই প্ৰথমবাৰৰ বাবে মই এটা শিহৰণ অনুভৱ কৰিলোঁ। মই নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলোঁ। দৌৰ মাৰি মাৰ ওচৰলৈ গৈ মাক সাৱটি ধৰিলোঁ।

এদিন পূৰ্ণিমাৰ ৰাতি দেখা মাৰ প্ৰতিচ্ছবিটো মোৰ এতিয়াও মনত আছে। মাৰ সেই ছবিখনক মোৰ গ্ৰন্থ 'উইংছ্ অব্ ফায়াৰ' (অনু.- অগ্নিৰ ডেউকা)ৰ 'মা' (মাদাৰ) বুলি কবিতাটিত অংকিত কৰিছোঁ।

মা

সেই দিনটো মোৰ আজিও মনত আছে
মাথোঁ দহ বছৰ বয়স মোৰ
ককাই-ভাই-ভনীহঁতৰ মনত ঈৰ্ষা জগাকৈ
তোমাৰ লৱণু কোমল কোলাত
শুই আছিলোঁ মই
পূৰ্ণিমাৰ ৰাতি আছিল সিদিনা!
মা! মোৰ জগতখন কেৱল তুমিয়েহে জানা!

হে মোৰ সাদৰী মা!
মাজনিশা মোৰ আঁঠুত সৰি পৰে চকুৰ লোতক
মই সাৰ পাওঁ!
মা!
তুমি তোমাৰ সন্তানৰ দুখ বুজিলা!
তোমাৰ মৰমী হাত দুখনে
যতমানে মোৰ দুখ
আলফুলে আঁতৰাই দিলে!

তোমাৰ চেনেহ, আদৰ-যত্ন আৰু আস্থাই
মোক শক্তি দিলে
নিৰ্ভয়ে পৃথিৱীৰ স'তে মুখামুখি হ'বলৈ

ঐশী শক্তিৰে!

হে মোৰ মাতৃদেৱী!
মহান কেয়ামতৰ দিনাখন
আমি আকউ
লগালগি হ'ম।

এয়া মোৰ মাতৃদেৱীৰ কাহিনী। তেওঁ তিৰানব্বৈ বছৰ বয়সলৈ বাচি আছিল। মমতাৰ প্ৰতিমূৰ্তি এগৰাকী দয়ালু নাৰী আছিল মোৰ মা। সৰ্বোপৰি স্বৰ্গীয় সত্তাৰে এক মহীয়সী নাৰী। মায়ে দিনৌ পাঁচবাৰকৈ নামাজ পঢ়িছিল। যিমানে মাক নামাজ পঢ়া দেখোঁ সিমানে মই অনুপ্ৰাণিত হওঁ— অভিভূত হওঁ।

নাৰী ঈশ্বৰৰ মহান সৃষ্টি। দুগৰাকী নাৰীৰ স্মৃতিয়ে মোক সদায় অনুপ্ৰাণিত কৰে আৰু নতুন জীৱন দিয়ে। এগৰাকী মোৰ মা, আনগৰাকী হ'ল ভাৰতৰত্ন এম এছ্ শুভলক্ষ্মী।

এম এছ্ শুভলক্ষ্মী

আন এগৰাকী মহীয়সী মাতৃ এম এছ্ শুভলক্ষ্মী। তেওঁ আছিল কৰ্ণাটকী সংগীতৰ জননী। ১৯৫০ চনত তিৰুৱাইয়াৰত অনুষ্ঠিত ত্যাগৰাজ সমাৰোহত মই প্ৰথম তেওঁৰ অনুষ্ঠান শুনিছিলোঁ। প্ৰতি বছৰ জানুৱাৰী মাহত এই সমাৰোহৰ আয়োজন কৰা হয়। সেই সময়ত মই ত্ৰিচীত কলেজত পঢ়ি আছিলোঁ আৰু মোৰ সংগীতপ্ৰেমী অন্তৰংগ বন্ধু সন্থানমৰ সৈতে সেই অনুষ্ঠান উপভোগ কৰিবলৈ গৈছিলোঁ। পঞ্চৰত্ন কৃতিৰ পিছত, এম এছ্ শুভলক্ষ্মীয়ে প্ৰসিদ্ধ ত্যাগৰাজ কীৰ্তন গাইছিল, 'এন্দাৰো মহানুভবালু অন্ধৰিগ্গি বন্দ্‌নামুলু' গীতটো মোৰ হৃদয়ৰ অভ্যন্তৰত সোমাই যোৱা যেন অনুভৱ হ'ল। সুখ আৰু প্ৰসন্নতাই মোৰ দেহ-মনত শক্তি বা ইন্ধন যোগালে। গীতটোৰ অন্তৰ্নিহিত ভাব অত্যন্ত শক্তিশালী। মই কীৰ্তন শুনি অভিভূত হ'লোঁ আৰু তেতিয়াৰে পৰা সমগ্ৰ জীৱনৰ বাবে এম এছ্ শুভলক্ষ্মীৰ স্তাৱক হৈ গ'লোঁ।

ভক্তি আমাৰ অন্তৰত থকা আৰু ঈশ্বৰৰ প্ৰতি দেখুওৱা উপাসনা বা অনুৰাগ।

এম এছ শুভলক্ষ্মীৰ মতে “ভক্তি আমাৰ অন্তৰত থকা আৰু ঈশ্বৰৰ প্ৰতি দেখুওৱা উপাসনা বা অনুৰাগ। এবাৰ আমাৰ হৃদয়ত ঈশ্বৰক থাপি সম্ভ্ৰম বা ভক্তিভাৱে পূজা-অৰ্চনা কৰিলে আমাৰ চৌপাশৰ বহিৰ্জগতৰ আটাইবোৰ বস্তুৰ ওপৰতো আমাৰ একে প্ৰেম ভাব জন্মিব। তাৰ কাৰণ হ'ল কেৱল সেই দিব্য সত্যটোৱেই সকলো বস্তুৰ মাজেদি প্ৰবাহিত হৈ আছে। ভক্ত যেতিয়া এই অৱস্থাপ্ৰাপ্ত হয় তেতিয়া জগতৰ প্ৰতি সেৱাই হৈ পৰে তেওঁৰ একমাত্ৰ ব্ৰত বা তপ-জপ বা ধৰ্ম বিশ্বাস।

বিভিন্ন সংগীত সমাৰোহত মোৰ এম এছ শুভলক্ষ্মীক লগ পোৱাৰ সৌভাগ্য ঘটিছে। ১৯৯৮ চনত ৰাষ্ট্ৰপতি ভৱনৰ অশোক হলত তেওঁক ভাৰত ৰত্ন উপাধি প্ৰদান কৰোঁতে মই আনন্দত আত্মহাৰা হৈছিলোঁ। মই তেওঁৰ কাষতে বহি আছিলোঁ। তেওঁ মোৰ মূৰটো চুই আশীৰ্বাদ দিছিল। সেইটো মোৰ জীৱনৰ অন্যতম মহৎ ক্ষণ। তেখেতে গভীৰভাৱে বিশ্বাস কৰিছিল যে শ্ৰোতাৰ মন-প্ৰাণত ভগৱান আৰু তেওঁৰ ভিন ভিন অৱতাৰ বা অভিব্যক্তিৰ প্ৰতি আসক্তি জগোৱাটোৱেই ৰাগৰ একমাত্ৰ উদ্দেশ্য।

২০০৪ বৰ্ষৰ ১২ ডিচেম্বৰৰ দিনাখন তেওঁৰ দেহাৱসান ঘটে। সিদিনাখন মই তেওঁৰ ঘৰতে আছিলোঁ। তেওঁক শাশ্বত আধ্যাত্মিক শান্তি লাভ কৰা দেখি মই এইদৰে মোৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছিলোঁ!

তুমি শ্ৰীৰাগম্ কীৰ্তনত পৰমোৎকৰ্ষ লাভ কৰিলা
ভক্তি সংগীতৰ শীৰ্ষ বিন্দুত আৰোহণ কৰিলা।
পাৰঙ্গত আছিলা অন্নমাচাৰ্য, পুৰন্দৰ দাসৰ কীৰ্ত্তনত
আৰু কৰ্ণাটিকী সংগীতৰ 'ত্ৰিনিটি'ত
আজি তুমি মহাকালৰ সৈতে বিলীন হৈ গ'লা!
কিন্তু তোমাৰ যি মোহনীয় সংগীত আৰু কৰ্ম
সি ৰৈ যাব
চিৰদিন চিৰকাল।
সংগীততে জন্মি তুমি সংগীততে জীৱন-যাপন কৰিলা
আৰু আজি তুমি দিব্য সংগীতৰ স'তে
চিৰদিনৰ বাবে বিলীন হৈ গ'লা।[২]

পাঁচ মহান আত্মা

মোৰ পিতৃ-মাতৃ আৰু শিক্ষকৰ বাহিৰে আৰু পাঁচজন লোক আছে— আটাইকেইজন বিজ্ঞানী। তেওঁলোকেও মোক অনুপ্ৰাণিত আৰু প্ৰভাৱিত কৰিছে। তেওঁলোকক মই মহান আত্মা বুলি অভিহিত কৰিছোঁ।

বিক্ৰম সাৰাভাই

অধ্যাপক বিক্ৰম সাৰাভাইৰ দৰে এজন মহান ব্যক্তিৰ সান্নিধ্যত সাত বছৰ ধৰি কাম কৰাৰ বাবে মই নিজক ভাগ্যৱান বিবেচনা কৰোঁ! তেখেতৰ লগত নিবিড়ভাৱে কাম কৰি থাকোঁতে মই ভাৰতীয় মহাকাশ কাৰ্যক্ৰমৰ স্বপ্নৰ প্ৰত্যুষ অৱলোকন কৰিছিলোঁ।

১৯৭০ চনত প্ৰকাশ পোৱা এক পৃষ্ঠা জোৰা এটা বিবৃতিত এইদৰে কোৱা হৈছিল, "নিজৰ অপ্ৰতিহত প্ৰচণ্ড বৈজ্ঞানিক জ্ঞান আৰু যুৱ সম্প্ৰদায়ৰ শক্তিৰ উৎসৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ দেশে নিজৰ উপগ্ৰহ সঞ্চাৰ, দূৰ-সংবেদী আৰু বতৰ বিজ্ঞান সম্বন্ধীয় মহাকাশ যান নিৰ্মাণ কৰিব লাগে আৰু নিজৰ ভূমিৰ পৰা প্ৰক্ষেপণ কৰি সিবোৰ ক্ষেত্ৰত ভাৰতীয় জীৱন সমৃদ্ধ কৰিব লাগে।" কছমিক ৰে'*ৰ- পদাৰ্থ বিজ্ঞানী আৰু এক বৃহৎ বিজ্ঞানী মনৰ ব্যক্তি (বিক্ৰম সাৰাভাই) এগৰাকীৰ বহু বছৰৰ নিৰলস-নিৰৱচ্ছিন্ন পৰিশ্ৰমৰ ফলত এই এক পৃষ্ঠা জোৰা স্বপ্ন সাকাৰ হ'বলৈ ধৰা যি বিৱৰ্তন সি মোৰ বাবে আছিল শিক্ষাৰ এক ডাঙৰ উৎস।

যেতিয়াই মই এই একপৃষ্ঠা জোৰা স্বপ্নৰ বিবৃতিটোত চকু ফুৰাওঁ আৰু ইয়াৰ দ্বাৰা সৃষ্ট পৰিণামসমূহ প্ৰত্যক্ষ কৰোঁ তেতিয়াই মই অভিভূত হওঁ। সম্প্ৰতি আমি আজি যিকোনো ধৰণৰ উপগ্ৰহ উৎক্ষেপণ যান আৰু যিকোনো ধৰণৰ মহাকাশ যান নিৰ্মাণ কৰি তাক ভাৰতৰ মাটিৰ পৰা প্ৰক্ষেপণ কৰিব পাৰোঁ। তাৰ বাবে ভাৰতবৰ্ষত প্ৰচুৰ সুবিধা আৰু প্ৰবল শক্তিশালী মানৱ সম্পদ সহিতে সকলো ধৰণৰ ক্ষমতা বা সামৰ্থ্য আছে।

যেতিয়াই মই এই একপৃষ্ঠা জোৰা স্বপ্নৰ বিবৃতিটোত চকু ফুৰাওঁ আৰু ইয়াৰ দ্বাৰা সৃষ্ট পৰিণামসমূহ প্ৰত্যক্ষ কৰোঁ তেতিয়াই মই অভিভূত হওঁ।

---

* সৌৰজগতৰ বাহিৰৰ পৰা অহা পাৰমাণৱিক ৰশ্মি : মহাজাগতিক ৰশ্মি।

অধ্যাপক সতীশ ধাৱান

বাংগালোৰস্থিত ভাৰতীয় বিজ্ঞান সংস্থানৰ মহান শিক্ষক আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ ভূতপূৰ্ব অধ্যক্ষ প্ৰফেছৰ সতীশ ধাৱানৰ পৰা মই বহুত শিক্ষা লাভ কৰিছোঁ। প্ৰফেছৰ সতীশ ধাৱানৰ সান্নিধ্যত মই এক দশক কাল কাম কৰিছিলোঁ। তেতিয়া আমি প্ৰথম উপগ্ৰহ প্ৰক্ষেপণ যান উন্নয়নৰ কাৰ্যত ব্যস্ত আছিলোঁ। মোৰ ভাগ্য ভাল— সেই কাৰ্যক্ৰমত কাম কৰাৰ বাবেই মোক প্ৰকল্প সঞ্চালকৰ দায়িত্বভাৰ অৰ্পণ কৰা হৈছিল।

প্ৰফেছৰ সতীশ ধাৱান ডাঙৰীয়াই দেশক, ঘাইকৈ যুৱ সম্প্ৰদায়ক এনে এক মহান নেতৃত্বৰ গুণ দি গৈছে যিটো বস্তু কোনো প্ৰবন্ধন (মেনেজ্‌মেণ্ট) বিষয়ক কিতাপত পোৱা নাযায়। ব্যক্তিগত আৰ্হিৰ জৰিয়তে তেখেতে মোক বহুত শিক্ষা দি গৈছে। তেখেতৰ পৰা মই যিটো মহত্ত্বপূৰ্ণ শিকনি পাইছিলোঁ সেইটো হ'ল এই যে মিছন এটা কাৰ্যকৰী হৈ থকা সময়ত বা চলি থকা সময়ত তাত কিছুমান সমস্যাৰ উদ্ভৱ হ'ব পাৰে, অসফলতা আহিব পাৰে; কিন্তু অকৃতকাৰ্যতা বা অসফলতাই সেই কাৰ্যক্ৰম প্ৰভাৱিত কৰিব নালাগিব। নেতাজনে সমস্যাটোক বশ কৰিব লাগিব, পৰাস্ত কৰিব লাগিব আৰু দলটোক সফলতাৰ পিনে আগুৱাই নিব লাগিব। সেই তেতিয়াৰে পৰা মোৰ অন্তৰত এই ধাৰণাৰ সাঁচ দকৈ বহি গ'ল আৰু গোটেই জীৱন ধৰি এই জ্ঞানে মোক পোনকৈ থিয়কৈ ৰাখিছে।

প্ৰফেছৰ ব্ৰহ্ম প্ৰকাশ

মোক অনুপ্ৰাণিত কৰা আন এজন মহান শিক্ষক আছিল ব্ৰহ্ম প্ৰকাশ। মই যেতিয়া উপগ্ৰহ উৎক্ষেপণ যান-৩ কাৰ্যক্ৰমৰ প্ৰকল্প সঞ্চালক হিচাপে কাম কৰি আছিলোঁ তেতিয়া প্ৰফেছৰ ব্ৰহ্ম প্ৰকাশ আছিল বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰৰ (VSSC) ৰ সঞ্চালক।

সঞ্চালক হিচাপে প্ৰফেছৰ ব্ৰহ্ম প্ৰকাশে মহাকাশ বিজ্ঞান

আৰু প্ৰযুক্তিৰ বিকাশৰ বাবে শ শ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তেখেতৰ এটা সিদ্ধান্ত মই সদায়েই মনত ৰাখিম। সেইটো হ'ল— এবাৰ যেতিয়া SLV-3 ৰ দৰে কাৰ্যক্ৰমৰ অনুমোদন পোৱা যায় তেতিয়া বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰ (VSSC), ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO) ৰ দৰে বিভিন্ন সংস্থাৰ কেন্দ্ৰসমূহ আৰু বহুমুখী প্ৰয়োগশালাসমূহৰ লগতে অন্তৰীক্ষ বিভাগে কাৰ্যক্ৰমটোৰ ব্যক্ত কৰা লক্ষ্য সাধনৰ বাবে দল হিচাপে একেলগে কাম কৰিব লাগে। ১৯৭৩ চনৰ পৰা ১৯৮০ চন— এই সময়খিনিত ভয়ানক বিত্তীয় সংকট বা বিপৰ্যয় হৈছিল আৰু তেতিয়া বহুতো সৰু সৰু প্ৰকল্পৰ পৰা অলেখ প্ৰতিযোগিতামূলক দাবী আহিছিল যদিও তেনেতে SLV-3 আৰু ইয়াৰ উপগ্ৰহৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে সকলো বৈজ্ঞানিক আৰু কাৰিকৰী কামসমূহ সমন্বিত বা একীকৃত কৰিছিল।

প্ৰফেছৰ ব্ৰহ্ম প্ৰকাশ শ্ৰেষ্ঠ প্ৰবন্ধনৰ বিবৰ্তন বা বিকাশৰ বাবে প্ৰখ্যাত। এই কথাটো কেইটামান উদাহৰণ দি বুজাই দিয়া ভাল হ'ব। প্ৰথমবাৰ তেৱেঁই ৰোহিণী উপগ্ৰহ কক্ষত স্থাপিত কৰা মিছন সফল কৰাৰ উদ্দেশ্যে SLV-3 কাৰ্যক্ৰমৰ বাবে ব্যাপক প্ৰৱন্ধন যোজনা বিকশিত কৰিছিল। মোৰ কৰ্ম বাহিনীয়ে মাত্ৰ তিনি মাহৰ ভিতৰতে SLV-3 প্ৰৱন্ধন যোজনা তৈয়াৰ কৰাৰ পিছত তেওঁ অন্তৰীক্ষ বিজ্ঞান সমিতিৰ প্ৰায় পোন্ধৰখনমান বৈঠক বহুৱালে। চৰ্চা আৰু অনুমোদনৰ পিছত এই প্ৰৱন্ধন যোজনাত প্ৰফেছৰ ব্ৰহ্ম প্ৰকাশে স্বাক্ষৰ কৰে। এইদৰে এই যোজনা 'পূৰা' সংগঠনৰ এক মাৰ্গ দৰ্শনকাৰী দস্তাবেজ হৈ পৰিল।

এইটো আছিল ৰাষ্ট্ৰীয় স্বপ্নক মিছনস্তৰীয় কাৰ্যক্ৰমলৈ ৰূপান্তৰিত কৰাৰ আৰম্ভণি। প্ৰৱন্ধন যোজনা বিকাশৰ সময়ত, কেনেকৈ বহুমুখী বা বিভিন্ন প্ৰকাৰৰ চেতনা বা বিচাৰ আমাৰ চকুৰ আগত উদ্ভাসিত হ'ল সেইটো মই দেখিলোঁ। তদুপৰি মুখ্য মিছনৰ পৰিপ্ৰেক্ষিতত মানুহে কিদৰে নিজৰ

মিছন এটা কাৰ্যকৰী হৈ থকা সময়ত বা চলি থকা সময়ত তাত কিছুমান সমস্যাৰ উদ্ভৱ হ'ব পাৰে, অসফলতা আহিব পাৰে। কিন্তু অকৃতকাৰ্যতা বা অসফলতাই সেই কাৰ্যক্ৰম প্ৰভাৱিত কৰিব নালাগিব।

ব্যক্তিত্বক হেৰুৱাব বুলি শংকিত হৈছিল তাকো দেখিলোঁ। ই আটাইৰে মনত ক্ৰোধ আৰু প্ৰতিবাদৰ সৃষ্টি কৰিছিল। এটাৰ পিছত এটাকৈ হোঁপা চিগাৰেটৰ ধোঁৱাৰ মাজত চলি থকা প্ৰৱন্ধনৰ বিভিন্ন বৈঠকৰ মাজতে প্ৰফেছৰ ব্ৰহ্ম প্ৰকাশে উজ্জ্বল হাঁহি মাৰি আছিল আৰু তেওঁৰ বিনম্ৰ উপস্থিতিত মানুহৰ মনৰ পৰা ক্ৰোধ, শংকা আৰু পূৰ্ব ধাৰণা সকলো নিমিষতে নোহোৱা হ'ল।

সম্প্ৰতি, ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ বিভিন্ন ক্ষেত্ৰত অন্তৰীক্ষ কাৰ্যক্ৰম, প্ৰক্ষেপণ যান, মহাকাশ যান, বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা আৰু প্ৰক্ষেপণ মিছন সুসংগতভাৱে আৰু সহযোগিতাৰে চলি আছে। মই সেই মহান আত্মাৰ প্ৰতি কৃতজ্ঞতা জনাইছোঁ। যিজন ভাৰতীয় বিজ্ঞান • সংস্থানৰ ধাতু কৰ্ম বিজ্ঞানৰ প্ৰসিদ্ধ অধ্যাপক আৰু উৎকৃষ্ট প্ৰৱন্ধনৰ ধাৰণা বিকশিত কৰা কামত নিজক নিয়োজিত কৰিছিল।

প্ৰফেছৰ এম জি কে মেনন

আপাত দৃষ্টিত অসংযুক্তভাৱেই হওক অথবা সংযুক্তভাৱেই হওক— মোৰ জীৱনত কিছুমান অতুলনীয় ঘটনা ঘটি গৈছে আৰু সেইবোৰ ঘটনা ঘটাৰ গুৰিতে আছিল দুজন মহান বিজ্ঞানী।

১৯৬২ চনত মই ৰক্ষা মন্ত্ৰালয়ৰ অধীনস্থ এৰোনটিকেল ডেভেলপ্‌মেণ্ট্ এষ্টাবলিছমেণ্ট্ (ADE)ত জ্যেষ্ঠ বিজ্ঞানী সহায়ক পদত কাম কৰি আছিলোঁ। তেতিয়া মই হোভাৰ-ক্ৰেফ্‌ট* বিকাশৰ কাৰ্যসূচীত নেতৃত্ব দিছিলোঁ আৰু হোভাৰ-ক্ৰেফ্‌টৰ আৰ্হি প্ৰস্তুতকৰণ, বিকাশ আৰু পাইলটিঙৰ ক্ষেত্ৰত মই চোৱা-চিতা কৰিব লাগিছিল।

এদিনাখনৰ কথা। আমাৰ প্ৰতিষ্ঠানৰ সঞ্চালক মহোদয়ে মোক মাতি নি ক'লে যে ADE-লৈ মহান বিজ্ঞানী এজন

* ভাসমান যান/মাটি বা পানীৰ অলপ ওপৰেদি আলাসেৰে ওপঙি যাব পৰা এবিধ যান।

আহিব। তেখেতক মই হোভাৰ-ক্ৰেফ্‌টৰ আৰ্হি সম্পৰ্কে ব্যাখ্যা কৰাৰ লগতে উৰণ প্ৰদৰ্শনো কৰি দেখুৱাব লাগিব। মই দেখোঁ— মোৰ সন্মুখত দীঘল দীঘল ডাড়িৰে দাৰ্শনিকৰ দৰে চেহেৰাৰ লোক এজন থিয় দি আছে। তেৱেঁই টাটা ইন্‌ষ্টিটিউট্ অব্ ফাণ্ডামেণ্টেল ৰিছাৰ্চৰ তদানীন্তন সঞ্চালক প্ৰফেছৰ এম জি কে মেনন। হে ভগৱান! মাত্ৰ বিশটা মান মিনিটৰ ভিতৰতে তেওঁ মোক কিমানবোৰ যে প্ৰশ্ন নকৰিলে! লগে লগে মই তেখেতক হোভাৰ-ক্ৰেফ্‌টৰ সহযাত্ৰী হিচাপে লৈ উৰাজাহাজ উড্ডয়ন আৰু অৱতৰণ কৰা পিচ দিয়া পথত সুন্দৰ বাগি দিয়া কৌশলেৰে উৰণ প্ৰদৰ্শন কৰি দেখুৱালোঁ। মই ভাবিছিলোঁ— তেৱোঁ অন্য দহজন ভি আই পিৰ দৰে অহা আৰু যোৱা কৰা লোক— কথা সিমানতে শেষ।

কিন্তু সিমানতে শেষ নহ'ল। তাৰ এসপ্তাহৰ পিছত মই এখন তাঁৰ [সেই সময়ত ই-মেইলৰ প্ৰচলন নাছিল] পালোঁ। তাঁৰখনত মোক মুম্বাইত TIFR-ত ৰকেট ইঞ্জিনীয়াৰ পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া সাক্ষাৎকাৰত উপস্থিত থাকিবলৈ কোৱা হৈছিল। আমাৰ ADE-ৰ সঞ্চালক মহোদয়ে মোক এটা সহায় কৰিলে। তেখেতে হেড্‌কোৱাৰ্টাৰৰ পৰা অনুমতি সাপেক্ষে মোৰ বাবে এটা বিমান যাত্ৰাৰ ব্যৱস্থা কৰি দিলে। মই সাক্ষাৎকাৰ দিবলৈ গ'লোঁ। সাক্ষাৎকাৰ সমিতিত তিনিজন ব্যক্তি বহি আছিল। এজন আছিল প্ৰফেছৰ বিক্ৰম সাৰাভাই। তেখেতৰ লগত মোৰ সেয়েই প্ৰথম সাক্ষাৎ। দ্বিতীয়জন আছিল প্ৰফেছৰ এম জি কে মেনন আৰু তৃতীয়জন প্ৰশাসনৰ তৰফৰ পৰা অহা শ্ৰী সাফ। কি যে সাক্ষাৎকাৰ আছিল সেইটো! প্ৰফেছৰ সাৰাভায়ে মই নজনা কথাবোৰ সুধি নাথাকি জনা কথাৰ ওপৰত প্ৰশ্ন সুধিছিল। কাৰণ মোৰ বাবে সেইটো নতুন ধৰণৰ সাক্ষাৎকাৰ আছিল। এঘণ্টাৰ ভিতৰতে সাক্ষাৎকাৰ শেষ

হোৱাৰ পিছত মোক নিৰ্বাচিত হোৱা বুলি জনালে। এইদৰে মোৰ জীৱনৰ দিশে প্ৰতিৰক্ষা বিভাগৰ পৰা মহাকাশ কাৰ্যক্ৰমলৈ মোৰ ল'লে।

ড° ৰাজা ৰামান্না

SLV-3 মিছন সম্পূৰ্ণ হোৱাৰ লগে লগে মোৰ জীৱনৰ এটি নতুন অধ্যায় আৰম্ভ হ'ল। ১৯৮১ চনত ডেৰাডুনস্থিত ডিফেন্স্ ইলেক্ট্ৰনিক্‌ছ এপ্লিকেশ্যন লেবোৰেটৰী (DEAL)-ত ৰাষ্ট্ৰৰ উদ্দেশ্যে সফল প্ৰৌদ্যোগিকী আৰু বৈজ্ঞানিক কাৰ্যক্ৰমৰ প্ৰস্তুতিৰ সন্দৰ্ভত এলানি বক্তৃতামালাৰ আয়োজন কৰা হৈছিল। মোৰ বক্তৃতাটোৰ আগে আগে ৰক্ষামন্ত্ৰীৰ তদানীন্তন বৈজ্ঞানিক উপদেষ্টা ড° ৰাজা ৰামান্নাই পোখৰান-১ পাৰমাণৱিক পৰীক্ষা আৰু তাৰ কাৰিকৰী বা প্ৰৌদ্যোগিক আৰু প্ৰৱন্ধনৰ প্ৰত্যাহ্বানৰ ওপৰত এটা বক্তৃতা দিলে। মই আছিলোঁ দ্বিতীয় বক্তা। সভাখনত সভাপতিৰ আসন অলংকৃত কৰিছিল স্বয়ং ড° ৰাজা ৰামান্নাই।

মই যিটো বিষয়ৰ ওপৰত চৰ্চা কৰিলোঁ সেইটো হ'ল ভাৰতবৰ্ষৰ প্ৰথম উপগ্ৰহ উৎক্ষেপণ যানৰ বিকাশ সাধনৰ বাবে প্ৰৱন্ধন ব্যৱস্থাৰ বিকাশ বা বিৱৰ্তন। দুপৰীয়া আহাৰ গ্ৰহণৰ সময়ত ড° ৰাজা ৰামান্নাই মোক এইবুলি খবৰ দিয়ালে যে তেখেতে মোক দহ মিনিটৰ বাবে লগ পাব খোজে। সেই কথাটো মোৰ আজিও মনত আছে। দিনটো আছিল ১৯৮১ বৰ্ষৰ মাৰ্চ মাহৰ কোনোবা এটা দেওবাৰ। সময় সন্ধিয়া ৫ বজা। মহান পৰমাণু বিজ্ঞানী ড° ৰাজা ৰামান্নাই মোক ক'লে যে ডিফেন্স্ ৰিছাৰ্চ এণ্ড ডিজাইন অৰ্গেনাইজেচনে কল্পনা কৰা ক্ষেপণাস্ত্ৰ কাৰ্যক্ৰমৰ নেতৃত্ব দিব পৰা ক্ষমতা মোৰ আছে বুলি তেওঁ পতিয়ন গৈছে। এই কাৰ্যক্ৰমৰ বাবে মুখ্য লেবৰেটৰী আছিল ডিফেন্স ৰিছাৰ্চ এণ্ড ডিজাইন লেবৰেটৰী (DRDL) আৰু তেখেতে মোক তাৰ সঞ্চালক হ'বলৈ আমন্ত্ৰণ কৰিলে। মই আনন্দত আত্মহাৰা হ'লোঁ। ৰক্ষা বিভাগত মোৰ পুনৰ প্ৰৱেশ কাহিনীৰ সেয়া আছিল আৰম্ভণি।

ইয়াৰ পিছত ক্ষেপণাস্ত্ৰ কাৰ্যক্ৰমৰ বিকাশ আৰম্ভ হৈছিল। ইয়াৰ পিছৰখিনি ইতিহাস। এইজন মহান আত্মা বাংগালোৰৰ কাউন্সিল অব্ দ্য ইণ্ডিয়ান ইন্‌ষ্টিটিউট্ অব্ ছায়েন্সৰ অধ্যক্ষ আছিল আৰু তেৰেঁই দহ বছৰৰো অধিক কাল ধৰি উক্ত সংস্থাৰ ভাগ্য নিয়ন্ত্ৰিত কৰিছিল।

দ্বিতীয়বাৰ কোনো এটা সংস্থাত সোমালে যি সমস্যা হয় ৰক্ষা বিভাগত মোৰো পুনৰ প্ৰৱেশত এক কঠিন পৰীক্ষা হ'ল। যদিও ড° ৰাজা ৰামান্নাই মোক নিৰ্বাচিত কৰিলে প্ৰফেছৰ সতীশ ধাৱানে ভাবিলে যে মই য'ত কাম কৰিব লাগিব সেই পৰিৱেশত কাম কৰি সফল হ'ব নোৱাৰিম। অৱশ্যে প্ৰফেছৰ সতীশ ধাৱানৰ ঘনিষ্ঠ বন্ধু— IISC-ৰ তদানীন্তন সঞ্চালক প্ৰফেছৰ ৰামশেষণে যেনিবা মোক উদ্ধাৰ কৰিলেহি। মোৰ যৌগ পদাৰ্থৰ বিকাশত থকা ৰাপৰ বাবে তেওঁৰ সৈতে ঘনিষ্ঠ হৈ পৰিলোঁ। প্ৰফেছৰ ৰামান্নাৰ কথা মতে প্ৰফেছৰ ধাৱানে মোক ডি আৰ ডি অ'ত পুনৰ প্ৰৱেশৰ অনুমতি দিলে। অন্যথা মোৰ পুনৰ প্ৰৱেশ সম্ভৱ নহ'লহেঁতেন।°

মহান স্বপ্নদ্ৰষ্টা

প্ৰযুক্তি আৰু উদ্ভাৱনীমূলক প্ৰৱন্ধনক আহিলা হিচাপে ব্যৱহাৰ কৰি নিজৰ নিজৰ ক্ষেত্ৰত মূল সাধন ক্ষমতা নিৰ্মাণৰ জৰিয়তে ভাৰতৰ স্বৰূপ ৰূপান্তৰিত কৰা স্বপ্নদ্ৰষ্টাকেইজনৰ ভিতৰত অগ্ৰণী হ'ল শ্ৰী চী সুব্ৰহ্মণ্যম্। তেওঁ ৰাজনৈতিক নেতা আৰু কৃষি বিজ্ঞানী আছিল আৰু প্ৰফেছৰ এম এছ স্বামীনাথনৰ সহযোগত ভাৰতবৰ্ষত ষাঠিৰ দশকত সেউজ বিপ্লৱৰ সূচনা কৰিছিল। এই সেউজ বিপ্লৱ নোহোৱা হ'লে খাদ্যৰ ক্ষেত্ৰত আমাৰ দিন ভিক্ষা প্ৰাণ ৰক্ষা বা পেটে-ভাতে খাব পৰা অৱস্থা হৈয়েই থাকিলহেঁতেন। সেই একে সময়তে, ভাৰতবৰ্ষক পৃথিৱীৰ সৰ্ববৃহৎ দুগ্ধ উৎপাদনকাৰী দেশ হিচাপে ৰূপান্তৰিত কৰাৰ বাবে ড° ভাৰ্গীজ কুৰিয়েনে শ্বেত বিপ্লৱৰ প্ৰৱৰ্তন কৰিছিল।

ৰূপান্তৰণ
দূৰদৃষ্টিসম্পন্ন স্বপ্ন অথবা কল্পনা, উদ্ভাৱনী মন অথবা চিন্তা প্ৰেৰণাদায়ক উৎসাহ বা শক্তিৰ পৰিণাম।

পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত ড° হোমী ভাবাই গৱেষণা আৰু প্ৰকল্পসমূহ পৰিচালনা কৰিছিল যাৰ ফলস্বৰূপে, বিদ্যুৎ উৎপাদনৰ পৰ্যাপ্ত বিকাশ, পাৰমাণৱিক ঔষধ আৰু পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ বিকাশ হৈছিল।

ভৱিষ্যদ্ৰষ্টাই নতুন ৰাষ্ট্ৰ নিৰ্মাণ কৰিব পাৰে

ৰাষ্ট্ৰপতি শ্বেখ জায়েদ বিন চুলতান অল নহায়াঁই ১৯৬৬ চনৰ পৰা আবুধাবি এমিৰাটৰ শাসক আছিল। সংযুক্ত আৰৱ এমিৰাট সংঘৰ স্থাপনত তেওঁ মুখ্য ভূমিকা লৈছিল। এই সংঘ গঠিত হয় ১৯৭১ চনত। সেই সময়ত উক্ত অঞ্চলটো মৰুভূমি আছিল আৰু উট আছিল সকলোৰে বাবে প্ৰকৃষ্ট পৰিবহনৰ মাধ্যম। আবুধাবি এমিৰাট আৰু সংযুক্ত আৰৱ এমিৰাটৰ অন্যান্য ৰাজ্যসমূহ বৰ দৰিদ্ৰ আৰু অনুন্নত আছিল। তাৰ অৰ্থনীতি ঘাইকৈ মাছমৰা আৰু সমুদ্ৰ-তটত মুকুতা বিচৰা পৰম্পৰাগত কামৰ ওপৰত নিৰ্ভৰশীল আছিল। কিন্তু জাপানে মাৰ্জিত (শোধিত) মুকুতা আৱিষ্কাৰ কৰাৰ লগে লগে উপসাগৰীয় অঞ্চলৰ উচ্চ গুণসম্পন্ন প্ৰাকৃতিক মুকুতাৰ বিশ্ব বিয়পা বজাৰ পৰি গ'ল। ফলস্বৰূপে, সেই দেশে নিজৰ অৰ্থনৈতিক বিকাশৰ বাবে মুকুতাৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰা হ'ল।

কিন্তু এইবোৰ এতিয়া অতীত হৈ গৈছে। সম্প্ৰতি সেই অৱস্থাৰ সম্পূৰ্ণ সলনি হৈছে। বৰ্তমানে সেই ঠাইত দহটা লেনযুক্ত বিশাল ৰাস্তা, আধুনিক পৰিবহন ব্যৱস্থা, সুন্দৰ উদ্ভিদ আৰু প্ৰাণীকুল, মছজিদ, কল-কাৰখানা, স্বাস্থ্য কেন্দ্ৰ, বিদ্যালয়, সাঁতোৰা পুষ্কৰিণী (ছুইমিং পুল) আৰু প্ৰত্যেক নাগৰিকৰ বাবে ভাল ভাল জীৱিকা সুলভ হৈছে। মাত্ৰ চাৰিটা দশকৰ ভিতৰতে হোৱা এই পৰিৱৰ্তন সম্ভৱ হৈছে একমাত্ৰ ৰাষ্ট্ৰপতি শ্বেখ জায়েদৰ দৰে মহান ব্যক্তিজনৰ দূৰদৰ্শী কল্পনা, উদ্ভাৱনী চিন্তা আৰু অনুপ্ৰেৰণামূলক উৎসাহ-উদ্দীপনাৰ বাবে। সেই ব্যক্তিগৰাকীয়েই মৰুভূমিক সুন্দৰ চহৰলৈ আৰু সা-সুবিধাৰে ভৰা বাসোপযোগী গাঁৱলৈ ৰূপান্তৰিত কৰিলে— য'ত উন্নত দূৰ সঞ্চাৰ ব্যৱস্থা, উৎকৃষ্ট পৰিবহন

ব্যৱস্থা আছে আৰু জনমূৰি আয় ঊৰ্ধ্বগামী হৈছে।

এনেদৰে সকলো কামেই সম্ভৱপৰ— এই দৃঢ় বিশ্বাস মনত লৈ ডুবাইৰ পূৰ্ব শাসক শ্বেখ ৰছিদে বন্দৰ স্থাপন, বায়ু আৰু পথ পৰিবহন আৰু ব্যৱসায়-বাণিজ্যৰ বিভিন্ন যোজনা ৰূপায়িত কৰিছিল। এই সমগ্ৰ পৰিৱৰ্তনৰ গুৰিতে তাৰ শাসকসকলৰ দূৰদৃষ্টিৰ দ্বাৰা চালিত ব্যাপক প্ৰয়াস।

সংযুক্ত আৰব এমিৰাটৰ এই দুই মহান আত্মাক স্বপ্ন আৰু দূৰদৃষ্টি আয়ত্ত কৰিবলৈ কিহে প্ৰেৰিত কৰিছিল ? মই যিটো উত্তৰ পালোঁ সেইটো হ'ল এই যে এই স্বপ্নদ্ৰষ্টাকেইজনৰ নিজ দেশৰ মানুহৰ প্ৰতি প্ৰেম আছিল। তেওঁলোক নিজ দেশৰ মানুহক উপযুক্ত সা-সুবিধা থকা আবাস, সংস্থান আৰু ভাল পৰিৱেশ দিব বিচাৰিছিল। উদাহৰণস্বৰূপে, মৰুভূমিত পানীয়েই আটাইতকৈ দুৰ্লভ বস্তু। কিন্তু এতিয়া পানী সহজে পাব পৰা হৈছে— সাগৰৰ পানী লৱণমুক্তকৰণ কৰি যোগান ধৰা হৈছে। মই আবুধাবিত এটা বৃহৎ লৱণমুক্তকৰণ প্ৰকল্প দেখিবলৈ পাইছোঁ। মৰুভূমিৰ অৱস্থা সত্ত্বেও ভগৱানে তেওঁলোকক ভূগৰ্ভ আৰু সমুদ্ৰ-তটৰ পৰা উপলব্ধ তেল, প্ৰাকৃতিক গেছ আৰু শক্তি উৎপাদনৰ আশীৰ্বাদ প্ৰদান কৰিছে।

কিবা এটা সম্পন্ন কৰাৰ উদ্দেশ্যে সততে লাগি থকা লোকক দেখিও তেওঁ অনুপ্ৰাণিত আৰু সক্ৰিয় হৈ উঠিছিল।

এই দূৰদৰ্শী স্বপ্নদ্ৰষ্টাকেইজনে আৰব সংযুক্ত এমিৰেটছৰ সৰ্বতো প্ৰকাৰ উন্নয়নৰ বাবে তেল আৰু প্ৰাকৃতিক গেছৰ যথোচিত প্ৰয়োগ কৰিছে আৰু এই নতুন সম্পদৰ লাভালাভ মানুহে যাতে পাব পাৰে সেইটো নিশ্চিত কৰিছে।[৪]

আপোনাক কিহে অনুপ্ৰাণিত কৰে?

মহাকাশলৈ যোৱা প্ৰথম ভাৰতীয় নাৰী কল্পনা চাওলাৰ কথা আমি আটাইয়ে জানোহঁক। আমাৰ সমগ্ৰ তৰুণ প্ৰজন্মৰ বাবে তেওঁ এক বৃহৎ অনুপ্ৰেৰণাৰ উৎস। কল্পনা চাওলাই নিজকে আকাশী গংগাৰ কন্যা বুলি কৈছিল। পাঠ্যক্ৰমত মনোনিবেশ কৰাৰ বাবে শিক্ষকসকলে তেওঁৰ প্ৰতি যিমান যত্ন লৈছিল সিয়েই তেওঁক বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। কিয়নো শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ মনত ন ন ধাৰণাৰ জন্ম দিয়াৰ বাবে তেওঁলোকে পৰীক্ষা-নিৰীক্ষা কৰাত যি অতিৰিক্ত সময় দিয়াইছিল সেই কথাই তেওঁক অনুপ্ৰাণিত কৰিছিল। তেওঁ কৈছিল যে সকলো স্তৰৰ মানুহৰ পৰা প্ৰতিদিনে তেওঁ অনুপ্ৰেৰণা লাভ কৰিছিল। কিবা এটা সম্পন্ন কৰাৰ উদ্দেশ্যে সততে লাগি থকা লোকক দেখিও তেওঁ অনুপ্ৰাণিত আৰু সক্ৰিয় হৈ উঠিছিল।[৫] ❑

২

মোৰ শিক্ষাগুৰুসকল



সাত বছৰৰ বাবে শিশু এটিক
মোৰ হাতত তুলি দিয়া
তাৰ পিছত ভগবান
অথবা অপদেৱতা যিযেই নহওক
শিশুটিক লৈ যাবলৈ দিয়া
কিন্তু এইটো ঠিক
তেওঁলোকৰ কোনেও
সেই শিশুটিক
সলনি কৰিব নোৱাৰে।[১]

মোৰ শিক্ষাগুৰুসকল

শিক্ষকৰ ভূমিকা আৰু দায়িত্ব

শিক্ষকসকলৰ মহান লক্ষ্য হ'ল যুৱ সম্প্ৰদায়ৰ মন প্ৰজ্বলিত কৰা। তৰুণসকলৰ প্ৰজ্বলিত মনবোৰ এই ধৰাৰ বুকুত, ধৰাৰ ওপৰত আৰু ভূ-তলত আটাইতকৈ শক্তিশালী সম্পদ।[২] শিক্ষকৰ ভূমিকা দৃষ্টান্ত বা পটন্তৰস্বৰূপ 'জখলা'ডালৰ নিচিনা। এই জখলাডালেদিয়েই সকলো মানুহে জীৱনৰ উচ্চ ধাপলৈ আৰোহণ কৰে— কিন্তু জখলাডাল য'তে আছিল ত'তে থাকে। 'সাপ আৰু জখলা'ৰ খেলটোৰ কথাকে ধৰক— জখলাডালে মানুহ এজনক সৰ্পৰ ৰাজ্য অথবা সীমাহীন সৌভাগ্যৰ জগতলৈকো লৈ যাব পাৰে। এই মহান বৃত্তিটোৰ গতি-প্ৰকৃতিও তেনেকুৱাই। আমাৰ সমাজত আৰু তৰুণ এজনৰ জীৱনত শিক্ষক এগৰাকীৰ অৱস্থান পিতৃ-মাতৃৰ

পিছত, কিন্তু ভগৱানৰ আগত— মাতা, পিতা, গুৰু,— তাৰ পিছত 'দেয়ম্' অৰ্থাৎ ঈশ্বৰ। এই ধৰণৰ স্বীকৃতিৰ পিছত মোৰ বিশ্বাস— পৃথিৱীত এনে কোনো বৃত্তি নাই যিটো শিক্ষকতাতকৈ সমাজৰ বাবে বেছি মহত্ত্বপূৰ্ণ।[৩]

মানুহৰ জীৱনটোক গঢ় দিয়াৰ ক্ষেত্ৰত শিক্ষকৰ— যাইকৈ বিদ্যালয় শিক্ষকসকলৰ বেছ গধুৰ দায়িত্ব আছে। শৈশৱ কালটো যেনিবা আধাৰশিলা— য'ত নেকি গোটেই জীৱনৰ সংৰচনা বৰ্তি থাকে। শৈশৱত যেনেকুৱা বীজ সিঁচা হয় জীৱনত তেনেকুৱা বৃক্ষৰেই ফুল প্ৰস্ফুটিত হয়। মনৰ বিকাশ হ'বলৈ ধৰা পৰ্যায়ত অথবা শৈশৱ কালত যি শিক্ষা দিয়া হয় সেই শিক্ষা কলেজ অথবা বিশ্ববিদ্যালয়ৰ শিক্ষাতকৈ বহু বেছি গুৰুত্বপূৰ্ণ।[৪]

মোৰ বিশ্বাস পৃথিৱীত এনে কোনো বৃত্তি নাই যিটো শিক্ষকতাতকৈ সমাজৰ বাবে বেছি মহত্ত্বপূৰ্ণ।

ল'ৰা-ছোৱালীৰ চৰিত্ৰৰ গঢ় দিয়া আৰু শিশুৰ শিক্ষাৰ সামৰ্থ্যক বৃদ্ধি কৰাৰ বাবে মূল্যবোধ সঞ্চাৰিত কৰাটোৱেই শিক্ষাৰ লক্ষ্য হোৱা উচিত। তেওঁলোকৰ অন্তৰত এনে আত্মবিশ্বাসৰ জন্ম দিয়ক যাতে ছাত্ৰজন উদ্ভাৱক আৰু সৃষ্টিশীল হ'ব পাৰে। এইটোৱে তেওঁলোকক ভৱিষ্যতৰ মুখামুখি হ'বলৈ প্ৰতিযোগী কৰিব।

শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক শিকাৰ পদ্ধতি শিকাব লাগে যাতে তেওঁলোকে সমগ্ৰ জীৱন ধৰি স্বয়ংক্ৰিয় বা স্বতন্ত্ৰ শিকাৰু হ'ব পাৰে। গোটেই জীৱন ধৰি তেওঁলোকে এই অভ্যাসৰ অনুশীলন কৰি থাকিবলৈ শিকাব লাগে।

এটা কথা লক্ষ্য কৰা যায় যে শিক্ষকসকল সাধাৰণতে কেইজনমান ভাল ফলাফল দেখুৱাব পৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিহে আকৰ্ষিত হয় আৰু সিহঁতে যাতে আৰু বেছি সফলতা লাভ কৰিব পাৰে তাৰ বাবে সেই কেইজন ছাত্ৰ-ছাত্ৰীকে উৎসাহিত কৰি থাকে। কিন্তু শিক্ষকৰ যাই ভূমিকা হ'ল তেওঁলোকে

পঢ়া-শুনাত দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বোধশক্তি আৰু শিকাৰ প্ৰবৃত্তি বঢ়াবৰ বাবে প্ৰয়াস কৰিব লাগে। সেইজন শিক্ষকহে প্ৰকৃত গুৰু হোৱাৰ যোগ্য।

এইখিনিতে আমাৰ দেশৰ এজন মহান নেতাৰ কথা উনুকিয়াব বিচাৰিছোঁ। তেওঁ হ'ল ড° ভীমৰাও আম্বেদকাৰ! আম্বেদকাৰৰ নামটোৰ ঘাই তাৎপৰ্য তেওঁৰ পূৰা নামটোতহে নিহিত আছে— ভীমৰাও আম্বেদকাৰ। ভীমৰাও এজন অস্পৃশ্য ছাত্ৰৰ নাম। আনহাতে উচ্চ বংশৰ ব্ৰাহ্মণ আম্বেদকাৰ আছিল তেওঁৰ শিক্ষক। আম্বেদকাৰে তেওঁৰ ছাত্ৰ ভীমৰাওৰ খুব যত্ন লৈছিল। ছাত্ৰজনক জ্ঞান দিয়াৰ উপৰি তেওঁ প্ৰায়েই নিজৰ দুপৰীয়াৰ আহাৰো তাৰ সৈতে ভগাই খাইছিল। পঢ়া-শুনা শেষ হোৱাৰ পিছত ভীমৰাও যেতিয়া এজন বেৰিষ্টাৰ হ'ল তেওঁ নিজৰ শিক্ষাগুৰুৰ নাম স্মৰণীয় কৰি ৰখাৰ বাবে নিজৰ নামটো সলনি কৰি ভীমৰাও আম্বেদকাৰ কৰিলে।[৫]

শিক্ষকৰ গুণ

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ এজন মহান শিক্ষক আছিল। তেওঁ আমাৰ দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি। তেওঁ শিক্ষকসকলক এইবুলি উপদেশ দিছিল, "আমি সততে বৌদ্ধিক নিষ্ঠা আৰু বিশ্বজনীন দয়া-মমতাৰ অন্বেষণ কৰিব লাগে। এই দুটা গুণেই প্ৰকৃত শিক্ষক এজনক চিহ্নিত কৰে।"[৬]

শিক্ষকে শিক্ষাদান বৃত্তিক ভাল পাব লাগিব। তেওঁ নিজৰ বৃত্তিৰ প্ৰতি দায়বদ্ধও হ'ব লাগিব। শিক্ষকসকল আজীৱন শিকাৰু হ'ব লাগিব। তেওঁ বিষয়সমূহৰ সৈদ্ধান্তিক আৰু ব্যৱহাৰিক কথাবোৰ পঢ়ুৱালেই নহ'ব, ছাত্ৰসকলৰ মনত আমাৰ মহান ঐতিহ্য আৰু সামাজিক মূল্যবোধৰ আধাৰো প্ৰস্তুত কৰিব লাগিব। শিক্ষকসকলে আধুনিক প্ৰযুক্তিৰ সহায়ত

ছাত্রসকলক স্বয়ংক্ৰিয় শিকাৰু হিচাপে উপযুক্ত কৰি তুলিব লাগিব।[৭]

মোক প্ৰভাৱিত কৰা শিক্ষাগুৰুসকল

মোৰ শিক্ষাগুৰুসকলে মোৰ জীৱনত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মই দুজন শিক্ষকৰ কথা খুব ভালকৈ মনত ৰাখিছোঁ। তেওঁলোক দুজনে মোক বিশেষভাৱে প্ৰভাৱিত কৰিছিল আৰু জীৱনটোক গঢ় দিয়াত সহায় কৰিছিল।

মোৰ প্ৰথম শিক্ষাগুৰু

শিক্ষকসকল দেশৰ ৰাজহাড়। তেওঁলোক একো একোটা স্তম্ভ যাক নিৰ্ভৰ কৰি দেশৰ আশা-আকাঙ্ক্ষা বাস্তৱতালৈ ৰূপান্তৰিত হয়।

মই ৰামেশ্বৰমৰ বিদ্যালয়ত পঞ্চম শ্ৰেণীত পঢ়ি থাকোঁতে শ্ৰীশিৱ সুব্ৰমণ্যম্ আয়াৰ আছিল মোৰ শিক্ষাগুৰু। তেখেত আমাৰ বিদ্যালয়ৰ অন্যতম যোগ্য শিক্ষক আছিল। সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ শ্ৰেণীত উপস্থিত থাকিবলৈ ভাল পাইছিল।

এদিনাখনৰ কথা। চৰায়ে কেনেকৈ উৰে, তাৰ ওপৰত তেখেতে এটা ভাষণ দিছিল। তেখেতে কৃষ্ণ ফলি (ব্লেক্‌বোৰ্ড্)ত এটি চৰাইৰ ছবি আঁকিলে— চৰাইটোৰ ডেউকা, নেজ আৰু মূৰটোৰে সৈতে দেহৰ সম্পূৰ্ণ গঠনটো অংকন কৰিলে। চৰায়ে কিদৰে ডেউকা দুখন মাৰি উৰা মাৰে আৰু উৰি থাকোঁতে দিশ সলনি কৰিবলৈ কিদৰে নেজডাল ব্যৱহাৰ কৰে— সেই কথাটো তেখেতে আমাৰ আগত ব্যাখ্যা কৰিলে। প্ৰায় পঁচিশ মিনিটমান সময় তেখেতে আমাৰ আগত ভাষণ দিছিল আৰু উৰণ, টানি নিয়া আৰু সামূহিক উৰণ আদি ধাৰণা সম্পূৰ্ণকৈ ব্যাখ্যা কৰিছিল।

শ্ৰেণী শেষ হোৱাৰ সময়ত তেখেতে শিকোৱা কথাবোৰ আমি বুজি পালোঁ নে নাই সুধিলে। মই ক'লোঁ যে মই বুজা

নাই। আন বহু ছাত্ৰয়ো তেনেকৈয়ে ক'লে। আমাৰ কথাত শ্ৰীযুত আয়াৰ মহাশয় নিৰাশ নহ'ল। তাৰ সলনি তেখেতে আমাক আটাইকে সন্ধিয়া পৰত সমুদ্ৰ তটলৈ যাবলৈ ক'লে। সেই দিনাখন সন্ধিয়া আমাৰ গোটেই শ্ৰেণীটো ৰামেশ্বৰমৰ উপকূলত গোট খালোঁহি। আমি আটায়ে গৰ্জনমুখৰ সমুদ্ৰৰ ঢৌবোৰে বালিময় পাহাৰত খুন্দা মাৰি আছাৰ খাই পৰা দৃশ্য উপভোগ কৰিলোঁ। আমাৰ গুৰুদেৱে দহটা বা বিশটাকৈ দল বান্ধি উৰি থকা সামুদ্ৰিক চৰাইবোৰ দেখুৱালে। চৰাইৰ এনে চমৎকাৰ দল বন্ধা কাৰ্য দেখি আমি তবধ মানিলোঁ। গুৰুদেৱে আমাক চৰাইবোৰ দেখুৱাই উৰি থকা অৱস্থাত চৰাইবোৰক কেনেকুৱা দেখি আৰু সিহঁতে কেনেকৈ ডেউকা কোবায়, ইত্যাদি কথাবোৰ টুকি ল'বলৈ ক'লে। নেজডাল ভালকৈ নিৰীক্ষণ কৰিবলৈ আৰু চৰায়ে নিজৰ ইচ্ছা অনুসৰি উৰি যোৱাৰ বাবে নেজডাল কেনেকৈ ব্যৱহাৰ কৰে সেইবোৰ কথা লক্ষ্য কৰিবলৈকো ক'লে।

এজন ভাল শিক্ষকে বহু ভাবনা-চিন্তা বা পৰিকল্পনা কৰি ছাত্ৰ-ছাত্ৰীক শিকোৱাৰ বাবে নিজকে প্ৰস্তুত কৰাৰ লগতে ছাত্ৰজনক জ্ঞান লাভৰ বাবে সাজু কৰি তোলে।

তাৰ পিছত তেখেতে আমাক এটা প্ৰশ্ন সুধিলে, "চৰাইটোৰ ইঞ্জিনটো ক'ত থাকে আৰু তাত শক্তি উৎপাদিত কেনেকৈ হয়?" তেখেতে আমাক এইবুলি বুজাই দিলে যে নিজৰ জীৱটো আৰু ইচ্ছা অনুসৰি কাম কৰাৰ প্ৰেৰণাৰ জৰিয়তে চৰাইটোৰ গাত শক্তি উৎপাদিত হয়। বাস্তৱ জীৱনৰ দৃষ্টান্ত বা উদাহৰণেৰে তেখেতে আমাক এই কথাবোৰ বুজাই দিলে। শ্ৰী আয়াৰ এজন মহান শিক্ষক আছিল। তেখেতে আমাক প্ৰকৃতিৰ ভিতৰতে উপলব্ধ ব্যৱহাৰিক উদাহৰণৰ ওপৰত নিৰ্ভৰ কৰি সৈদ্ধান্তিক পাঠৰ শিক্ষা দিব পাৰিছিল। এইটোৱেই প্ৰকৃত অধ্যাপনা বা শিক্ষকতা।

চৰায়ে কেনেকৈ উৰে মোৰ বাবে সেইটো যে এটা উপলব্ধিহে মাথোন, সেইটো নহয়। চৰাইৰ উৰণৰ পাঠটোৱে মোৰ ভিতৰত এটা বিশেষ অনুভূতিৰ জন্ম দিছিল। মই নিজে

নিজে ভাবিছিলোঁ যে মোৰ ভৱিষ্যতৰ অধ্যয়নৰ পাঠ্যক্ৰম হ'ব উৰণ আৰু উৰণ পদ্ধতি সম্বন্ধীয়। শ্ৰীযুক্ত আয়াৰৰ যি বিশেষ ধৰণৰ শিক্ষা প্ৰদান আৰু মই যিটো ঘটনা প্ৰত্যক্ষ কৰিলোঁ সি মোৰ ভৱিষ্যতৰ বৃত্তি বাছনিত সহায় কৰিলে।

এদিনাখন বিদ্যালয় ছুটীৰ পিছত সন্ধিয়া মই মোৰ শিক্ষাগুৰুক সুধিলোঁ, "ছাৰ, উৰণ প্ৰণালী সম্পৰ্কে বিশদভাৱে শিকাৰ বাবে মই কিদৰে পঢ়া-শুনাত আগবাঢ়িব লাগিব কওকচোন।" তেখেতে ধৈৰ্যসহকাৰে মোক ব্যাখ্যা কৰি দিলে যে অষ্টম শ্ৰেণী পাৰ হোৱাৰ পিছত হাইস্কুললৈ যাব লাগিব। তাৰ পিছত উৰণ প্ৰণালীত শিক্ষা লাভ কৰাৰ বাবে ইঞ্জিনীয়াৰিং কলেজত আৰু পঢ়িব লাগিব। যদি মই ভালদৰে শিক্ষা সাং কৰিব পাৰোঁ তেতিয়া মই চাগৈ উৰণ বিজ্ঞানৰ সৈতে যুক্ত কিবা কৰিব লাগিব। শিক্ষাগুৰুৰ উপদেশ মতে মই কলেজলৈ গৈ পদাৰ্থ বিজ্ঞান অধ্যয়ন কৰিলোঁ। তাৰ পিছত মাদ্ৰাজ ইনষ্টিটিউট্ অব্ টেক্ন'লজীত এৰোনটিকেল ইঞ্জিনীয়াৰিং পঢিবলৈ ল'লোঁ। মোৰ শিক্ষাগুৰুৱে দিয়া উপদেশ আৰু চৰাই-উৰণৰ প্ৰদৰ্শনে মোক জীৱনৰ বাবে এটা লক্ষ্য আৰু মিছন দিলে। এইটোৱেই মোৰ জীৱনৰ গতিপথ সলনি কৰি দিলে আৰু অৱশেষত মোৰ বৃত্তি বাছনি কৰাৰ লগতে মোৰ জীৱনটো ৰকেট ইঞ্জিনীয়াৰ এৰোস্পেচ্, ইঞ্জিনীয়াৰ আৰু প্ৰযুক্তিবিদলৈ ৰূপান্তৰিত কৰিলে।[৮]

মোৰ দ্বিতীয়জন শিক্ষাগুৰু

এজন এৰোস্পেচ্ ইঞ্জিনীয়াৰ হিচাপে মই দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অধীনত কাম কৰিছিলোঁ। পিছলৈ বাংগালোৰৰ ডিফেন্স্ ডেভেলপ্মেণ্ট্ এষ্টাব্লিছ্মেণ্টত যোগদান কৰিলোঁ। তাত সঞ্চালক মহোদয়ৰ উপদেশ ক্ৰমে মই হোভাৰ-ক্ৰেফ্ট্ (মাটি বা পানীৰ অলপ ওপৰেৰে আলাসেৰে

ওপণ্ডি যাব পৰা এবিধ যান— ভাসমান যান) বিকাশ যোজনাৰ কাম হাতত ল'লোঁ।

হোভাৰ-ক্ৰেফ্‌ট্ ডিজাইনৰ বাবে আঘূৰ্ণ বা ঘূৰণ সঞ্চাৰক বলক সন্তুলিত কৰা অবাধ প্ৰবাহৰ বাবে নলীযুক্ত প্ৰতি-ঘূৰ্ণন প্ৰণোদক বিকাশ সাধন কৰিব লাগে।

মই সচৰাচৰ প্ৰচলিত প্ৰণোদকৰ ডিজাইন কৰিব জানিছিলোঁ যদিও প্ৰতি-ঘূৰ্ণন প্ৰণোদকৰ ডিজাইন বনাব নাজানিছিলোঁ। মোৰ কেইজনমান বন্ধুৱে এৰোনটিকেল গৱেষণাৰ বাবে বিখ্যাত ভাৰতীয় বিজ্ঞান সংস্থা (IISC) -ৰ প্ৰফেছৰ সতীশ ধাৱানক লগ কৰাৰ কথা ক'লে।

মই আমাৰ সঞ্চালকপ্ৰধান মেন্দিৰত্তাৰ পৰা অনুমতি লৈ প্ৰফেছৰ সতীশ ধাৱানক লগ ধৰিলোঁগৈ। তেওঁ এটা সৰু কোঠাত বহি আছিল। কোঠাটো বিভিন্ন কিতাপ-পত্ৰৰে ঠাহ খোৱা। কোঠাটোৰ এখন বেৰত কৃষ্ণফলক এখন ওলোমাই থোৱা আছিল। কি সমস্যা লৈ মই তেখেতৰ ওচৰলৈ গৈছোঁ প্ৰফেছৰ ধাৱানে মোক সুধিলে। মই মোৰ প্ৰকল্পৰ কামৰ খাতিৰত যোৱা বুলি ক'লোঁ। সেই আৰ্হি প্ৰস্তুতকৰণৰ কামটো মোক তেখেতে শিকাই দিবলৈ গাত ল'লে, কিন্তু মই পৰৱৰ্তী ছয় সপ্তাহ পৰ্যন্ত প্ৰতি শনিবাৰে দিনৰ দুই বজাৰ পৰা তিনি বজাৰ ভিতৰত ভাৰতীয় বিজ্ঞান সংস্থাৰ তেখেতৰ শ্ৰেণীত উপস্থিত থাকিব লাগিব। তেখেতে ক্লাছ আৰম্ভ হোৱাৰ আগতে মই অধ্যয়ন কৰিবলগীয়া প্ৰাসংগিক বিষয় আৰু কিতাপ-পত্ৰৰ এখন সূচী যুগুত কৰি মোক দিলে। শিকাৰ বাবে এইটো ডাঙৰ সুযোগ বুলি মই মনে মনে ভাবিলোঁ আৰু নিয়মীয়াকৈ শ্ৰেণীত উপস্থিত থাকি ড° ধাৱানৰ সান্নিধ্য লাভ কৰিবলৈ ধৰিলোঁ। প্ৰতিটো ক্লাছ আৰম্ভ হোৱাৰ আগে আগে তেখেতে মোক ইটো সিটো জটিল প্ৰশ্ন সুধি মোৰ বোধশক্তিৰ উমান লৈছিল। ভাল শিক্ষক এজনে কিমান

সতর্কতাৰে ভাবনা-চিন্তা বা পৰিকল্পনা কৰি ছাত্ৰ-ছাত্ৰীক শিকোৱাৰ বাবে নিজক প্ৰস্তুত কৰাৰ লগতে ছাত্ৰজনকো জ্ঞান লাভৰ বাবে সাজু কৰি তোলে, সেয়া মই প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিলোঁ।

এই ব্যৱস্থা পিছৰ ছয় সপ্তাহ ধৰি চলিল। ইতিমধ্যে প্ৰতি-ঘূৰ্ণন প্ৰণোদকৰ ৰূপৰেখা তৈয়াৰ কৰাৰ সমন্বিত ধাৰণাটো মই বুজি পালোঁ। তাৰ পিছত প্ৰফেছৰ ধাৱানে মোক এটা নিৰ্ধাৰিত হোভাৰ-ক্ৰেফ্‌ট সংৰচনাৰ বাবে প্ৰতি-ঘূৰ্ণন প্ৰণোদকৰ ডিজাইন তৈয়াৰ কৰিবলৈ ক'লে। সেই সময়তে মই বুজি পালোঁ যে প্ৰফেছৰ সতীশ ধাৱান কেৱল এজন মহান শিক্ষকেই নহয়— এৰোনটিকেল প্ৰণালীৰ এজন সফল ডেভেলপ্‌মেণ্ট্ ইঞ্জিনীয়াৰো আছিল। তেখেতৰ নিৰ্দেশ অনুসৰি মোৰ ডিজাইনটো প্ৰস্তুত কৰা হ'লত প্ৰফেছৰ ধাৱানে সেইটো পুংখানুপুংখভাৱে পৰীক্ষা কৰি চালে। তাৰ পিছত আমি প্ৰণোদক নিৰ্মাণ কৰিবলৈ আগবাঢ়িলোঁ। কিন্তু তাৰ বাবে লগা বিশেষ সামগ্ৰী বজাৰত সহজলভ্য নহয় বাবে প্ৰফেছৰ ধাৱানে হিন্দুস্তান এৰোনটিক্‌ছ্ লিমিটেডৰ অধ্যক্ষৰ লগত কথা পাতিলে। তেওঁৱেই সামগ্ৰীবিধ পোৱাত সহায় কৰিলে। সেই সামগ্ৰীবিধেৰে মই বহু স্তৰীয় ছেন্দ্‌ৱিচ্ছ্ কন্‌ষ্ট্ৰাক্‌চন্ আৰু এছেম্ব্‌লী ব্যৱহাৰ কৰি প্ৰণোদক নিৰ্মাণ কৰি উলিয়ালোঁ।

পৰীক্ষা কৰাৰ সময়ত কিছুমান সমস্যাৰ উদ্ভৱ হ'ল। কিন্তু যেতিয়াই দৰকাৰ হয় তেতিয়াই প্ৰফেছৰ ধাৱান আহি পৰীক্ষাটো পৰ্যবেক্ষণ কৰে আৰু সমস্যাটোৰ সমাধানত সহায় কৰে। সমস্যাহীন পৰীক্ষাৰ অৱস্থা পোৱাৰ পিছত প্ৰতি-ঘূৰ্ণন প্ৰণোদকটোৰ একেৰাহে পঞ্চাশ ঘণ্টালৈকে পৰীক্ষা কৰা হ'ল। প্ৰফেছৰ ধাৱানে নিজে আহি পৰীক্ষা কৰি চাই উঠি মোক ধন্যবাদ দিলে। আমি ডিজাইন

প্ৰস্তুত কৰা প্ৰতি-ঘূৰ্ণন প্ৰণোদকটোৱে যিদিনাখন মিছনৰ আৱশ্যকতা অনুযায়ী কাম কৰিলে সেই দিনটো মোৰ বাবে এটা ডাঙৰ দিন।

মই বিকশিত কৰা এইটোৱে প্ৰথম ডিজাইন। সেইটোত সফল হোৱাৰ পিছত মোৰ আত্মবিশ্বাস বহুখিনি বাঢ়ি গ'ল। সেই আত্মবিশ্বাসৰ বলতেই পিছৰ জীৱনত মই বহুতো জটিল এৰোস্পেচ্ প্ৰণালীৰ ডিজাইন প্ৰস্তুত কৰিলোঁ। এই পৰিযোজনাৰ জৰিয়তে মই প্ৰতি-ঘূৰ্ণন প্ৰণোদকৰ ডিজাইন কৰা কাৰিকৰী কৌশল আয়ত্ত কৰাই নহয়, বিকাশৰ পৰ্যায়ত বহু ধৰণৰ অসফলতা আহিলেও সমস্যাবোৰ আঁতৰাই প্ৰণালীটো কাৰ্যকৰী কৰিবলৈকো শিকিলোঁ।

এই দুজন শিক্ষাগুৰুৱে মোক দুটা অতি গুৰুত্বপূৰ্ণ কথা শিকালে। প্ৰথম— শিক্ষকে জ্ঞান দিয়ে আৰু বৃহৎ স্বপ্ন আৰু লক্ষ্যৰে বিদ্যাৰ্থীসকলৰ জীৱন গঢ়াত সহায় কৰে। দ্বিতীয়— শিক্ষকে বিদ্যাৰ্থীসকলৰ মনত আত্মবিশ্বাস জগায় আৰু শিক্ষা আৰু শিক্ষণ পদ্ধতিৰ জৰিয়তে তেওঁলোকৰ মনত 'মই কৰিব পাৰিম' এনে এটি মনোবল জন্ম দিয়াত সহায় কৰে।[৯]

তৰুণসকলৰ মনবোৰ প্ৰজ্জ্বলিত কৰাৰ বাবে শিক্ষকসকলৰ বৃহৎ লক্ষ্য বা মিছন আছে।

পিতৃ-মাতৃ আৰু শিক্ষকে এটা কথা বুজিব লাগিব যে এই সংসাৰৰ আমাৰ ভিতৰৰ প্ৰতিজন লোকে মানৱ ইতিহাসৰ একো একোটা পৃষ্ঠা বনাব পাৰে। মই জানো, মোৰ অভিজ্ঞতাটো মানৱ ইতিহাসত যিমান ক্ষুদ্ৰ বিন্দুৱেই নহওক কিয়, সেই বিন্দুটোৰো জীৱন আছে, দ্যুতি বা আলোক আছে। কিন্তু শিক্ষকৰ জীৱনে একেলগে বহুতো প্ৰদীপ প্ৰজ্বলিত কৰিব পাৰে।[১০]

শিক্ষক এজনে আপোনাক বহু দশক আগুৱাই নিয়ে

ত্ৰিচিৰাপল্লীৰ ছেণ্ট্ জোছেফ কলেজৰ এজন যুৱ ছাত্ৰ হিচাপে মোৰ এজন অতুলনীয় দিব্যদৰ্শন ব্যক্তিৰ সাক্ষাৎ লাভৰ

সৌভাগ্য হৈছিল। সদায় ৰাতিপুৱা কলেজ চৌহদ হৈ তেওঁ পদব্ৰজে বি. এছ. চি. আৰু এম. এ.ৰ ছাত্ৰসকলক গণিত পঢ়ুৱাবলৈ যায়। ডেকা ছাত্ৰ-ছাত্ৰীবিলাকে সম্ভ্ৰম আৰু সন্মানেৰে তেওঁলৈ ৰ' লাগি চাই থাকে। তেওঁ খোজকাঢ়ি গ'লে জ্ঞানৰ দ্যুতিয়ে কেউদিশ আলোকিত কৰা যেন লাগে। তেওঁ আছিল নামজ্বলা গণিত শিক্ষক প্ৰফেছৰ টৌটাদ্ৰী আয়েংগাৰ। তেওঁৰ ব্যক্তিত্ব আছিল শিক্ষণ আৰু সংস্কৃতিৰ প্ৰতীক।

সেই সময়ত 'কেলকুলাছ শ্ৰীনিবাসন' আছিল মোৰ গণিতৰ শিক্ষক। তেখেতে গভীৰ শ্ৰদ্ধাৰে প্ৰফেছৰ টৌটাদ্ৰী আয়েংগাৰৰ কথা কৈছিল। সেই সময়ত, তেওঁ আৰু প্ৰফেছৰ টৌটাদ্ৰী আয়েংগাৰ দুয়ো প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীৰ ক্লাছ লৈছিল। প্ৰফেছৰ আয়েংগাৰৰ ক্লাছ কৰাৰো মোৰ সৌভাগ্য হৈছিল— বিশেষকৈ আধুনিক বীজগণিত, পৰিসংখ্যা আদি বিষয়ৰ ক্লাছ। এবাৰ তেওঁক 'কম্‌প্লেক্স্ ভেৰিয়েবল্‌ছ্' পঢ়ুওৱাও শুনিছোঁ।

শিক্ষকে জ্ঞান দিয়ে আৰু বৃহৎ স্বপ্ন আৰু লক্ষ্যৰে বিদ্যাৰ্থীসকলৰ জীৱন গঢ়াত সহায় কৰে।

ছেণ্ট্ জোছেফ কলেজৰ গণিত ক্লাবৰ বাবে কেলকুলাছ শ্ৰীনিবাসনে তেওঁৰ শ্ৰেণীৰ শ্ৰেষ্ঠ দহটা ছাত্ৰক বাছি উলিয়ায়। প্ৰফেছৰ টৌটাদ্ৰী আয়েংগাৰে সেই ক্লাছত লেকচাৰ দিযে। ১৯৫২ চনত তেখেতে দিয়া লেকচাৰ এটা মোৰ আজিও মনত আছে। সিদিনাখন তেখেতে ক্লাছটোত চাৰিজন মহান গণিতজ্ঞ আৰু জ্যোতিৰ্বিদৰ পৰিচয় আমাৰ আগত দাঙি ধৰিছিল— আৰ্যভট্ট, ভাস্কৰ, ব্ৰহ্মগুপ্ত আৰু ৰামানুজন। তেওঁৰ সেই লেক্‌চাৰটো আজিও মোৰ কাণত বাজি থাকে। তেনেকুৱা অনুপ্ৰেৰণামূলক শিক্ষণ আৰু লেকচাৰ মোৰ শিক্ষাৰ ভেটিস্বৰূপ হৈ পৰিছে।

মূল্য আধাৰিত শিক্ষাৰে মোৰ প্ৰাথমিক, মাধ্যমিক আৰু

কলেজৰ শিক্ষকসকলে মোক কেইবাদশক আগত অৱস্থান কৰাই দিছিল।[১১]

শিক্ষকতাৰ লক্ষ্য বা উদ্দেশ্য

শিক্ষকতা বা অধ্যাপনাৰ উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেশ নিৰ্মাণৰ সামৰ্থ্য সৃষ্টি কৰা। শিক্ষাৰ পৰা হোৱা জ্ঞান, নিজ অভিজ্ঞতা আৰু সভ্যতাৰ ঐতিহ্যৰ জৰিয়তে জন্মা মূল্যবোধ— এইবোৰৰ জৰিয়তে সেই সামৰ্থ্যৰ উদ্রেক হয়। শিক্ষা সাং হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ গাত নেতৃত্বৰ গুণ বিকশিত হ'ব লাগে।

শিক্ষকসকল দেশৰ শ্ৰেষ্ঠ মন আৰু মস্তিষ্কৰ অধিকাৰী হোৱা উচিত।

মনঃচক্ষুৰে মই এটা দৃশ্যৰ কল্পনা কৰিছোঁ— জ্ঞানৰ দ্যুতিৰে আলোকিত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী শিক্ষানুষ্ঠান চৌহদৰ পৰা ওলাই আহি বিশ্বশান্তি আৰু সমৃদ্ধিৰ পথত আগুৱান হোৱা দেশ আৰু পৃথিৱীক সমৃদ্ধ কৰাত ব্যস্ত হৈছে।[১২]

এটা উদ্ধৃতি দিওঁ— "আপোনাৰ অন্তৰত সত্যনিষ্ঠা থাকিলে আন একোৰে স্থান নাই। যদি আপোনাৰ সত্যনিষ্ঠা নাই তেন্তে আন একোৰে কাম নাই।" এই উদ্ধৃতিটোৰ এটা গুৰুত্বপূৰ্ণ মেছেজ বা বাৰ্তা আছে। সমাজত সচ্চৰিত্ৰবান আৰু সত্যনিষ্ঠ ছাত্ৰৰ সংখ্যা লাখৰ ঘৰলৈ গ'লে বৰ্তমানৰ নিশকতীয়া সমাজখনত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে একোটা সুখবহ প্ৰঘাত বা জোকাৰণি দিব। আৰু যিসকল গুৰু, দৃষ্টান্তমূলক আদৰ্শ-স্বৰূপ শিক্ষকসকলে এইটো কৰিব পাৰে।[১৩]

দুই পথবিশিষ্ট অধ্যাপনা আৰু অধ্যয়ন

অধ্যয়নৰ বাবে চিন্তা কৰাৰ স্বাধীনতা আৰু কল্পনা কৰাৰ স্বাধীনতাৰ প্ৰয়োজন। শিক্ষক আৰু শিক্ষা পদ্ধতিৰ জৰিয়তে

এই দুয়োটাকে সহজসাধ্য কৰিব লাগিব। শিক্ষকসকলে ভাবোদ্দীপক প্ৰশ্ন কৰিব লাগিব আৰু ছাত্ৰ-ছাত্ৰীসকলক ভাবি-চিন্তি উত্তৰসহ সাজু হৈ আহিবলৈ অনুমতি দিব লাগিব। আনহাতে বিদ্যাৰ্থীসকলে সোধা প্ৰশ্নৰো উত্তৰ শিক্ষকসকলৰ হাতত থাকিব লাগিব। সেয়া নহ'লেও, তেওঁলোকে বিদ্যাৰ্থীসকলক পথৰ সন্ধান দিব লাগিব যাতে তেওঁলোকে প্ৰশ্নোত্তৰ পাব পাৰে। বস্তুতঃ শিক্ষকে আজীৱন স্বয়ংক্ৰিয় শিক্ষাৰ্থীৰ সৃষ্টি কৰিব লাগিব যি এদিনাখন প্ৰবুদ্ধ নাগৰিক হিচাপে প্ৰস্ফুটিত হ'ব।

বিগত পাঁচ বছৰৰ ভিতৰত মই দেশৰ সকলো প্ৰান্তৰৰ দহ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক লগ পাইছোঁ। বেছি ভাগৰে বয়স দহৰ পৰা সোতৰ বছৰ। মই এনে এটা নিয়ম কৰি লৈছিলোঁ যে মই ছাত্ৰ-ছাত্ৰীবিলাকৰ দহৰ পৰা পোন্ধৰটা প্ৰশ্নৰ উত্তৰ দিম। তদুপৰি, মই মোৰ ৱেব্‌ছাইটৰ যোগেদি দেশ আৰু বিদেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ হাজাৰ হাজাৰ প্ৰশ্নৰ উত্তৰ দি আহিছোঁ। মই তাৰে কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰি আপোনালোকক, বিশেষকৈ শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীসকলৰ অনুসন্ধিৎসু মনৰ পৰিচয় দিব বিচাৰিছোঁ যাতে তেওঁলোকে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ আশা-আকাঙ্ক্ষা, বৌদ্ধিক সজাগতা আৰু স্বপ্নসমূহৰ বিষয়ে উমান পাব পাৰে।



কৰ্ণাটক ৰাজ্যিক বিজ্ঞান পৰিষদৰ ৰূপালী জয়ন্তী উৎসৱত বাংগালোৰৰ ভিন ভিন বাৰখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল আৰু তেওঁলোকৰ কিছুমানে মোক বিজ্ঞানৰ বৰ আমোদজনক প্ৰশ্ন সুধিছিল। প্ৰাৰ্থনা বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ শ্ৰীমান প্ৰাজ্জ্বল পি আচাৰ্যই কৰা প্ৰশ্নটো আছিল এনেকুৱা— "সময় আৰু সৰ্বব্যাপী মহাকৰ্ষণৰ মাজৰ সম্পৰ্ক কি?" এনে এটা সুন্দৰ প্ৰশ্নৰ বাবে মই ছাত্ৰজনক প্ৰশংসা কৰি ক'লোঁ যে সময়, অন্তৰীক্ষ আৰু সৰ্বব্যাপী মহাকৰ্ষণৰ ধাৰণা বৰ চিত্তাকৰ্ষক আৰু ই অত্যন্ত মেধাৱীসকলকো আকৰ্ষিত কৰিছে। 'নিজৰ ভৰৰ বাবে বিশাল কণিকাসমূহৰ মাজৰ আকৰ্ষণ বল বা শক্তিয়েই মহাকৰ্ষণ। এটা পদাৰ্থৰ ভৰ আৰু মহাকৰ্ষণ ক্ষেত্ৰত তাৰ অৱস্থিতিৰ জৰিয়তে ওজন নিৰূপণ কৰা হয়। মাধ্যাকৰ্ষণৰ গুণ বা ধৰ্মৰ বিষয়ে পৰ্যাপ্ত পৰিমাণে জনা গৈছে যদিও মহাকৰ্ষণীয় বলৰ মুখ্য কাৰণ অদ্যাপি এক প্ৰশ্ন হৈয়েই আছে। ভৰ আৰু শক্তিৰ বক্ৰতা, স্থান আৰু কালৰ মাজৰ সম্পৰ্কক অভিগ্ৰহণ কৰা সাধাৰণ আপেক্ষিকতাবাদ আজি পৰ্যন্ত মহাকৰ্ষণৰ সফলতম তত্ত্ব বা সিদ্ধান্ত।' তাৰ পিছৰ প্ৰশ্নটো কৰিলে এথেনা পাব্লিক স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ শ্ৰীমান ভৰত চৌধুৰীয়ে। তেওঁ সুধিলে, 'আমি মহাকাশতকৈ মহাসমুদ্ৰৰ ৰহস্যৰ উদ্‌ঘাটন নকৰোঁ কিয়?' মই তেওঁক ক'লোঁ যে মহাসাগৰৰ সীমা পৃথিৱীৰ আকাৰ অনুৰূপে সীমিত। কিন্তু মহাকাশ অনন্ত। সমুদ্ৰৰ গভীৰতা ঢুকি পোৱাটো মহাকাশৰ উচ্চতা ঢুকি পোৱাতকৈ টান। সমুদ্ৰৰ গভীৰতা ঢুকি পোৱাত কষ্ট থাকিলেও আমি ইয়াৰ অভিযান চলাই আছোঁ আৰু বহু পৰিমাণে লাভৱানো হৈছোঁ। মহাসমুদ্ৰৰ তলিৰ পৰা জ্ঞানৰ অমূল্য ভাণ্ডাৰ, সামুদ্ৰিক জীৱনৰ বিভিন্ন চিত্তাকৰ্ষক ৰূপ আৰু বিচিত্ৰ প্ৰাকৃতিক সম্পদ উদ্‌ঘাটিত হৈছে।

শিক্ষক এজনে আজীৱন স্বতন্ত্ৰ শিকাৰুৰ সৃষ্টি কৰিব লাগিব।

দৰ্শকৰ মাজৰ পৰা ছাত্ৰ এজনে সুধিলে, 'এজন বিজ্ঞানী

আৰু এজন দাৰ্শনিকৰ মাজৰ পাৰ্থক্য কি ?' মই উত্তৰ দিলোঁ যে বিজ্ঞানী আৰু দাৰ্শনিক উভয়ৰে চিন্তন প্ৰক্ৰিয়া একে। বিজ্ঞানীজনে সিদ্ধান্তৰ ক্ষেত্ৰত প্ৰমাণৰ বলতহে সিদ্ধ কৰিব পৰা যাব বুলি বিশ্বাস কৰে। আনহাতে, দাৰ্শনিকজনে ঈশ্বৰ তত্ত্ব সম্বন্ধীয় দাৰ্শনিক আৰু আধ্যাত্মিক বিচাৰসমূহ স্বতঃসিদ্ধ বুলি ধৰি লয়— তাৰ বৈধতা বা সিদ্ধিযেই সমাজৰ প্ৰগতি বা গতিশীলতা। বিজ্ঞানৰ শেষ পৰিণাম হ'ল প্ৰযুক্তি আৰু ই সমাজৰ হিত সাধন কৰে। দৰ্শনে সমাজৰ প্ৰগতি বা গতিশীলতাৰ পথ নিৰ্দেশ কৰে।

শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক এনে প্ৰশ্ন কৰাৰ বাবে স্বাগতম জনাব লাগে। বিশেষকৈ চৈধ্যৰ পৰা সোতৰ বছৰ বয়সৰ যুৱ সম্প্ৰদায়ৰ মনত সৌন্দৰ্য, প্ৰত্যাহ্বান আৰু বিভিন্ন বিষয়ৰ আনন্দ প্ৰোথিত কৰিব লাগে। এইখিনি সময়তে ছাত্ৰসকলে বিজ্ঞান, ইঞ্জিনীয়াৰিং, চিকিৎসা বিজ্ঞান, আইন অথবা হিউ-মেনিটিজ্ (বুৰঞ্জী, দৰ্শন আদি কলা শাস্ত্ৰ)ৰ ভিতৰত কি বিষয় পঢ়িব সেইবোৰ সম্পৰ্কে মন স্থিৰ কৰে।[১৪]

শিক্ষকসকল শ্ৰেষ্ঠ মন আৰু মস্তিষ্কৰ হোৱা উচিত

একোজন শিক্ষকৰ জীৱনে বহুবোৰ দীপ প্ৰজ্জ্বলিত কৰে।

এজন শিক্ষক হোৱাৰ সুবাদত মই এটা কথা ক'ব পাৰোঁ যে শিক্ষকসকল দেশৰ ৰাজহাড়। তেওঁলোক একো একোটা স্তম্ভ যাক নিৰ্ভৰ কৰি দেশৰ আশা-আকাংক্ষা বাস্তৱতালৈ ৰূপান্তৰিত হয়। সৃজনাত্মকতা হ'ল শিক্ষা পদ্ধতি আৰু স্কুলৰ পৰিৱেশ আৰু সৰ্বোপৰি ছাত্ৰ-ছাত্ৰীৰ মনবোৰ প্ৰজ্জ্বলিত কৰিব পৰা শিক্ষকৰ সামৰ্থ্যৰ পৰিণাম। প্ৰকৃতপক্ষে শিক্ষক সম্প্ৰদায়টো প্ৰবুদ্ধ নাগৰিকৰ নিৰ্মাতা বা স্ৰষ্টা।[১৫] ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে, 'শিক্ষকসকল দেশৰ শ্ৰেষ্ঠ মন আৰু মস্তিষ্কৰ অধিকাৰী হোৱা উচিত।'[১৬]

আমাৰ দেশত প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত প্ৰায়

পঞ্চাশ লাখ শিক্ষকে কাম কৰি আছে। ইয়াৰে গৰিষ্ঠ সংখ্যকে দেশৰ সৰ্বত্ৰ বিয়পি থকা ছয় লাখ গাঁৱত অৱস্থিত বিদ্যালয়সমূহত কাম কৰি আছে। গাঁৱত বিদ্যালয়ৰ আন্তঃগাঁথনি উপলব্ধ কৰাটোৱেই যথেষ্ট নহয়, তাত ছাত্ৰৰ বাবে পঢ়া-লিখাৰ সুস্থ বাতাবৰণ সৃষ্টি কৰাটো অতিশয় জৰুৰী। তদুপৰি সকলো পৰিয়ালৰ বাবে এনে এক অৰ্থনৈতিক বাতাবৰণৰো আৱশ্যক যাতে শিক্ষক আৰু ছাত্ৰ উভয়ে গাঁৱতে থকাৰ আকৰ্ষণ অনুভৱ কৰিব পাৰে। শিক্ষকসকলৰ মাজত প্ৰায় এটা প্ৰৱণতা লক্ষ্য কৰা যায়। তেওঁলোকে নগৰাঞ্চললৈ বদলি হ'ব খোজে। কাৰণ তেওঁলোকে ভাবে যে তেওঁলোকে ডাঙৰ ডাঙৰ নগৰ বা চহৰতহে নিজৰ ল'ৰা-ছোৱালীক উচিত শিক্ষা দিব পাৰিব। কেৱল নগৰাঞ্চলত উপলব্ধ সা-সুবিধাৰ জৰিয়তে নিজৰ জ্ঞানৰ প্ৰসাৰ বা শ্ৰীবৃদ্ধি কৰিব পৰা যাব বুলিও তেওঁলোকে ভাবে।

এই কথাটোত অতি শীঘ্ৰে গুৰুত্ব দিব লাগে। গাঁৱৰ এই শিক্ষকসকলৰ জীৱনবোৰ সুখাবহ আৰু আকৰ্ষণীয় কৰাৰ বাবে আমি ব্যাপক কাৰ্যক্ৰম হাতত ল'ব লাগে। গ্ৰামাঞ্চলত চহৰৰ সা-সুবিধা প্ৰদানৰ জৰিয়তে সেইটো সম্ভৱপৰ কৰিব পাৰি— তাৰ বাবে ভৌতিক বা আৱয়বিক, ইলেকট্ৰনিক আৰু জ্ঞান-সংবদ্ধতা (নলেজ্ কানেক্‌টিভিটি)-ৰ আৱশ্যকীয় সংযোগ সাধন কৰিব লাগিব। ইয়াৰ ফলত গাঁওবিলাকৰ অৰ্থনৈতিক সমৃদ্ধি হ'ব।''

প্ৰযুক্তি-নিৰ্ভৰ অধ্যাপনা

কি নগৰাঞ্চল, কি গ্ৰামাঞ্চল— আমাৰ দুয়ো ঠাইৰ বিদ্যালয়বিলাকত অভিজ্ঞ শিক্ষকৰ অভাৱ আৰু জনমূৰি হিচাবত শিক্ষকৰ সংখ্যা তেনেই নিম্ন। চল্লিশৰ পৰা ষাঠিটা

পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰে ঠাহ খোৱা শ্ৰেণী একোটাত শিক্ষক মাত্ৰ এজন। নিৰ্ধাৰিত চল্লিশ মিনিটৰ পিৰিয়ডটোত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ধ্যান দিয়াটো একেবাৰে অসম্ভৱ। ইয়াৰ ফলত গুণগত মানদণ্ড দুৰ্বল হয়। বুদ্ধি-বৃত্তি থকা ছাত্ৰ-ছাত্ৰী চিনাক্তকৰণ নহয়। কিছুমানে বিদ্যালয় ত্যাগ কৰি গুচি যাবলগীয়াও হয়।

প্ৰকৃতাৰ্থত শিক্ষা হ'ল সত্যৰ অন্বেষণ।

এনেকুৱা সমস্যাৰ ক্ষেত্ৰত প্ৰযুক্তিয়ে সহায় কৰিব পাৰে। প্ৰযুক্তিৰ আহিলা-পাতি আৰু সুযোগ্য শিক্ষকৰ সংস্পৰ্শৰ জৰিয়তে এই ফাঁক বা ব্যৱধান নোহোৱা কৰিব পাৰি। ই ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ ক্ষেত্ৰত ৰাপ বা ৰুচিৰ সৃষ্টি কৰিব আৰু তাক অব্যাহত ৰখাত সহায় কৰিব।[১৮]

এইক্ষেত্ৰত মই মনতে কৰা পৰিকল্পনাটো এনে ধৰণৰ ঃ প্ৰত্যেক ৰাজ্যই প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ পৰা কেইজনমান সুযোগ্য শিক্ষকক বাছি উলিয়াব। উচিত ছফট্‌ৱেৰ আৰু 'বেন্দ্‌ৱিথ্' প্ৰদান কৰি এই কেইজন শিক্ষককে সম্বল বা সম্পদ হিচাপে লৈ দূৰ শিক্ষাৰ জৰিয়তে সাধাৰণ শ্ৰেণীকক্ষ এটাৰ চল্লিশ-পঞ্চাশটা ছাত্ৰৰ এটা কোঠাৰ ঠাইত ভিন্ ভিন্ কোঠাত বহা একে শ্ৰেণীৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক আমি উচ্চমানৰ শিক্ষা প্ৰদান কৰিব পাৰোঁ।

বাস্তৱিক শিক্ষণৰ ক্ষেত্ৰত সক্ৰিয় সহযোগিতামূলক শিক্ষা আৰু মূল্যাংকন প্ৰদান কৰাৰ বাবে কম্পিউটাৰ এবিধ অমূল্য সাধন। য'ত মূলগত ওৱৰ্ড প্ৰচেছিং কাৰ্যক্ৰম বিদ্যাৰ্থীক স্বতন্ত্ৰ ধৰণে বিচাৰ অথবা মতামত ব্যক্ত কৰাত সহায়ক হয় তাত ই-মেইলে পুংখানুপুংখ বিশ্লেষণ বা পৰ্যালোচনা আৰু সামূহিক সম্পাদনৰ সুবিধা প্ৰদান কৰে। উচ্চ স্তৰীয় ইণ্টাৰেক্‌টিভ্ মাল্টিমিডিয়া পেকেজে সত্য নিৰ্ণয়কাৰী শিক্ষা প্ৰদান কৰে য'ত বিদ্যাৰ্থীয়ে শ্ৰেণীৰ ভিতৰুৱা বিবিধ প্ৰকল্পত সমাধান বিচাৰিব পাৰে আৰু তাৰ প্ৰদৰ্শন কৰিব পাৰে।

ইয়াৰ দ্বাৰা এই পৰামৰ্শ দিয়া হোৱা নাই যে শিক্ষকজনক আঁতৰ কৰা হওক অথবা তেওঁৰ ভূমিকা পালন কৰাৰ ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহৃত হওক। প্ৰকৃতপক্ষে সেইটো অবাঞ্ছিত আৰু অব্যৱহাৰিক হ'ব। বৰং কম্পিউটাৰটো শিক্ষকজনক সহায় কৰা এবিধ কামত অহা শিক্ষণ উপকৰণ বা আহিলা। ছফ্‌ট্‌ৱেৰে বিদ্যাৰ্থীক ব্যক্তিগত পৰ্যায়ৰ শিক্ষা প্ৰদান কৰে। সেইবাবে কিছুমান বিদ্যাৰ্থীয়ে য'ত নিজৰ প্ৰচেষ্টাত কোনো এটা বিষয়ত উন্নতি বা ভাল ফল প্ৰদৰ্শন কৰে, উন্নতি কৰে, তাত পিছপৰি যোৱা বিদ্যাৰ্থীসকলে শিক্ষকৰ ব্যক্তিগত মনোযোগ লাভ কৰিব পাৰে। কম্পিউটাৰে শিক্ষকক পাৰস্পৰিক আদান-প্ৰদান আৰু একক উপযোগীধা ব্যক্তিগত সহায়তাৰ ওপৰত ধ্যান দিয়াত সহায় কৰে।

দূৰ শিক্ষাৰ প্ৰসাৰতাই তাৰ অভিযানৰ খৰচ কমাব আৰু যুগপৎ সংবদ্ধতাই (আবয়ৱিক, ইলেকট্ৰনিক, জ্ঞান আৰু আৰ্থিক) বিদ্যালয়ত শিক্ষাদান কৰি থকা সুযোগ্য শিক্ষকক সহায় কৰিব।[১৯]

শিক্ষক দিৱস পালন

শিক্ষক সম্প্ৰদায়টো প্ৰবুদ্ধ নাগৰিকৰ নিৰ্মাতা বা স্ৰষ্টা।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আছিল এগৰাকী শিক্ষক আৰু আমাৰ দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি। তেওঁৰ জন্ম হৈছিল ৫ ছেপ্টেম্বৰৰ দিনাখন। তেওঁৰ জন্মদিন পালন কৰিবলৈ তেওঁৰ ওচৰলৈ যোৱা মানুহবোৰক প্ৰায়েই তেওঁ এইবুলি প্ৰত্যাখ্যান কৰিছিল যে সেই দিনটো শিক্ষক দিৱস হিচাপে পালন কৰাটোহে প্ৰশংসনীয় হ'ব। এনেকৈয়ে প্ৰতি বছৰে ৫ ছেপ্টেম্বৰ দিনটো শিক্ষক দিৱস হিচাপে পালন কৰি অহা হৈছে। মই নিজেও যিহেতু এজন শিক্ষক, সেই গতিকে মই সদায় এই গুৰুত্বপূৰ্ণ দিনটোলৈ বাট চাই থাকোঁ।[২০]

শিক্ষক দিৱস পালনত পিতৃ-মাতৃ আৰু বিদ্যাৰ্থী সকলোৰে

অংশগ্ৰহণ কৰিব লাগে। দেশৰ প্ৰতিখন বিদ্যালযত এই দিৱসটো পালন কৰাটো অতি আৱশ্যকীয়। এইটো সময়তে বিদ্যালয তথা বিদ্যাৰ্থীৰ পিতৃ-মাতৃসকলে শিক্ষকসকলৰ বৰঙনিক স্বীকৃতি দিব লাগে আৰু তেওঁলোকৰ সফলতাবোৰৰ বাবে শলাগ ল'ব লাগে। সেই অনুষ্ঠানত নিৰ্বাচিত শিক্ষককেইজনমানক তেওঁলোকৰ শিক্ষক জীৱনৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা আৰু তেওঁলোকৰ বিদ্যাৰ্থীৰ শিক্ষাগ্ৰহণৰ অনুকূল পৰিৱেশ সৃষ্টিৰ বাবে তেওঁলোকে অনুসৰণ কৰা পদ্ধতিৰ বিষযে ক'বলৈ সুযোগ দিব লাগে।

এনে ধৰণৰ আয়োজনে অন্যান্য শিক্ষকসকলকো নিজৰ বিদ্যালয়ত ভাল ফলাফল কৰাৰ বাবে অনুপ্ৰেৰিত কৰিব।[২১]

প্ৰকৃতাৰ্থত শিক্ষা হ'ল সত্যৰ অন্বেষণ আৰু শিক্ষক তাৰ কেন্দ্ৰীয় ভিত্তিস্বৰূপ। তেওঁ নিৰৱচ্ছিন্নভাৱে নিজৰ জ্ঞানৰ ভাণ্ডাৰ সম্পূৰ্ণ আৰু উন্নীত কৰি ৰাখিব লাগিব যাতে বিদ্যাৰ্থীসকলে তেওঁক সদায় চলন্ত বিশ্বকোষ, মৰম-ভালপোৱাৰ ফোৱাৰা বা অনন্ত উৎস আৰু দায়িত্বশীল ব্যক্তি যেন গণ্য কৰে। ছাত্ৰ-ছাত্ৰীক অত্যাধুনিক কাৰিকৰী উন্নয়নৰ কথা শিকাবলৈ শিক্ষকসকলে নতুন নতুন সা-সুবিধাৰ বিচাৰ কৰে। আনকি সেইবোৰ তেওঁ শ্ৰেণীকোঠাতো ব্যৱহাৰ কৰে যাতে প্ৰযুক্তি আৰু শিক্ষকে সহায় কৰা শিক্ষা যাতে ভাৰতবৰ্ষত বৰ্তমানৰ যুগ ধৰ্ম হয়।

শিক্ষকৰ নিৰ্দেশনাত প্ৰত্যেক ব্যক্তিয়ে যদি শিক্ষাৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰি তাক মানুহৰ কাজ-কৰ্মৰ প্ৰতিটো ক্ষেত্ৰলৈ লৈ যাব পাৰে তেনেহ'লে পৃথিৱীখন বাসৰ বাবে বহু বেছি উপযোগী ঠাই হৈ পৰিব।[২২] ❑

৩

শিক্ষাৰ উদ্দেশ্য

বিদ্যা-শিক্ষা যদি উদ্দেশ্যধৰ্মী হয়
সৃজনীপ্ৰতিভা হ'ব প্ৰস্ফুটিত
সৃজনীপ্ৰতিভা যদি প্ৰস্ফুটিত হয়
চিন্তাধাৰা হ'ব নিৰ্গত
চিন্তাধাৰা যদি নিৰ্গত হয়
জ্ঞানৰ দ্যুতি হ'ব বিকিৰিত
জ্ঞানৰ দ্যুতি যদি বিকিৰিত হয়
অৰ্থ ব্যৱস্থাও হ'ব
জয় জয়-ময় ময়![১]

শিক্ষাৰ উদ্দেশ্য

শিশুৰ মুখৰ মিচিকিয়া-হাঁহি অটুট থাকক

কণ কণ শিশুহঁতক আমি অনবৰতে হাঁহি থকা দেখা পাওঁ। কিন্তু পিঠিত মস্ত মস্ত জোলোঙাবোৰ লৈ বিদ্যালয়লৈ অহা-যোৱা আৰম্ভ কৰাৰ লগে লগে সিহঁতৰ মুখৰ হাঁহি কমি যায়। মাধ্যমিক স্কুল পোৱাৰ লগে লগে সিহঁতৰ হাঁহি আৰু অলপ কমে। কিন্তু উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ লগে লগে সিহঁতৰ মুখৰ হাঁহি কেনিবাদি অন্তৰ্ধান হয়।

কলেজ সোমোৱাৰ পিছত সিহঁত আৰু বেছি গহীন-গম্ভীৰ হয়। কলেজৰ শিক্ষা সাং হোৱাৰ পিছৰে পৰা সিহঁত অনবৰতে চিন্তাগ্ৰস্ত অৱস্থাত থাকিবলৈ লয়। ইয়াৰ পিছত বা সিহঁতৰ ভাগ্যত কি আছে সেই লৈ চিন্তা-ভাবনাৰে গধুৰ হয় শিশু আৰু পিতৃ-মাতৃৰ মন। কোনো এক বিশেষ বৃত্তিৰ ক্ষেত্ৰত

সোমোৱাৰ বাবে হ'বলগীয়া প্ৰতিযোগিতা আৰু তাৰ লগতে যুক্ত বিত্তীয় সম্ভাৱনা আদিৰ চিন্তাই সকলোকে গ্ৰাস কৰে। এই অৱস্থাৰ অৱসান ঘটাবলৈ আমি আটায়ে সংগ্ৰাম কৰিব লাগিব।

আমি এনে এটা শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব নোৱাৰোনে য'ত শিক্ষা গ্ৰহণৰ সময়, অৰ্থাৎ বিদ্যালয়লৈ অহা-যোৱা আৰম্ভ কৰাৰে পৰা সংস্থান এটা পোৱালৈকে এই গোটেই সময়খিনিৰ ভিতৰত শিশুৰ মুখৰ মিচিকিয়া-হাঁহিটো অটুট থাকে। আমি এইটো সম্ভৱ কৰিব পাৰিমনে? এৰা, পৰিম! আমি যদি সম্পূৰ্ণ শিক্ষা ব্যৱস্থাটোক সৃজনশীল কৰো আৰু সকলো যুৱকৰ বাবে তেওঁলোকৰ দক্ষতা বা কুশলতা আৰু সামৰ্থ্য অনুযায়ী সংস্থান নিশ্চিত কৰিব পাৰোঁ সেইটো সম্ভৱ হ'ব।

শিক্ষা পদ্ধতিত সৃজনশীলতাক প্ৰোৎসাহিত কৰিবলৈ হ'লে প্ৰথমতে স্কুলৰ প্ৰাথমিক স্তৰত কিতাপৰ বোজা কমাব লাগিব, মাধ্যমিক স্তৰলৈকে ক্ৰমান্বয়ে বঢ়াই নিব লাগিব। সেইদৰে উচ্চ স্তৰৰ শিক্ষা লাভ কৰালৈকে নিব লাগিব। তাৰ পিছত উদ্যোগ বা ব্যৱসায় আৰম্ভ কৰাৰ বাবে ছাত্ৰসকলৰ মাজত আত্মনিৰ্ভৰশীল ভাবৰ সৃষ্টি কৰিব লাগিব যাতে তেওঁলোক কৰ্মসংস্থান বিচৰাৰ সলনি সংস্থান উৎপাদক হ'ব পাৰে।[২]

শিক্ষা জ্ঞান আৰু বুদ্ধিৰ মাজেদি কৰা এক অন্তহীন যাত্ৰা।

প্ৰাথমিক পৰ্যায়ত শিক্ষাই শিশুহঁতৰ পৰিৱেশ সম্বন্ধীয় কৌতূহল জগাব লাগিব আৰু সিহঁতৰ চিন্তন প্ৰক্ৰিয়াক হাতৰ কৌশল, অংগ আৰু দেহৰ লগতে সুসমন্বিত অথবা একীকৃত কৰিব লাগিব। প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম, শিক্ষণ প্ৰণালী আৰু পৰীক্ষা পদ্ধতিৰ ব্যাপক সংশোধন আৱশ্যকীয় যাতে শিশুসকলৰ সৃজনশীলতাক উদ্দীপিত কৰি তাক বিকশিত হ'বলৈ সুযোগ দিয়া হয়। বিভিন্ন ধৰণৰ কাৰ্যকলাপৰ জৰিয়তে

শিক্ষা পদ্ধতিত এইটোৰ ওপৰত গুৰুত্ব দিব লাগে যাতে ছাত্ৰ-ছাত্ৰীক স্বয়ংক্ৰিয় শিকাৰু হ'বলৈ প্ৰশিক্ষণ দিয়া হয়।

শিশুসকলৰ প্ৰতিভা আৱিষ্কাৰ, নতুন কিবা কৰি দেখুওৱা আৰু সৃজনী প্ৰতিভাৰ ওপৰত গুৰুত্ব দিব লাগিব। মাধ্যমিক পৰ্যায়ত পৰীক্ষা-নিৰীক্ষা, সমস্যা সমাধান আৰু দলবদ্ধ বা ঐক্যবদ্ধ কামৰ ওপৰত গুৰুত্ব দিব লাগিব।[৩]

শ্ৰেণীকক্ষৰ বিদ্যা শিক্ষা গুৰুত্বপূৰ্ণ। তেনেদৰে শিশুৱে শ্ৰেণীকক্ষৰ বাহিৰত দেখি-শুনি যি শিকে সিও সমানে গুৰুত্বপূৰ্ণ। পৰ্যবেক্ষণ, ক্ষেত্ৰ অধ্যয়ন, পৰীক্ষা-নিৰীক্ষা অথবা আলোচনা-বিলোচনাৰ জৰিয়তে বিদ্যা শিক্ষণ প্ৰক্ৰিয়াত শিশুসকল সক্ৰিয় অংশগ্ৰহণকাৰী হ'ব লাগিব। সেই অৱস্থা পাবৰ বাবে বিদ্যালয়বিলাক শিক্ষাৰ কেন্দ্ৰ হোৱাৰ সলনি জ্ঞান আৰু দক্ষতাৰ কেন্দ্ৰ হ'ব লাগিব।[৪]

পিতৃ-মাতৃৰ ভূমিকা

শিশুক উপযুক্ত শিক্ষা-দীক্ষাৰে প্ৰবুদ্ধ নাগৰিক হিচাপে গঢ়ি তোলাত মাক-বাপেকৰ ডাঙৰ ভূমিকা আছে। শিশুক উপযুক্ত শিক্ষা-দীক্ষা দিয়াৰ ক্ষেত্ৰত তেওঁলোক সজাগ হ'ব লাগিব। নিজৰ সামগ্ৰিক ব্যৱহাৰ আৰু আচৰণৰ জৰিয়তে তেওঁলোকে শিশুৰ বাবে আৰ্হি দাঙি ধৰিব লাগিব। ইয়াৰ ফলত শিশুৰ মনত পিতৃ-মাতৃৰ প্ৰতি ভালপোৱা আৰু ভক্তি ভাব জন্মিব আৰু তেওঁলোকক আদৰ্শ আৰ্হি জ্ঞান কৰিব।[৫]

তেওঁলোকে শিশুৰ বাবে এনে এটা পৰিৱেশৰ সৃষ্টি কৰিব লাগিব যাতে সিহঁতে প্ৰশ্ন সুধিব পাৰে, উত্তৰ উলিয়াব পাৰে আৰু দ্বিধাহীনভাৱে যোগাযোগ কৰিব পাৰে।

সামূহিক মিছন

সোতৰ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীৰ তত্ত্বাৱধান বা চোৱা-চিতা পিতৃ-মাতৃ, শিক্ষক, ঘৰ আৰু বিদ্যালয় চৌহদৰ সামূহিক মিছন। শিশু এটাক প্ৰবুদ্ধ নাগৰিক

হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত পিতৃ-মাতৃ আৰু শিক্ষকৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

শিশুটি ডাঙৰ হৈ স্কুললৈ যাব পৰা বয়স হোৱাৰ লগে লগে তাক নীতি জ্ঞানৰ শিক্ষাৰ প্ৰয়োজন। এনে শিক্ষা স্কুলতহে দিয়া হয়। চৰিত্ৰ গঠনৰ বাবেও স্কুলৰ পৰিৱেশটো গুৰুত্বপূৰ্ণ।

ল'ৰা-ছোৱালীৰ বিদ্যা-শিক্ষাৰ আচল সময় হ'ল পাঁচৰ পৰা সোতৰ বছৰ বয়সলৈকে। এই সময়খিনিৰ ভিতৰত ছাত্ৰ-ছাত্ৰীয়ে মোটামুটি ২৫,০০০ ঘণ্টা সময় বিদ্যালয় চৌহদত কটায়। ঘৰত মৰম-চেনেহৰ পৰিৱেশ থাকিলেও দিনটোৰ বেছি ভাগ সময় পিছদিনাৰ হ'মৱৰ্ক কৰি অটোৱা, পঢ়া-শুনা, খোৱা-বোৱা, খেলা-ধূলা আৰু শোৱা আদি কামত পাৰ হৈ যায়। সেইবাবে বিদ্যালয়ৰ সময়খিনিয়েই ল'ৰা-ছোৱালীৰ বিদ্যা-শিক্ষাৰ বাবে আটাইতকৈ ফলপ্ৰসূ সময়। সেইবাবে স্কুলত উৎকৃষ্ট পৰিৱেশ থাকিব লাগে। বিদ্যালয়ত মিছন বা লক্ষ্য নিহিত, নীতি শিক্ষা আধাৰিত শিক্ষাদান কৰিব লাগে। এখন সুস্থ আৰু নিকা সমাজ গঢ়িবৰ বাবে বিদ্যালয়ত বাৰ বছৰ কাল মূল্য আধাৰিত শিক্ষা প্ৰদান কৰাটো প্ৰয়োজন। এইখিনিতে মোৰ গ্ৰীক শিক্ষক বেষ্টোলজীৰ কথা এষাৰ মনত পৰিছে। তেওঁ কৈছিল, "মোক সাত বছৰৰ বাবে এটি শিশু দিয়া। তাৰ পিছত সেই শিশুটিক ঈশ্বৰ বা চয়তান যিয়েই নিয়ক লাগিলে, তেওঁলোকে শিশুটিৰ একো পৰিৱৰ্তন সাধিব নোৱাৰে।" এয়ে শিক্ষকৰ ক্ষমতা।[৬]

বিদ্যালয়ৰ ভূমিকা

ল'ৰা-ছোৱালীৰ মাজত সৃজনশীলতা বঢ়োৱাৰ বাবে, বিদ্যাৰ্থীৰ মাজত বিদ্যা-শিক্ষা অটুট ৰখাৰ বাবে আৰু পৰীক্ষাত অকৃতকাৰ্য হৈ পঢ়া বাদ দিয়াৰ হাৰ কমোৱাৰ বাবে দেশত

কেইটামান শিক্ষাৰ পৰীক্ষামূলক মডেল বা আৰ্হি আছে।

ইচ্ছুক বিদ্যাৰ্থীৰ সৃষ্টি কৰক

অধ্যাপক এম আৰ ৰাজুৱে নিজ জন্মস্থান অন্ধ্ৰ প্ৰদেশৰ ভীমাবৰমৰ পাশ্বৱৰ্তী পেদ্দামীৰম নামৰ গাঁওখনত বাস কৰে। অধ্যাপক ৰাজুৰ জীৱনটো এটা ডাঙৰ আদৰ্শ— কিয়নো তেওঁৰ দৰে এজন বিখ্যাত আণৱিক বিজ্ঞানীয়ে আমেৰিকাৰ চাকৰি ত্যাগ কৰি নিজৰ জন্ম ঠাইলৈ ঘূৰি আহিছিল। ঘূৰি আহোঁতে তেওঁ মনতে এটা দৃঢ় সংকল্প লৈ আহিছিল। নিজৰ পৰিয়ালৰ সহায়ত নিজ জন্ম ঠাই পেদ্দামীৰম আৰু তাৰ চৌপাশৰ ঠাইবিলাক ৰূপান্তৰিত • কৰিম বুলি তেওঁ স্বদেশলৈ ঘূৰি আহিছিল।

নিজৰ পুঁজিৰে প্ৰফেছৰ ৰাজুৱে তেওঁ ওপজা গাঁওখনত মহাত্মা গান্ধী মেমোৰিয়েল মেডিকেল ট্ৰাষ্ট্ বোলা অনুষ্ঠান এটা স্থাপন কৰিলে। মাত্ৰ এটা দশকৰ ভিতৰতে তেওঁ আৰু তেওঁৰ দলটোৱে ভাৰতবৰ্ষ আৰু বিদেশৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অহা স্বেচ্ছাসেৱীৰ সহায়ত গাঁৱৰ মানুহৰ জীৱনলৈ এক বৃহৎ পৰিৱৰ্তন আনিবলৈ সমৰ্থ হ'ল।

তেওঁ ঘাইকৈ তিনিৰ পৰা পাঁচ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ চৰিত্ৰ গঠন আৰু মানসিক বিকাশত গুৰুত্ব দিছিল। সেই গাঁওখনত সেই বয়সৰ এশটা ল'ৰা-ছোৱালী আছিল। তাৰে পঞ্চাশটা উচ্চ উপাৰ্জনশীল পৰিয়ালৰ আৰু সেইখিনি ল'ৰা-ছোৱালীয়ে প্ৰাইভেট স্কুলত পঢ়িছিল। ত্ৰিশটা ল'ৰা-ছোৱালী বৰ দুখীয়া পৰিয়ালৰ আৰু চৰকাৰী বালাৱাদী বিদ্যালয়ত পঢ়িছিল। বাকী বিশটা ছাত্ৰ-ছাত্ৰীয়ে প্ৰফেছৰ এম আৰ ৰাজুৱে চলোৱা স্কুলত নাম ভৰ্তি কৰিলেহি। তেওঁৰ স্কুলৰ মাচুল হিচাপে মাক-বাপেকে প্ৰতিটো সন্তানৰ বাবে প্ৰতিমাহত নিজৰ এদিনৰ উপাৰ্জনৰ আধাখিনি ধন দিব লাগিছিল। ছাত্ৰীৰ বাবে তেওঁলোকে মাহিলি মাত্ৰ দহ টকাকৈ দিব লাগিছিল।

সেই বিদ্যালয়খনত খেলা-ধূলাৰ পৰিৱেশ, পুষ্টিকৰ আহাৰ আৰু ল'ৰা-ছোৱালীক মৰম-চেনেহেৰে চোৱা-চিতা কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু স্বাস্থ্য বিজ্ঞানৰ ওপৰত গুৰুত্ব দি ল'ৰা-ছোৱালীক শিক্ষা দিয়া হৈছিল। উদাহৰণস্বৰূপে আহাৰ খোৱাৰ আগতে হাত-মুখ ভালকৈ ধুব লাগে বুলি শিকোৱা হৈছিল। সেই শিক্ষা লাভ কৰি সিহঁতে নিজৰ ঘৰতে স্বাস্থ্য বিজ্ঞানৰ শিক্ষক হয়হি— হাত-মুখ নোধোৱাকৈ পৰিয়ালৰ কাকো আহাৰ খাবলৈ নিদিছিল।

আমি দেশৰ ল'ৰা-ছোৱালীৰ মুখৰ হাঁহি অটুট ৰাখিব পৰা শিক্ষা পদ্ধতিৰ সৃষ্টি কৰিব পাৰিমনে?

শিক্ষকসকলে কণ কণ ল'ৰা-ছোৱালীৰ সৈতে একোজন বিজ্ঞানীৰ দৰে কথা পাতে। এই পদ্ধতিয়ে ল'ৰা-ছোৱালীৰ মাজত সৃজনশীলতা বৃদ্ধি কৰে। শিশু এটিক 'বি' (B) আখৰটো দেখুৱাই তেওঁ কি বুজিছে বুলি সুধিলে তেওঁ সেইটো দেখাত চছমাৰ নিচিনা বুলি ক'ব। সেই একে ধৰণে, মুখাৱয়বৰ আকৃতি যেনে চকু, ওঁঠ আদিৰ স্কেচ্ আঁকি দিলে শিশুবিলাকে সম্পূৰ্ণ ছবিখন আঁকি দিব পাৰিব। ইয়েই শিশুসকলৰ সৃজনশীলতাক প্ৰতিপন্ন কৰে।

অধ্যাপক ৰাজুৰ স্কুলত তিনি মাহ পঢ়িলে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আনন্দ লাভ কৰে। তেওঁলোকৰ কোনোৱেই পৰীক্ষাত 'ফেইল' নকৰে। ই গোটেই গাঁওখনৰ পৰিৱেশটোকে সলনি কৰি দিছিল। স্কুলত অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সঁচাকৈয়ে কমি আহিল। গাঁওখন আৰু তাৰ পাৰ্শ্বৱৰ্তী এলেকাসমূহত এচাম আত্মবিশ্বাসী ডেকাৰ জন্ম হ'ল। অধ্যাপক ৰাজু আৰু তেওঁৰ দলটোৱে যোৱা দহ বছৰ ধৰি চলোৱা শিক্ষাদান পদ্ধতিৰ ওপৰত শিশু মনোবিজ্ঞানী আৰু শিক্ষাৰ সিদ্ধান্তবাদীসকলে গৱেষণা কৰিছিল।
এই ব্যৱস্থাই শিশুসকলক স্কুললৈ যোৱাৰ আগতেই শিকাৰ প্ৰতি আগ্ৰহী কৰে আৰু স্কুলত

নামভৰ্তি কৰি নিয়মীয়াকৈ স্কুললৈ অহা-যোৱা কৰিবলৈ লোৱাৰ পিছত শিক্ষণ প্ৰণালীত উদ্যম-সহকাৰে অংশগ্ৰহণ কৰাত আগ্ৰহী কৰে। এনে ধৰণৰ পৰীক্ষা-নিৰীক্ষা আন আন বিদ্যালয়তো হাতত লোৱা দেখা গৈছে।

আজীৱন শিকাৰুৰ সৃষ্টি কৰক

স্কুলীয়া ল'ৰা-ছোৱালীৰ বাবে স্কুলৰ বিদ্যা-শিক্ষাৰ সামগ্ৰিক উৎকৰ্ষ বা গুণ উন্নত কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু বহুপাক্ষিক সংস্থাৰ সহযোগত আজীম প্ৰেমজী ফাউণ্ডেচনে শিশুৱে ভালপোৱা বিদ্যালয় খোলাৰ প্ৰচেষ্টা হাতত লৈছিল। ল'ৰা-ছোৱালীবিলাক বিদ্যালয়লৈ অহা-যোৱা কৰা, বিদ্যালয়ৰ সময়ত শিক্ষা গ্ৰহণ কৰা আৰু বিদ্যালয়ত কম পক্ষেও পাঁচ বছৰ পঢ়াটো নিশ্চিত কৰাটোৱেই সেই কাৰ্যসূচীৰ প্ৰধান লক্ষ্য আছিল। শিক্ষক, গাঁৱৰ বুঢ়া-মেথা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ দায়বদ্ধতাৰ বাবে সেই কাৰ্যসূচী বা আঁচনি ফলপ্ৰসূ হৈছিল। শ্ৰেণীকোঠাৰ ভিতৰত অনুশীলন মোক্ষম কৰা, শৈক্ষিক প্ৰশাসনক সমৰ্থন কৰা আৰু শৈক্ষিক পদ্ধতিক পৰিচালনা কৰাৰ বাবে সম্প্ৰদায়ৰ সবলীকৰণ কৰা আদিৰ লেখীয়া কিছুমান হস্তক্ষেপ এই কাৰ্যক্ৰমে সম্পন্ন কৰিছে। এই প্ৰচেষ্টাই বিভিন্ন সা-সুবিধাৰ ক্ষেত্ৰত, যেনে—শ্ৰেণীকোঠা, খোৱা পানী, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু নিৰাপত্তা, দৈহিক আৰু মানসিক-সামাজিক স্বাস্থ্যৰ দৰে সেৱাসমূহক সামৰি লৈছিল। লিংগ-সংবেদনশীল পাঠ্যক্ৰম আৰু সাক্ষৰতাৰ বাবে বস্তু নিৰ্মাণ, সাংখ্যিক পাৰদৰ্শিতা, জ্ঞান, দৃষ্টি-ভংগী, জীৱনৰ বাবে সাৰ্থক বা উপযোগী দক্ষতা আৰু শিক্ষণ পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

বিদ্যালয়সমূহে মূল্যবোধ থকা মিছন বা লক্ষ্য অভিমুখী শিক্ষা প্ৰদান কৰিব লাগিব।

য'ত আনন্দদায়ক শিক্ষণ পদ্ধতি আৰু নিৰ্ভয় মূল্যায়ন আছে

তেনে প্ৰাথমিক স্তৰত শিক্ষণৰ এনে এটা ঘটনা বদ্ধমূল হোৱাৰ বাবে অংশগ্ৰহণকাৰীসকলে স্বেচ্ছামূলক শিক্ষণৰ সূচনা কৰিব।[৭]

স্বতন্ত্ৰ শিকাৰুৰ সৃষ্টি কৰক

বৰ্তমান সূচনা আৰু সঞ্চাৰৰ যুগত এজন ছাত্ৰই বিভিন্ন উৎসৰ পৰা তেওঁলৈ অহা অজস্ৰ তথ্যৰ বোজা বহন কৰিব লাগে। সম্প্ৰতি ইণ্টাৰনেটৰ জৰিয়তে তথ্যৰ সমগ্ৰ জগতখনত সোমোৱা সুবিধাৰ বাবে ছাত্ৰ এজনে তেওঁৰ লেপটপ্ কম্পিউটাৰত বেছ ডাঙৰ লাইব্ৰেৰী এটা লগত লৈ ঘূৰি ফুৰিব পাৰে। আজিকালিৰ ছাত্ৰই নিজৰ মগজুৰ ভাণ্ডাৰ ব্যৱহাৰ কৰিব নালাগে আৰু মনত পেলোৱা শক্তিৰো দৰকাৰ নাই। তথ্যৰ এই অথাই সাগৰৰ পৰা প্ৰাসংগিক জ্ঞানখিনি আহৰণ কৰাৰ ওপৰত শিক্ষণ ব্যৱস্থাই গুৰুত্ব দিব লাগে। এই দিশত শিক্ষকসকলে ছাত্ৰক পৰামৰ্শ দিব লাগে আৰু তেওঁলোকৰ মাজত স্বতন্ত্ৰ বা স্বপ্ৰবৃত্ত শিকাৰু হোৱাৰ সামৰ্থ্য সৃষ্টি কৰিব লাগে।[৮] শিক্ষাবিদসকলে স্কুল আৰু স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত নতুন দৃষ্টিভংগীৰ সৃষ্টি কৰিব লাগে। সেই দৃষ্টিকোণ হ'ব শিক্ষাৰ পৰিৱেশ— য'ত ছাত্ৰসকল শিক্ষণ কম আৰু পদ্ধতিৰ জৰিয়তে আৰু বেছি স্বতন্ত্ৰ হ'ব পাৰে। আমি ছাত্ৰ-ছাত্ৰীক স্বতঃপ্ৰবৃত্তিৰ বাবে ক'ব নোৱাৰোঁ। কৰ্ম পদ্ধতিৰ জৰিয়তে ইয়াক বিকশিত আৰু আয়ত্ত কৰিব লাগিব। স্কুলৰ ক্ষেত্ৰত শিক্ষণ কৰ্মৰ জৰিয়তে আয়ত্ত কৰিব লাগিব।[৯]

পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ বাবে ঘৰ আৰু বিদ্যালয় চৌহদ দুয়োটাৰ একীকৃত বা সমন্বিত মিছন বা লক্ষ্য থাকিব লাগিব।

প্ৰতিভা চিনাক্ত কৰি প্ৰতিপালন কৰক

জাৰ্মানীত জন্মগ্ৰহণ কৰিলেও ডেকা ছাত্ৰ এলবাৰ্ট আইনষ্টাইনে অধ্যয়ন কৰাৰ বাবে ছুইজাৰলেণ্ডৰ জুৰিখ পলিটেক্‌নিক্ ইনষ্টিটিউটলৈ গৈছিল। সেই শিক্ষানুষ্ঠানটোত এড্‌মিছন পোৱাৰ বাবে হাইস্কুলৰ চাৰ্টিফিকেটৰ প্ৰয়োজন নহৈছিল। কেৱল তাত এটা কঠিন প্ৰৱেশ পৰীক্ষা পতা হয় আৰু সেই

পৰীক্ষাটোত পাছ্ কৰা নম্বৰ পালেই হ'ল। প্ৰৱেশ পৰীক্ষাটো দি আইনষ্টাইন কতৃকাৰ্য হ'ব নোৱাৰিলে যদিও তেওঁ গণিত আৰু পদাৰ্থ বিজ্ঞানত ব্যতিক্ৰমী নম্বৰ লাভ কৰিছিল। তেওঁৰ সেই নম্বৰ দেখি অধ্যক্ষই বৰ ভাল পালে। তাৰ পিছৰ বছৰত তেওঁ আইনষ্টাইনক প্ৰবেশ পৰীক্ষাত নবহাঁকৈয়ে এড্‌মিছন দিব বুলি কথা দিলে।

আমি যি ধৰণৰ সমাজ নিৰ্মাণ কৰিব বিচাৰো ল'ৰা-ছোৱালীক সেই ধৰণৰ শিক্ষা প্ৰদান কৰিব লাগে।

এই ঘটনাটোৱে এড্‌মিছনৰ ক্ষেত্ৰত কিছু পৰিমাণৰ নমনীয়তা থকা কথাটোকে সূচাইছে। তদুপৰি শিক্ষকে ছাত্ৰ এজনৰ কোনো বিশেষ বিষয়ৰ প্ৰতি থকা ৰাপ ধৰিব পৰা আৰু প্ৰতিভাসম্পন্ন ছাত্ৰৰ যত্ন লোৱাৰ কথাটো পৰিস্ফুট হৈছে।[১০]

শিক্ষাৰ লক্ষ্য বা উদ্দেশ্য

শৈশৱৰ পৰা কোনো বৃত্তি বা পেছাত নিযুক্ত নোহোৱালৈকে আমি প্ৰত্যেকে শিক্ষাৰ বিভিন্ন পৰ্যায় অতিক্ৰমি আহিছোঁ। মোৰ চকুৰ আগত এটি শিশু, এজন কিশোৰ, এজন প্ৰাপ্তবয়স্ক লোক আৰু এজন নেতাৰ ছবি ভাহি উঠিছে। তেওঁলোকৰ প্ৰত্যেকে নিজৰ জীৱনত আৱশ্যকতা পূৰণ কৰিব বিচাৰে— কিন্তু তেওঁলোক প্ৰত্যেকৰ ভিন্ন ভিন্ন প্ৰতিক্ৰিয়া।

শিশুটিয়ে সুধিলে, 'আপুনি মোক কি সহায় কৰিব পাৰে?'

কিশোৰজনে এইবুলি উত্তৰ দিলে, 'মই কামটো অকলে কৰিব বিচাৰোঁ।'

প্ৰাপ্তবয়স্ক ডেকাজনে ক'লে, 'আহা, আমি মিলিজুলি কামটো কৰোহঁক।'

নেতাজনে আগবাঢ়ি আহি সুধিলে, 'মই তোমালোকৰ কাৰণে কি কৰিব পাৰোঁ?'

এটি শিশুক এজন নেতালৈকে ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত শিক্ষা ব্যৱস্থাৰ গধুৰ দায়িত্ব আছে। সেই ৰূপান্তৰণ হ'ল 'আপুনি মোক কি সহায় কৰিব পাৰে?' ৰ পৰা 'মই তোমালোকৰ কাৰণে কি কৰিব পাৰোঁ?' লৈ।

অৰ্থাৎ কলেজ বা স্কুলৰ অধ্যক্ষজন অনুপ্ৰেৰণা দিয়াৰ সামৰ্থ্য থকা স্বপ্নদ্ৰষ্টা হ'ব লাগিব। শিক্ষকসকলে যাতে ল'ৰা-ছোৱালীৰ উৎকৃষ্ট গুণখিনি উলিয়াই আনিব পাৰে সেই ধৰণে শিক্ষাদান কৰাটো অধ্যক্ষই নিশ্চিত কৰিব লাগিব। তাৰ বাবে তেওঁ নিজেও এজন সুযোগ্য শিক্ষক হ'ব লাগিব। অধ্যক্ষ, শিক্ষাগুৰু আৰু পিতৃ-মাতৃৰ সমন্বিত প্ৰভাৱ বা প্ৰেৰণাৰ জৰিয়তেহে বিদ্যাৰ্থীসকলৰ শ্ৰেষ্ঠ সৃষ্টিশীলতাৰ প্ৰকাশ ঘটিব।[১১]

বিদ্যালয়সমূহ শৈক্ষিক কেন্দ্ৰ হোৱাৰ সলনি জ্ঞান আৰু দক্ষতাৰ কেন্দ্ৰ হ'ব লাগিব।

সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে, 'আমি যি ধৰণৰ সমাজ নিৰ্মাণ কৰিব বিচাৰোঁ ল'ৰা-ছোৱালীক সেই ধৰণৰ শিক্ষা প্ৰদান কৰিব লাগে। মানুহৰ মৰ্যাদা আৰু সমতাৰূপ মূল্যবোধৰ আধাৰত আমি আধুনিক গণতন্ত্ৰৰ ভেটি নিৰ্মাণৰ বাবে কাম কৰি আছোহঁক। এইবোৰ আদৰ্শ বা মূল্য ঃ সিবোৰক আমি জীৱনী শক্তিলৈ ৰূপান্তৰিত কৰিব লাগিব।'[১২]

একবিংশ শতিকাৰ বাবে শিক্ষাৰ মডেল বা নমুনা

বৰ্তমানে শিক্ষাৰ এটা উৎকৃষ্ট আৰ্হি বা নমুনা লাগে যাতে ছাত্ৰ-ছাত্ৰীসকল ডাঙৰ হৈ ৰাষ্ট্ৰৰ আৰ্থিক বিকাশৰ বাবে অৰিহণা যোগোৱাটো নিশ্চিত কৰিব পৰা যায়।

সমগ্ৰ শিক্ষা ব্যৱস্থাই ক্ষমতা বিকাশৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। ইয়াৰ পাঁচটা উপকৰণ আছে ঃ গৱেষণা আৰু অনুসন্ধান, সৃজনশীলতা আৰু নতুনৰ উদ্ভাৱন, উচ্চক্ষমতাযুক্ত প্ৰযুক্তি ব্যৱহাৰৰ সামৰ্থ্য, উদ্যমশীলতা আৰু নৈতিক নেতৃত্ব।

গৱেষণা আৰু অনুসন্ধান ঃ একবিংশ শতিকা হ'ল আমি আজিলৈকে অৰ্জন কৰা জ্ঞান আৰু তথ্য, আৰু তাৰ লগতে আমি সৃষ্টি কৰিব পৰা মূল্য সংযোজনৰ প্ৰৱন্ধন। আমাৰ ছাত্ৰ-ছাত্ৰীসকলক আমি কুশলতা দিব লাগিব যাৰ সহায়ত তেওঁলোকে আমি সৃষ্টি কৰা জ্ঞানৰ পয়োধিৰ মাজেদি পথৰ সন্ধান উলিয়াব পাৰে আৰু গোটেই জীৱনজোৰা শিক্ষণ প্ৰক্ৰিয়া অব্যাহত ৰাখিব পাৰে। প্ৰযুক্তিৰ সহায়ত সঁচা অৰ্থত জীৱনভৰ শিকাৰু হোৱাৰ সামৰ্থ্য আমাৰ আছে। স্থায়ী আৰ্থিক প্ৰগতিৰ বাবে এই কুশলতা অত্যাৱশ্যকীয়।

একবিংশ শতিকা হ'ল আমি আজিলৈকে অৰ্জন কৰা জ্ঞান আৰু তথ্য, আৰু তাৰ লগতে আমি সৃষ্টি কৰিব পৰা মূল্য সংযোজনৰ প্ৰৱন্ধন।

সৃজনশীলতা আৰু উদ্ভাৱন ঃ আমাৰ চৌপাশে সীমাহীন তথ্যৰ স্ৰোত আছে। নেটৱৰ্কৰ মাধ্যমত সূচনা উপলব্ধ কৰালে তাৰ ক্ষমতা আৰু উপযোগিতা দুগুণে বাঢ়ি যাব বুলি 'মেট্‌কাফে'ৰ আইনে' ভৱিষ্যৎ বাণী কৰিছিল। একবিংশ শতিকাত জ্ঞানৰ প্ৰৱন্ধন কৰাটো এজন ব্যক্তিৰ সামৰ্থ্য বা শক্তিৰ বাহিৰত। ইয়াক ব্যক্তিৰ জগতৰ পৰা নেটৱৰ্ক কৰা দল বা সমূহলৈ স্থানান্তৰ কৰিব লাগিব। ছাত্ৰসকলে সামূহিকভাৱে জ্ঞান প্ৰৱন্ধন কৰা কৌশল আয়ত্ত কৰিব লাগিব।

উচ্চস্তৰীয় প্ৰযুক্তি ব্যৱহাৰ কৰাৰ ক্ষমতা ঃ সকলো ছাত্ৰই নিজৰ শিক্ষণ পদ্ধতিৰ সহায়ক হোৱাকৈ নতুন নতুন প্ৰযুক্তিসমূহৰ ব্যৱহাৰৰ কৌশল আয়ত্ত কৰিব লাগিব। বিশ্ববিদ্যালয়সমূহত পৰ্যাপ্ত পৰিমাণৰ সা-সঁজুলি, গৱেষণাগাৰৰ সা-সুবিধা আৰু ইণ্টাৰ্‌নেটৰ সা-সুবিধা উপলব্ধ হ'ব লাগিব। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে যাতে নিজৰ শিক্ষণ পাৰদৰ্শিতা বৃদ্ধি কৰিব পাৰে তাৰ বাবে উপযুক্ত পৰিৱেশ প্ৰদান কৰিব লাগিব। প্ৰযুক্তিৰ উদ্ভাৱন আৰু বিপ্লৱৰ মাজত

শিক্ষকসকলৰ ভূমিকা কমি যাব বুলি আমি ভাবিব নোৱাৰোঁ। বৰং শিক্ষাৰ গুৰুত্ব বহু বেছি পৰিমাণে বাঢ়িহে যাব। সমগ্ৰ শিক্ষাজগত শিক্ষকৰ সহায়ত চলিব। কাৰণ জ্ঞানৰ প্ৰচাৰ বা প্ৰসাৰৰ বাবে দেশৰ চুকে-কোণে দক্ষ শিক্ষকসকলক লৈ যোৱাত প্ৰযুক্তিয়ে সহায় কৰিব।

উদ্যমশীলতা ঃ উদ্যমশীলতাৰ ৰাপ বা প্ৰৱণতাক আৰম্ভণিৰে পৰা বিকশিত কৰিব লাগে আৰু বিশ্ববিদ্যালয়ৰ স্তৰলৈকে অব্যাহত ৰাখিব লাগে। বৃহৎ লাভৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে কিদৰে ভাবি-চিন্তি সংকটৰ (risk) মুখামুখি হ'ব তাক আমি শিকাব লাগিব। কিন্তু সেইটো কৰিব লাগিব ব্যৱসায়ৰ সদাচাৰৰ মাজত থাকি। তেওঁলোকে নিজৰ ভিতৰত উচিত কাম কৰাৰ প্ৰবৃত্তি বা প্ৰৱণতাও বিকশিত কৰিব লাগিব। এই ক্ষমতাই তেওঁলোকক ভৱিষ্যতে প্ৰত্যাহ্বানমূলক কাম-কাজ হাতত লোৱাত সহায় কৰিব।

প্ৰকৃত শিক্ষাই মানুহৰ মৰ্যাদা বঢ়ায়। তদুপৰি ই আত্মসন্মানো বৃদ্ধি কৰে।

নৈতিক নেতৃত্ব ঃ নৈতিক নেতৃত্বৰ দুটা দিশ বা স্থিতি আছে। প্ৰথম ঃ জীৱনৰ উন্নততৰ অৱস্থাৰ বাবে মানুহৰ সন্মোহক আৰু শক্তিশালী স্বপ্ন থাকিব লাগিব। দ্বিতীয় ঃ নিজে উচিত কাম কৰা আৰু আনকো উচিত কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰাৰ প্ৰবৃত্তি থাকিব লাগিব। সংক্ষেপতে ক'বলৈ হ'লে, শিক্ষা পদ্ধতিৰ মাধ্যমত বিকাশ, সৃজনশীলতা, প্ৰযুক্তি, উদ্যমশীল গুণ আৰু নৈতিক নেতৃত্ব— এই পাঁচটা সামৰ্থ্যৰ বিকাশ সাধন কৰিব পাৰিলে আমি 'স্বতন্ত্ৰ শিকাৰু (স্ব-পৰিচালিত আৰু স্ব-নিয়ন্ত্ৰিত আজীৱন শিকাৰু)ৰ জন্ম দিব পাৰিম। তেওঁলোকৰ কৰ্তৃপক্ষ বা জ্যেষ্ঠজনক সন্মান কৰাৰ মানসিকতা হোৱাৰ লগতে তেওঁলোকে উচিতভাৱে প্ৰশ্ন সোধাৰ ক্ষমতাও লাভ কৰিব। এইবোৰেই নেতা যিয়ে নেকি কোনো ৰাষ্ট্ৰক সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাপে ৰূপান্তৰিত কৰাৰ মানসেৰে 'স্বসংগঠিত নেট্‌ৱৰ্ক্' হিচাপে একেলগে কাম কৰিব।

সি যি কি নহওক, 'আমি এইটো কৰিব পাৰোঁ'— ছাত্ৰৰ মনত এই ধাৰণাটো প্ৰোথিত কৰাটোৱেই শিক্ষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম বা ভূমিকা।[১৩]

শিক্ষাই সংস্থান বা নিয়োগৰ সুযোগ সৃষ্টি কৰিব লাগিব।

শিক্ষা সংক্ৰান্তীয় কৌশল বা নিপুণতা

সাক্ষৰতা আৰু গাণিতিক জ্ঞান নাগৰিকৰ বাবে অত্যাৱশ্যকীয়। কিন্তু অকল এই দুটাৰ সহায়ত লাভজনক সংস্থান লাভ কৰাটো সম্ভৱ নহয়। সঠিক আৰু আৰ্থিকভাৱে সংগত দক্ষতা থকাটো কেৱল হাইস্কুলীয়া শিক্ষা লাভ কৰা সকলৰ বাবে বিশেষভাৱে দৰকাৰী হয়। আমাৰ দেশৰ

গৰিষ্ঠসংখ্যক ডেকা এই শ্ৰেণীত পৰে। সংস্থান লাভৰ বাবে তেওঁলোক প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগিব অথবা স্ব-নিযুক্ত হ'ব লাগিব। তেওঁলোকক নিৰ্মাণকাৰ্য, মেৰামতিৰ কাম, হোটেলৰ কাম, স্বাস্থ্য সেৱা উদ্যোগ, খুচুৰা বিক্ৰীৰ কাৰবাৰ অথবা ইলেক্‌ট্ৰিচিয়ান, বাঢ়ৈ আদিৰ কামৰ বাদে দৰকাৰী কাৰিকৰী শিক্ষা দিব পাৰি। বৰ্তমানৰ প্ৰতিযোগিতাত্মক অৰ্থনীতিৰ বাবে প্ৰয়োজনীয় গুণসম্পন্ন কাৰিকৰী জ্ঞান অপৰিহাৰ্য। আমাৰ নাগৰিকসকলক সেই কাৰিকৰী শিক্ষাৰে সক্ষম কৰি তোলাটো আমাৰ কৰ্তব্য।[১৪]

এটি শিশুক এজন নেতালৈকে ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত শিক্ষা ব্যৱস্থাৰ গধুৰ দায়িত্ব আছে। সেই ৰূপান্তৰণ হ'ল 'আপুনি মোক কি সহায় কৰিব পাৰে?'ৰ পৰা 'মই তোমালোকৰ কাৰণে কি কৰিব পাৰোঁ?'লৈ।

উদ্যমীৰ সৃষ্টি

আমাৰ দেশৰ উচ্চ শিক্ষা ব্যৱস্থাৰ যথেষ্ট বিকাশ হৈছে। প্ৰতিবছৰে প্ৰায় ত্ৰিশ লাখৰো অধিক সংখ্যক স্নাতকৰ জন্ম হৈ আছে। কিন্তু বিশ্ববিদ্যালয়সমূহৰ পৰা ওলাই থকা এই ব্যাপক সংখ্যক স্নাতকক নিয়োগ কৰিব পৰাৰ ক্ষমতা থকা আমাৰ নিয়োগ বা সংস্থান উৎপাদন ব্যৱস্থা নাই। ফলত শিক্ষিত নিবনুৱাৰ সংখ্যা ব্যাপক হাৰত বাঢ়ি গৈ আছে। ইয়াৰ এটা কাৰণ হ'ল এই যে আধুনিক অৰ্থনীতিৰ বাবে প্ৰয়োজনীয় যি কাৰিকৰী শিক্ষা আমাক দিয়া হয় আৰু আনহাতে বৃহৎ সংখ্যক ছাত্ৰক যি শিক্ষা দিয়া হয় তাৰ মাজত বৃহৎ অসামঞ্জস্য। এই অৱস্থাই সামাজিক ব্যৱস্থাত অসন্তুলনতা বা অস্থিৰতাৰ সৃষ্টি কৰাটো নিশ্চিত। সংস্থানৰ সুবিধা দিব পৰা বা তাৰ গুৰুত্ব থকা উচ্চ শিক্ষাৰহে আমাৰ প্ৰয়োজন। শিক্ষাক আৰু বেছি আকৰ্ষক কৰাৰ বাবে বহুমুখী কৌশল অৱলম্বন কৰিব লাগিব। তাৰ লগে লগে নিয়োগ বা সংস্থানৰ সুবিধা সৃষ্টি কৰিব লাগিব। সেইটো কেনেকৈ কৰিমইঁক?

শিক্ষা ব্যৱস্থাই উদ্যমীসকলৰ গুৰুত্ব দেখুৱাই দিব লাগিব।

তদুপৰি ছাত্ৰসকলক কলেজৰ পৰাই প্ৰস্তুত কৰি তুলিব লাগিব যাতে তেওঁলোকে ব্যক্তিগতভাৱে অথবা যুটীয়াভাৱে সৰু সৰু উদ্যোগ বা ব্যৱসায় স্থাপন কৰাৰ লক্ষ্যৰে আগবাঢ়িব পাৰে। ই তেওঁলোকক সৃজনশীলতা, স্বতন্ত্ৰতা আৰু ধন উপাৰ্জন কৰাৰ ক্ষমতা প্ৰদান কৰিব। কাৰিকৰী দক্ষতাৰ বৈচিত্ৰ্য আৰু কামত একাগ্ৰতা বা অধ্যৱসায়ে উদ্যোগীৰ সৃষ্টি কৰে। এই কথাবোৰ সকলো ছাত্ৰকে শিকাব লাগে।[১৫]

'আমি এইটো কৰিব পাৰোঁ'— ছাত্ৰৰ মনত এই ধাৰণাটো প্ৰোথিত কৰাটোৱেই শিক্ষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম বা ভূমিকা।

ছাত্ৰই কি বিচাৰে

শিক্ষা ব্যৱস্থাই যাতে উদ্ভাৱনী আৰু সৃজনশীল মনক খোৰাক যোগাব পাৰে আৰু প্ৰত্যাহ্বান সৃষ্টি কৰিব পাৰে তাকেই বিচাৰে আজিৰ তৰুণ ছাত্ৰ সম্প্ৰদায়ে। তেওঁলোক হ'ল কাইলৈৰ স্ৰষ্টা— সেইটো আকৌ আজিয়েই ভাবিব বিচাৰে। উৎকৃষ্ট শিক্ষা ব্যৱস্থা তেওঁলোকৰ জ্ঞানৰ অদম্য স্পৃহা বা ভোকৰ নিবৃত্তি কৰাত সক্ষম হ'ব লাগিব।[১৬]

বিকশিত ভাৰতবৰ্ষৰ সামাজিক আৰু প্ৰযুক্তি সম্বন্ধীয় আৱশ্যকতাসমূহৰ প্ৰতি সংবেদনশীল পাঠ্যক্ৰম বিকশিত কৰাৰ বাবে শিক্ষা প্ৰতিষ্ঠানসমূহ তৎপৰ আৰু সক্ৰিয় হ'ব লাগিব। উন্নয়নৰ লক্ষ্যাভিমুখী ছাত্ৰ-ছাত্ৰীৰ কাম-কাজবোৰ বৰ্তমানৰ পাঠ্যক্ৰমৰ সৈতে এনেদৰে একীকৃত বা সমন্বিত কৰিব লাগে যাতে জ্ঞানসম্পন্ন সমাজৰ ভাৱী লোকসকল সমাজ পৰিৱৰ্তনৰ সকলো দিশ বা পৰ্যায়ত সম্পূৰ্ণভাৱে বিকশিত হয়।

শিক্ষা জ্ঞান আৰু বিকাশ অথবা বুদ্ধিৰ পথেদি কৰা এক অন্তহীন যাত্ৰা। তেনে যাত্ৰাই মানৱ জাতিৰ উন্নয়নৰ নতুন নতুন দিশ উন্মোচিত কৰিব য'ত সংকীৰ্ণতা, দ্বন্দ্ব-কলহ, ঈৰ্ষাপৰায়ণতা, ঘৃণা অথবা দ্বেষ আৰু শত্ৰুতাৰ অৱকাশ

নাথাকে। ই মানুহক এক সম্পূৰ্ণ মানুহ, এক মহান আত্মা আৰু এই বিশ্বৰ এক সাধন হিচাপে ৰূপান্তৰিত কৰে। প্ৰকৃত শিক্ষাৰ বলত মানৱ জীৱৰ গৰিমা বা মৰ্যাদা বাঢ়ে, স্বাভিমান আৰু বিশ্বভ্ৰাতৃত্ব বঢ়ায়। ই তেনে শিক্ষাৰ আধাৰ বা ভেটি হয়।[১৭] ❑

৪

সৃজনশীলতা আৰু নতুনত্ব

তেজস্বী মন একোটা
এই ধৰাৰ বুকু, ধৰাৰ ওপৰ
আৰু ধৰাৰ তল— সকলোতে
সবাতোকৈ শক্তিশালী সম্পদ।[১]

সৃজনশীলতা আৰু নতুনত্ব

সৃজনশীলতা আহে সুন্দৰ মনৰ পৰা

সুন্দৰ একোটা মনৰ পৰা সৃজনশীলতাৰ উৎপত্তি হয়। ই যিকোনো ঠাই আৰু দেশৰ যিকোনো ভূ-ভাগৰ পৰা আহিব পাৰে। মাছুৱৈ এজনৰ জুপুৰি, খেতিয়ক এজনৰ ঘৰ, দুগ্ধ পাম বা গৰু-ম'হৰ প্ৰজনন কেন্দ্ৰৰ পৰাও ইয়াৰ শুভাৰম্ভ হ'ব পাৰে, অথবা শ্ৰেণীকোঠা, প্ৰয়োগশালা, উদ্যোগ অথবা গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ আদিৰ পৰাও সৃজনী শক্তিৰ উৎপত্তি হ'ব পাৰে। সৃজনশীলতাৰ বহুতো মাত্ৰা আছে, যেনে— নতুন সন্ধান, আৱিষ্কাৰ, উদ্ভাৱন আদি। পূৰ্বৰে পৰা থকা ধাৰণা বা বিচাৰৰ লগত সংযোগ কৰি, সলনি কৰি বা নতুনকৈ প্ৰয়োগ কৰি কিবা এটা নতুন বস্তুৰ আৱিষ্কাৰ বা কল্পনা কৰাৰ সামৰ্থ্যই সৃজনী শক্তি। ই হ'ল পৰিবৰ্তন আৰু

নতুনত্বক গ্ৰহণ কৰাৰ মানসিকতা, বিচাৰ আৰু সম্ভাৱনাৰ সৈতে খেলাৰ ইচ্ছা, দৃষ্টিভংগীৰ নমনীয়তা, ভালটোক উন্নততৰ কৰাৰ উপায় বিচাৰি তাক উপভোগ কৰাৰ অভ্যাস। সৃজনী শক্তি কঠোৰ শ্ৰম কৰা আৰু ক্ৰমাগতভাৱে সালসলনি আৰু মাৰ্জিত কৰি অবিৰতভাৱে বিচাৰ বা ধাৰণা আৰু সমাধানসমূহক উন্নত কৰাৰ পদ্ধতি। একেটা বস্তুকে আনৰ দৃষ্টিৰে চোৱা অথচ বেলেগ ধৰণে ভবা বা চিন্তা কৰা— এইটো সৃজনী শক্তিৰ গুৰুত্বপূৰ্ণ দিশ।

মানুহৰ মনটো ভগৱন্তৰ অতুলনীয় দান। জীৱনত যিমানেই খলা-বমা পাৰ হৈ নাহোঁ কিয়, চিন্তা-ভাবনা কৰাৰ শক্তিক আমাৰ মূল পুঁজি বা সম্পত্তি বুলি ভাবিব লাগে। চিন্তা-ভাবনাই প্ৰগতি। চিন্তাহীনতাই ব্যক্তি, সংগঠন আৰু দেশৰ সৰ্বনাশ কৰে। চিন্তাই জীৱনত সক্ৰিয়তা আনে। কাৰ্য অবিহনে জ্ঞান নিষ্ফল আৰু অপ্ৰাসংগিক। কাৰ্যসহিত জ্ঞানে সমৃদ্ধি আনে।[২]

মানৱ মনৰ সৃজনীশক্তি আৰু কল্পনা সদায় কম্পিউটাৰতকৈ শ্ৰেষ্ঠ।

সৃজনী শক্তিক উদগনি দিয়া

প্ৰতিজন মানুহৰ মনত যে সৃজনীশক্তিৰ বীজ নিহিত থাকে তাত কোনো সন্দেহ নাই। কিন্তু তাক অভিব্যক্ত বা প্ৰকাশ কৰাৰ বাবে সংহত প্ৰচেষ্টাৰ দৰকাৰ। প্ৰত্যেকজন ব্যক্তি সৃজনশীল। প্ৰত্যেক ব্যক্তি অনুসন্ধিৎসু। সৰু ল'ৰা-ছোৱালীয়ে প্ৰশ্ন কৰিলে আমি তাৰ উত্তৰ দিব লাগে। শিক্ষক আৰু পিতৃ-মাতৃৰ এইটো প্ৰাথমিক দায়িত্ব। সৰু কালিতে এইটো কৰিলে সৃজনী শক্তি বিকশিত হ'ব আৰু ল'ৰা-ছোৱালীয়ে উন্নতি কৰিব। ইয়াৰ ফলত আনে প্ৰশ্ন কৰিলে তাৰ উত্তৰ দিয়াৰ এক সংস্কৃতি বা অভ্যাস ল'ৰা-ছোৱালীৰ মাজত গঢ় লৈ উঠিব।

সুন্দৰ মন সৃজনী শক্তিৰ উৎস বা স্ৰোত। সৃজনী শক্তিয়ে

চিন্তা-চেতনাক ৰঙীন চিত্ৰ, গল্প আৰু কবিতালৈ ৰূপান্তৰিত কৰে।

বিদ্যাই দিয়ে সৃজনী শক্তি
সৃজনী শক্তিয়ে বাট দেখুৱায় চিন্তাক
চিন্তাই প্ৰদান কৰে জ্ঞান
জ্ঞানেহে কৰিব আপোনাক মহান।[৩]

সৃজনী শক্তিক প্ৰতিপালন কৰা

প্ৰতিজন মানুহেই সৃজনশীল আৰু প্ৰতিজন মানুহেই অনুসন্ধিৎসু।

লাভ্লীজেন্— কেৰালাৰ কোনো এখন দূৰ ঠাইৰ ডেকা ল'ৰা। তেওঁ বিজ্ঞানৰ ছাত্ৰ আছিল। কিন্তু তেওঁৰ স্নাতক ডিগ্ৰী লোৱা নহ'ল। এদিন তেওঁ মোলৈ দিয়া চিঠি এখনত এইবুলি লিখিলে যে তেওঁ গণিতৰ এটা নতুন সূত্ৰ বা থিয়ৰী বাহিৰ কৰিছে আৰু সেই সংক্ৰান্তত তেওঁ মোক লগ ধৰিব খোজে। চিঠিখনৰ পৰা মই বুজি পাইছিলোঁ যে তেওঁ এজন নিষ্ঠাবান ল'ৰা। মই ভাবিলোঁ— আমাৰ বিশেষজ্ঞৰ দল এটাৰ হতুৱাই তেওঁৰ কামটো পৰীক্ষা কৰাই তেওঁক উপযুক্ত গৱেষণাকাৰীৰ ওচৰলৈ পঠিয়াই দিয়াটোৱেই ভাল হ'ব। সেইবাবে মই তেওঁক কেইদিনমান দিল্লীত থকাকৈ মাতি পঠিয়ালোঁ।

তেওঁ অহাত তেওঁৰ কাম চাই মই আচৰিত হ'লোঁ। কিয়নো ল'ৰাজনে ৰামানুজমৰ 'নাম্বাৰ থিয়ৰী'ৰ সমীকৰণৰ একেবাৰে কাষ চাপিছিল। অথচ ইয়াৰ আগতে তেওঁ সেই বিষয়ে একোকে নাজানিছিল। নিজৰ আৱিষ্কাৰৰ সৈতে তেওঁ নতুন কথাও যোগ দিছিল। সেইবাবে তাৰ ফলাফলো আছিল নতুন। গণিতৰ ক্ষেত্ৰত যি অনুসন্ধান সি বহুলাংশে প্ৰকৃতিৰ মনোৰম ৰহস্যাক অৱলোকন কৰাৰ ইচ্ছাৰ পৰা জন্মে। এনে ভাবনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ প্ৰাচীন কালৰে পৰা জ্যোতিৰ্বিদসকলে গ্ৰহ-নক্ষত্ৰভৰা আকাশৰ ৰহস্যসমূহৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল। গণিতীয় শৃংখলা বা অনুক্ৰমেৰে অভিব্যক্ত হ'লেও

প্ৰকৃতিৰ ঘটনা প্ৰৱাহ জনাৰ বাবে মানুহৰ মনত জন্মৰে পৰা আকাংক্ষা জাগে। উল্লেখযোগ্য যে লাভ্‌লীজেন্ বোলা ল'ৰাজনে বৰ্তমান 'পাৱাৰ চিকুৱেন্স্' আৰু 'চিৰিজ'ৰ লেখীয়া চিত্তাকৰ্ষক বিষয়ৰ ওপৰত ধ্যান দিয়া দেখা গৈছে। মই এটা কথা অনুভৱ কৰিলোঁ যে প্ৰফেছাৰ হাৰ্ডিয়ে যিদৰে ৰামানুজমৰ তত্ত্বাৱধান লৈছিল ঠিক তেনেকৈ গণিতত বিশেষ ব্যুৎপত্তি থকা শিক্ষাগুৰু এজনৰ তত্ত্বাৱধানত লাভ্‌লীজেনেও গণিতৰ সমুচিত শিক্ষা লাভ কৰিব লাগিব।

আমি এনে উৎসাহী যুৱকক কিদৰে উৎসাহিত বা পৃষ্ঠপোষকতা কৰিব পাৰিম? আমাৰ শিক্ষাগুৰু, সমাজহিতৈষী অথবা সমাজকৰ্মীসকলে এনে উঠি অহা প্ৰতিভাৱান যুৱকক বাছি-বিচাৰি সিহঁতক পূৰ্ণ প্ৰস্ফুটিত হোৱাত সহায় কৰিব পাৰিবনে?[৪]

সৃজনশীলতাৰ কোনো সীমা বা পৰিধি নাই

বিগত ১৯৪৯ চনৰে পৰা প্ৰতি বছৰে শংকৰৰ আন্তৰ্জাতিক শিশুৰ প্ৰতিযোগিতাৰ আয়োজন কৰি অহা হৈছে। মই শংকৰৰ শিশুৰ আৰ্টৰ ৫৫নং ভলিউমটো চাই আছিলোঁ। সেইটো ৬৮খন দেশৰ শিশুৱে অঁকা পেইন্টিঙৰ সংগ্ৰহ। শিশুসকলে নিজৰ নিজৰ পেইন্টিং, কবিতা, গল্প, প্ৰবন্ধ আদিৰ মাজেদি দেখুওৱা প্ৰতিভা দেখি মই তবধ মানিলোঁ। বয়স্কসকলে যেতিয়া দেশ আৰু তাৰ চাৰিসীমা, জাতি আৰু ধৰ্ম, ধনী আৰু দুখীয়া আদিৰ বিষয়ে কথা পাতিবলৈ ধৰিছিল তেতিয়া শিশুসকলৰ কামবোৰ আছিল সন্ধিহীন বা সীয়নি নথকা আৰু সীমাহীন। শিশুৰ মনবোৰ নিৰ্মল, সিহঁতৰ মনত সংকীৰ্ণতা বা ভেদভাব নাথাকে। পৃথিৱীৰ এই তৰুণ সম্প্ৰদায়টোৱে মানৱ জাতিৰ ভৱিষ্যতৰ বাবে আমাৰ মনত আশাৰ সঞ্চাৰ কৰে। তেওঁলোকৰ হাতত এই পৃথিৱী নিৰাপদ বুলি আজি মই

আন সকলোৰে চোৱাৰ দৰে সৃজনীশক্তিয়ে একে বস্তুকে প্ৰত্যক্ষ কৰি আছে। কিন্তু কিবা এটাৰ ওপৰত ভাবনা-চিন্তা কৰাটো এক ভিন্ন বিষয়।

আশ্বস্ত হৈছোঁ। প্ৰত্যেকটি শিশুৰ কাম চাই মই মনত গভীৰ আনন্দ লাভ কৰিছোঁ। বহুদিন ধৰি এই স্মৃতি মোৰ মনত সজীৱ হৈ থাকিব। তাৰে কিছুমানৰ কাম বিশেষভাৱে উল্লেখ কৰিবলগীয়া।

এন্‌থীয়া ন্যুম্‌ছ নামৰ জাৰ্মানী ছোৱালী এজনীয়ে অঁকা পেইণ্টিংবোৰ চাই মই অভিভূত হৈছোঁ। তেওঁ ইষ্টাৰৰ সময়ত গ্ৰামাঞ্চলৰ উৎসৱমুখৰ পৰিৱেশ অংকিত কৰিছিল। তেওঁ ব্যৱহাৰ কৰা ৰঙে মোৰ শৈশৱ কাল অতিবাহিত কৰা সমুদ্ৰৰ উপকূলৱৰ্তী সৰু নগৰখনৰ কথা মনত পেলাই দিছিল। চৈধ্য বছৰীয়া ভাৰতীয় কিশোৰী সুপ্ৰজা চক্ৰৱৰ্তীয়ে স্বৰচিত কাহিনী এটাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীটোৰ নৈতিকতাক ঘৰুৱা পৰিৱেশত বৰ্ণিত কৰিছে। নিৰ্বাচনৰ সময়ত ভোট কিনা-বেচা কৰা কথাবোৰো তেওঁ কাহিনীটোৰ মাজেদি চৰ্চা কৰিছে। তাৰ পৰা এটা কথা স্পষ্ট হৈছে যে তৰুণ চামটোৱে এটা পৰিৱৰ্তন বিচাৰে।

সুন্দৰ সুন্দৰ মনবোৰেই সৃজনীশক্তিৰ উৎস।

ত্ৰয়োদশী কিশোৰী আৰ্দ্ৰা কৃষ্ণায়ো নিজৰ বুদ্ধি-বৃত্তিৰ পৰিচয় দিছে। তেওঁ নিজৰ কল্পনাৰ লেগামডাল খুলি দিছিল। ৩০০০ খ্ৰীষ্টাব্দত আমি বাস কৰা পৃথিৱীখন কেনেকুৱা হ'বগৈ তাকে তেওঁ মনঃচক্ষুৰে কল্পনা কৰিছে। তেওঁৰ কল্পনা অনুসৰি, দেশৰ নাগৰিকসকলে বাধ্য হৈ মংগল গ্ৰহলৈ প্ৰব্ৰজন কৰি তাতেই ঘৰ-বাৰী সাজি বসবাস কৰিবলৈ লৈছে আৰু তাতেই এক উন্নত সভ্যতাৰ সূচনা কৰিছে। সেইখিনিতে আহক এটা বিপদ। বৃহস্পতিৰ গ্ৰহাণু এটা মংগল গ্ৰহৰ ফালে জোৰেৰে আহি আছে। যিকোনো মুহূৰ্ততে মংগল গ্ৰহত সজোৰে খুন্দিয়াবহি। এনে এক প্ৰাকৃতিক দুৰ্যোগে মানৱসৃষ্ট সেই উন্নত সভ্যতাটো নিশ্চিহ্ন কৰাৰ আশংকাই দেখা দিলে। তেতিয়া মংগল গ্ৰহৰ বিজ্ঞানীসকলে নিজৰ গাৰ ফালে জোৰেৰে আহি থকা গ্ৰহাণুটোৰ ওপৰত পাৰমাণৱিক হাথিয়াৰ প্ৰয়োগ কৰি বাধা দিয়াৰ বাবে এটা অভিনৱ পন্থা উলিয়ালে। প্ৰচণ্ড

বোমাবৰ্ষণৰ ফলত যেনিবা গ্ৰহাণুটো ধ্বংস হ'ল। অৱশেষত যেনিবা ৩০০০ বৰ্ষই প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পোৱা মংগল গ্ৰহৰ সভ্যতা প্ৰত্যক্ষ কৰিলে। আৰ্দ্ৰা কৃষ্ণাৰ কি বিচক্ষণ বৈজ্ঞানিক চিন্তা!

ৰাছিয়াৰ আন্না ছিন্যাকোভা বোলা বাৰ বছৰীয়া ছোৱালী এজনীয়ে লিখা 'নেভাৰ্ থিংক্ অব্ ইল্‌নেছ্' (বেমাৰৰ কথা সমূলি নাভাবিবা) নামৰ কবিতাটি পঢ়ি মই অভিভূত হ'লোঁ। যি কোনো মহত্ত্বপূৰ্ণ কাম কৰোঁতে ইটো-সিটো সমস্যাৰ উদ্ভৱ হ'বই, সেইটো মই জানো। কিন্তু সমস্যাই আপোনাক নিয়ন্ত্ৰিত কৰিব নালাগিব। তৰুণসকলক মই এটা উপদেশ দিওঁ— তোমালোকে সমস্যাসমূহক পৰাভূত কৰা আৰু সফলতা লাভ কৰা। আন্না ছিন্যাকোভাৰ কবিতাটিৰ মাজেদি সেই সুৰটোৱেই প্ৰতিধ্বনিত হৈছে। কবিতাটিৰ জৰিয়তে তেওঁ পৰামৰ্শ আৰু প্ৰেৰণাৰ এটা শক্তিশালী মেছেজ্ বা বাণী প্ৰদান কৰিছে— সুস্বাস্থ্য অটুট ৰখাৰ বাবে আমাৰ যিকোনো বেমাৰৰ মুখামুখি হোৱাৰ সাহস থাকিব লাগিব।

সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড আমাৰ বাবে বন্ধুত্বপূৰ্ণ। যিয়ে স্বপ্ন দেখে আৰু কামত প্ৰবৃত্ত হয় তেওঁলোকে শ্ৰেষ্ঠ উপহাৰ লাভ কৰে।

শ্ৰীলংকাৰ দহ বছৰীয়া কিশোৰী সবিদ্যা কুমাৰী প্ৰেমসুন্দৰাৰ কল্পনা শক্তিৰো শলাগ নলৈ নোৱাৰি। কল্পনাৰ জৰিয়তে তেওঁ মাছমৰীয়া আৰু মাছ মৰা বৃত্তিটোৰ এনে এক ছবি অংকিত কৰিছে যে সি তৰুণ মনৰ তৎপৰতা আৰু পৰ্যবেক্ষণ ক্ষমতা বাঙ্ময় কৰি তুলিছে। এজন তেৰ বছৰীয়া বালকে নিজৰ প্ৰথম উৰাজাহাজ ভ্ৰমণৰ অভিজ্ঞতা বৰ্ণনা কৰিছে। তেওঁ ভ্ৰমণ কৰা উৰাজাহাজখন অপহৰণ কৰা হৈছিল। অপহৰণৰ সমগ্ৰ ঘটনাটোৱে তেওঁৰ যুৱ মনত এনে গভীৰভাৱে ৰেখাপাত কৰিছিল যে তেওঁ নিজৰ সেই অভিজ্ঞতা আৰু আৱেগক শক্তিশালী ভাষাৰে বিবৃত কৰিছে।[৫]

সৃজনীশক্তিয়ে জীৱনৰ গতি সলনি কৰি দিয়ে

প্ৰাকৃতিক চয়ন (নেচাৰেল ছিলেকচন্) তত্ত্বৰ প্ৰৱৰ্তক চাৰ্লছ্ ডাৰউইনে মানৱ জাতিৰ বিৱৰ্তন সম্পৰ্কে আমাক বেলেগকৈ ভবাই তুলিছে। বিদ্যুতৰ আৱিষ্কাৰক থমাছ আল্ভা এডিছনে বিজ্ঞান আৰু প্ৰযুক্তিৰ সকলো স্তৰতে বিপ্লৱ আনিছিল। যিজন মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত বৰ্ণ বা গোষ্ঠী বৈষম্যৰ বিৰুদ্ধে 'অহিংস ধৰ্ম' আন্দোলন আৰম্ভ কৰিছিল তেৱেঁই মহাশক্তিশালী বৃটিছ শাসনৰ বিৰুদ্ধে অহিংস পন্থাৰে সংগ্ৰাম কৰি তেওঁলোকৰ হাতৰ পৰা ভাৰতবৰ্ষৰ বাবে আজুৰি আনিছিল স্বাধীনতা। বিংশ শতিকাৰ এই তিনিটা উল্লেখযোগ্য ঘটনা হ'ল সৃজনশীল মনৰ দান।

আকাশলৈ চোৱা। দেখিবা আমি মুঠেও অকলশৰীয়া নহয়। সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড আমাৰ বাবে বন্ধুত্বপূৰ্ণ। যিয়ে স্বপ্ন দেখে আৰু কামত প্ৰবৃত্ত হয় তেওঁলোকে শ্ৰেষ্ঠ উপহাৰ লাভ কৰে। ঠিক যেনেকৈ চন্দ্ৰশেখৰ সুব্ৰমণিয়মে কৃষ্ণ গহ্বৰ আৱিষ্কাৰ কৰিছিল। আজি আমি চন্দ্ৰশেখৰৰ নিৰ্ধাৰিত মিয়াদ ব্যৱহাৰ কৰি সূৰ্যই কিমান দিনলৈ পোহৰ দি থাকিব তাৰ আকলন বা হিচাব কৰিব পাৰোঁ। সাগৰলৈ চকু দিওঁতে ছাৰ চি ভি ৰমনৰ মনত এটা প্ৰশ্নৰ উদয় হ'ল— সাগৰৰ বৰণ নীলা কিয়? সেই প্ৰশ্নৰ উত্তৰ বিচাৰোঁতে জন্ম হ'ল 'ৰমন এফেক্ট্'ৰ। এলবাৰ্ট আইনষ্টাইনৰ মগজুত হাহাকাৰ সৃষ্টি কৰা বিশ্ব ব্ৰহ্মাণ্ডৰ জটিলতাবোৰৰ সন্ধান কৰোঁতে তেওঁৰ মনত ব্ৰহ্মাণ্ডৰ গতি-প্ৰকৃতি সম্পৰ্কে কিছুমান প্ৰশ্নৰ উদয় হৈছিল। সেই প্ৰশ্নৰ সমিধান বিচাৰোঁতে তেওঁ বিখ্যাত সমীকৰণ $E = mc^2$ লাভ কৰে। এই সমীকৰণৰ ভিত্তিতেই মহান বিজ্ঞানীসকলে আণৱিক পদাৰ্থ ব্যৱহাৰ কৰি মানৱ জাতিৰ বাবে বিদ্যুৎ উদ্ভাৱন কৰিলে। সংগীন অৱস্থাৰ পৰিপ্ৰেক্ষিতত ব্যাপক ধ্বংস সৃষ্টিকাৰী অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰতো এই সমীকৰণ ব্যৱহাৰ কৰিব পাৰি।

মনত দৃঢ়সংকল্প লৈ চেষ্টা কৰি গ'লে সকলো প্ৰচলিত বিশ্বাস আৰু ধাৰণাৰ বিপৰীতে আপুনি নিশ্চয় সফলতা লাভ কৰিব।

পৌৰাণিক কালত টলেমীয় জ্যোতিৰ্বিজ্ঞানৰ আধাৰত

গ্ৰহ-নক্ষত্ৰসমূহৰ গতি-বিধিৰ হিচাব কৰা হৈছিল। সেই সময়ত প্ৰচলিত ধাৰণা আছিল— পৃথিৱীখন চেপেটা। পৃথিৱী যে ঘূৰণীয়া আৰু ই সূৰ্যক প্ৰদক্ষিণ কৰে সেইটো প্ৰমাণ কৰাৰ বাবে বিজ্ঞানীসকলে কিমান যে সংগ্ৰাম কৰিবলগীয়া নহৈছিল। কপাৰ নিকাছ, গেলিলিও আৰু কেপ্‌লাৰ— এই তিনিজন মহান জ্যোতিৰ্বিজ্ঞানীয়ে জ্যোতিৰ্বিজ্ঞানক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। আজি আমি এইটো স্বতঃসিদ্ধ বুলি মানি লৈছোঁ যে পৃথিৱীখন গোলাকাৰ, ই সূৰ্যৰ চাৰিওফালে ঘূৰে আৰু সূৰ্য নক্ষত্ৰপুঞ্জৰ কক্ষত আৱৰ্তিত হয়। আজি আমাৰ যি কাৰিকৰী উন্নতি হৈছে সেই আটাইবোৰ বিগত শতিকাৰ মহান বিজ্ঞানীসকলৰ বৈজ্ঞানিক আৰু সৃজনাত্মক সাধনা বা সন্ধানৰ ফল।[৮]

সৃজনীশক্তিয়ে অসম্ভৱকো সম্ভৱ কৰিব পাৰে

বিগত ষাঠি বছৰৰ ভিতৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত আমি যি প্ৰত্যক্ষ কৰিছোঁ সেয়া হ'ল যিটো অসম্ভৱ বুলি ভবা হৈছিল সেইটো সম্ভৱ হৈছে আৰু যিটো সম্ভৱ বুলি ভবা হৈছিল সেইটো এতিয়াও ঘটা নাই; অৱশ্যে সেইটো হোৱাটো নিশ্চিত। বিশেষকৈ বৈমানিকী, মহাকাশ প্ৰযুক্তি, ইলেক্ট্ৰনিক্‌ছ, পদাৰ্থ, কম্পিউটাৰ বিজ্ঞান আৰু ছফ্‌ট্‌ৱেৰ্ সামগ্ৰীৰ ক্ষেত্ৰত পৃথিৱীয়ে নতুন মাত্ৰা লাভ কৰিছে। আগন্তুক কেইটামান দশকৰ ভিতৰত আমি চাগৈ এনেকুৱা ইউনিফাইড্ ফিল্ড্ থিয়ৰীৰ জন্ম হোৱা দেখিম য'ত মাধ্যাকৰ্ষণ শক্তি, বিদ্যুৎ-চুম্বকীয় শক্তি আৰু সামান্য আপেক্ষিকতা থিয়ৰী, মহাকাশ আৰু সময় ক্ৰিয়া হিচাপে একেলগ বা সমন্বিত হ'ব। আমাৰ তৰুণসকলে তেওঁলোকৰ জীৱন কালতে মানৱ জাতিয়ে চন্দ্ৰ বা যিকোনো এটা গ্ৰহত নিজৰ আৱাস অথবা উদ্যোগ গঢ়ি তোলা প্ৰত্যক্ষ কৰিব পাৰে। আগন্তুক পঞ্চাশ বা এশ বছৰৰ ভিতৰত জীৱাশ্মৰ পৰা উৎপাদিত ইন্ধন হ্ৰাস পাব পাৰে। সেই গতিকে পৃথিৱীয়ে হয়তো পুনঃ পুনঃ ব্যৱহাৰ কৰিব পৰা উৎক্ষেপণ যান পদ্ধতি অৰ্থাৎ 'হাইপাৰ প্লেন'ৰ

উদ্ভাৱন পদ্ধতিৰ জৰিয়তে জ্ঞান সম্পদলৈ ৰূপান্তৰিত হয়।

সহায়ত বিদ্যুৎ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সৌৰশক্তি চালিত উপগ্ৰহৰ সূচনা কৰিব পাৰে। একমাত্ৰ সৃজনশীল মনৰ সহায়তহে এই আটাইবোৰ সম্ভৱ হয়।[৭]

এৰোডায়নামিক্‌ছ্ বা বায়ুগতি বিজ্ঞানৰ নিয়ম অনুসৰি ভ্ৰমৰৰ গঠন বা আকৃতি এনেকুৱা হয় যাতে তাৰ উৰণটো অসম্ভৱ হয়। কিন্তু উৰাৰ বাবে দৃঢ় সংকল্প থকাৰ বাবে ই অনবৰতে তাৰ পাখিবোৰ মাৰি থাকে। এনে উচ্চ বেগসম্পন্ন পুনঃপৌনিক কম্পনে যি এক পাকঘূৰণৰ সৃষ্টি কৰে সিয়েই ভ্ৰমৰক উৰিবলৈ সক্ষম কৰে। মনত দৃঢ় সংকল্প লৈ চেষ্টা কৰি গ'লে সকলো প্ৰচলিত বিশ্বাস বা ধাৰণাৰ বিপৰীতে আপুনি নিশ্চয় সফলতা লাভ কৰিব পাৰিব। সেয়াই সৃজনাত্মক শক্তি।

ৰাষ্ট্ৰীয় উদ্ভাৱনী ক্ষমতা দেশ এখনৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক দুয়োটা সত্তাক শক্তিশালী কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সম্ভাৱনীয়তা।

অকল ভ্ৰমৰৰ উৰণেই নহয়— আনকি মানৱৰ উৰণো অসম্ভৱ বুলি ভবা হৈছিল। ১৮৯০ চনত, ৰয়েল ছ'চাইটী অব্ লণ্ডনৰ তদানীন্তন অধ্যক্ষ লৰ্ড্ কেল্‌ভিন্ বোলা বিশ্ববিখ্যাত বিজ্ঞানীজনে কৈছিল যে বায়ুতকৈ গধুৰ একো বস্তুৱে উৰিব নোৱাৰে। কিন্তু তাৰ দুটা দশকৰ পিছত ৰাইট ভ্ৰাতৃদ্বয়ৰ দৃঢ়সংকল্পই অসম্ভৱক সম্ভৱ কৰি তুলিলে আৰু মানুহেও যে উৰিব পাৰে তাকে প্ৰমাণ কৰি দেখুৱালে। তেওঁলোকৰ সাফল্যৰ কাহিনীয়ে ইয়াকে প্ৰমাণ কৰিছে যে একমাত্ৰ সাধনা বা অধ্যৱসায় আৰু সৃজনী শক্তিয়েই সফলতা লাভত সহায় কৰে। একমাত্ৰ সেই সফলতাটোৱেই পৰিবহনৰ ক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰি গোটেই পৃথিৱীখনকে ক্ষুদ্ৰ ঠাইলৈ ৰূপান্তৰিত কৰিলে।

মহাকাশচাৰী সহিতে যান উৎক্ষেপণ কৰা 'ছেটাৰ্ন-ভি'ৰ নিৰ্মাতা আৰু চন্দ্ৰৰ বুকুত অৱতৰণ কৰি খোজ কঢ়াটো বাস্তৱায়িত কৰা প্ৰসিদ্ধ ৰকেট নিৰ্মাতা ভন্ ব্ৰনে এবাৰ এনেদৰে কৈছিল, "মোক কৰ্তৃত্ব দিয়া হ'লে মই অভিধানৰ পৰা 'ইম্পছিব্‌ল্' (অসম্ভৱ) শব্দটো একেবাৰে উঠাই দিলোঁহেঁতেন।"[৮]

সৃজনশীল ভাৰতীয়

ভাৰতবৰ্ষত, বিকাশৰ বিভিন্ন পৰ্যায়ত বহুতো উদ্ভাৱন আৰু সৃজনাত্মক চিন্তনৰ সংঘটন হৈছে। ষাঠিৰ দশকত কোনোৱে সপোনতো ভবা নাছিল যে আণৱিক শক্তিৰ সহায়ত বিদ্যুৎ শক্তি উৎপাদিত হ'ব অথবা আণৱিক ঔষধ এদিনাখন থাইৰইড বা গলগ্ৰন্থিৰ বিভিন্ন ৰোগ আৰু কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত ব্যৱহৃত হ'ব। হোমী ভাবাৰ স্বপ্নই আণৱিক শক্তি উৎপাদিত বিদ্যুৎ শক্তিক তাঁৰৰ মাজলৈ বোৱাই আনিলে। আৰু এটা দশকৰ ভিতৰতে আণৱিক শক্তি উৎপাদিত বিদ্যুৎ ২০,০০০ মেগাৱাটতকৈ বেছি বৃদ্ধি পাব।

আশীৰ দশকত সূচনা প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অৱস্থান বহু তলত আছিল। কিন্তু কেইজনমান উদ্যোগীয়ে উদ্ভাৱন আৰু

সৃজনাত্মক চিন্তাৰ বলত, ভাৰতবৰ্ষৰ কঠোৰ নীতি-নিয়মৰ পৰিসীমাৰ ভিতৰতে সূচনা-প্ৰযুক্তিৰে সমৰ্থবান সেৱা-ক্ষেত্ৰসমূহৰ জৰিয়তে কিদৰে ৰপ্তানি শুল্ক আনিব পাৰি তাক দেখুৱাই দিলে। এনে সফলতাৰ নিদৰ্শন প্ৰত্যক্ষ কৰি চৰকাৰেও সূচনা প্ৰযুক্তিৰ নতুন আৰু উদাৰ নীতি প্ৰৱৰ্তন কৰিলে। বৰ্তমানে আমাৰ দেশৰ সূচনা প্ৰযুক্তিৰ উদ্যোগী যুৱকসকলে ৰপ্তানি শুল্কৰ নামত কোটি কোটি ডলাৰ উপাৰ্জন কৰিব ধৰিছে। একেদৰে, ভেষজ উদ্যোগসমূহেও ভাৰতীয় অৰ্থনীতিৰ ওপৰত এক সকাৰাত্মক প্ৰভাৱ পেলাব পাৰিছে।*

ভৱিষ্যৎ বিকাশ

'The Age of the Spiritual Machines' নামৰ প্ৰসিদ্ধ গ্ৰন্থখনৰ লেখক ৰে কৰ্জ্‌ৱেইলৰ মতে— ২০০৯ বৰ্ষত ১০০০ ডলাৰ দামৰ কম্পিউটাৰে প্ৰতি ছেকেণ্ডত এক লক্ষ কোটি (মহাপদ্ম) গণনা সম্পাদন কৰিব আৰু ২০১৯ চনত প্ৰতি ছেকেণ্ডত দহ লক্ষ কোটি গণনা কৰিব যিটোৱে মানুহৰ মগজুৰ সৈতে সমতা স্থাপন কৰিব। ২০২৯ বৰ্ষৰ ভিতৰত, ইয়াৰ শক্তি দহ হাজাৰ মানৱ মগজুৰ শক্তিৰ সমান হ'বগৈ। এই ধৰণে ভৱিষ্যতে মানুহে নিজৰ কিছুমান কাম কম্পিউটাৰ চালিত ৰবটৰ ওপৰত ন্যস্ত কৰিব পাৰিব আৰু নিজৰ অসামান্য প্ৰতিভা আৰু কল্পনা শক্তিৰ সহায়ত কম্পিউটাৰতকৈও আগৰ কোনো উপলব্ধি সম্ভৱ কৰাৰ ক্ষেত্ৰত মস্তিষ্কৰ ব্যৱহাৰ কৰিব পাৰিব।

এই শতিকাৰ শেষৰ ফালে মানৱ চিন্তা আৰু প্ৰথম মানৱ জাতিৰ দ্বাৰা সৃষ্ট যান্ত্ৰিকী বুদ্ধিৰ ক্ষেত্ৰৰ সৈতে অন্তৰ্ভুক্তি বা চামিলকৰণৰ দিশত এক শক্তিশালী ধাৰাৰ সূচনা হ'ব। এনে এটা সময়ৰ কল্পনা কৰকচোন— যেতিয়া মানৱ মস্তিষ্ক আৰু কম্পিউটাৰৰ সংৰচনাৰ মাজত কোনো পাৰ্থক্য নাথাকিব।

তেতিয়া আমি যন্ত্ৰৰ ওপৰত মানৱ জাতিৰ আধিপত্য বা শ্ৰেষ্ঠত্ব কিদৰে ৰক্ষা কৰিম ? কম্পিউটাৰে এদিন মানুহৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব। এই প্ৰশ্নটো কেৱল জীৱবিজ্ঞানী আৰু জৈৱপ্ৰযুক্তিবিদসকলৰ বাবেই নহয়, বৰং সমগ্ৰ বৈজ্ঞানিক সমুদায়ৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান; মানৱ জাতিক মানৱ-সৃষ্ট কম্পিউটাৰৰ ঊৰ্ধ্বত ৰখাৰ তেওঁলোকৰ এক গুৰু দায়িত্ব আছে। সৌভাগ্যক্ৰমে, মানৱ মনৰ সৃজনী শক্তি আৰু কল্পনা শক্তিৰ দৰে উপাদানবোৰ সদায় শ্ৰেষ্ঠ হৈ থাকিব আৰু যন্ত্ৰক তলতীয়া কৰি ৰাখিব। মানুহৰ 'জিন'ম্' (genome)* ছ্ফ্‌ট্‌ৰেৰেৰে ভৰা আৰু মানৱ জাতিৰ উদ্ভাৱনী শক্তিৰ

নতুন ডিজিটেল অৰ্থনৈতিক ব্যৱস্থাত যি সূচনা প্ৰসাৰিত হয় সি নতুন উদ্ভাৱন বা পৰিৱৰ্তনৰ সৃষ্টি কৰে আৰু ৰাষ্ট্ৰীয় সম্পদৰ ক্ষেত্ৰত অৰিহণা যোগায়।

* কোষকেন্দ্ৰত থকা ক্ৰম'জ'মৰ মৌলিক থূপ (the full set of chromosomes of an individual : the total number of genes in such a set)।

সম্ভাৱনীয়তাক উন্মুক্ত কৰাৰ বাবে সেই ছফ্‌ট্‌ৱেৰ সম্পূৰ্ণভাৱে সক্ৰিয় কৰিব লাগিব।[১০]

সৃজনশীলতাই নতুনত্ব আৰু সমৃদ্ধি বা সম্পদ আনে

স্থিৰ বা নিশ্চল সূচনাৰ বিকাশ নহয়। নতুন ডিজিটেল অৰ্থনৈতিক ব্যৱস্থাত যি সূচনা প্ৰসাৰিত হয় সি নতুন উদ্ভাৱন বা পৰিৱৰ্তনৰ সৃষ্টি কৰে আৰু ৰাষ্ট্ৰীয় সম্পদৰ ক্ষেত্ৰত অৰিহণা যোগায়।

নতুনত্ব বা পৰিৱৰ্তনৰ প্ৰক্ৰিয়াৰ মাজেদিয়েই জ্ঞান সম্পদলৈ ৰূপান্তৰিত হয়। নতুনত্ব বা উদ্ভাৱন এক শৃংখলাবদ্ধ, সুসংগঠিত, বিচাৰ বুদ্ধিসম্পন্ন কৰ্ম। বিশ্লেষণ, পৰীক্ষা-নিৰীক্ষা, গৱেষণা আদি ভিন ভিন পৰ্যায়ত এই কৰ্ম সম্পাদন কৰা হয়।[১১]

উদ্ভাৱন বা নতুনত্বৰ বাবে সাহসৰ প্ৰয়োজন ঃ

সেই সাহস বেলেগ ধৰণে ভবাৰ সাহস,
নতুন উদ্ভাৱন বা আৱিষ্কাৰ কৰাৰ সাহস,
অসম্ভৱক আৱিষ্কাৰ কৰাৰ সাহস,
সমস্যাসমূহৰ সৈতে যুঁজাৰ সাহস
আৰু সাফল্য লাভ কৰাৰ সাহস।[১২]

উদ্ভাৱন সচৰাচৰ বজাৰ নিয়ন্ত্ৰিত। প্ৰচলিত প্ৰযুক্তিৰ ঠাইত নতুন প্ৰযুক্তি গ্ৰহণ কৰি অথবা ব্যয়-সাৰ্থক পদ্ধতি প্ৰয়োগৰ জৰিয়তে ব্যয় সংকোচন কৰি অথবা উৎপাদ বা পদ্ধতি উন্নত কৰি নতুন উদ্ভাৱন সম্ভৱপৰ কৰিব পাৰি। নতুন উৎপাদনৰ সৃষ্টিৰ ফলত উদ্যোগৰ কিছুমান ক্ষেত্ৰত ব্যয় বা বিনিয়োগৰ তুলনাত লাভৰ অনুপাত বেছি হয়। অপ্‌টিকেল্ (আলোক বিজ্ঞান) সঞ্চাৰৰ ক্ষেত্ৰত আমি গতি বনাম ব্যয় বা বিনিয়োগ প্ৰত্যক্ষ কৰোহঁক। 'ফ্লেক্সিবল্' নিৰ্মাণ পদ্ধতিত সি পছন্দ বনাম

ব্যয় বা বিনিয়োগ আৰু বয়ন-সক্ষম পদ্ধতিত গ্ৰাহকৰ সন্তুষ্টি বনাম ব্যয়ক গুৰুত্ব দিয়া হয়।

গৱেষণা আৰু বিকাশ, সংস্থাগত পৰিৱৰ্তনকে ধৰি অন্যান্য উৎসৰ পৰা উদ্ভাৱন বা নতুনত্বৰ জন্ম হয়। সেইবাবে আমাৰ দেশত নতুন সন্ধানৰ বাবে এক সক্ষম সংৰচনাৰ অতীৱ প্ৰয়োজন। তেনে সংৰচনাৰ অন্তৰ্গত হ'ব পৰস্পৰ নিৰ্ভৰশীল প্ৰতিষ্ঠান, জ্ঞান বিকশিত কৰা অনুষ্ঠান (বিশ্ববিদ্যালয়, মহাবিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান, প্ৰযুক্তি যোগোৱা প্ৰতিষ্ঠানসমূহ), সেঁতুৰ দৰে অৰ্থাৎ যোগসূত্ৰস্বৰূপ প্ৰতিষ্ঠান (যেনে— 'থিংক্ টেংক্‌ছ'— তত্ত্বজ্ঞ বা বৌদ্ধিক মহল, কাৰিকৰী সেৱা আৰু পৰামৰ্শ প্ৰদানকৰোঁতা) আৰু গ্ৰাহকৰ মাজত নিকট সম্বন্ধ স্থাপনকাৰী তন্ত্ৰ বা নেটৱৰ্ক বিকশিত হ'ব যাৰ সহায়ত মূল্য সংযোজনৰ উপৰি উৎপাদন বৃদ্ধিও ঘটিব। এইদৰে নতুন সংৰচনাত যি তন্ত্ৰ বিকশিত হ'ব সি সমগ্ৰ পৃথিৱীৰ জ্ঞানৰ বৰ্দ্ধিষ্ণু ভাণ্ডাৰত টোকৰ দিব, সংমিশ্ৰিত হ'ব আৰু সি স্থানীয় প্ৰয়োজনীয়তা পূৰণ কৰিব। অৱশেষত সেই তন্ত্ৰই নতুন জ্ঞান আৰু প্ৰযুক্তি বা কাৰিকৰী কৌশল সৃষ্টি কৰিব।

ৰাষ্ট্ৰীয় উদ্ভাৱনী সামৰ্থ্য হ'ল বিশ্বৰ বজাৰত ব্যৱসায়িকভাৱে প্ৰাসংগিক বা উপযোগী আৰু প্ৰতিযোগী উৎপাদৰ সৈতে দেশখনৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সত্তাক সবলতৰ কৰা এক গুৰুত্বপূৰ্ণ ক্ষমতা। এই সামৰ্থ্য বৈজ্ঞানিক অথবা কাৰিকৰী উপলব্ধিৰ পৰা সম্পূৰ্ণ ভিন্ন। ই নতুন প্ৰযুক্তিৰ ক্ষেত্ৰত আৰ্থিক বিনিয়োজনৰ ওপৰত গুৰুত্ব দিয়ে। সেইবাবে, উদ্ভাৱন ক্ষমতা বিকশিত কৰিবলৈ হ'লে ব্যক্তিগত ক্ষেত্ৰ, ৰাজহুৱা ক্ষেত্ৰ আৰু বিদ্যায়তনিক সমুচয়ৰ মাজত সহযোগিতাৰ প্ৰয়োজন।[১৩]

মানৱ চিন্তনৰ আধাৰ বা ভেটি

সৃজনশীলতা মানৱ চিন্তনৰ আধাৰ বা ভেটি। যিমানেই গতি আৰু স্মৃতিশক্তিসম্পন্ন কম্পিউটাৰ বিকশিত নহওক লাগিলে, মানৱ চিন্তনৰ স্থান সদায় সকলোতকৈ উৰ্ধ্বত থাকিব। সৃজনশীলতা মানৱ জাতিৰ উচ্চতম গুণ হিচাপে সদায় অটুট থাকিব। প্ৰযুক্তিয়ে দিয়া ব্যাপক গণনাৰ ক্ষমতাসৰ্বস্ব মজবুত সাধন বা আহিলা মানুহৰ হাতত থাকিব। এই আহিলা প্ৰয়োগৰ জৰিয়তে মানুহে নিজস্ব যোজনাবোৰ ৰূপায়ণ কৰি সকলোৰে বাসোপযোগী এখন শ্ৰেষ্ঠ বিশ্ব নিৰ্মাণ কৰিব পাৰিব।[১৪] ❑

৫

কলা আৰু সাহিত্য

কলা প্ৰকৃতিৰ অন্তৰ্লীন
বিনন্দীয়া ৰূপৰ
মংগলময় প্ৰকাশ।
কাৰ্টুন, ভাস্কৰ্য, সাহিত্য-কৃতি
যিয়েই নহওক কিয়,
কলাই জীৱনৰ ৰং-ৰূপ
চাবলৈ আৰু উপভোগ কৰিবলৈ
প্ৰত্যেকৰ অভ্যন্তৰত
উৎসাহ-উদ্দীপনা জগায়।
তেনে উদ্দীপনাই
নীৰৱ অথচ বাঙ্ময়ভাৱে
প্ৰেম, প্ৰসন্নতা, স্নেহ
আৰু শান্তিৰ
বতৰা কঢ়িয়াই আনে[১]

কলা আৰু সাহিত্য

কলাই জীৱনী শক্তি দিয়ে

আমি বাস কৰা গ্ৰহ— পৃথিৱীখনে ইতিমধ্যে বিভিন্ন সময়ত বহুত মহান মানৱ সভ্যতাৰ জন্ম দেখিবলৈ পাইছে। কিন্তু সিবোৰৰ ভিতৰত কেইটামান সভ্যতাহে বৰ্তি আছে। সেই কেইটা সভ্যতাহে বৰ্তি থাকে যি ভৱিষ্যতটো প্ৰত্যক্ষ কৰে আৰু যাৰ পৰিৱৰ্তনৰ গতিৰ স'তে অভ্যস্ত হোৱাৰ সামৰ্থ্য আছে। মানুহৰ চিন্তা-ভাবনা কৰিব পৰা সামৰ্থ্য সাহিত্য, কবিতা আৰু অন্যান্য দ্বন্দ্বমূলক তথ্যই সৃষ্টি কৰে। প্ৰাচীন দাৰ্শনিকসকলে আৰু পৰৱৰ্তী সময়ৰ বিজ্ঞানী, প্ৰযুক্তিবিদ, অৰ্থনীতিবিদ আৰু সমাজবিজ্ঞানী আটায়ে লগ লাগি বিভিন্ন মানৱ সভ্যতাক সমৃদ্ধ কৰিছে। আমাৰ ভাৰতীয় সভ্যতাই ভিন্ন সাংস্কৃতিক প্ৰভাৱৰ ফলত হোৱা পৰিৱৰ্তন গ্ৰহণ কৰিছে আৰু

তাৰ সৈতে বিলীন হৈ গৈছে। এইদৰে বাৰেবৰণীয়া সংস্কৃতি, ভিন্ন ভাষা আৰু ভিন্ন ধৰ্মৰ মাজতো মনৰ ঐক্যৰ জৰিয়তে আমাৰ এশ কোটি মানুহৰ সমাজ এখন গঢ়ি উঠিছে। আমাৰ চিন্তাবিদসকলক ধন্যবাদ— যাৰ জহত আমি মহাভাৰতৰ দৰে সুকীয়া ৰীতি বা পৰম্পৰা সৃষ্টিকাৰী মহাকাব্য, তিৰুক্কুৰল, কবিৰ বাণী আৰু নাৰায়ণীয়মৰ দৰে মহান ধ্ৰুপদী গ্ৰন্থ লাভ কৰিছোঁ। সেই মহান গ্ৰন্থবোৰ শ শ বছৰ ধৰি জিলিকি আছে।[২]

গ্ৰন্থ আমাৰ নিত্য সহচৰ

উৎকৃষ্ট গ্ৰন্থ এখনৰ সংস্পৰ্শলৈ আহি সেইখন সংগ্ৰহ কৰিব পাৰিলে জীৱনত চিৰস্থায়ী সমৃদ্ধি লাভ কৰিব পাৰি। এখন উৎকৃষ্ট গ্ৰন্থ স্থায়ী সংগী বা সহচৰ হয়। কিছুমান গ্ৰন্থ আমাৰ জন্মৰ আগতে ওলোৱা। সেইবোৰ গ্ৰন্থই আমাৰ জীৱন যাত্ৰাত পথনিৰ্দেশ কৰে আৰু পুৰুষানুক্ৰমে সেইটো চলি থাকে।

এখন উৎকৃষ্ট গ্ৰন্থ স্থায়ী সংগী বা সহচৰ হয়।

বাৰ বছৰ বয়সত এলবাৰ্ট আইনষ্টাইনে তেওঁৰ পথপ্ৰদৰ্শক মেক্স্ টালমুডৰ পৰা 'এলুচিডিয়ান প্লেইন জিউমেট্ৰী' নামৰ অকণমান কিতাপ এখন পাই বিস্ময়াভিভূত হৈ পৰিছিল। এই কিতাপখনৰ জৰিয়তে আইনষ্টাইনৰ বিশুদ্ধ চিন্তা-ধাৰণা আৰু তাৰ জগতখনৰ সৈতে পৰিচয় ঘটে আৰু ব্যয়বহুল প্ৰয়োগশালা আৰু আহিলা-পাতিৰ অবিহনে, কেৱল মনৰ জোৰত তেওঁ শাশ্বত সত্যবোৰ উদ্‌ঘাটন কৰিবলৈ শিকিছিল।

মোৰ প্ৰিয় গ্ৰন্থকেইখন

যুৱ সম্প্ৰদায়ৰ স'তে ভাব বিনিময় কৰোঁতে মোক প্ৰথমে এই কেইটা প্ৰশ্ন সোধা হয়ঃ

আপোনাৰ প্ৰিয় গ্ৰন্থ কোন কেইখন? আপুনি এতিয়া কোনখন গ্ৰন্থ অধ্যয়ন কৰি আছে?

প্ৰায় সকলো ধৰণৰ কিতাপ পঢ়ি মই অভিভূত হওঁ। অৱশ্যে তিনিখন কিতাপ পঢ়ি মই আটাইতকৈ বেছি আনন্দ পাইছোঁ। তাৰে ভিতৰত এখন হ'ল— Lillian Eichler Watson সম্পাদিত Light from Many Lamps। মই এই কিতাপখন ১৯৫৩ চনত চেন্নাইৰ মুৰ মাৰ্কেটৰ কিতাপৰ দোকান এখনৰ পৰা কিনিছিলোঁ। আজি প্ৰায় পাঁচ দশকৰো অধিক কাল ধৰি এই গ্ৰন্থখন মোৰ অতি ঘনিষ্ঠ বন্ধু আৰু সংগীৰ দৰে হৈ আছে। কিতাপখন ইমানেই বেছিকৈ ব্যৱহৃত হৈছে যে তাক কিমান বাৰ বন্ধাবলগীয়া হৈছে তাৰ হিচাব নাই। যিকোনো সমস্যাৰ মুখামুখি হ'লেই মই কিতাপখন লুটিয়াওঁ— লগে লগে মোৰ দুখ অন্তৰ্হিত হয়। আনন্দত অভিভূত হোৱাৰ সময়তো এই কিতাপখনে মন-প্ৰাণ চুই যায় আৰু লগে লগে মোৰ চিন্তা-ভাৱনা সন্তুলিত হৈ যায়। অলপতে ন্যায়পালিকাত থকা মোৰ এজন বন্ধুৱে মোক কিতাপখনৰ নতুন সংস্কৰণ এটি উপহাৰ দিওঁতে কিতাপখনৰ মহত্ত্ব আকৌ উপলব্ধি কৰিলোঁ। তেওঁ মোক কৈছিল যে তেওঁ মোক দিব পৰা সেইটোৱে শ্ৰেষ্ঠ উপহাৰ। কি ঠিক! আজিৰ পৰা পঞ্চাশ বছৰৰ পিছত সেই একেখন গ্ৰন্থই নতুন ৰূপ পৰিগ্ৰহ কৰিব পাৰে।

সংস্কৃতিয়েহে মানৱ মনক উৰ্ধ্বগামী কৰে।

দ্বিতীয় যিখন গ্ৰন্থৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে সেইখন হ'ল তিৰুবল্লুবৰ প্ৰণীত 'তিৰুকুৰল'। এই গ্ৰন্থখনে মানুহক জীৱনৰ অনুপম আচৰণ সংহিতা বা বিধি প্ৰদান কৰিছে। ইয়াৰ প্ৰণেতাজনৰ চিন্তা-চেতনাও ব্যক্ত হৈছে যি চিন্তা-চেতনা, ৰাষ্ট্ৰ, ভাষা আৰু ধৰ্মৰ সংকীৰ্ণ ধাৰণাৰ গণ্ডী অতিক্ৰম কৰি গৈছে। প্ৰকৃততে সংস্কৃতিয়েহে মানৱ মনক উৰ্ধ্বগামী কৰে।

এখন ভাল গ্ৰন্থ কেইবা পুৰুষ ধৰি বিশাল জ্ঞান আৰু সম্পদৰ নিধি বা উৎস হ'ব পাৰে।

মোৰ তৃতীয়খন প্ৰিয় গ্ৰন্থ হ'ল 'Man the Unknown'। ইয়াৰ লেখকজন ডাঃ এলেক্সিছ্ কেৰেল। তেওঁ প্ৰথমে ডাক্তৰ আছিল, পিছলৈ দাৰ্শনিক হয়গৈ। তেওঁ নোবেল বঁটাও লাভ কৰিছে। বেমাৰত পৰিলে আমি মন আৰু শৰীৰ দুয়োটাৰে চিকিৎসা কৰিব লাগে— কিয়নো দুয়োটাৰ সম্বন্ধ

অভিন্ন— গ্ৰন্থখনে তাকেই প্ৰতিপাদন কৰিছে। আপুনি এটাৰ চিকিৎসা কৰি আনটো অৱহেলা কৰিব নোৱাৰে। বিশেষকৈ যিসকল ল'ৰা-ছোৱালীয়ে ডাক্তৰ হ'ব বিচাৰে তেওঁলোকে এই গ্ৰন্থখন অধ্যয়ন কৰিব লাগে। তেওঁলোকে এইটো শিকিব পাৰিব যে মানুহৰ দেহাটো এটা যান্ত্ৰিক পদ্ধতি নহয়। মানসিক আৰু দৈহিক প্ৰক্ৰিয়াৰ মাজেদি সৃষ্ট ই এক বুদ্ধি-বৃত্তি থকা অখণ্ড বা সংহত অবয়ৱ। ই এক জটিল আৰু সংবেদনশীল পূৰ্বানুবৃত্তি পদ্ধতি বা সংৰচনা।[৩]

অৰ্দ্ধ শতাব্দীৰো বেছি দিন
মই কটাইছোঁ কিতাপৰ সংগত
কিতাপেই মোৰ বন্ধু নিত্য সহচৰ
কিতাপৰ মাজতে দেখিছোঁ স্বপ্ন
আজি স্বপ্নই হ'লগৈ লক্ষ্য।

কিতাপেই মোক সহায় কৰিছে
দৃঢ়ভাৱে মিছ্‌ন হাতত লোৱাত
অসফলতাৰ মুহূৰ্তত কিতাপে
মনত সাহস যোগাইছে
কিতাপ মোৰ বাবে দেৱদূতহে যেন
আলফুলে চুই দিয়েহি মোৰ অন্তৰ।
ডেকা বন্ধুসকল!
তোমালোককো কওঁ
কিতাপকে বন্ধু বুলি লোৱা
কিতাপ সকলোৰে শ্ৰেষ্ঠ বন্ধু![৪]

লেখকৰ গুৰুত্ব

গ্ৰন্থকাৰসকল সমাজৰ বিবেক বা চেতনাৰ অতন্দ্ৰ প্ৰহৰী।

গ্ৰন্থকাৰসকলে মানৱ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এজন গ্ৰন্থকাৰৰ এখন ভাল গ্ৰন্থ কেইবা পুৰুষ ধৰি বিশাল জ্ঞান আৰু সম্পদৰ নিধি বা উৎস হ'ব পাৰে। কেতিয়াবা কেতিয়াবা গ্ৰন্থকাৰ একোজনৰ জীৱদ্দশাত তেওঁৰ কিতাপে পাঠকক অনুপ্ৰেৰিত নকৰিবও পাৰে; কিন্তু সময়ৰ সোঁতত

কিতাপখনৰ মেছেজটো স্পষ্টতৰ হয় আৰু তেতিয়াই সমাজেও কিতাপখনৰ মহত্ত্ব উপলব্ধি কৰিব পাৰে। তাৰ পিছৰ পৰা কিতাপখনৰ চমকনি বাঢ়ি যায়। কিছুমান মহান গ্ৰন্থ কেইবা পুৰুষ ধৰি জিলিকি থাকে।[৫]

অষ্টত্ৰিংশতিতম জ্ঞানপীঠ বঁটা প্ৰাপক তামিল লেখক জয়কান্তনে কৈছে, "আপোনালোক (পাঠক)ক অতিক্ৰমি যাব পৰাটোৱেই মোৰ (লেখকৰ) সফলতা। লেখকে পাঠকৰ বাবে এনে এটা মাৰ্গ বা পথৰ সন্ধান দিব লাগিব যি পথেদি পাঠকে নিজকো অতিক্ৰমি গৈ ভিন্ন এক জগত তেওঁলোকৰ চকুৰ আগত উন্মোচিত কৰিব পৰাতেই লেখকৰ সাফল্য নিৰ্ভৰ কৰে।

সদায় একো ঘণ্টা অধ্যয়নৰ বাবে আছুতীয়াকৈ ৰাখিবা, তেতিয়া কেইবছৰমানৰ ভিতৰতে তুমি জ্ঞানৰ ভাণ্ডাৰ হৈ যাব পাৰিবা।

জয়কান্তনৰ জীৱনৰ দৃষ্টিভংগী মই সমৰ্থন কৰোঁ। 'Oru Ilakkiya'... এজন সাহিত্যিকৰ ৰাজনৈতিক অভিজ্ঞতা) নামৰ প্ৰবন্ধ সংকলন এখনৰ ভূমিকাত তেওঁ জীৱনৰ দৃষ্টিভংগী এনেদৰে বিবৃত কৰিছে, "জ্ঞান, গৰিমা আৰু সাহসেৰে আমাৰ স্বাধীনতা সংগ্ৰামী আৰু সমাজবাদী চিন্তা-নায়কসকলে ঐক্যবদ্ধভাৱে সংগঠিত হৈ এক নতুন স্বতন্ত্ৰ সমাজ নিৰ্মাণৰ বাবে বলিদান দিয়াৰ সময় এতিয়াও হোৱা নাই নেকি? সেই সময় কেতিয়া আহিব? সাহিত্যৰ সাধকসকলৰ মন-প্ৰাণ তাৰ বাবে ব্যাকুল হৈ আছে।" ঠিক একেদৰে জয়কান্তনে আন এটা বিষয়ৰ সন্দৰ্ভত সৰলভাৱে কৈছে, "মোৰ সাহিত্য কৃতিৰ বাবে সমাজচ্যুত হ'বলগীয়া হ'লেও মই সাহিত্যৰ জগততে থাকি সাহিত্যৰ সাধনা কৰি যাম। সাহিত্যৰ মাজেদিয়েই মই পৰিৱৰ্তন বিচাৰিম, যেনেদৰে জগৎগুৰু আদি শংকৰাচাৰ্যই দত্তাত্ৰেয়ক গুৰু মানি লৈছিল। এইটো মোৰ ইচ্ছা নহয়— ভগৱানৰ মনোবাঞ্ছা।"

কি সুন্দৰ মন ছুই যোৱা বৰ্ণনা! এই কথাখিনি পঢ়োঁতে মোৰ চকুহাল সিক্ত হৈ উঠিছিল। কেউফালে কেৱল নৈৰাশ্য আৰু

অদৃষ্টবাদ লক্ষ্য কৰিছিলোঁ যদিও অন্তৰৰ বিশ্বাসে তাক প্ৰত্যাহ্বান জনাই আছিল। এনেকৈয়ে সাহিত্যই মনক সবল কৰে আৰু গ্ৰন্থকাৰসকলে সমাজ চেতনাৰ অতন্দ্ৰ প্ৰহৰী হিচাপে কাম কৰে।

আমাৰ চিন্তাবিদ আৰু লেখকসকলে তৰুণসকলৰ মাজৰ পৰা প্ৰবুদ্ধ নেতাৰ সৃষ্টি কৰাত সহায় কৰিব পাৰে। তেওঁলোকৰ লিখনিৰ মাজেদি তৰুণ প্ৰজন্মক অন্তৰৰ মহানতা আৰু মানৱতাৰ দৃষ্টিভংগীৰে সামৰ্থ্যৰ ক্ষেত্ৰত অনুপ্ৰেৰিত কৰিব পাৰে; তেওঁলোকৰ মনৰ ভিতৰৰ অদম্য শক্তি আৰু সাহসৰ কথা সোঁৱৰাই দিব পাৰে যাৰ সহায়ত তেওঁলোকৰ মনৰ দুৰ্বলতা অথবা সংশয় আৰু নৈৰাশ্যক পৰাভূত কৰিব পাৰে। এইটো লেখকসকলৰ ওপৰত ন্যস্ত কৰা দায়িত্ব নহয়। তেওঁলোকে মানৱ জাতিক জীৱনৰ প্ৰতিকূল অৱস্থাৰ মাজতো বৰ্তি থাকি সফলতা লাভ কৰাত সহায় কৰিব

পাৰে— এইটো তেওঁলোকৰ এক বিশেষ সুবিধা।

নিজ প্ৰাকৃতিক সম্পদ, জৈৱ-বৈচিত্ৰ্য আৰু নাগৰিকসকলক লৈ দেশ এখন চহকী হয়। কিন্তু চিন্তাবিদসকলহে ৰাষ্ট্ৰৰ গৌৰৱ মুকুট। তেওঁলোকে সমাজক আগবঢ়াই নিয়ে আৰু সমাজখনক পৰিৱৰ্তনৰ অনুকূল কৰে।[৬]

শিশু আৰু বিদ্যাৰ্থীসকলক এই উপদেশ মানি চলিবলৈ উৎসাহিত কৰিব লাগে, 'সদায় একো ঘণ্টা অধ্যয়নৰ বাবে আছুতীয়াকৈ ৰাখিবা, তেতিয়া কেইবছৰমানৰ ভিতৰতে তুমি জ্ঞানৰ ভাণ্ডাৰ হৈ যাব পাৰিবা।' মানুহে কিতাপ উপহাৰ দিয়াৰ অভ্যাস কৰিব লাগে, বিশেষকৈ যুৱকসকলক। ই আমাৰ ডেকাসকলক সমৃদ্ধ কৰিব আৰু সমাজখনক জ্ঞানসম্পন্ন সমাজলৈ ৰূপান্তৰিত কৰা মিছনত তেওঁলোকক সহায় কৰিব।[৭]

সংগীত, নৃত্য আৰু নাটক

আমাৰ সভ্যতাত সংমিশ্ৰিত সাহিত্য, সংগীত, নৃত্য আৰু নাটকৰ পাঁচ হাজাৰ বছৰীয়া গৌৰৱময় গাঁথা ঐতিহ্য-পৰম্পৰা

আছে। কলাক.ৰসকলক নিজৰ কলা প্ৰদৰ্শন কৰা দেখিলে মই সদায় ভাবোঁ— বিশ্ব শান্তি স্থাপন নিশ্চিত কৰা আৰু ঐক্যবদ্ধ শক্তি হিচাপে কাম কৰাৰ বাবে নৃত্য আৰু সংগীত সহায়ক কাৰক হ'ব নোৱাৰেনে? যোৱা কেইটামান বছৰৰ ভিতৰত সন্ত্ৰাসবাদে বহুতো নিমাখিত মানুহৰ প্ৰাণ কাঢ়ি নিছে। এই সমস্যাটোৰ ওৰ পেলাবলৈ সামৰিক, অৰ্থনৈতিক অথবা ন্যায়িক ব্যৱস্থাৰ বাদে অন্য বিকল্প সমাধানৰ পথ নাইনে? মোৰ দৃঢ় বিশ্বাস— সন্ত্ৰাসবাদৰ ওৰ পেলাবৰ বাবে নৃত্য আৰু সংগীত অন্যতম প্ৰভাৱশালী মাধ্যম বা পন্থা হ'ব পাৰে।

সংগীত আৰু নৃত্যই আপোনাক ভিন্ন এখন জগতলৈ লৈ যাব পাৰে য'ত আপুনি সুখ-শান্তিৰ মলয়া বা' গাত লগাব পাৰিব। শিল্পীসকলে নিজে যেতিয়া শান্তি আৰু মনৰ আনন্দত থাকিব তেতিয়াহে নৃত্য-সংগীত আদি বিচ্ছুৰিত (নিঃসৃত) হ'ব। সেই অৱস্থাত তেওঁলোক শান্তি আৰু অময়া সুখৰ প্ৰচাৰকৰ প্ৰকৃষ্ট উদাহৰণ হৈ পৰে।[৮]

সংগীতে সকলোকে ঐক্যবদ্ধ কৰে। কৰ্ণাটকী সংগীততকৈ আন ভাল উদাহৰণ আৰু কি লাগে! ইয়াৰ ত্ৰিমূৰ্তিয়ে টাঞ্জোৰ জিলাত তেলেগু আৰু সংস্কৃতত নিজৰ নিজৰ 'কৃতি'বোৰ গাইছিল— পুৰন্দৰ দাসে কানাড়াত গাইছিল, অন্নমাচাৰ্যই তেলেগু ভাষাত আৰু অৰুণাগিৰিনাকৰে তামিলত গাইছিল। সংগীতপ্ৰেমীসকলৰ ক্ষেত্ৰত ভাষাটোৱে একো বাধা বা আহুকালৰ সৃষ্টি কৰা নাছিল। কেৰালাৰ ট্ৰেভানকোৰ, অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি, তামিলনাডুৰ তাঞ্জৌৰ আৰু কৰ্ণাটকৰ মৈশূৰ— সংগীতৰ এই অনুষ্ঠানবোৰ কণ্ঠহাৰৰ ৰত্নৰ দৰে জিলিকি উঠিছিল। সংগীতৰ ৰছীয়ে সেই মুকুতাবোৰক একেলগ কৰি মালা গাঁথিছিল।। সংগীত নিজেই এক মহান সংযোগ। তাত ভাষা কেতিয়াও বাধা হ'ব নোৱাৰে।[৯]

বিশ্বশান্তি স্থাপন নিশ্চিত কৰা আৰু ঐক্যবদ্ধ শক্তি হিচাপে কাম কৰাৰ বাবে নৃত্য আৰু সংগীত সহায়ক হ'ব পাৰে।

ভাৰতীয় আধুনিক নৃত্যৰ জনক হিচাপে পৰিগণিত হোৱা উদয় শংকৰে ভাৰতীয় নৃত্য-সংগীতক এক নতুন আৰু উন্নত মাত্ৰা প্ৰদান কৰিছিল। তেওঁ ভাৰতত প্ৰচলিত বিভিন্ন প্ৰকাৰৰ শাস্ত্ৰীয় আৰু লোকনৃত্যই প্ৰদান কৰা চমকপ্ৰদ বৈচিত্ৰ্য আৰু অভিব্যক্তিৰ অৱকাশৰ প্ৰশংসা কৰিছিল।

সেইবোৰক তেওঁ অতুলনীয় কলাসুলভ অভিব্যক্তিত সংমিশ্ৰিত কৰাত সমৰ্থ হৈছিল যাৰ ফলত পৰমোৎকৰ্ষ নৃত্যৰ শব্দাৱলী সমৃদ্ধ হৈছিল। ত্ৰিশ আৰু চল্লিশৰ দশকত ভাৰতীয় কলাত হোৱা পুনৰ্জাগৰণৰ তেওঁ আছিল প্ৰকৃত অগ্ৰদূত বা পুৰোধা। ভাৰতীয় নৃত্যৰ ঠাচ বা চৰিত্ৰ আৰু সংগীতক পশ্চিমৰ জগতৰ স'তে চিনাকি কৰাই দিয়া ব্যক্তিজনো তেৱেঁই। তেওঁৰ বাবেই ভাৰতীয় নৃত্য-সংগীতে জগৎজোৰা খ্যাতি, সন্মান আৰু প্ৰশংসা লাভ কৰিছিল। উদয় শংকৰৰ শাস্ত্ৰীয় নৃত্যৰ স্কুলীয়া বা আনুষ্ঠানিক শিক্ষা নাছিল। তথাপি তেওঁ যে কলাৰ জগতত এক সুকীয়া আসন দখল কৰিব পাৰিছিল সেইটোৱে এই কথা প্ৰমাণ কৰে যে তেওঁ জন্মতে এক ঐশী প্ৰতিভা লগত লৈ আহিছিল।[১০]

দেশৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিবলৈ যাওঁতে মই এটা কথা লক্ষ্য কৰিছোঁ যে গ্ৰামীণ সমাজ আৰু জনজাতীয় সম্প্ৰদায়ৰ মানুহবোৰ নৃত্য-সংগীতৰ প্ৰতি টান আছে। প্ৰায়েই দেখিছিলোঁ যে সুবিধা পালেই তেওঁলোক নাচ-গানত জঁপিয়াই পৰে। ই তেওঁলোকৰ গ্ৰাম্য জীৱনৰ ৰুক্ষ আৰু খহটা ফালটো মসৃণ কৰাই নহয়— ই আমাৰ প্ৰাচীন সাংস্কৃতিক পৰম্পৰাৰ সংৰক্ষণ, প্ৰসাৰ আৰু বিকাশতো সহায় কৰিছিল। আমাৰ দেশৰ ইতিহাসত নৃত্য, সংগীত আৰু ৰংগমঞ্চৰ বিৱৰ্তন বা ক্ৰমবিকাশত গ্ৰামাঞ্চলৰ লোকে

বিশেষ ভূমিকা পালন কৰিছে। আমাৰ সমাজ-সংস্কৃতিত বিবিধ ধাৰাৰ সংগমত কলাত্মক পৰম্পৰা সমৃদ্ধ হৈছে। এই পৰম্পৰাক সক্ৰিয়ভাৱে প্ৰোৎসাহিত কৰিব লাগে।[১১]

মানুহৰ মন-প্ৰাণ সবল, সতেজ কৰাৰ বাবে নাটক মনোৰঞ্জনৰ অন্যতম শ্ৰেষ্ঠ আকৰ্ষণীয় অনুষ্ঠান। মানুহৰ মাজলৈ সদিচ্ছাৰ বাণী লৈ যোৱাৰ বাবে অথবা তেওঁলোকৰ মনত কাল্পনিক ধাৰণা বা চিন্তা প্ৰোথিত কৰাৰ বাবে ই এবিধ প্ৰকৃষ্ট মাধ্যম। সম্প্ৰতি নিজ নিজ ভূমিকা থকা চিনেমা, টি. ভি. আৰু মাল্টি মিডিয়াৰ প্ৰচণ্ড চাপত এইবিধ কলাই সংগ্ৰাম কৰিবলগীয়া হৈছে। তৎসত্ত্বেও আমি প্ৰাচীন নাটকৰ স্বৰূপটোক বচাই ৰখাৰ লগে লগে তাৰ অন্তৰ্নিহিত মূল্যৱান কাহিনীবোৰো সুৰক্ষিত কৰি ৰাখিব লাগিব।[১২]

চিন্তাবিদসকলেই ৰাষ্ট্ৰৰ গৌৰৱৰ মুকুট।

চলচিত্ৰৰ প্ৰভাৱ বা ক্ষমতা

চলচিত্ৰ উদ্যোগৰ ব্যক্তিসকলৰ দৰ্শকক হঁহুৱাব কন্দুৱাব পৰাৰ ক্ষমতা আছে। বহু সময়ত তেওঁলোকে আনকি মানুহৰ মনত ক্ৰোধৰ উদ্ৰেকো কৰিব পাৰে আৰু অৱসাদগ্ৰস্ত কৰিব পাৰে। দৰ্শকৰ আৱেগ-অনুভূতিক স্পৰ্শ কৰিব পাৰে। সাময়িকভাৱে অথবা কেতিয়াবা দীৰ্ঘ সময়ৰ বাবে দৰ্শকৰ অন্তৰত ছাপ বা প্ৰভাৱ সৃষ্টি কৰিব পাৰে। এখন চলচিত্ৰৰ ক্ষমতা ইমানেই বেছি।[১৩]

কলাই উৎসাহ-উদ্দীপনা বৃদ্ধি কৰে

অলপতে মই এখন কিতাপ পঢ়াৰ সুবিধা পালোঁ। কিতাপখনৰ নাম হ'ল— 'Articulations– Voices from the Contemporary Indian Visual Art'. কিতাপখনত মই দৃশ্যকলা আৰু পেইন্টিং (চিত্ৰকলা)ৰ অনবদ্য মান কি সেইটো বিচাৰি আছিলোঁ। তাৰ মাধ্যম কি ? সমাজ আৰু

শিল্পীৰ মাজৰ সম্পৰ্ক কি? তুলিকা, ৰং আদি শিল্পীৰ যি মাধ্যম তাৰ আৰু সমাজৰ মাজত কিবা সংস্পৰ্শ বা যোগসূত্ৰ আছে নেকি?

পেইণ্টিং সমাজৰে উৎপাদ বুলি শিল্পী এম এফ হুছেইনে কোৱা কথাই এইটোকে বুজায় যে সমাজখন মধ্যমীয়া হ'লে পেইণ্টিঙো মধ্যমীয়া হ'ব; সমাজখন যদি প্ৰবুদ্ধ আৰু সমৃদ্ধিশালী হয় পেইণ্টিঙেও সেইটোকে প্ৰতিফলন কৰিব। উপৰিউক্ত গ্ৰন্থখন অধ্যয়ন কৰাৰ পিছত মোৰ এইটো উপলব্ধি হ'ল যে নিজক সমৃদ্ধ কৰা প্ৰতিটো অভিজ্ঞতাৰ পৰা ৰূপ-সুষমাৰ অন্বেষণ কৰা প্ৰতিজন চিত্ৰকৰ আৰু শিল্পী একো একোজন অসামান্য প্ৰতিভাধৰ ব্যক্তি। আৰ কে লক্ষ্মণে সদায় নিজৰ ছবিৰ পশ্চাৎপটত থিয় দি থকা কাউৰী এজনী আঁকে। আনহাতে কে কে হেবাৰ ৰেখা (line)ৰ লয়বদ্ধ গতিৰ দ্বাৰা অনুপ্ৰেৰিত হয়। এজন শিল্পীয়ে কোৱা কথা এষাৰিৰ ময়ো সমৰ্থন কৰোঁ। তেওঁ কৈছে— "শিল্পীসকলৰ জ্ঞাত বস্তুৰ স'তে সংসৰ্গ থাকিব লাগে, অজ্ঞাত কথাবিলাকে নিজেই নিজক প্ৰকাশ কৰিব।"

সংগীত এক মহান সংযোগ, তাত ভাষা কেতিয়াও বাধা হ'ব নোৱাৰে।

কিছুদিনৰ আগতে মই তামিল ভাষাত 'Life Tree' নামৰ কবিতা এটা লিখিছিলোঁ আৰু সেইটো ইংৰাজীলৈ তৰ্জমা কৰিছিলোঁ। কবিতাটোৰ উপজীব্য আছিল— জীৱনটোক যাপন কৰা। কবিতাটো লেখাৰ সময়ত মই এক লহমাৰ বাবেও সেইটো ভবা নাছিলোঁ যে কবিতাটিত জীৱনৰ ছবি, সৌন্দৰ্য আৰু সৃষ্টিধৰ্মিতা এনেদৰে বাঙ্ময় হৈ উঠিব। সেই সময়ত মানৱ নামৰ এজন ডেকা শিল্পী মোৰ ওচৰলৈ আহিছিল। তেওঁ মোগল গাৰ্ডেনৰ স্বাভাৱিক সৌন্দৰ্যক চিত্ৰিত কৰাৰ বাবে ৰাষ্ট্ৰপতি ভৱনতে আছিল। তেওঁ নিজৰ পৰিয়ালৰ স'তে দুসপ্তাহ আছিল আৰু সেই সময়তে তেওঁ

কেইখনমান জীৱন বাঙ্ময় আৰু ভাস্বৰ হৈ উঠা ছবি অংকিত কৰিলে। মই তেওঁৰ পেইণ্টিঙত ফুলৰ সৌন্দৰ্য দেখিলোঁ— ফুলৰ সুগন্ধ শুঙি চালোঁ আৰু ফুলৰ মৌ-ৰসৰো সোৱাদ ল'লোঁ। তেওঁ মোৰ 'Life Tree' নামৰ কবিতাটো পঢ়ি তাৰ প্ৰেমত পৰিল আৰু মোগল গাৰ্ডেনৰ বিতোপন পৰিৱেশত সাত দিন থাকি মোৰ 'Life Tree' (জীৱন বৃক্ষ) নামৰ কবিতাটোক 'Speaking Tree' (কথা কোৱা বৃক্ষ) লৈ ৰূপান্তৰিত কৰিলে।

> *নিজক সমৃদ্ধ কৰা প্ৰতিটো অভিজ্ঞতাৰ পৰা ৰূপ-সুষমাৰ অন্বেষণ কৰা প্ৰতিজন চিত্ৰকৰ আৰু শিল্পী একো একোজন অসামান্য প্ৰতিভাৰ ব্যক্তি।*

কি যে অনুপম সৃষ্টি! চিত্ৰশিল্পী এজনৰ কল্পনাত পেইণ্টিং আৰু কবিতাই কিদৰে সমন্বিত ৰূপ লৈ ন-সৃষ্টিৰ স্পন্দনেৰে প্ৰাণ পাই উঠে সেয়া মই প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিলো। সেই নতুন সৃষ্টিয়ে আপোনাৰ অন্তৰ স্পৰ্শ কৰে, অনুভৱক প্ৰশমিত কৰে আৰু প্ৰতিটো শিল্পীসত্তালৈ সংযুক্ত কলাৰ ৰূপ, সুষমা আৰু অনিৰ্বচনীয় শান্তি সঞ্চাৰিত কৰে আৰু তেওঁৰ মন আৰু আত্মাত সুখ-শান্তিৰ সুশীতল পানী বৰিষণ কৰে।

ঐশ্বৰ্য-বৈভৱ আৰু কলা

কোনো এখন ৰাষ্ট্ৰৰ সমৃদ্ধি নিৰ্ভৰ কৰে তাৰ শিল্পী-সাহিত্যিকৰ সৃজনশীলতাৰ ওপৰত। ইতিহাসৰ পাঠে আপোনাক এটা কথা সোঁৱৰাই দিব যে যিকোনো এখন সাম্ৰাজ্যত সুখ-সমৃদ্ধি বিৰাজ কৰি থকা সময়ত ৰজাৰ দ্বাৰা ৰাজদৰবাৰত বহুসংখ্যক কবি-শিল্পী-সাহিত্যিক সমাদৃত হৈছিল।

ভাৰতক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাত কলা-সাহিত্যৰ ছাত্ৰসকলে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াব পাৰে। তেওঁলোকে সৃজনশীল মনোৰঞ্জন আৰু তাৰ প্ৰবন্ধনৰ ক্ষেত্ৰত সংস্থাপনৰ যথেষ্ট সুযোগ লাভ কৰিব। কাৰণ ভৱিষ্যতলৈ এইবোৰ

ক্ষেত্রত সমাজে প্রভূত পৰিমাণে সময় আৰু অৰ্থ বিনিয়োগ কৰিব। তেওঁলোক জনগণ আৰু নীতি-প্ৰণয়নকাৰীৰ মাজত সীমা নিৰ্ধাৰণকাৰী হ'ব পাৰে। তদুপৰি তেওঁলোক সাধাৰণ মানুহ, বিজ্ঞানী আৰু প্ৰযুক্তিবিদৰ মাজত যোগসূত্ৰও হ'ব পাৰে।[১৫]

কলা হ'ল প্ৰকৃতিৰ সহজাত সৌন্দৰ্যৰ নান্দনিক প্ৰকাশ। কাৰ্টুন, ভাস্কৰ্য অথবা সাহিত্য কৃতি যিয়েই নহওক কিয়, প্ৰত্যেকে দেখা আৰু উপভোগ কৰাৰ বাবে জীৱনৰ সুন্দৰ স্পন্দন বা তেজস্বিতাক উন্নীত কৰে। সেই স্পন্দনে নীৰৱ অথচ বাঙ্ময়ভাৱে প্ৰেম, হাঁহি-স্ফূৰ্তি, স্নেহ আৰু শান্তিৰ বাৰ্তা প্ৰেৰিত কৰে।

কলাই জীৱনৰ সৌন্দৰ্য-সুষমাক মহত্তম বৈশিষ্ট্যৰে উলিয়াই অনাত সহায় কৰে। তাক উচ্চতৰ, শ্ৰেষ্ঠতৰ আৰু সভ্য জগতলৈ লৈ যায়— ই মানুহৰ অস্তিত্বক নতুন অৰ্থ আৰু গভীৰতা প্ৰদান কৰে আৰু যি উদ্দেশ্যে জীৱনৰ ক্ৰমবিৱৰ্তন হয় তাৰ ঔচিত্য আৰু যথাৰ্থতা প্ৰতিপাদন কৰে। য'ত শাশ্বত মানৱীয় প্ৰমূল্য নিষ্ঠুৰভাৱে ভৰিৰে মোহাৰি পেলোৱা হৈছে আৰু য'ত বৈষয়িক ভোগ-বাসনাৰ নিৰন্তৰ আৰু বিৰামহীন দৌৰত জীৱনৰ সৌন্দৰ্য হেৰাই যোৱাৰ উপক্ৰম হৈছে তেনে এখন অন্তৰ্দ্বন্দ্ব আৰু সংঘাতজৰ্জৰ দেশত আপুনি অধিক আৰু কি আশা কৰিব অথবা কি চাবৰ বাবে হাবিয়াস কৰিব![১৬] ❑

৬

শাশ্বত প্রমূল্য

ফুলবিলাকলৈ চোৱা
কিমান উদাৰতাৰে
ফুলে সৌৰভ আৰু মৌ বিতৰণ কৰে
ফুলে সকলোকে দান কৰে
মুক্তভাৱে সকলোকে প্ৰেম দিয়ে
আৰু কাম শেষ হ'লেই
নিঃশব্দে তললৈ সৰি পৰে!
ফুলৰ দৰে হোৱাৰ চেষ্টা কৰা
ইমানবোৰ গুণৰ সমাহাৰ
অথচ ফুল কেনে
বিনম্ৰ আৰু নিৰহংকাৰী![১]

শাশ্বত প্ৰমূল্য

ন্যায়নিষ্ঠা

পবিত্ৰ প্ৰশান্তি নিলয়মত মই এটা বৰ সুন্দৰ গীত শুনিছিলোঁ। গীতটোৱে সদাচাৰ বা ন্যায়নিষ্ঠাৰ বিকাশৰ জৰিয়তে বিশ্ব শান্তিৰ সমৰ্থন কৰিছে।

হৃদয়ত যদি সদাচাৰ থাকে
চৰিত্ৰত থাকে সৌন্দৰ্য।
চৰিত্ৰত যদি সৌন্দৰ্য থাকে
ঘৰত সুখ-শান্তি বিৰাজ কৰে।
ঘৰত যেতিয়া সুখ-শান্তি বিৰাজ কৰে
দেশত বিৰাজ কৰে শৃংখলা !
দেশত যদি শৃংখলা থাকে
শান্তি আহে সমগ্ৰ বিশ্বত !

হৃদয়, চৰিত্ৰ, ৰাষ্ট্ৰ আৰু বিশ্ব পাৰস্পৰিকভাৱে কেনে সুন্দৰকৈ সংযুক্ত আমি দেখিছোঁ। মানুহৰ অন্তৰত সদাচাৰ কেনেকৈ সুমুৱাই দিয়া যায়? মানৱ সৃষ্টিৰ প্ৰকৃত উদ্দেশ্য এইটোৱেই।[২]

আমি এটা জটিল অৱস্থাৰ মাজেদি গৈ আছোঁ। কিয়নো আমাৰ বাছি ভাগেই নিজৰ স'তে, সমাজৰ স'তে আৰু গোটেই বিশ্বৰ স'তে যুঁজ-বাগৰ কৰি আছোঁ। আমি এই দিশে যাম নে অন্য দিশেদি যাম প্ৰতি মুহূৰ্ততে আমাৰ মনৰ অভ্যন্তৰত অহৰহ চলি আছে তেনে এক সংগ্ৰাম। যেতিয়াই মনত দ্বিধা-সংশয়ে দেখা দিয়ে তেতিয়া আমাক ন্যায়নিষ্ঠাৰ পথেদি লৈ যাবলৈ জ্ঞান অথবা আলোক দিয়াৰ বাবে সৰ্বশক্তিমান ঈশ্বৰক প্ৰাৰ্থনা কৰিব লাগিব।[৩]

সমাজৰ বিভিন্ন অংগ-প্ৰত্যংগত আমি ন্যায়নিষ্ঠা প্ৰোথিত কৰিব লাগিব। সামগ্ৰিকভাৱে সমাজখন সদাচাৰী বা ন্যায়নিষ্ঠ হোৱাৰ বাবে আমি আমাৰ ঘৰ, শিক্ষা, চাকৰি, কেৰিয়াৰ, ব্যৱসায়-বাণিজ্য আৰু উদ্যোগ, লোক প্ৰশাসন, ৰাজনীতি, চৰকাৰ, আইন-কানুন আৰু ন্যায় বিচাৰ সকলোতে ন্যায়নিষ্ঠা স্থাপিত কৰিব লাগিব।[৪]

উচিত নৈতিক শিক্ষাৰ জৰিয়তেহে সমাজ আৰু ৰাষ্ট্ৰৰ উৎকৰ্ষ সাধন হ'ব।

ঘৰত ন্যায়নিষ্ঠা

দেশক ভ্ৰষ্টাচাৰ বা দুৰ্নীতি মুক্ত কৰিবলৈ আৰু তাৰ মানুহবিলাকক উদাৰ কৰিবলৈ হ'লে সমাজৰ তিনিটা মূল সদস্য, যেনে— পিতৃ, মাতৃ আৰু শিক্ষকে সামাজিক পৰিৱৰ্তন আনিব পাৰে।

বাংগালোৰৰ ভাৰতীয় বিজ্ঞান সংস্থানৰ কৰ্মচাৰী এজনে মোৰ আগত এই ঘটনাটো বিবৃত কৰিছিল। তেওঁ নিজৰ ছোৱালীজনীক সদায় সঁচা কথা ক'বলৈ শিকাইছিল। সদায় সত্য কথা ক'লে তাই জীৱনত একোলৈকে ভয় কৰিব নালাগে। আজি তাই দহ বছৰীয়া হ'লহি। কিন্তু দ্বিতীয় শ্ৰেণীত

পঢ়ি থাকোঁতে তাইৰ এদিন স্কুল খটি হ'ল। কিয়নো তাই সিদিনা বাপেকৰ সৈতে বন্ধু এজনৰ ঘৰত পতা সকাম খাবলৈ গৈছিল। তাইৰ ছুটীৰ দৰখাস্তখনত বাপেকে লিখিলে যে কিবা এটা এৰাব নোৱৰা অৱস্থাত তেওঁৰ ছোৱালী স্কুললৈ যাব নোৱাৰিলে। তাই বাপেকক উভতি ধৰিলে, "সকাম খাবলৈ গৈছিলোঁ বুলি নকৈ মই কিয় এৰাব নোৱৰা অৱস্থা বুলি ক'ম ? তুমিয়েইচোন মোক সত্য কথা ক'বলৈ শিকাইছিলা ? মই কিয় মিছা কথা ক'ব লাগে ?" বাপেকে লগে লগে নিজৰ ভুলটো বুজি পালে। তেওঁ ছুটীৰ দৰখাস্তখন নতুনকৈ লিখিলে আৰু তাত জীয়েক স্কুললৈ যাব নোৱৰাৰ সঁচা কাৰণটোকে লিখি দিলে।

কি সম্রাট, কি সাধাৰণ মানুহ— সকলোৰে বাবে ন্যায়নিষ্ঠা জীৱনৰ সুদৃঢ় ভেটি।

এয়ে ল'ৰা-ছোৱালীক সৰুতে সাধু হ'বলৈ দিয়া শিক্ষাৰ ক্ষমতা। এনে শিক্ষাৰ ফলতেই ল'ৰা-ছোৱালীয়ে আমাকো সত্য পথৰ পৰা বিচ্যুত হ'লে শুধৰাব পাৰে। ন্যায়নিষ্ঠাৰ পৰা সাধুতাৰ জন্ম। এবাৰ শিক্ষা দিলে ল'ৰা-ছোৱালীহঁত বিবেকৰক্ষী হয়। এবাৰ সিহঁতৰ মনত সঠিক দিশ বা পথ অংকিত কৰি দিব পাৰিলে পৰিয়ালত চৰিত্ৰৰ ভেটি নিৰ্মিত হৈ যাব। "মই মোৰ ঘৰখনক পুণ্যধাম হিচাপে গঢ়ি তুলিম।"— সকলো ল'ৰা-ছোৱালী আৰু প্ৰত্যেক পিতৃ-মাতৃৰ এয়েই লক্ষ্য হোৱা উচিত।[৫]

এবাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে আলাপ কৰি থাকোঁতে কৰ্ণাটকৰ শিমোগাৰ ছাত্ৰ এজনে মোক এই প্ৰশ্নটো সুধিলে, "আমাৰ দেশত কেন্সাৰৰ দৰে সমাজ-দেহৰ গভীৰলৈ শিপোৱা দুৰ্নীতি ৰোধ কৰিবলৈ ছাত্ৰসকলে কি ভূমিকা লোৱা উচিত ?" প্ৰশ্নটোত ডেকাজনৰ মনৰ বেদনা প্ৰতিফলিত হৈছে। ডেকা ল'ৰা এজনে প্ৰশ্নটো কৰিছে, সেইবাবে মই প্ৰশ্নটো গুৰুত্বপূৰ্ণ বুলি ভাবোঁ। মই তেওঁক ক'লো যে দেশত এশ কোটি মানুহ আৰু বিশ কোটিমান ঘৰ আছে। সচৰাচৰ সকলোতে সুনাগৰিক আছে। কিন্তু আমি যদি

দেখোঁ যে কেইলাখমান ঘৰৰ মানুহবিলাক স্বচ্ছ বা নিকা নহয় অথবা দেশৰ আইন-কানুনৰ প্ৰতিও দায়বদ্ধ নহয়— তেনে ক্ষেত্ৰত আমি কি কৰিব পাৰোঁ! সেইবোৰ ঘৰত, পিতৃ-মাতৃৰ বাদে এটা ল'ৰা বা এজনী ছোৱালী, অথবা দুয়োটাই আছে। সেই ঘৰৰ পিতৃ-মাতৃ যদি সৎ পথৰ পৰা চ্যুত হৈ যায় তেতিয়া ল'ৰা-ছোৱালীয়ে মৰম-চেনেহকে হাতিয়াৰ হিচাপে লৈ মাক-বাপেকক সত্য পথলৈ ঘূৰাই আনিব পাৰে।

সেই বৈঠকত সমবেত হোৱা সকলো ল'ৰা-ছোৱালীক মই এইবুলি সুধিলোঁ যে যদি কিছুমান ল'ৰা-ছোৱালীৰ পিত-মাতৃ বিপথে যায় তেতিয়া হ'লে তেওঁলোকে সাহসেৰে মাক-বাপেকক এইবুলি ক'ব পাৰিবনে যে তেওঁলোকে উচিত কাম কৰা নাই। বেছি ভাগ ল'ৰা-ছোৱালীয়ে স্বতঃস্ফূৰ্তভাৱে উত্তৰ দিলে, "আমি সেইটো কৰিব পাৰিম।" তেওঁলোকৰ মনত এনে আত্মবিশ্বাস অহাৰ কাৰণ হ'ল তেওঁলোকৰ হাতত যিপাত অস্ত্ৰ আছে সেই অস্ত্ৰপাত হ'ল প্ৰেম।

এনেদৰে মই অইন কেইবাখনো সভা-সমিতিত পিতৃ-মাতৃসকলকো একে প্ৰশ্নকে সুধিছিলোঁ। প্ৰথমতে সকলো নীৰৱে আছিল। পিছত অৱশ্যে তেওঁলোকৰ বহুতে হেহো নেহোকৈ এইবুলি সন্মতি দিলে যে তেওঁলোকে ল'ৰা-ছোৱালীৰ কথা মানিব, কাৰণ সন্তানৰ পৰামৰ্শত আছে প্ৰেম। তেওঁলোকে এটা শপত ল'লে, "মই এটা দুৰ্নীতিমুক্ত সৎ জীৱন-যাপন কৰিম আৰু আনকো সৎ জীৱনৰ পথ অৱলম্বন কৰিবলৈ আৰ্হি দেখুৱাম।"[৬]

মাতৃয়ে দেখুৱাব সত্যৰ আদৰ্শ

শ্বেখ আব্দুল কাদিৰ অল-জিলানী এগৰাকী মহান সাধু আছিল। প্ৰায় এক হাজাৰ বছৰৰ আগতে তেওঁ আফগানিস্তানত বাস কৰিছিল। এদিনাখনৰ কথা। শিশু কাদিৰে সিদিনাখন পথাৰত গৰু চৰাই আছিল। গৰু চৰাই থাকোঁতে তেওঁ গৰু এটাই এইবুলি কোৱা শুনিলে— 'এই চৰণীয়া পথাৰত তুমি কি কৰি আছাহি? এইটো কামৰ বাবে তোমাক সৃজন কৰা হোৱা নাই।' তেওঁ তুৰন্তে ঘৰলৈ দৌৰ দিলে। তেওঁ সাংঘাতিক ভয় খাইছিল। ঘৰ পায়েই তেওঁ ঘৰৰ ছালৰ ওপৰত উঠি ল'লে। তাৰে পৰাই তেওঁ দেখে— মানুহৰ এটা ডাঙৰ দল হজ কৰি আৰাফট পৰ্বতৰ পৰা ঘূৰি আহিছে। হতভম্ব হৈ আব্দুল কাদিৰ মাকৰ ওচৰ পালেগৈ। তেওঁ বাগদাদলৈ গৈ পঢ়া-শুনা কৰি জ্ঞানাৰ্জন কৰিবৰ বাবে মাকৰ পৰা অনুমতি বিচাৰিলে। তেওঁৰ মাকেও এটা দৈৱবাণী শুনি তৎক্ষণাৎ পুতেক আব্দুল কাদিৰক যাবলৈ আজ্ঞা দিলে। তেওঁ পুতেকক চল্লিশটা সোণৰ মোহৰ দিলে। সেই মোহৰকেইটা কাদিৰে পিতৃৰ পৰা উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছিল। মাকে মোহৰকেইটা তেওঁৰ কোটৰ আস্তিনত সুমুৱাই দি কোটটো পুনৰ চিলাই কৰি দিলে। তাৰ পিছত পুতেকক বিদায় জনাবলৈ তেওঁ দুৱাৰৰ বাহিৰলৈ গ'ল আৰু পুতেকক ক'লে, "বাচা! তই যাবলৈ ওলালি! আল্লাৰ খাতিৰতে মই তোক ঘৰৰ পৰা দূৰলৈ পঠিয়াবলৈ ওলাইছোঁ। মই জানো, কয়ামতৰ দিনটোলৈকে মই আৰু তোৰ শ্ৰীমুখ দেখা নাপাওঁ। কিন্তু মই তোক এটা উপদেশ দিওঁ— জীৱন বিপন্ন হ'লেও তই সদায় সত্যক হৃদয়েৰে অনুভৱ কৰিবি, সদায় সত্য কথা ক'বি আৰু সত্যকে প্ৰচাৰ কৰিবি।"

এটা সৰু যাত্ৰী দল (কেৰাভান)ৰ সৈতে আব্দুল কাদিৰে বাগদাদলৈ বুলি যাত্ৰা কৰিলে। দুৰ্গম ৰাস্তাইদি গৈ থাকোঁতে

হঠাতে ঘোঁৰাত উঠি অহা ডকাইতৰ দল এটাই যাত্ৰী দলটোক আক্ৰমণ কৰি লুটপাত আৰম্ভ কৰিলে। অৱশ্যে ডকাইতৰ দলটোৰ কোনো এজনেও আব্দুল কাদিৰৰ ফালে মনেই নিদিলে। তাৰ ভিতৰৰে এজনে তেওঁৰ ফালে ঘূৰি চাই সুধিলে, "হেৰৌ কেলেহুৱা ভিখাৰী! তই এইখিনিতে লুকাই আছহি। তোৰ লগত কিবা আছেনে?" আব্দুল কাদিৰে উত্তৰ দিলে, "এৰা, মোৰ লগত চল্লিশটা দীনাৰ* আছে। মোৰ আয়ে মোৰ কোটটোৰ আস্তিনত ঠিক কাষলতিৰ তলত সুমুৱাই চিলাই কৰি দিছে।" আব্দুল কাদিৰৰ কথা শুনি ডকাইতটোৱে হাঁহিলে। সি ভাবিলে— আব্দুল কাদিৰে ধেমালি কৰিছে। কাদিৰক তাতে এৰি ডকাইতটো বেলেগ ঠাইলৈ গ'লগৈ দ্বিতীয় ডকাইত এটা আহি কাদিৰক একে কথাকে সুধিলে। আব্দুল কাদিৰে ডকাইতটোক একেটা উত্তৰকে দিলে। সিও আব্দুল কাদিৰৰ কথা বিশ্বাস নকৰি বেলেগ ফালে গুচি গ'ল। ডকাইতৰ দলটোৰ দলপতিজন অহাত সিহঁতে আব্দুল কাদিৰক লৈ গৈ ক'লে, "চাওক, এই ল'ৰাজন দেখাত ভিকহু যেন লাগে। কিন্তু সি কয় তাৰ লগত হেনো চল্লিশটা সোণৰ মোহৰ আছে। আমি আটাইবিলাকৰে বস্তু-বাহানি লুট কৰিলোঁ। কিন্তু আমি এই দৰিদ্ৰটো গাত হাত দিয়া নাই। কাৰণ তাৰ হাতত সোণৰ মোহৰ আছে বুলি ভবা নাই। সি আমাক মূৰ্খ বনাব খুজিছিল।" দলপতিজনেও আব্দুল কাদিৰক লগত কি আছে বুলি সেই একেটা প্ৰশ্নকে কৰিলে। আব্দুল কাদিৰেও একেটা উত্তৰকে দিলে। দলপতিজনে তাৰপিছত আব্দুল কাদিৰৰ কোটটো ফালি পেলালে। তেতিয়া তেওঁ দেখে যে আব্দুল কাদিৰৰ কোটটোৰ জেপত সঁচাকৈয়ে চল্লিশটা সোণৰ মোহৰ আছে। দলপতিজন আচৰিত হ'ল। কিহে তেওঁক তেনেকৈ সঁচা কথা ক'বলৈ প্ৰেৰিত কৰিছিল সুধিলে। আব্দুল কাদিৰে উত্তৰ দিলে, "মোৰ আয়ে মোক

পিতৃ, মাতৃ আৰু শিক্ষক সমাজৰ এই তিনিজন মূল সদস্যই সামাজিক পৰিৱৰ্তন আনিব পাৰে

---

* দীনাৰ : আৰব দেশসমূহ আৰু ইৰানত প্ৰচলিত এবিধ মুদ্ৰা।

জীৱন বিপন্ন হ'লেও সঁচা কথা কোৱাৰ বাবে অংগীকাৰ কৰাইছে। ইয়াত মাত্ৰ চল্লিশটা মোহৰৰ কথাহে! মই তেওঁৰ আগত প্ৰতিজ্ঞা কৰিছোঁ আৰু তেওঁৰ বিশ্বাস কোনোদিনে ভংগ নকৰোঁ। সেইবাবে মই সঁচা কথা কৈছোঁ।"

ডকাইতকেইজনে তেতিয়া উচুপি উচুপি ক'লে, "তুমি তোমাৰ মহান মাতৃৰ উপদেশ মানি চলিছা। অথচ আমি আমাৰ পিতৃ-মাতৃৰ বিশ্বাসৰ প্ৰতাৰণা কৰাৰ উপৰি বহু বছৰ ধৰি আমাৰ সৃষ্টিকৰ্তাৰ আদেশৰো উলংঘন কৰি আহিছোঁ। গতিকে এতিয়াৰে পৰা আমাৰ অনুশোচনাৰ সময়ছোৱাত তুমি আমাৰ নেতা হ'বা।" তাৰ পিছৰ পৰা সিহঁত আটায়ে ডকাইতি আৰু লুটপাতৰ বৃত্তি বাদ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰি ধাৰ্মিক লোক হৈ পৰিল। এনেকৈয়ে গোটেই বিশ্বই শ্বেখ আব্দুল কাদিৰ অল-জিলানীৰ দৰে এজন মহান সন্তৰ আবিৰ্ভাব প্ৰত্যক্ষ কৰিলে। মাকে শিশুক সত্য কথা ক'বলৈ শিক্ষা দিছিল বাবে সেইটো সম্ভৱ হৈছিল।'

এবাৰ শিক্ষা দিলে ল'ৰা-ছোৱালীবিলাক বিবেকৰক্ষী হয়।

নৈতিক শিক্ষা প্ৰদান

প্ৰথম অৱস্থাত ল'ৰা-ছোৱালীক মৰম-চেনেহেৰে ডাঙৰ-দীঘল কৰাৰ পিছত সিহঁতৰ যেতিয়া স্কুললৈ যোৱাৰ বয়স হয় তেতিয়া সিহঁতক নৈতিক শিক্ষা দিব লাগে। শিশুৰ ঘাই শিক্ষা গ্ৰহণৰ সময় হ'ল ছয়ৰ পৰা সোতৰ বছৰ বয়সলৈকে। অৰ্থাৎ বিদ্যালয়ত থকা সময়খিনিয়েই ল'ৰা-ছোৱালীৰ শিক্ষা গ্ৰহণৰ বাবে শ্ৰেষ্ঠ সময়। তাৰ বাবে সিহঁতক উপযুক্ত পৰিৱেশ, নৈতিক মূল্যবোধৰ শিক্ষা পদ্ধতিৰে লক্ষ্য সৰ্বস্ব শিক্ষা দিয়া প্ৰয়োজন।

মই যেতিয়া ত্ৰিচীৰ ছেইণ্ট্ জোছেফ কলেজত পঢ়ি আছিলোঁ তেতিয়া ৰেভাৰেন্দ্ ফাদাৰ ৰেক্টৰ কালাথিলে দিয়া লেক্চাৰ (পাঠদান) মোৰ আজিও মনত আছে। প্ৰতি সোমবাৰে

তেখেতে এঘণ্টাকৈ ক্লাছ লৈছিল। সেই এঘণ্টা সময় তেখেতে বৰ্তমান আৰু অতীতৰ পাৰমাৰ্থিক বা আধ্যাত্মিক, ধৰ্মীয় আৰু ৰাজনৈতিক নেতাসকলৰ বৃত্তান্ত আৰু সৎ মানুহৰ গুণাৱলীৰ কথা বিৱৰি কৈছিল। সেই ক্লাছতে তেওঁ আমাক বুদ্ধ, কনফুচিয়াছ, ছেন্ট্ অগাষ্টাইন, খলিফা ওমৰ, মহাত্মা গান্ধী, আইনষ্টাইন, আব্ৰাহাম লিংকন আদিৰ দৰে মহান ব্যক্তিসকল আৰু কিছুমান বিজ্ঞানীৰ বিষয়ে কৈছিল। তদুপৰি তেখেতে আমাৰ সভ্যতাৰ গৌৰৱোজ্জ্বল ঐতিহ্যৰ সৈতে সম্পৃক্ত নৈতিক কাহিনীবিলাকো আমাক কৈ শুনাইছিল। মোৰ বিশ্বাস তেখেতৰ সেই ক্লাছত মই যি নীতি শিক্ষাৰ পাঠ শিকিছিলোঁ সি আজিও মোৰ সহচৰ হৈ আছে।

স্কুল আৰু কলেজবিলাকত ভাৰতীয় সভ্যতাৰ প্ৰধান ঐতিহ্যৰ ওপৰত প্ৰতি সপ্তাহত একো ঘণ্টাকৈ সেই শিক্ষানুষ্ঠানৰে বিখ্যাত শিক্ষকৰ তত্ত্বাৱধানত লেকচাৰৰ আয়োজন কৰিব লাগে। সেই ক্লাছটোক 'মৰেল ছায়েন্স্' (নৈতিক বিজ্ঞান) বুলিব পাৰি। এই ব্যৱস্থাই ডেকাসকলৰ মনত দেশপ্ৰেম জগাব; আন মানুহৰ প্ৰতি প্ৰেম জগাব আৰু তেওঁলোকক উচ্চতৰ আধ্যাত্মিক স্তৰলৈ লৈ যাব। উচিত নৈতিক শিক্ষাৰ জৰিয়তে সমাজ আৰু দেশৰ বিকাশ সাধন হ'ব।"

বিবেক হ'ল আত্মাৰ স্বৰ্গীয় জ্যোতি।

দান বা উপহাৰে মানৱ জীৱনৰ মৰ্যাদা হানি কৰে

ৰামেশ্বৰম এটা সুন্দৰ দ্বীপ। সৰুতে মই আমাৰ পৰিয়ালৰ সৈতে তাতে বাস কৰিছিলোঁ। সম্ভৱ ১৯৪০ চনৰ ওচৰে-পাজৰে। দ্বিতীয় বিশ্বযুদ্ধ চলি আছিল। তেতিয়া ৰামেশ্বৰম পঞ্চায়ত বোৰ্ডৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। মোৰ পিতৃও পঞ্চায়ত বোৰ্ডৰ সদস্য নিৰ্বাচিত হৈছিল। একেদিনাই মোৰ পিতা বোৰ্ডৰ সভাপতি হিচাপেও নিৰ্বাচিত হ'ল। মোৰ পিতৃ এক বিশেষ ধৰ্ম বা এক বিশেষ সম্প্ৰদায়ৰ লোক, অথবা তেওঁ এটা বিশেষ ভাষা কোৱা লোক, অথবা তেওঁ

আৰ্থিকভাৱে সম্পন্ন লোক— এইবোৰ গুণৰ জহত তেওঁ সভাপতি নিৰ্বাচিত হোৱা নাছিল। বৰঞ্চ তেওঁ এজন সৎ লোক আছিল বাবেহে সেই পদলৈ নিৰ্বাচিত হৈছিল। মই তেতিয়া চতুৰ্থ শ্ৰেণীত পঢ়ি আছোঁ। তথাপি মোৰ পিতা নিৰ্বাচিত হোৱাৰ দিনাখন ঘটা এটা ঘটনা আজিও মোৰ মনত আছে।

সেই সময়ত আমাৰ বিজুলীবাতি নাছিল। মই কেৰাচিন তেলেৰে জ্বলোৱা লেম্পৰ পোহৰত পঢ়া-শুনা কৰিছিলোঁ। মোৰ ডাঙৰ ডাঙৰকৈ পাঠ আওৰোৱাৰ অভ্যাস আছিল। সিদিনাখনো মই ডাঙৰ ডাঙৰকৈ পাঠ পঢ়ি আছিলোঁ। তেনেতে কোনোবাই দুৱাৰত টোকৰ দিয়া শুনিলোঁ। সেই সময়ত ৰামেশ্বৰমৰ কোনো মানুহৰ ঘৰৰ দুৱাৰত তলা মৰাৰ অভ্যাস নাছিল। কোনোবা এজন দুৱাৰখন খুলি ভিতৰলৈ সোমাই আহিল। তেওঁ মোৰ পিতাৰ কথা সুধিলে। মই ক'লোঁ, পিতা গধূলিৰ নামাজলৈ গৈছে। তেওঁ ক'লে, 'মই তেখেতৰ বাবে বস্তু এবিধ আনিছিলোঁ। ইয়াতে থৈ যাব পাৰিমনে?' পিতা ঘৰত নাই কাৰণে মই মাক চিঞৰি মাতিলোঁ— তেওঁৰ অনুমতি ল'বৰ বাবে। ইফালে মায়ো গৈছিল নামাজলৈ। সেইবাবে মাৰ মাত নাপালোঁ। সেই গতিকে মানুহজনক বস্তুটো খাটখনতে থ'বলৈ কৈ মই আকৌ পঢ়িবলৈ বহিলোঁ।

বিবেক যেনিবা এক বৃহদাকৃতিৰ খতিয়ন বহী য'ত আমাৰ অপৰাধ বা অপকৰ্মবোৰ উল্লিখিত আৰু পঞ্জীভুক্ত কৰা হয়।

মই ডাঙৰ ডাঙৰকৈ পাঠ মুখস্থ কৰি আছিলোঁ। একাণপতীয়াকৈ পঢ়ি থাকোঁতেই পিতা ঘূৰি আহি খাটখনৰ ওপৰত ৰখা 'তম্বালম্'টো দেখিলে। তেওঁ মোক সুধিলে, "এইটো কি বস্তু! কোনে দিছে?" মই পিতাক ক'লোঁ যে মানুহ এজন আহি বস্তুটো তেওঁৰ বাবে থৈ গৈছে। তেওঁ টোপোলাটো খুলি চাই দেখে— তাৰ ভিতৰত এখন দামী ধুতী, এখন অংগবস্ত্ৰ, কিছুমান ফল-মূল, মিঠাই আৰু এখন

সৰু কাগজৰ টুকুৰা। দেউতা খঙত একো নাই হ'ল। মই পিতৃ-মাতৃৰ কনিষ্ঠ পুত্ৰ আৰু পিতাই মোক খুব ভাল পাইছিল। সেই প্ৰথমবাৰৰ বাবে মই দেউতাৰ ইমান খং উঠা দেখিলোঁ। আৰু সেইদিনাই মই জীৱনত প্ৰথমবাৰৰ বাবে দেউতাৰ হাতত মাৰ খালোঁ। মই বৰ ভয় খালোঁ আৰু কান্দিবলৈ ধৰিলোঁ। মোৰ কান্দোন শুনি মা দৌৰি আহি মোক সাৱট মাৰি ধৰি প্ৰবোধ দিবলৈ ধৰিলে। মোক কন্দা দেখি পিতাই আলফুল মৰমেৰে মোৰ কান্ধত ধৰিলেহি। ভৱিষ্যতে তেওঁৰ বিনা অনুমতিত আমি যেন কোনোদিনে কাৰো পৰা দান বা উপহাৰ নলওঁ। তেওঁ মোক সেই উপদেশ দিলে। তেওঁ মোক বুজাই দিলে যে উদ্দেশ্য লৈ দিয়া উপহাৰ গ্ৰহণ কৰাটো জীৱনৰ বাবে মাৰাত্মক ক্ষতিকাৰক। তেওঁ 'হদীস'ৰ এটা শ্লোক মাতি শুনালে। তাৰ অৰ্থ হ'ল— 'উপহাৰৰ আঁৰৰ উদ্দেশ্য বৰ বিষাক্ত।' এইটো অভিজ্ঞতাই মোক জীৱনৰ বাবে এনে এটা মূল্যবান শিক্ষা দিলে যি শিক্ষা আজিও মোৰ মনত খোদিত হৈ আছে।

মনুস্মৃতিতো মানুহক অভিপ্ৰায় বা উদ্দেশ্য ৰাখি দিয়া দান গ্ৰহণ নকৰিবলৈ কোৱা হৈছে— কাৰণ ইয়াৰ ফলত গ্ৰহীতাজন দান আগবঢ়োৱা লোকজনৰ ওচৰত বাধিত হ'বলগীয়া হয়। অৱশেষত গ্ৰহীতাজনে দান দিয়াজনৰ বাবে আনকি আইনবিৰুদ্ধ কামো কৰিবলগীয়া হয়। সেইবাবে উপহাৰ বা দান যিমানেই ধুনীয়া নহওক কিয়, তাৰ প্ৰতি আকৰ্ষণ অনুভৱ নকৰা বা বিৰাগ সৃষ্টি কৰা প্ৰয়োজন যাতে মানুহে উপহাৰ বা দান গ্ৰহণৰ বাসনাৰ প্ৰতি মনত প্ৰতিৰোধৰ সৃষ্টি কৰিব পাৰে। আৰু এটা কথা আছে— উপহাৰ স্বীকাৰ কৰিলে মানুহৰ মনৰ অভ্যন্তৰৰ দিব্যজ্যোতি নিৰ্বাপিত হয়।[১]

দুৰ্নীতি বা ভ্ৰষ্টাচাৰ আমাৰ বিবেকৰ ওপৰত কৰা এক আঘাত।

নিজৰ বিবেকক উৰ্বৰ কৰা

বিবেক আত্মাৰ স্বৰ্গীয় জ্যোতি। ই মানুহৰ মন-মন্দিৰত অহৰহ জ্বলি থাকে। জীৱনৰ দৰে ই বাস্তৱিক। যেতিয়াই ন্যায়নিষ্ঠা বিৰুদ্ধ কিবা চিন্তা কৰা হয় অথবা পৰিপন্থী কিবা কাম কৰা হয় তেতিয়াই বিবেক প্ৰতিবাদত সৰৱ হৈ উঠে।

বিবেক সত্যৰেই এটা স্বৰূপ। ই আমাৰ নিজৰ কৰ্মৰ জ্ঞান আৰু ভাল-বেয়া অনুভৱৰ ৰূপত আনুবংশিক ভাণ্ডাৰৰ জৰিয়তে ৰূপান্তৰিত হৈ যায়। বিবেক যেনিবা এক বৃহদাকৃতিৰ খতিয়ন বহী (লেজাৰ) য'ত আমাৰ অপৰাধ বা অপকৰ্মবোৰ উল্লিখিত আৰু পঞ্জীয়ন কৰা হয়। ই এক সাংঘাতিক সাক্ষী। ই ভীতি প্ৰদৰ্শন কৰে, অংগীকাৰ কৰে, পুৰস্কৃত কৰে, দণ্ডিত কৰে আৰু সকলো নিজৰ আয়ত্তত ৰাখে। এবাৰ বিবেকে দংশন কৰা মানে সাৱধান বাণী, দুবাৰ মানে নিন্দা বা শাস্তি।

জীৱনত নিজে জয়ী হোৱাতকৈ আনক জয়ী হোৱাত সহায় কৰাটোহে বেছি মহত্বপূৰ্ণ।

ভীৰুতাই সোধে, 'এইটো নিৰাপদ নে?'
লিপ্সাই সোধে, 'ইয়াত কিবা লাভ আছেনে?'
গৰ্বই সোধে, 'মই মহান হ'ব পাৰিমনে?'
কামনা-বাসনাই সোধে, 'সুখ-ভোগ আছেনে?'
কিন্তু বিবেকে সোধে, 'এইটো ঠিক বা উচিত হ'বনে?'
আমি বিবেক বা অন্তৰাত্মাৰ আহ্বান কাণেৰে নুশুনো কিয়? ইয়াৰ দংশনৰ প্ৰতি আমি অসংবেদনশীল কিয়? ইয়াৰ ভৰ্ৎসনাৰ প্ৰতিও ইমান নিৰুদ্বিগ্ন কিয়? এই প্ৰশ্নবোৰৰ এটাই উত্তৰ— দুৰ্নীতি বা ভ্ৰষ্টাচাৰ।

দুৰ্নীতি বা ভ্ৰষ্টাচাৰ আমাৰ বিবেকৰ ওপৰত কৰা এক প্ৰহাৰ। উৎকোচ গ্ৰহণ কৰা আৰু অনুগ্ৰহ বিচৰা আজিকালি সাধাৰণ কথা হৈছে। গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰি থকা মানুহে নিজৰ বিবেকৰ প্ৰতি হঠকাৰিতা বা অমনোযোগিতাৰ ভাব

পোষণ কৰে। সকলো ঠিকে আছে— তেওঁলোকে এনে এটা ভাব দেখুৱায়। ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ বিধানটো তেওঁলোকে নাজানে নেকি? অৱচেতন মনৰ ধাৰণা আৰু তাৰ শক্তিসমূহে কিদৰে কাম কৰে সেই কথা তেওঁলোকে পাহৰি গৈছে নেকি? আপুনি যদি উৎকোচ গ্ৰহণ কৰে আপোনাৰ চিন্তা আৰু কাৰ্যবোৰ অৱচেতন মনত পঞ্জীভুক্ত হৈ যায়। তাৰ জৰিয়তে আপুনি পিছৰ পুৰুষলৈকে আপোনাৰ অসাধুতা সঞ্চাৰিত কৰি তেওঁলোকক দুখত পেলোৱা নহ'বনে?

এইটো নিৰ্মম সত্য যে বৰ্তমানে দুৰ্নীতি আমাৰ জীৱন-প্ৰণালী হৈ পৰিছে। ই আমাৰ সামাজিক আৰু ব্যক্তিগত জীৱনৰ সকলো স্তৰতে প্ৰভাৱ বিস্তাৰ কৰিব ধৰিছে। ইয়াত অকল ধন-বিতৰ দুৰ্নীতিৰ কথাকে কোৱা হোৱা নাই, ইয়াৰ অন্য ৰূপো আছে। উচ্চ পদবীত থকাসকলৰ অনৈতিক পন্থা আৰু ক্ষমতাৰ ব্যৱহাৰে ক্ষুদ্ৰতৰ লোকৰ মনৰপৰা দোষী ভাব নোহোৱা কৰিছে। কেনে এক বিষময় পৰিস্থিতি!

একমাত্ৰ ন্যায়নিষ্ঠ লোকেহে বিবেকৰ মাধ্যম ব্যৱহাৰ কৰিব পাৰে। কেৱল তেনে লোকেহে অন্তৰাত্মাৰ আহ্বান স্পষ্টকৈ শুনে। দুষ্ট মানুহ এজনৰ গাত সেই গুণ নাথাকে। তেওঁৰ বিবেকৰ সংবেদনশীলতা গুণ, পাপ অথবা দুৰ্নীতিয়ে ধ্বংস কৰি পেলায়। সেইবাবে তেওঁ ভুলৰ পৰা শুদ্ধক পৃথক কৰিব নোৱাৰে। যিবিলাকে কোনো সংগঠন, ব্যৱসায়িক প্ৰতিষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু চৰকাৰৰ কাম-কাজ পৰিচালনা কৰি আছে তেওঁলোকে এই গুণৰ উৎকৰ্ষ সাধন কৰিব লাগে আৰু নিজৰ বিবেক বা মনক পৰিচালনা কৰাৰ সামৰ্থ্য থাকিব লাগে। স্বচ্ছ বিবেকক ব্যৱহাৰ কৰাৰ বোধ বা জ্ঞানে তেওঁলোকক উদ্বিগ্নতা আৰু সকলো প্ৰকাৰৰ চিন্তা-ভাবনাৰ পৰা মুক্ত হোৱাত সহায় কৰিব।

আজি আপুনি ভুল বা পাপ কৰ্ম কৰি তাক লঘুভাৱে ল'লে কাইলৈ আন এক গুৰুতৰ অপৰাধ কৰিবলৈ তিলমানো সংকোচ নকৰিব। এটা পাপক আপোনাৰ অভ্যন্তৰত সোমাই বিবেকৰ ওপৰত থিতাপি ল'বলৈ দিয়া মানেই আপুনি হাজাৰটা পাপক আপোনাৰ মনোজগতলৈ বাট দেখুৱাই দিয়া। তেতিয়া আপোনাৰ বিবেক হৈ পৰিব ভোটা আৰু সি সংবেদনশীলতা হেৰুৱাই পেলাব। কুকৰ্ম কৰাৰ অভ্যাস বৃশ্চিক দংশনৰ পৰা হোৱা বিষৰ লেখিয়াকৈ আপোনাৰ দেহৰ সৰ্বাংগত বিয়পি পৰিব।

আপুনি দুৰ্নীতিৰ পঙ্কত লেটি লৈ থাকোঁতে আপোনাৰ সন্তানসকলে আপোনাৰ দুৰ্নীতিৰ ফলভোগ কৰি থাকিলেও সিহঁতেই আপোনাক ইতিকিং কৰি থাকে বুলি আপুনি জানেনে? মুঠ কথা, সিহঁতে সকলো কথা জানে, সকলো খবৰ সিহঁতৰ নখদৰ্পণত। আপোনাৰ পিতৃত্বৰ মুখাখন ইমানেই পাতল যে আপোনাৰ নিজ সন্তানৰ আপোনাৰ প্ৰতি থকা ঘৃণাক তাৰে ঢাকিব নোৱাৰিব। আপুনি নিজৰ সন্তানৰ মনত আদৰ্শ আৰ্হি হৈ থাকিব পৰা নাই। এই অপমানেই আপোনাৰ বাবে যথেষ্ট নহয়নে?

আমাৰ সমাজখন দ্ৰুতগতিৰে এনে এক অৱস্থাত উপনীত হৈছেহি য'ত মানুহৰ বিবেকে এক সম্ভ্ৰম বা মৰ্যাদাপূৰ্ণ স্থান অধিকাৰ কৰি থকা অৱস্থাটোক দুৰ্নীতিয়ে প্ৰত্যাহ্বান জনাইছে যিদৰে 'এইড্‌ছ্' আক্ৰান্ত ৰোগীৰ দেহৰ ৰোগ সংক্ৰমণ প্ৰতিৰোধ ক্ষমতাক এইচ আই ভি-য়ে প্ৰত্যাহ্বান জনায়। দুৰ্নীতি আমাৰ দেহৰ শিৰাই-উপশিৰাই সোমাই গৈছে। এক সভ্যতাৰ ছত্ৰছায়াত আমি নিজকে ৰক্ষা কৰিব পাৰিমইঁকনে? আধ্যাত্মিক গুৰুসকলে নৈতিকতা, আচাৰ-ব্যৱহাৰ আৰু ন্যায়নিষ্ঠাৰ শিক্ষাৰ স্বৰূপ বিকশিত কৰিছে। মন পৰশা মন্ত্ৰ বা স্তুতিগীত ৰচিত হৈছে, গান আৰু স্তৱ বা প্ৰাৰ্থনা সংগীত লিখা হৈছে— কিন্তু দুৰ্নীতিৰ দ্বাৰা বিবেকৰ নিঃশেষকৰণ বৰ উদ্বেগজনক হৈ

পৰিছে। আমাৰ বিবেকক জাগ্ৰত কৰাৰ বাবে ধৰ্ম ফলপ্ৰসূ নহয়। তেনেহ'লে কোনে কৰিব? আমাৰ বিবেকক মুক্ত কৰিব পৰা যাবনে?[১০]

মহান চিন্তা

এবাৰ মই কিবা এটা ভাষণ দিবলৈ বাংগালোৰলৈ গৈছিলোঁ। যাত্ৰাৰ সময়ত মই বন্ধু এজনৰ লগত কথা পাতি গৈ আছিলোঁ। কথা প্ৰসংগত বন্ধুজনক ক'লোঁ যে মই বাংগালোৰলৈ গৈ তৰুণসকলৰ লগত কথা-বতৰা পাতিম, তেওঁ কিবা পৰামৰ্শ দিব পাৰিব নেকি? তেনে কোনো পৰামৰ্শ নিদিলে যদিও তেওঁ মোক কেইটামান অমৃত বাণী শুনালে ঃ

> 'যি ক'ব সঁচা ক'ব। কথা দিলে সেইমতে কাম কৰিব। আপোনাৰ বিশ্বাসক সম্পন্ন কৰক। আঘাত কৰাৰ পৰা আৰু অসংগত অথবা বেয়াটো গ্ৰহণ কৰাৰ পৰা হাত দুখনক বাৰণ কৰক।'
>
> আটাইতকৈ ভাল কাম কি? মানুহৰ আত্মাক আনন্দিত কৰা, ভোকাতুৰক অন্ন দিয়া, দুৰ্গতি বা আৰ্তজনক সহায় কৰা, দুখীতজনৰ দুখৰ বোজা লাঘৱ কৰা আৰু যি আঘাত পাইছে তেওঁৰ কষ্ট দূৰ কৰা।
>
> ভগৱৎ-সৃষ্ট সকলো জীৱ তেওঁৰ পৰিয়াল। ভগৱন্তৰ দ্বাৰা সৃষ্ট জীৱৰ যিয়ে কল্যাণ সাধন কৰে তেওঁ ভগৱানৰ আটাইতকৈ প্ৰিয়।'

সদায় ওপৰলৈ যোৱাৰ কথা ভাবিবা। অহৰহ সেইটোৱেই হওক তোমাৰ একমাত্ৰ চিন্তা।

সেইবোৰ পয়গম্বৰ মহম্মদৰ বাণী বুলি বন্ধুজনে মোক ক'লে। বন্ধুজন তামিলনাডুৰ দীক্ষিদাৰৰ পৰিনাতি আৰু তেওঁ 'জ্ঞানপতিগল' (বেদজ্ঞ পণ্ডিত)। এনে উদাৰ দৃষ্টিভংগী অকল আমাৰ দেশতহে সম্ভৱ। ইয়াত প্ৰবুদ্ধ নাগৰিকসকলে নিজ

ধৰ্মৰ উৰ্ধ্বলৈ গৈ আনৰ ধৰ্মৰো প্ৰশংসা কৰে।

২২০০ বছৰ পূৰ্বে সন্ত কবি তিৰুবল্লুবৰদেৱ প্ৰণীত ‘তিৰুকুৰল’ত এটা বৰ সুন্দৰ কুৰল বা পংক্তি আছে ঃ

Ulluvathellam uyarvullal matratu
Tallinum tellamai nirttu.

ইয়াৰ অৰ্থ এনেকুৱা ঃ ‘সদায় ওপৰলৈ যোৱাৰ কথা ভাবিবা। অহৰহ সেইটোৱেই হওক তোমাৰ একমাত্ৰ চিন্তা। নিজ লক্ষ্য ঢুকি নাপালেও কেৱল সেই উচ্চ চিন্তাই তোমাক উচ্চ শিখৰলৈ লৈ যাব।’[১২]

মহান কৰ্ম

হায়দৰাবাদৰ ৰাষ্ট্ৰীয় মানসিক প্ৰতিবন্ধী সংস্থানৰ দ্বাৰা শাৰীৰিক আৰু মানসিক প্ৰতিবন্ধীসকলৰ মাজত আয়োজিত এক ক্ৰীড়া অনুষ্ঠানত মই কোনোদিনে পাহৰিব নোৱৰা এটা ঘটনা প্ৰত্যক্ষ কৰিলোঁ। খেলটো আছিল ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা। মই দেখিলোঁ— নজন শাৰীৰিক আৰু মানসিক প্ৰতিবন্ধী প্ৰতিযোগীৰ আটাইকেইজনে দৌৰ আৰম্ভ কৰিবলগীয়া ৰেখাডালত গোট খালেহি। দৌৰাৰ সংকেত পোৱাৰ লগে লগে আটাইকেইজনে দৌৰিবলৈ আৰম্ভ কৰিলে। সিহঁতে হুৰামূৰা কৰা নাছিল। দৌৰ শেষ কৰি জিকাৰ বাবে সাৱলীলভাৱে দৌৰিছিল। এনেতে এটা সৰু ল’ৰাই পকাত উজুতি খাই কেইবা বাগৰো মাৰি পৰি গ’ল আৰু কান্দিবলৈ ধৰিলে। অন্য আঠজন দৌৰি থকা ল’ৰাই তাৰ কান্দোন শুনিবলৈ পালে। লগে লগে আটাইকেইজনে দৌৰৰ বেগ কমাই দি পাছলৈ ঘূৰি চালে। তৎমুহূৰ্তে প্ৰত্যেকজন প্ৰতিযোগী পাছমুৱা হৈ ঘূৰি আহিল। ‘ডাউন্’ছ ছিনড্ৰ’ম্’ ৰোগ থকা ছোৱালী এজনীয়ে তললৈ হাউলি ল’ৰাজনক চুমা খাই ক’লে, ‘এতিয়া তোমাৰ আগতকৈ ভাল

এডাল মমবাতিৰে অইন এডাল মমবাতি জ্বলালে মমবাতিডালৰ একো বঢ়া-টুটা বা হীন-ডেঢ়ি নহয়।

হ'ব।' তাৰ পিছত নজন প্ৰতিযোগীৰ আটাইকেইজনে হাতত হাত ৰাখি লক্ষ্যস্থানৰ ৰেখাডাল নোপোৱালৈকে একেলগে খোজ কাঢ়ি গ'ল। ষ্টেডিয়ামৰ আটাইয়ে থিয় হৈ হাত চাপৰি বজালে। কেইবা মিনিটো ধৰি সেই জয়ধ্বনি চলি থাকিল।

সিদিনাখন তাত উপস্থিত থকা মানুহবিলাকে আজিও সেই কথাটো কৈ থাকে। কিয়? মনৰ গভীৰতাৰ পৰা আমি এটা কথা উপলব্ধি কৰোঁ। সেইটো হ'ল প্ৰতিযোগিতাত নিজে জিকাতকৈ নিজৰ গতিবেগ কমাই বা গতিপথ সলনি কৰি হ'লেও আনক জিকাত সহায় কৰাতহে বেছি সাৰ্থকতা। মই কওঁ— তোমালোকে নিজৰ গতিবেগো কমাব নালাগে। বৰং বেয়া অৱস্থাৰ পৰিপ্ৰেক্ষিতত পৰস্পৰে পৰস্পৰক সহায় কৰিলে তুমি এনে এক প্ৰেৰণা লাভ কৰিবা যি প্ৰেৰণাই তোমাৰ গতিবেগ দুগুণে বঢ়াব। এইটোত উত্তীৰ্ণ হ'ব পাৰিলে আমি নিজৰ অন্তৰ সলনি কৰাৰ উপৰি আনৰো পাৰিম। এডাল মমবাতিৰে অইন এডাল মমবাতি জ্বলালে মমবাতিডালৰ একো বঢ়া-টুটা বা হীন-ডেঢ়ি নহয়।[১৩]

ন্যায়নিষ্ঠা বা সদাচাৰৰ পথ

মানুহৰ অন্তৰৰ সদাচাৰ বা ন্যায়নিষ্ঠাই প্ৰবুদ্ধ নাগৰিকক শুদ্ধ জীৱন-যাপন কৰাত সহায় কৰে। মানুহৰ জীৱনৰ উত্থান-পতনৰ বিষয়ে চীনা দাৰ্শনিক কনফুচিয়াছে বৰ সুন্দৰকৈ ব্যাখ্যা কৰিছে। তেওঁ কৈছে ঃ

"যিয়ে পৃথিৱীখনত সম্পূৰ্ণ সংহতি বা সমন্বয় বিচাৰে তেওঁ প্ৰথমে জাতীয় জীৱনৰ শৃংখলা ঠিক কৰিব। জাতীয় জীৱনক যিয়ে সুশৃংখল কৰিব বিচাৰে তেওঁ পোনপ্ৰথমে নিজৰ ঘৰখনক নিয়ন্ত্ৰিত কৰিব লাগিব। যিয়ে ঘৰুৱা জীৱন শৃংখলাবদ্ধ কৰিব বিচাৰে তেওঁলোকে আগতে ব্যক্তিগত জীৱনটোক কৰ্ষিত কৰিব। আকৌ যিয়ে ব্যক্তিগত জীৱনটোক

কৰ্ষিত কৰি অন্তৰখন পৱিত্ৰ কৰিব বিচাৰে তেওঁলোকে প্ৰথমে নিজৰ ইচ্ছা শক্তিক অকপট বা অকৃত্ৰিম কৰিব লাগিব। যিবিলাকে ইচ্ছা শক্তিক অকৃত্ৰিম কৰিব বিচাৰে তেওঁলোক প্ৰথমে বোধ বা উপলব্ধিত উপনীত হ'ব লাগিব। বস্তুসমূহৰ বিষয়ে কৰা সন্ধানৰ পৰা বোধ বা জ্ঞান জন্মে। বস্তুৰ জ্ঞান লাভ কৰিলে বোধ বা উপলব্ধিত উপনীত হ'ব পাৰি। যেতিয়া বোধ বা উপলব্ধিত উপনীত হ'ব তেতিয়া ইচ্ছা শক্তি অকৃত্ৰিম হয়। ইচ্ছা শক্তি অকৃত্ৰিম হ'লে অন্তৰখন পৱিত্ৰ হ'ব। হৃদয় পৱিত্ৰ হ'লে ব্যক্তিগত জীৱন কৰ্ষিত হয়। ব্যক্তিগত জীৱন কৰ্ষিত হ'লে ঘৰুৱা জীৱন সুশৃংখল বা সুনিয়ন্ত্ৰিত হয়। ঘৰুৱা জীৱন যেতিয়া নিয়ন্ত্ৰিত হ'ব তেতিয়া জাতীয় জীৱন সুশৃংখল হ'ব। জাতীয় জীৱন সুশৃংখল হ'লে সমগ্ৰ পৃথিৱীখনত শান্তি বিৰাজ কৰিব। সম্ৰাটৰ পৰা সাধাৰণ পৰ্যায়ৰ লোকলৈকে সকলোৰে বাবে ন্যায়নিষ্ঠ বা সদাচাৰী জীৱনৰ কৰ্ষণ বা অভ্যাসনেই সকলোৰে মূল ভেটি।"[১৪]

আমাৰ ন্যায়নিষ্ঠ শ্ৰমেই আমাৰ পথৰ আলোক
পৰিশ্ৰম কৰিলেহে আমি উন্নতি কৰিব পাৰিম।
মহৎ চিন্তাৰ পুষ্টি সাধন কৰা
কৰ্ম কৰি নিজৰ ভৰিৰ ওপৰত থিয় হোৱা
ন্যায়নিষ্ঠা বা সদাচাৰ হওক আমাৰ পথপ্ৰদৰ্শক।[১৫] ❑

৭

বিজ্ঞান আৰু আধ্যাত্মিকতা

বিজ্ঞান মানব জাতিৰ প্ৰতি ভগৱানৰ শ্ৰেষ্ঠ বৰদান।
যুক্তি-তৰ্ক আধাৰিত বিজ্ঞান সমাজৰ পুঁজি বা মূলধন।
আধ্যাত্মিকতাৰ সৈতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ
সমকেন্দ্ৰাভিমুখিতাক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা, আৰু
আধ্যাত্মিকতা দুয়োটাৰ ভৱিষ্যৎ হিচাপে চিহ্নিত হৈছে।[১]

বিজ্ঞান আৰু আধ্যাত্মিকতা

বিজ্ঞান শ্ৰেষ্ঠ বৰদান

কথিত আছে যে সৰ্বশক্তিমান ঈশ্বৰে এদিন সৰ্বশ্ৰেষ্ঠ প্ৰাণীক স্ৰজিব খুজিলে। সেই প্ৰাণীৰ প্ৰতিমূৰ্তি অংকন আৰু ৰূপান্তৰণত ভগৱানে লাখ লাখ বছৰ পাৰ কৰি দিছিল। প্ৰতিমূৰ্তি বনাই পৰীক্ষা কৰি উঠি তাক বাৰে বাৰে উন্নত কৰে। এনেদৰে কাম কৰি কৰি অৱশেষত ভগৱানে সেই প্ৰতিমূৰ্তিত প্ৰাণ সঞ্চাৰ কৰাৰ বাবে মন স্থিৰ কৰিলে। মানুহৰ প্ৰতিমূৰ্তিটোৱে প্ৰাণ পাই উঠাৰ লগে লগে দুটা ঘটনা ঘটিল। এক— প্ৰতিমূৰ্তিটোৱে তাৰ চকুহাল মেলি চাই মিচিকিয়াই হাঁহিলে। ভগৱান প্ৰসন্ন হ'ল। দুই— সি তাৰ মুখখন মেলি ক'লে, "হে সৰ্বশক্তিমান! তোমাক ধন্যবাদ।" ভগৱানে নিজৰেই সৃষ্টিকৰ্ম দেখি মনত বৰ আনন্দ পালে। তেওঁ ভাবিলে যে মানুহটোৱে দুয়োটা উচিত কাম কৰিছে।

হঠাতে ভগৱানৰ মনত খেলালে যে মানুহজনৰ গাত কিবা

এটা নাই। এক মুহূৰ্তৰ ভিতৰতে তেওঁ জুইৰ সৃষ্টি কৰিলে। সেই জুইৰ পৰা চয়তানৰ জন্ম হ'ল। চয়তানে জন্মিয়েই ভগৱানক ক'লে, "প্ৰভু! তুমি মানুহ নামৰ প্ৰাণীটোক স্ৰজন কৰাৰ বাবে লাখ লাখ বছৰ ল'লা। অথচ মোক এক লহমাৰ ভিতৰতে জুইৰ পৰা সৃষ্টি কৰিলা। গতিকে মইহে শ্ৰেষ্ঠ জীৱ।" যি সৰ্বশক্তিমান ঈশ্বৰে অহৰহ কক্ষত পৰিক্ৰমণ কৰা বৃহৎ নক্ষত্ৰপুঞ্জ আৰু কক্ষপথত আৱৰ্তিত হোৱা গ্ৰহ আৰু নক্ষত্ৰৰ সৈতে এই বিশ্বব্ৰহ্মাণ্ড স্ৰজন কৰিলে তেওঁ চয়তানৰ তেনে উচ্ছ্বাসভৰা কথা শুনি হতভম্ব হ'ল। এহাতে তেওঁ নিজৰ শ্ৰেষ্ঠ কৃতি মানুহ স্ৰজন কৰিলে, আনহাতে চয়তানকো স্ৰজন কৰিলে। এই সম্পৰ্কে তেওঁ বহুত চিন্তা-ভাবনা কৰিলে। দুয়োলৈকে কাৰুণ্যভৰা দৃষ্টিৰে চাই থাকিল। তাৰ পিছত মানুহ আৰু চয়তান দুয়োকে সংহত কৰি তলৰ বাণীটো দিলে ঃ

'মই মানৱ প্ৰাণীৰ সৃষ্টি কৰিলোঁ। তেওঁলোকক মগজু আৰু চিন্তা কৰা শক্তিও দিলোঁ। নিজ হাতে স্ৰজন কৰা সকলো প্ৰাণীকে মই আদেশ দিলোঁ— যুক্তিসহকাৰে নিজ শক্তিক প্ৰয়োগ কৰি মোৰ ওচৰলৈ অহাৰ প্ৰয়াস কৰিব লাগিব।'

তুৰ্কী চুফী কবি ৰুমীয়ে এইদৰে লিখি থৈ গৈছে—

'নিজ জ্ঞান-বুদ্ধিৰ বলত দেৱদূত স্বতন্ত্ৰ
জন্তু-জানোৱাৰ স্বতন্ত্ৰ সিহঁতৰ অজ্ঞানতাৰ বাবে
ইহঁত দুটাৰ মাজত থাকে মানুহৰ সন্তান
যি অহৰহ কৰি যায় সংগ্ৰাম।'

মানুহৰ কল্যাণ সধাৰ বাবে বিজ্ঞান আৰু আধ্যাত্মিকতা দুয়োটাই স্বৰ্গীয় আশিস বিচাৰে।

এইটো মানৱ জীৱনৰ অভিযান। বিজ্ঞান মানৱ জাতিৰ প্ৰতি ভগৱানৰ সৰ্বশ্ৰেষ্ঠ বৰদান। যুক্তি-তৰ্ক আধাৰিত বিজ্ঞান সমাজৰ মূলধন। বিজ্ঞান, প্ৰযুক্তিবিদ্যা, চিকিৎসা, ৰাজনীতি, নীতি নিৰ্ধাৰণ বা প্ৰণয়ন, ঈশ্বৰ তত্ত্ব বা ধৰ্মতত্ত্ব, ধৰ্ম, ন্যায়পালিকা অথবা আইন-কানুন— আমি যি ক্ষেত্ৰৰ যি কামকে নকৰো কিয়, আমি সদায় সাধাৰণ মানুহৰ সেৱাত ব্ৰতী হ'ব লাগিব। কাৰণ মানুহৰ সকলো জ্ঞান-বুদ্ধি আৰু প্ৰয়াসৰ মূল কেন্দ্ৰ বা লক্ষ্যই হ'ল মানৱ কল্যাণ।'

বিজ্ঞান শাশ্বত

বিজ্ঞান মানেই জিজ্ঞাসাবাদ আৰু কঠোৰ শ্ৰম আৰু প্ৰকৃতিৰ বিধানৰ গৱেষণাৰ জৰিয়তে লাভ কৰা সঠিক উত্তৰ। সন্তোষজনক উত্তৰ নোপোৱালৈকে সুধিয়েই থাকিবা। এই পৃথিৱীৰ বিকাশ চিধা কাৰ্য-কাৰণ সম্বন্ধৰ জৰিয়তে হোৱা নাই। তথাপি মানুহৰ জিজ্ঞাসু প্ৰকৃতিৰ কাৰণেই পৃথিৱীখন বাসোপযোগী হৈছে।[৩]

বিজ্ঞানে উন্নত বস্তুবাদী জীৱনৰ বাবে এক সমাধান দিব বিচাৰে। আনহাতে, কিদৰে এক ন্যায়সংগত জীৱন-যাপন কৰিব পাৰি আধ্যাত্মিকতাই তাৰ সদুত্তৰৰ সন্ধান কৰে।

বিজ্ঞান এবিধ কৌতূহলোদ্দীপক বিষয় আৰু এজন বিজ্ঞানীৰ বাবে সমগ্ৰ জীৱনজোৰা মিছন। বিজ্ঞানত ব্যুৎপত্তি লাভৰ বাবে গণিতৰ জ্ঞান অপৰিহাৰ্য। বিজ্ঞানৰ সংস্পৰ্শত গণিত জিলিকে। তাৰ বাবে লাগে গৱেষণা বা পৰীক্ষা-নিৰীক্ষাসহ বিৰুদ্ধ সিদ্ধান্ত।

মনত কৌতূহলৰ উদ্ৰেক কৰিব পৰা বৈজ্ঞানিক সমস্যা বা সিদ্ধান্ত যদিহে ব্যৱহাৰিকভাৱে প্ৰাসংগিক হয় আৰু অনুধাৱন কৰাৰ বাবে ৰোমাঞ্চক হয় তেন্তে ছাত্ৰ-ছাত্ৰীসকল বিজ্ঞানৰ প্ৰতি আকৰ্ষিত নোহোৱাকৈ নাথাকে। জ্ঞানৰ জগতত শিক্ষকসকল আদৰ্শ আৰ্হি হ'ব লাগিব। দৈনন্দিন জীৱনত তেওঁলোক অনুকৰণ কৰাৰ যোগ্য হ'ব লাগিব। উপৰিউক্ত উপাদানবিলাক থকা এক সংহত শিক্ষা পদ্ধতিৰ সৃষ্টি কৰাটো একমাত্ৰ শিক্ষক আৰু শিক্ষাবিদসকলৰ হাতত। সমাধান শাশ্বত। আপুনি কোনখন দেশত বাস কৰে সেইটোৰ ওপৰত সমাধান নিৰ্ভৰ নকৰে। কাৰণ বিজ্ঞান আৰু বিজ্ঞানৰ অনুধাৱনৰ কোনো চাৰিসীমা নাই।[৪]

তথ্য প্ৰযুক্তিৰ বিকাশৰ ফলত পৃথিৱীখন সংকুচিত হৈ এখন ক্ষুদ্ৰ বিশ্বগ্ৰাম হৈ পৰিছে। পৃথিৱীৰ বাস্তৱিক জটিল সমস্যাসমূহৰ সমাধানৰ বাবে বিজ্ঞানীসকলৰ নেটৱৰ্কিং বা সংস্পৰ্শ অপৰিহাৰ্য। প্ৰাচীন যুগত শিক্ষা গ্ৰহণ আৰু বিজ্ঞান-

দৰ্শনৰ গৱেষণাৰ বাবে সকলোৱে ভাৰতবৰ্ষকে অগ্ৰাধিকাৰ দিছিল। কিন্তু বিগত কেইটামান দশকত ভাৰতবৰ্ষৰ বৈজ্ঞানিক আন্দোলনৰ দিশ পূবৰ পৰা পশ্চিমলৈ ঢাল খোৱা পৰিলক্ষিত হৈছে। অৱশ্যে সম্প্ৰতি আমি এনে এটা ধাৰাও লক্ষ্য নকৰা নহয় যে উন্নত দেশৰ বিজ্ঞানীসকল ভাৰতৰ ফালে আকৃষ্ট হ'বলৈ ধৰিছে। ভাৰতীয় বিজ্ঞানীসকলৰ যোগ্যতা বা বুদ্ধি-বৃত্তিৰ স্বীকৃতি আৰু বৰ্তমানে আমি সৃষ্টি কৰা বিজ্ঞানৰ উপযোগী উৎকৃষ্ট সা-সুবিধাই ইয়াৰ একমাত্ৰ কাৰণ।[৫]

প্ৰাক-স্বাধীন ভাৰতবৰ্ষৰ বিজ্ঞান

ভাৰতবৰ্ষত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশ দুটা স্তৰত হৈছে। প্ৰথম ১৯৩০ ৰ দশকত আন্তৰ্জাতিক খ্যাতিসম্পন্ন মহান বিজ্ঞানীসকলে যি কীৰ্তি বা যশস্যা আৰ্জিছিল সিয়েই দেশত এক নতুন আত্মবিশ্বাস জগাইছিল। আমাৰ মনত আছে তেওঁবিলাকৰ যুগান্তকাৰী বৰঙণিৰ কথা। যেনে— চন্দ্ৰশেখৰ সুব্ৰমন্যমৰ 'চন্দ্ৰশেখৰ লিমিট' আৰু কৃষ্ণ গহ্বৰ (ব্লেক্‌হোল্)ৰ বাবে, ছাৰ চি ভি ৰমন 'ৰমন এফেক্ট' আৱিষ্কাৰৰ বাবে, শ্ৰীনিবাস ৰামানুজম গণিতৰ সিদ্ধান্তত আগবঢ়োৱা বৰঙণিৰ বাবে, জে চি বোস সূক্ষ্ম তৰংগৰ ক্ষেত্ৰৰ বাবে, এছ এন বোস বিখ্যাত 'বোস-আইনষ্টাইন পৰিসংখ্যা'ৰ বাবে আৰু মেঘনাদ সাহা 'তাপ-আয়ন সমীকৰণ'ৰ বাবে। এই স্তৰ বা চৰণটোক আমি ভাৰতীয় বিজ্ঞানৰ গৌৰৱোজ্জ্বল চৰণ বুলি অভিহিত কৰিব পাৰোঁ। উক্ত বিজ্ঞানীসকলে স্থাপন কৰা সুদৃঢ় বৈজ্ঞানিক ভেটিয়ে পিছৰ প্ৰজন্মক বিশেষভাৱে উৎসাহিত কৰিছিল।

আমি যি ক্ষেত্ৰত যি কামকে নকৰোঁ কিয়, আমি সদায় সাধাৰণ মানুহৰ সেৱাত ব্ৰতী হ'ব লাগিব। কাৰণ মানুহৰ সকলো জ্ঞান-বুদ্ধি আৰু প্ৰয়াসৰ মূল কেন্দ্ৰ বা লক্ষ্যই হ'ল মানৱ কল্যাণ।

এইসকল বিজ্ঞানীৰ ক্ষেত্ৰত এটা অতুলনীয় সাদৃশ্য হ'ল এই যে তেওঁলোক আটায়ে সমগ্ৰ জীৱনটোতে নানা বাধা-বিঘিনি আৰু আহুকাল থকা সত্ত্বেও একমাত্ৰ বিজ্ঞানৰ গৱেষণা আৰু

নিজে বাছি লোৱা ক্ষেত্ৰত অনুসন্ধান অব্যাহত ৰখাৰ স্বাৰ্থত উৎসৰ্গিত কৰিছিল। প্ৰগাঢ় নিষ্ঠা, দায়বদ্ধতা আৰু মনন বা অন্তৰ্দৃষ্টিৰ উপৰি বিজ্ঞানৰ গৱেষণাৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি— এইবিলাক কাৰকে একো একোজন সঁচা বিজ্ঞানীৰ জন্ম দিয়ে।[৬]

বৰ্তমান বিজ্ঞানৰ গুৰুত্ব

বিজ্ঞান মানেই জিজ্ঞাসাবাদ আৰু কঠোৰ শ্ৰম আৰু প্ৰকৃতিৰ বিধানৰ গৱেষণাৰ জৰিয়তে লাভ কৰা সঠিক উত্তৰ।

স্বাধীনতা লাভ কৰাৰ সময়ত দেশখনক নানা ধৰণৰ সমস্যাই জুমুৰি দি ধৰিছিল। সেই সময়ত তীখা, অসামৰিক নিৰ্মাণ বা গাঁথনি, হাইড্ৰো ডেম বা বান্ধ আৰু তাপবিদ্যুৎ কেন্দ্ৰৰ ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ বিশেষ প্ৰয়োজন হৈছিল। সেই সময়ত দেশখনে মানুহৰ বাবে খাদ্যবস্তু, খোৱা-পানী, আবাস আৰু স্বাস্থ্য সুৰক্ষা আদি সুবিধা প্ৰদান কৰা জ্বলন্ত সমস্যাসমূহ সমাধানৰ বাবে মনোযোগ দিবলগীয়া হৈছিল। দেশৰ আৰ্থিক অৱস্থা বেয়া আছিল যদিও দেশৰ দূৰদৰ্শী ৰাজনৈতিক নেতাসকলৰ মনত অদম্য সাহস আছিল যাৰ ফলত তেওঁলোকে আণৱিক শক্তি আৰু মহাকাশ গৱেষণাৰ কেন্দ্ৰ স্থাপন কৰিছিল। আৰু সময়ত সেইবোৰেই আমাৰ দেশৰ বিজ্ঞানৰ সবল ভেটি হ'লহি। তদুপৰি, ভাৰতীয় প্ৰৌদ্যোগিক প্ৰতিষ্ঠানৰ সৃষ্টি কৰাৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অপূৰ্ব মিশ্ৰণ ঘটাই দেশত শিক্ষাৰ এক শক্তিশালী ভেটি স্থাপন কৰা হ'ল।

সম্প্ৰতি ভাৰতবৰ্ষৰ বৈজ্ঞানিকৰ সংখ্যা আৰু তেওঁলোকৰ অনুভৱ ক্ষমতা আৰু পৰিপক্কতা বিচাৰ কৰিবলৈ গ'লে আমাৰ দেশ পৃথিৱীৰ শক্তিশালী দেশসমূহৰ অন্যতম হ'ব। বৰ্তমানে আমাৰ স্থিতি এনে এক পৰ্যায়ত উপনীত হৈছেহি যে আমি আনৰ পৰা অনা প্ৰযুক্তি কেৱল বুজি পোৱাই নহয়, নিজ দেশতেই বিস্তৃত বৈজ্ঞানিক গৱেষণাৰ ফলত স্বদেশী প্ৰযুক্তিৰ নিৰ্মাণৰ সামৰ্থ্যও লাভ কৰিছোহঁক। ঔষধি আদিৰ

ক্ষেত্রত বিস্তৃত গৱেষণা আৰু বিকাশৰ ফলত উৎপাদিত হোৱা দেশীয় উৎপাদসমূহ আমি এতিয়া পৃথিৱীৰ বিভিন্ন ঠাইলৈ প্রেৰণ কৰি আছোঁ।

দেশে স্বাধীনতা লাভ কৰাৰ পিছত আমি বহুদূৰ পথ অতিক্রমি আহিলোঁ। এতিয়া আমি কেৱল প্রযুক্তিৰ খৰিদ্দাৰ হৈয়েই থকা নাই, ৰাষ্ট্ৰীয় বিকাশ আৰু সামাজিক পৰিৱৰ্তনৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰতো বৰঙণি আগবঢ়াব পাৰিছোঁ। আজিৰ পৃথিৱীত দেশ এখনৰ শক্তি-সামৰ্থ্য জ্ঞান-বিজ্ঞানত অংশগ্ৰহণৰ জৰিয়তে নিৰূপিত হয়। সেইটো 'পেটেণ্ট্' (কৃতিস্বত্ব) আৰু গৱেষণা পত্ৰত প্ৰতিফলিত হয়। এনে অৱস্থাত, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা আধাৰিত উৎপাদসমূহৰ ধাৰাবাহিক উদ্ভাৱন আৰু নিৰ্মাণ একেলগে কৰাটো জৰুৰী হৈ পৰিছে। আজি আমি বিজ্ঞানৰ যি ক্ষেত্ৰত কাম কৰি আছোঁ সেই ক্ষেত্ৰসমূহত উদ্ভাৱন আৰু দূৰদৃষ্টিৰ প্ৰয়োজন যাৰ দ্বাৰা এই প্ৰতিযোগী বিশ্বৰ বাবে আমি ভৱিষ্যতে অনুকূল প্ৰযুক্তি কেন্দ্ৰৰ সূচনা কৰিব পাৰোঁ।[৭]

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সংস্পৰ্শ

প্ৰযুক্তিবিদ্যাৰ ভিন ভিন মাত্ৰা আছে। এটাই আৰ্থিক সমৃদ্ধি আনে আৰু আনটোৱে ৰাষ্ট্ৰীয় সুৰক্ষা বা নিৰাপত্তাৰ বাবে ক্ষমতাৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, উৰ্বৰক বা সাৰ উৎপন্ন কৰা ৰাসায়নিক ইঞ্জিনীয়াৰিঙৰ বিকাশে ৰাসায়নিক অস্ত্ৰ-শস্ত্ৰৰো সৃষ্টি কৰে। ঠিক সেইদৰে, বায়ুমণ্ডলীয় গৱেষণাৰ বাবে বিকশিত কৰা ৰকেট প্ৰযুক্তিৰ জৰিয়তে দূৰ সংবেদী আৰু সঞ্চাৰ উপগ্ৰহৰ প্ৰক্ষেপণ কৰা হৈছে। লগতে, বিশেষ প্ৰতিৰক্ষা আৱশ্যকতাৰ কথা মনত ৰাখিয়েই ৰাষ্ট্ৰৰ সুৰক্ষাৰ বাবে ক্ষেপণাস্ত্ৰৰো নিৰ্মাণ কৰা হৈছে। সঞ্চাৰ প্ৰযুক্তিৰ সৈতে গণিত আৰু কম্পিউটাৰ বিজ্ঞানৰ সংযোগে সূচনা প্ৰযুক্তিৰ

জন্ম দিছে। এই সূচনা প্ৰযুক্তিৰ প্ৰয়োগ কৰিয়েই প্ৰশাসন, বাণিজ্য, স্বাস্থ্য আৰু শিক্ষাৰ বিভিন্ন ক্ষেত্ৰ ই-প্ৰশাসন, ই-বাণিজ্য, দূৰ চিকিৎসা (টেলি-মেডিচিন) আৰু দূৰ শিক্ষা (টেলি-এডুকেচন)-লৈ ৰূপান্তৰিত হৈছে।[৮]

প্ৰযুক্তি মানৱ জাতিৰ বাবে বহুমাত্ৰিক যতন বা সাধনী যি আৰ্থিক প্ৰতিযোগিতাৰ মূল কৰ্মপদ্ধতিৰ আমূল পৰিৱৰ্তন সাধন কৰিব পাৰে। প্ৰয়োগৰ জৰিয়তে বিজ্ঞান প্ৰযুক্তিৰ সৈতে যুক্ত। নিৰ্মাণৰ জৰিয়তে প্ৰযুক্তি অৰ্থনীতি আৰু পাৰিপাৰ্শ্বিকতা বা পৰ্যাবৰণৰ সৈতে সম্পৃক্ত। প্ৰযুক্তিৰ সৈতে যুক্ত হ'লে অৰ্থনীতি আৰু পাৰিপাৰ্শ্বিকতাই সমাজত সমৃদ্ধিৰ সঞ্চাৰ কৰে।[৯]

গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰতা

আমাৰ দেশৰ প্ৰথম স্বপ্ন আছিল দেশৰ বাবে ৰাজনৈতিক স্বাধীনতা। দেশৰ নেতা আৰু সৰ্বসাধাৰণ মানুহে স্বাধীনতাৰ হকে কাম কৰিছিল আৰু আজি আমি সেই স্বাধীনতা লাভ কৰিছোহঁক। সম্প্ৰতি আমাৰ আগত অহা দ্বিতীয় স্বপ্ন হ'ল 'বিকশিত ভাৰতবৰ্ষ'। ২০২০ বৰ্ষৰ ভিতৰত সেই স্বপ্ন বাস্তৱায়িত কৰিব লাগিব। এই স্বপ্নৰ পাঁচটা মিছন বা লক্ষ্য আছে। যেনে— কৃষি আৰু খাদ্য প্ৰস্তুতকৰণ; শিক্ষা আৰু স্বাস্থ্য সুৰক্ষা; সূচনা আৰু সঞ্চাৰ প্ৰযুক্তি; বিদ্যুতৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা। দেশৰ সৰ্বতোপ্ৰকাৰ আৰ্থিক বিকাশ বা সমৃদ্ধি আৰু গুৰুত্বপূৰ্ণ প্ৰযুক্তিসমূহত আত্মনিৰ্ভৰতা থাকিলেহে ভাৰতবৰ্ষ বিকশিত হ'ব পাৰিব। সেইবাবে ৰাষ্ট্ৰীয় স্বপ্ন আৰু মিছনবোৰ প্ৰযুক্তিৰ বিকাশ আৰু বৈজ্ঞানিক সফলতা বা উপলব্ধিৰ সৈতে সম্পৃক্ত হোৱাটো অপৰিহাৰ্য।

প্ৰযুক্তি আৰু আধ্যাত্মিকতাৰ জৰিয়তে আত্মনিৰ্ভৰতা

১৮৯৩ চনত এখন জাহাজ জাপানৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাত্ৰা কৰিছিল। জাহাজখনত শ শ যাত্ৰীৰ মাজত দুজন বিশিষ্ট ভাৰতীয়ও আছিল। তেওঁলোক হ'ল স্বামী বিবেকানন্দ আৰু জামছেদজী নৌশেৰৱানজী টাটা। জামছেদজীয়ে ভাৰতৰ মাটিত এটি তীখা প্ৰকল্প স্থাপনৰ মন মেলি আটলাণ্টিক মহাসাগৰৰ সিপাৰৰ পৰা তীখা নিৰ্মাণ প্ৰযুক্তি আনিবলৈ গৈছিল। তাৰ আগতেও এবাৰ একে উদ্দেশ্য লৈ জামছেদজী ইংলণ্ডলৈ গৈছিল। কিন্তু ইংলণ্ডৰ তীখা নিৰ্মাতাসকলে তেওঁক সেই প্ৰযুক্তি দিবলৈ অস্বীকাৰ কৰাই নহয়, তেওঁক এইবুলি কৈ ঠাট্টা-মস্কৰাও কৰিছিল বোলে ভাৰতীয়সকলে যদি তীখা নিৰ্মাণ কৰে বৃটিছবিলাকে তাকে ভোজন কৰিব! স্বামী বিবেকানন্দই জামছেদজীক আমেৰিকালৈ যাত্ৰা কৰাৰ কাৰণ সুধিলে। জামছেদজীয়ে উত্তৰ দিলে যে তেওঁ তীখা উদ্যোগ ভাৰতলৈ আনিব বিচাৰে। স্বামী বিবেকানন্দই তেওঁক আশীৰ্বাদ দি ক'লে, তীখা প্ৰযুক্তিৰ দুটা উপাদান আছে। প্ৰথম— তীখা বিজ্ঞান আৰু দ্বিতীয়— নিৰ্মাণ প্ৰযুক্তি। আপুনি নিজৰ দেশলৈ একমাত্ৰ পদাৰ্থগত প্ৰযুক্তিহে আনিব পাৰিব। আনহাতে নিজৰ দেশতেই আপুনি পদাৰ্থগত বিজ্ঞানৰ বিকাশ সাধন কৰিব লাগিব। স্বামীজীৰ কথাই জামছেদজীৰ মনত এটা স্বপ্নৰ জন্ম দিলে।

বিজ্ঞান আৰু বিজ্ঞানৰ অনুধাৱনৰ কোনো চাৰিসীমা নাই।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা তীখা প্ৰযুক্তি অনাত জামছেদজী সফল হ'ল। ফলস্বৰূপে জামছেদপুৰত স্থাপিত হ'ল টাটা আয়ৰণ এণ্ড ষ্টীল কোম্পানী (TISCO)। তাৰ কিছুদিনৰ পিছত, ১৮৯৮ চনত

জামছেদজী এন. টাটাই স্বামী বিবেকানন্দলৈ এই চিঠিখন লিখিছিল ঃ

প্ৰিয় স্বামী বিবেকানন্দ!

মোৰ বিশ্বাস আপুনি জাপানৰ পৰা চিকাগোলৈ যাওঁতে ময়ো যে একেখন জাহাজতে আপোনাৰ লগত গৈছিলোঁ সেই কথাটো মনত আছে নিশ্চয়। ভাৰতবৰ্ষত আধ্যাত্মিক প্ৰবৃত্তিৰ বিকাশ সন্দৰ্ভত আপুনি আগবঢ়োৱা বিচাৰ-বিশ্লেষণবোৰ মোৰ আজিও মনত আছে। আমাৰ কৰ্তব্য (সেই প্ৰবৃত্তিক) ধ্বংস কৰাটো নহয়, উপযোগী প্ৰৱাহৰ পিনে ঘূৰাই নিয়াটোহে।

মোৰ বিজ্ঞানৰ গৱেষণা প্ৰতিষ্ঠানৰ আঁচনি সন্দৰ্ভত আজি সেই কথাবোৰ মনত পেলাইছোঁ। এই সংস্থান সম্পৰ্কে আপুনি ইতিমধ্যে নিশ্চয় শুনিছে বা পঢ়িবলৈ পাইছে। আধ্যাত্মিক চিন্তাই গ্ৰাস কৰা মানুহৰ বাবে সত্ৰ বা আবাসিক হলঘৰ স্থাপন কৰিব লাগে য'ত তেওঁলোকে সাধাৰণ সা-সুবিধাৰ মাজত জীৱন ধাৰণ কৰিব পাৰে আৰু প্ৰাকৃতিক আৰু মানৱতাবাদী বিজ্ঞানৰ কৰ্ষণ বা বিকাশৰ বাবে নিজৰ জীৱন উৎসৰ্গ কৰিব পাৰে। মোৰ বোধেৰে আধ্যাত্মিক প্ৰবৃত্তিৰ তাতকৈ ভাল ব্যৱহাৰ কৰিব নোৱাৰিব। মোৰ মতে কোনো দক্ষ নেতাই আধ্যাত্মিকতাৰ স্বাৰ্থত এনে ধৰণৰ যুগান্তকাৰী ব্যৱস্থা হাতত ল'লে আধ্যাত্মিকতা, বিজ্ঞান আদিৰ বিকাশ সাধনত আৰু আমাৰ দেশৰ সুনাম কঢ়িওৱাত সহায়ক হ'ব। তদুপৰি, সেই অভিযানৰ সেনাধ্যক্ষৰ দৰে গুৰু দায়িত্ব বহন কৰিব পৰা বিবেকানন্দৰ বাদে দ্বিতীয় এজন ব্যক্তি ওলাব বুলিও মই নাভাবোঁ। নিজ পৰম্পৰাত এনে জীৱনবোধ বা প্ৰমূল্য প্ৰতিষ্ঠা কৰা ব্ৰতত আপুনি নিজকে সমৰ্পিত কৰাৰ কথা ভাবিছে নেকি? এখন প্ৰেৰণাদায়ী ইস্তাহাৰৰ জৰিয়তে এক সবল গণজাগৰণৰ

সূচনা কৰাটো শুভ পদক্ষেপ হ'ব চাগৈ! সেই ইস্তাহাৰ প্ৰকাশৰ সকলো খৰচ মই অতি আনন্দেৰে বহন কৰাৰ প্ৰতিশ্ৰুতি দিলোঁ।

— জামছেদজী এন টাটা
২৩ নৱেম্বৰ, ১৮৯৮

স্বামীজীৰ আশীৰ্বাদপুষ্ট হৈ দূৰদৃষ্টিসম্পন্ন জামছেদজীয়ে ১৯০৯ চনত ভাৰতীয় বিজ্ঞান সংস্থান প্ৰতিষ্ঠাৰ পথ সুগম কৰিছিল। দুজন মনীষীৰ স্বপ্নৰ ভেটিত স্থাপিত 'ভাৰতীয় বিজ্ঞান সংস্থান' পদাৰ্থ বিজ্ঞান, বায়ুমণ্ডল বা মহাকাশ প্ৰযুক্তি, জ্ঞানৰ উৎপাদ, জৈৱ-বিজ্ঞান, জৈৱ প্ৰযুক্তি আদি ক্ষেত্ৰত এক বিশ্বমানদণ্ডৰ সংস্থান।[১০]

আজিকালি বিজ্ঞানৰ যি ক্ষেত্ৰত কাম কৰি আছোঁ সেই ক্ষেত্ৰসমূহত উদ্ভাৱন আৰু দূৰদৃষ্টিৰ প্ৰয়োজন যাৰ দ্বাৰা এই প্ৰতিযোগী বিশ্বৰ বাবে আমি ভৱিষ্যতে অনুকূল প্ৰযুক্তি কেন্দ্ৰৰ সূচনা কৰিব পাৰোঁ।

ধৰ্মই বিজ্ঞানক সমৰ্থন কৰে

কি প্ৰৌঢ় আৰু অভিজ্ঞ, কি শক্তিৱান আৰু মধ্যবয়স্ক, কি তৰুণ আৰু শান্ত— অধিকাংশ ভাৰতীয়ই ধৰ্মক মানসিক শান্তি আৰু নিৰাপত্তাৰ সাধন বুলি গণ্য কৰে। ধৰ্মসমূহ সৌন্দৰ্য-সুষমা, নীৰৱতা আৰু শান্তিৰ মলয়া বৈ থকা উদ্যানৰ দৰে— ধুনীয়া মৰম লগা পক্ষীকুলৰ মধুৰ গীতৰ গুঞ্জনে মুখৰিত কৰা পূত-পৱিত্ৰ কুঞ্জবনৰ দৰে। মই ধৰ্মবোৰক সঁচাকৈ মনোৰম বাগিচা বুলিয়েই গণ্য কৰোঁ। ধৰ্ম যেনিবা এক সম্মোহক দ্বীপ, যেন মন আৰু আত্মাক প্ৰশান্তি দিয়া এক প্ৰকৃত মৰুদ্যান। ধৰ্মৰ সৌৰভে সসাগৰা ধৰিত্ৰীক যাতে আবৰি ধৰে তাৰ বাবে ধৰ্মসমূহক আমি কেনেকৈ সংযুক্ত কৰিমহঁক! 'মালা' এধাৰিত দয়া আৰু মৰমৰ জৰিয়তে আমি যদি সকলো দ্বীপকে সংযুক্ত কৰিব পাৰোঁ তেতিয়া আমি এখন সমৃদ্ধিশালী ভাৰতবৰ্ষ আৰু ঐশ্বৰ্য-বিভূতিৰে পৰিপূৰ্ণ এখন পৃথিৱী লাভ কৰিমহঁক! এইখিনিতে মই চাৰি দশকৰ আগতে ঘটা এটা ঘটনাৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছোঁ। ধৰ্ম

আৰু বিজ্ঞানৰ একীকৰণে ধৰ্মক কিদৰে এক আধ্যাত্মিক শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰে, ঘটনাটোৱে তাকেই স্পষ্টভাৱে দেখুৱাইছে।

ধৰ্ম যেনিবা এক সন্মোহক দ্বীপ, যেন মন আৰু আত্মাক প্ৰশান্তি দিয়া এক প্ৰকৃত মৰূদ্যান।

ভাৰতীয় মহাকাশ গৱেষণা কাৰ্যক্ৰমৰ জনক প্ৰফেছৰ বিক্ৰম সাৰাভায়ে ড° হোমী ভাবাৰ সৈতে বিষুৱীয় অঞ্চলত এটা মহাকাশ গৱেষণা কেন্দ্ৰ স্থাপন কৰাৰ বাবে উপযুক্ত ঠাই এটুকুৰাৰ সন্ধান কৰি আছিল। দুইজন মহান বিজ্ঞানীয়ে কেইবাডোখৰ ঠাই ঘূৰি-পকি চাই শেষত যেনিবা কেৰালাৰ থুম্বা নামৰ ঠাইডোখৰকে বাছি ল'লে। ঠাইডোখৰ বিষুৱীয় অঞ্চলৰ পাৰ্শ্ববৰ্তী হোৱাৰ উপৰি তেওঁলোকৰ কাম-কাজৰ বাবেও অনুকূল আছিল।

প্ৰফেছৰ বিক্ৰম সাৰাভায়ে ঠাইডোখৰ পৰিদৰ্শন কৰি উঠি দেখিলে যে তাৰ ওচৰে-পাজৰে বহুবোৰ জনবহুল গাঁও আছে আৰু হাজাৰ হাজাৰ মাছমৰীয়া লোক সেই এলেকাত বসবাস কৰি আছে। তাত এটা বৰ সুন্দৰ প্ৰাচীন গীৰ্জাঘৰো আছে— ছেইন্ট মেৰী মেগদালীন চাৰ্চ, পল্লীথুৰা। ওচৰতে এজন বিছপৰ ঘৰ। মহাকাশ বিজ্ঞান গৱেষণাৰ কাম-কাজৰ বাবে থুম্বাকে আদৰ্শ স্থান হিচাপে অনুমোদিত কৰাৰ বাবে প্ৰফেছৰ বিক্ৰম সাৰাভায়ে কেইবাজনো ৰাজনৈতিক নেতা আৰু আমোলা-বিষয়াক লগ ধৰিলে। কিন্তু তেওঁ সফল নহ'ল। তাৰ পিছত তেওঁক ত্ৰিবান্দ্ৰমৰ বিছপ মহামহিম ৰেক্ট. ৰেভ. ড° পীটাৰ বাৰ্ণাৰ্ড পেৰেইৰা মহোদয়ক সাক্ষাৎ কৰাৰ পৰামৰ্শ দিয়া হ'ল।

এটা শনিবাৰে প্ৰফেছৰ বিক্ৰম সাৰাভায়ে মহামান্য বিছপগৰাকীক সাক্ষাৎ কৰিলে। বিক্ৰম সাৰাভাইৰ কথা শুনি বিছপ মহোদয়ে মিচিকিয়া হাঁহি এটা মাৰি পিছদিনাখন তেওঁক গীৰ্জালৈ মাতিলে। দেওবাৰে ৰাতিপুৱা যেতিয়া গীৰ্জাৰ অনুষ্ঠান আৰম্ভ হ'ল তেতিয়া বিছপগৰাকীয়ে উপস্থিত ৰাইজক সম্বোধি ক'লে, "মোৰ চেনেহৰ সন্তানহঁত! শুনাহঁক।

মোৰ লগত আজি এজন প্ৰসিদ্ধ বিজ্ঞানী আহিছে। তেওঁ মহাকাশ বিজ্ঞান গৱেষণাৰ কাম-কাজ চলাবলৈ আমাৰ গীৰ্জাঘৰটো আৰু মই বাস কৰা ঠাইডোখৰ বিচাৰিছে। তোমালোকে এটা কথা জানা যে বিজ্ঞানে যুক্তিগ্ৰাহ্য সত্যৰ সন্ধান কৰে। আন কথাত, বিজ্ঞান আৰু আধ্যাত্মিকতাই মানৱ জাতিৰ কল্যাণ সধাৰ বাবে একে পৰমাত্মাৰেই আশিস বিচাৰে। হে মোৰ সন্তানসকল! বিজ্ঞানৰ মিছন বা কাম-কাজৰ বাবে আমি আমাৰ ভগৱানৰ ঠাইডোখৰ তেওঁক দিব পাৰিমনে?" 'আমীন'— চাওঁতে চাওঁতে উপস্থিত ৰাইজৰ মাজৰ পৰা উচ্চাৰিত এই ধ্বনিৰে গোটেই গীৰ্জাঘৰ গুঞ্জৰিত হৈ উঠিল। তাৰ পিছত ত্ৰিবান্দ্ৰমৰ বিছপ মহামহিম ৰেক্ট্‌ ৰেভ ড° পীটাৰ বাৰ্ণাৰ্ড পেৰেইৰা মহোদয়ে পল্লীথুৱাৰ থুম্বাত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা স্থাপনৰ দৰে ৰাষ্ট্ৰীয় লক্ষ্যৰ বৃহৎ স্বাৰ্থত গীৰ্জা ঘৰটো উৎসৰ্গ কৰাৰ দৰে এক মহান সিদ্ধান্ত গ্ৰহণ কৰিলে।

এই গীৰ্জা ঘৰটোতে আমি আমাৰ ডিজাইন চেণ্টাৰ খুলিলোঁ, ৰকেট এছেম্ব্লীৰ কাম-কাজ আৰম্ভ কৰিলোঁ আৰু এফ আৰ পি উৎপাদৰ বাবে ফিলামেণ্ট্ উইন্দিং মেচিনৰ আৰ্হি নিৰ্মাণ কৰিলোঁ। মহামান্য বিছপ ডাঙৰীয়াৰ ঘৰটো আমাৰ বিজ্ঞানীসকলৰ আবাসস্থল হ'ল। পৰৱৰ্তী সময়ত, থুম্বা ইকুৱেটৰিয়েল ৰকেট লঞ্চিং ষ্টেচনৰ নেতৃত্বত দেশত বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰৰ উপৰি আন কেইবাটাও মহাকাশ কেন্দ্ৰ স্থাপিত হ'ল।

যেতিয়াই মই এই ঘটনাটোৰ কথা ভাবো তেতিয়াই কেনেকৈ প্ৰবুদ্ধ আধ্যাত্মিক আৰু বৈজ্ঞানিক নেতৃত্বই মানৱ জীৱনৰ প্ৰতি শ্ৰদ্ধা অৰ্পিত কৰাৰ বাবে সংগমস্থলত মিলিত হয় বা সমকেন্দ্ৰাভিমুখী হ'ব পাৰে মোৰ চকুত সেই কথাটোৱেই পৰিস্ফুট হৈ উঠে। খুব কম সময়ৰ ভিতৰতে তাত এটা নতুন গীৰ্জা আৰু নতুন নতুন বিদ্যালয় স্থাপিত হ'ল। সঁচাকৈয়ে, থুম্বা ইকুৱেটৰিয়েল ৰকেট লঞ্চিং ষ্টেচন আৰু বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাৰ ফলত দেশে বিশ্ব মানদণ্ডৰ ৰকেট ছিষ্টেমৰ আৰ্হি নিৰ্মাণ কৰি তাৰ বিকাশ আৰু উৎপাদনত সামৰ্থ্য লাভ কৰে। পৰৱৰ্তী সময়ত ভাৰতে জিঅ'-ছিংখ্ৰনাছ্, ছান-ছিংখ্ৰনাছ্ আৰু মেটেৰ'লজী মহাকাশযান, সঞ্চাৰ উপগ্ৰহ, দূৰ সংবেদী উপগ্ৰহ আদি নিৰ্মাণৰ ক্ষমতা আয়ত্ত কৰে যাৰ পৰিণামস্বৰূপে ক্ষিপ্ৰ সঞ্চাৰ বা যোগাযোগ, বতৰৰ পূৰ্বানুমান আৰু দেশৰ জলসম্পদৰ স্থান চিহ্নিতকৰণ সম্ভৱ হ'ল। আজি প্ৰফেছৰ বিক্ৰম সাৰাভাই মহামান্য ডঃ পীটাৰ বাৰ্ণাৰ্ড পেৰেইৰা কোনো আমাৰ মাজত নাই সঁচা, কিন্তু তেওঁলোক দুজন শ্ৰীমদ্ভাগৱত গীতাত বৰ্ণিত ফুলৰ দৰে ঃ

'ফুলবিলাকলৈ চোৱা! সিহঁতে কিমান উদাৰতাৰে সৌৰভ আৰু মৌ বিতৰি থাকে! ফুলে সকলোকে দিয়ে— মুক্তভাৱে

নিজৰ প্ৰেম দিয়ে। কাম শেষ হ'লে সি নীৰৱে সৰি পৰে। ফুলৰ দৰে হোৱাৰ যত্ন কৰা। নিজৰ ইমানবোৰ গুণ থাকিও সি কিমান বিনম্ৰ!'[১১]

১৯৯৮ চনৰ ১১ মে'ৰ দিনাখন ভাৰতীয় বিজ্ঞানীসকলে এটা ডাঙৰ ঘটনা প্ৰত্যক্ষ কৰিলে। সিদিনা এটাৰ পিছত এটাকৈ পাঁচটা পাৰমাণৱিক বিস্ফোট সংঘটিত হ'ল। সেই সময়ত মই পাহাৰ এখনৰ তপত বালুকাৰাশিৰ ওপৰত থিয় দি ঘটনাটো প্ৰত্যক্ষ কৰি আছিলোঁ। 'এট্‌লাছ্'*য়ে কান্ধ জোকাৰি দিয়াৰ দৰে পৃথিৱীখন থৰ থৰ কৰে কঁপি উঠিল। মই অনুভৱ কৰিলোঁ যে ভাৰতে যিকোনো পৰিমাণৰ শক্তি উৎপন্ন কৰিব পাৰে। আনহাতে সৎ লোকৰ হাততহে প্ৰযুক্তি থকাৰ গুৰুত্বৰ বিষয়েও মোৰ মনত পৰিল। সৌভাগ্যক্ৰমে, আমাৰ পৰমাণু নীতি বা মতবাদৰ মূলমন্ত্ৰ হ'ল—'no first use' (প্ৰথমে প্ৰয়োগ নকৰা)। এনে এক মন্ত্ৰৰ জন্ম হৈছিল ভাৰতীয় সভ্যতাৰ ঐতিহ্য বা পৰম্পৰাৰ ভেটিত আৰু অনুপ্ৰেৰিত হৈছিল সেইজন মহান আত্মাৰ দ্বাৰা যি 'অহিংসা ধৰ্ম'ৰূপ তৰোৱাল লৈ দেশৰ ইমূৰ-সিমূৰ ভ্ৰমি ভাৰতবৰ্ষৰ স্বাধীনতা আনিছিল।[১২]

'মালা' এধাৰিত দয়া আৰু মৰমৰ জৰিয়তে আমি যদি সকলো দ্বীপকে সংযুক্ত কৰিব পাৰোঁ তেতিয়া আমি এখন সমৃদ্ধিশালী ভাৰতবৰ্ষ লাভ কৰিম

বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মাজৰ সম্পৰ্ক

ছাত্ৰ-ছাত্ৰীৰ সৈতে হোৱা আলাপ এটাত এগৰাকী ছাত্ৰই জানিব খুজিছিল যে সমৰ-সজ্জাক কিদৰে শান্তিৰ বাবে সুৰক্ষা বুলি সমৰ্থন কৰা হয়। তেওঁৰ প্ৰশ্নৰ উত্তৰত মই ক'লোঁ যে বিগত ৩০০০ বছৰ ধৰি বিভিন্ন দেশে ভাৰতবৰ্ষক আক্ৰমণ কৰি আহিছে। আলেকজেণ্ডাৰে ভাৰতবৰ্ষ আক্ৰমণ কৰিছিল। তাৰ পিছত মোগলবিলাকে। তাৰ পিছত ফ্ৰান্স, গোলণ্ডাজ

* Atlas– the Titan who bore the heavens on his shoulders : the African mountain range into which he was transformed. (স্বৰ্গৰ ভাৰ কান্ধেৰে বহন কৰি ফুৰা টাইটান নামৰ দৈত্য ঃ নিজক ৰূপান্তৰিত কৰা আফ্ৰিকাৰ এলানি পৰ্বত।)

এখন আধ্যাত্মিক উদ্যান

২০০৪ চনৰ ২৬ জুনৰ দিনাখন ৰাষ্ট্ৰপতি ভৱনত সকলো
ধৰ্মৰ পৱিত্ৰ ওষধি থকা ‘আধ্যাত্মিক উদ্যান’ নামৰ
এখন উদ্যানৰ শুভ উদ্বোধন কৰা হয়।
এক একৰ ভূমিৰ প্ৰায় এক-তৃতীয়াংশ বিস্তীৰ্ণ এলেকাত
পতা উদ্যানখনত বহু ধৰণৰ গছৰ পুলি আছে
যিবোৰ গছৰ পুলিৰ প্ৰতি সকলো ধৰ্মই
সমান শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰে।

সেই গছপুলিবোৰ যে মানৱ জাতিৰ বাবে
‘উপশমকাৰী উদ্ভিদকুল’ সেই তাৎপৰ্য বা গুৰুত্ব
আঙুলিয়াই দিয়া—
এইটোৱেই উদ্যানখনৰ আঁৰৰ উদ্দেশ্য!

ইয়াৰ বহু পুলিৰ উপশমকাৰী গুণ বা ধৰ্ম আৰু
শক্তিবৰ্ধক ক্ষমতা আছে বুলি সকলোৱে জানে।
উদ্যানখনে মানুহক প্ৰকৃতি আৰু বিভিন্ন সম্প্ৰদায়ৰ মাজত
নিবিড় সম্পৰ্ক গঢ়ি তোলাৰ সুযোগ দিব।
এইদৰে প্ৰত্যেক ধৰ্মৰ হৃদয়ত সুপ্ত হৈ থকা
প্ৰকৃতিৰ সৈতে সহজাত সংস্পৰ্শৰ চেতনাক
পুনৰ জাগৰুক কৰাৰ বাবেই
উদ্যানখন উৎসৰ্গিত কৰা হ’ল।

উদ্যানখনত মুঠ একত্ৰিশবিধ উদ্ভিদ আছে। যেনে—
টেটু, অৰ্জুন, চম্পা, মুচুকুন্দ, ডিল, জলফাই, আঙুৰ,
ওক, কল, হেনা (জেতুকা), আদা, পিলু, ৰক্তচন্দন,
হৰছিংগাৰ, ছোকৰ, বেল, হালধি, অশ্বগন্ধা, ছহীন্‌জন্,
খেজুৰ, ডালিম, জেছমিন্, নাৰ্জী (মেৰিগোল্ড্), চন্দন,
টেঙেচী শাক, জামিৰ টেঙা, মাধৱীলতা (চিৰহৰিৎ),
পদিনা শাক, অশোক, আমলা আৰু শাল।[১৬]

আৰু পৰ্তুগীজবিলাকে উপনিৱেশ পাতিলেহি। অৱশেষত বৃটেইনে ভাৰতবৰ্ষক শাসন কৰিলে। এতিয়া আমি যিহেতু স্বাধীন প্ৰগতিৰ বাবে আমাক শান্তি লাগে। অন্য দেশবোৰৰ হাতত পৰমাণু অস্ত্ৰ-শস্ত্ৰ মজুত থকাৰ সময়ত ভাৰতে তপস্যা কৰি বহি থাকিব নোৱাৰে। শক্তিয়েহে শক্তিৰ মোল বুজে। সুৰক্ষাৰ ক্ষেত্ৰত আমি যি কৰিছোঁ সেয়া আমাৰ স্বতন্ত্ৰতা ৰক্ষাৰ বাবেহে কৰিছোঁ। ভাৰতবৰ্ষই কোনো দিনেই, অতীততো কোনো দেশক আক্ৰমণ কৰা নাই, ভৱিষ্যতেও নকৰে। আমাৰ পৰমাণু নীতিৰ মূল মন্ত্ৰই হ'ল 'প্ৰথমে প্ৰয়োগ নকৰা' (no first use) নীতি— অৰ্থাৎ দেশৰ সুৰক্ষাই আমাৰ সৰ্বপ্ৰথম মিছন।[১৩]

এজনী ছোৱালীয়ে জানিব বিচাৰিছিল ৰাষ্ট্ৰপতি ড° কালাম আৰু 'মিছাইল মেন'ৰ মাজত পাৰ্থক্য কি? মই উত্তৰ দিলোঁ যে 'মিছাইল মেন' কালাম দেশক শক্তি আৰু নিৰাপত্তা দিয়াত জড়িত আছিল আৰু ৰাষ্ট্ৰপতি কালামে বিচাৰে দেশৰ এশ কোটি মানুহৰ সকলোৰে মুখত সদায় হাঁহি বিৰিঙি থাকক!

প্ৰবুদ্ধ আধ্যাত্মিক আৰু বৈজ্ঞানিক নেতৃত্বই মানৱ জীৱনৰ প্ৰতি শ্ৰদ্ধা অৰ্পিত কৰাৰ বাবে সংগমস্থলত মিলিত হয়।

বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মাজৰ পাৰ্থক্য জানিব বিচৰা ছাত্ৰ এজনৰ প্ৰশ্নৰ উত্তৰ দি মই কৈছিলোঁ যে বিজ্ঞানে উন্নত পাৰ্থিৱ জীৱনৰ বাবে সমাধান দিব বিচাৰে, আনহাতে প্ৰাৰ্থনা আদিৰ দৰে কৰ্মৰ জৰিয়তে কেনেকৈ নৈষ্ঠিক বা ন্যায়পৰায়ণ জীৱন-যাপন কৰিব পাৰি তাৰ সমিধান দিয়াৰ চেষ্টা কৰে আধ্যাত্মিকতাই। বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মিলনত প্ৰবুদ্ধ বা তেজস্বী নাগৰিকৰ জন্ম হয়।[১৪]

বিজ্ঞান আৰু আধ্যাত্মিকতাৰ বাবে যুক্তি-তৰ্ক অপৰিহাৰ্য। এজন ধৰ্মপ্ৰাণ ব্যক্তিৰ লক্ষ্য হ'ল আধ্যাত্মিক অনুভূতি লাভ কৰা। আনহাতে গুৰুত্বপূৰ্ণ সন্ধান অথবা বৃহৎ আৱিষ্কাৰেই বিজ্ঞানী এজনৰ লক্ষ্য। জীৱনৰ এই দুয়োটা স্থিতি একত্ৰিত হ'লে আমি চিন্তনৰ এনে এটা ঢাপলৈ উঠিব পাৰিম য'ত কৰ্ম আৰু উদ্দেশ্য এক হৈ যাব।[১৫] ❑

৮

ভৱিষ্যতৰ নাগৰিক

২০২০ বৰ্ষৰ ভিতৰত
ভাৰতবৰ্ষ এখন বিকশিত দেশ
হ'ব লাগিলে
যুৱ সম্প্ৰদায়ৰ বলতহে
সেইটো সম্ভৱ হ'বগৈ।[১]

ভৱিষ্যতৰ নাগৰিক

আমাৰ শ্ৰেষ্ঠ সম্পদ

২০২০ বৰ্ষৰ ভিতৰত এখন বিকশিত দেশলৈ ৰূপান্তৰিত হোৱাৰ লক্ষ্য অভিমুখে ভাৰতবৰ্ষই গতি কৰিছে। দেশৰ ৫৪ কোটি অনূৰ্ধ পঁচিশ বছৰ বয়সৰ যুৱ সম্প্ৰদায় দেশৰ মূল সম্পদ, যি সম্পদৰ গুণত ৰূপান্তৰণ সম্ভৱপৰ হৈ উঠিব।[২]

শিশু আৰু তৰুণসকল জাতিৰ ভৱিষ্যতৰ প্ৰতিচ্ছবি। অনাগত দিনৰ বাবে তেওঁলোক আমাৰ আশা-ভৰসাৰ থল। ভাৰতৰ যুৱ সম্প্ৰদায়ে আমাৰ সমাজৰ এক বৃহৎ আয়তনবিশিষ্ট শক্তিমান আৰু সংগতিসম্পন্ন খণ্ডক সামৰি লয়। এই তৰুণসকলৰ মনত আছে আকাশ স্পৰ্শ কৰাৰ দুৰন্ত বাসনা। তেওঁলোকৰ শক্তিক সঠিক প্ৰণালীৰে নিব পাৰিলে তেওঁলোকে এনে এক গতিবেগ প্ৰেৰিত কৰিব যি দেশক উন্নতিৰ পথত ক্ষিপ্ৰভাৱে আগুৱাই লৈ যাব। তৰুণসকলক

যোজনা আৰু উন্নয়ন প্ৰক্ৰিয়াৰ কেন্দ্ৰবিন্দু কৰি আমি অতি সাৱধানতাৰে এই অমূল্য মানৱ সম্পদ আপডাল কৰিব লাগিব। উন্নয়নৰ মূল আংগনত তৰুণসকলৰ অভাৱ-অভিযোগ, অধিকাৰ আৰু আশা-আকাংক্ষাবোৰ সন্নিৱিষ্ট কৰাটোত আমি অগ্ৰাধিকাৰ দিব লাগিব।[৩]

শিশুসকল আমাৰ শ্ৰেষ্ঠ সম্পদ। দেশৰ মাটিত ওপজা প্ৰতিটো শিশুক প্ৰস্ফুটিত হ'বলৈ দিব লাগিব। শিশুসকলক অতিৰিক্ত আদৰ-যত্ন আৰু সা-সুবিধা দিয়াটো বিশেষভাৱে প্ৰয়োজনীয়। তদুপৰি যিসকল শিশুক চোৱা-চিতা কৰাৰ বাবে নিজৰ পৰিয়াল নাই তেনে শিশুৰো যত্ন ল'ব লাগে। এইটো এক মহৎ সেৱা— সকলো ব্যক্তি আৰু চৰকাৰী সংস্থানে এই সেৱাৰ পোষকতা কৰিব লাগে। এই কামে প্ৰবুদ্ধ নাগৰিকৰ উন্নতি সাধিব যিসকল নাগৰিক ৰাষ্ট্ৰীয় উন্নয়নৰ উপাদানস্বৰূপ।[৪]

উন্নয়নৰ মূল আংগনত তৰুণসকলৰ অভাৱ-অভিযোগ, অধিকাৰ আৰু আশা-আকাংক্ষাবোৰ সন্নিৱিষ্ট কৰাটোত আমি অগ্ৰাধিকাৰ দিব লাগিব।

ভাৰতবৰ্ষ আৰু অন্যান্য দেশৰ ল'ৰা-ছোৱালীৰ সৈতে আলাপ কৰি মোৰ এটা স্পষ্ট ধাৰণা হৈছে যে সকলো তৰুণৰ আশা-আকাংক্ষা একে। অৰ্থাৎ তেওঁলোকৰ আটায়ে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু নিৰাপদ দেশত বাস কৰিব খোজে। আটায়ে প্ৰত্যাহ্বানমূলক মিছন বা লক্ষ্য, শ্ৰেষ্ঠ আদৰ্শ আৰু চালিকা শক্তি হ'ব পৰা নেতা বিচাৰে। ডেকাসকলৰ বুদ্ধি-বৃত্তি, উৎসাহ-উদ্দীপনা আৰু কঠোৰ শ্ৰমেই দেশক ৰূপান্তৰ কৰা শৌৰ্য-বীৰ্য।[৫]

শিক্ষা প্ৰত্যেক শিশুৰ মৌলিক অধিকাৰ

এখন ৰাষ্ট্ৰৰ শ্ৰীবৃদ্ধি অথবা প্ৰগতি আৰু সমৃদ্ধিৰ বাবে শিক্ষা অত্যন্ত দৰকাৰী উপাদান। কিন্তু আমাৰ ৩৫ কোটি লোক এতিয়াও নিৰক্ষৰ হৈ আছে। সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ ল'ৰা-ছোৱালীবিলাক অপুষ্টিত ভোগে আৰু মাত্ৰ কেইশতাংশ

নাগৰিকৰ ঘোষণা

আমি শিশুৰ মহত্ত্ব আৰু গুৰুত্ব উপলব্ধি কৰি তাক মূল্য দিব লাগিব আৰু তাৰ বাবে সকলো নাগৰিকে শপত ল'ব লাগে —

- শিশুসকল আমাৰ দেশৰ অমূল্য সম্পদ।
- আমি ল'ৰা-ছোৱালীক সমানে গুৰুত্ব দিম আৰু উপযুক্ত শিক্ষা আৰু অধিকাৰ প্ৰদান কৰিমহঁক।
- সুস্বাস্থ্য আৰু সমৃদ্ধিৰ বাবে আমাৰ পৰিয়ালবিলাক সৰু কৰি ৰাখিম।
- কঠোৰ পৰিশ্ৰম কৰিহে ধনাৰ্জন কৰিব পাৰি। কষ্টোপাৰ্জিত ধন আমি জুৱা বা মদত অপচয় নকৰোঁ।
- শিক্ষাৰ মহত্ত্বৰ কথা আমি ল'ৰা-ছোৱালীবিলাকক ক'ব লাগিব। শিক্ষাৰ পৰা জ্ঞান লাভ হয় আৰু জ্ঞানে ল'ৰা-ছোৱালীক সফল হোৱাত সহায় কৰে।
- আমি ঐক্যবদ্ধভাৱে অৰণ্যক ৰক্ষণাবেক্ষণ দিম আৰু প্ৰদূষণ ৰোধ কৰিম।
- আমি প্ৰত্যেকে অতি কমেও পাঁচডালকৈ গছ/গছৰ পুলি ৰোপণ কৰিম।
- আমি আমাৰ ল'ৰা-ছোৱালীৰ বাবে আদৰ্শ আৰ্হি হ'ম।[৬]

মানেহে টানি-টুনি শিক্ষাৰ আঠটা বছৰ শেষ কৰে। সেইখিনি ল'ৰা-ছোৱালীৰ কথা আমি বিশেষভাৱে ভাবিব লাগিব। ভাৰতীয় প্ৰতিটো শিশুৰ বাবে শিক্ষা মৌলিক অধিকাৰ। দেশৰ লাখ লাখ শিশুক গোটেই জীৱনৰ বাবে দৰিদ্ৰতাৰ মাজলৈ ঠেলি দিয়া অৱস্থা দেখিও আমি মূক দৰ্শক হৈ থাকিমনে?

শিক্ষাৰ সংসাধন বা সা-সুবিধা লাভৰ ক্ষেত্ৰত অসমান উপলব্ধতা বৰ উদ্বেগৰ কাৰণ। স্বাধীনতা লাভৰ প্ৰায় ছয় দশকৰ পিছতো তদ্ৰূপ অৱস্থা বিৰাজ কৰি আছে। উদাহৰণস্বৰূপে মই আমাৰ গাঁওবিলাকত তিনি ধৰণৰ পৰিয়াল দেখিছোঁ। যিবিলাক সৌভাগ্যৱান তেওঁলোকে অৰ্থনৈতিক স্বচ্ছলতা থকা বাবে নিজৰ ল'ৰা-ছোৱালীক ভালকৈ শিক্ষা-দীক্ষা দিয়াৰ গুৰুত্ব উপলব্ধি কৰি যিকোনো প্ৰকাৰে শিক্ষা দিয়ে আৰু ল'ৰা-ছোৱালীৰ সংগীন মুহূৰ্তত সঠিকভাৱে পৰিচালিতও কৰে। দ্বিতীয়তঃ এনে কিছুমান পৰিয়াল আছে যি শিক্ষাৰ গুৰুত্ব বুজি পায় যদিও সা-সুবিধাবোৰৰ সঠিক সময় সম্পৰ্কে সজাগ নহয়। অথবা তেওঁলোকে পদ্ধতিবোৰৰ বিষয়েও নাজানে আৰু ল'ৰা-ছোৱালীৰ সা-সুবিধাবোৰ বাস্তৱায়িত কৰাৰ উপায়ো নাজানে। তৃতীয় শ্ৰেণীৰ কিছুমান পৰিয়াল আছে। তেওঁলোক আৰ্থিকভাৱে দুৰ্বল, শিক্ষাৰো মোল নুবুজে। সেইবাবে তেওঁলোকৰ ল'ৰা-ছোৱালীবিলাক যুগ যুগ ধৰি অৱহেলিত হৈ দৰিদ্ৰতাৰ মাজত বাচি থাকে। আমি তেওঁলোকক আলোকিত কৰিব লাগে আৰু সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত ঘাইকৈ গ্ৰামাঞ্চল আৰু চহৰাঞ্চলৰ দুখীয়া মানুহৰ মাজত শিক্ষাৰ গুৰুত্ব সম্পৰ্কে ব্যাপক সজাগতাৰ সৃষ্টি কৰিব লাগিব।

বৰ্তমানৰ শিক্ষা পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীক যথেষ্ট কামৰ বোজা দিব পাৰে, তথাপি এই কাৰ্যই ছাত্ৰ-ছাত্ৰীক স্বপ্ন দেখাৰ পৰা বিৰত কৰিব নালাগে।

এটা প্ৰতিবেদন অনুসৰি পঞ্চম শ্ৰেণীলৈকে পঢ়াৰ পিছত ৩৯

শতাংশ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা বাদ দিয়ে আৰু ৫৫ শতাংশ ল'ৰা-ছোৱালীয়ে অষ্টম শ্ৰেণীলৈ পঢ়াৰ পিছত স্কুললৈ যাবলৈ বাদ দিয়ে। এই অৱস্থাটোৰ সংশোধনী কাৰ্যব্যৱস্থা হাতত ল'ব লাগে। কিয়নো এই সন্দৰ্ভত পাঁচ বছৰ বয়সৰ পৰা চৈধ্য বছৰ বয়সৰ মাজৰ ল'ৰা-ছোৱালীখিনিৰ বাবে শিক্ষা অধিকাৰ কিহৰ স্বাৰ্থত ৮৬তম সংবিধান সংশোধনৰ বাবে সন্মতি প্ৰদান কৰা হৈছে। অৱশ্যে শিক্ষা যিসকলৰ উদ্দেশ্যে সেইসমূহ লোকৰ ক্ষেত্ৰত প্ৰাসংগিক হোৱাকৈ শিক্ষা প্ৰদান কৰিব নোৱাৰিলে অকল এখন আইনে লক্ষ্য পূৰণত সহায় কৰিব নোৱাৰে।[৭]

স্বপ্ন-চিন্তা-কাৰ্য

বিকশিত ভাৰতবৰ্ষৰ মিছনৰ দাবী হ'ল তৰুণসকলৰ সুসংগত আৰু কেন্দ্ৰীভূত প্ৰচেষ্টা। মানুহবিলাকে চিন্তা-চৰ্চা কৰে কাৰণেই ৰাষ্ট্ৰ এখন মহৎ। ভাৰতৰ যুৱ সম্প্ৰদায়ৰ ডাঙৰ লক্ষ্য থাকিব লাগিব। ক্ষুদ্ৰ লক্ষ্য এক অপৰাধ।

স্বপ্ন-চিন্তা-কাৰ্য— এই দৰ্শন মই প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ মনত দৃঢ়ভাৱে প্ৰোথিত হোৱাটো বিচাৰোঁ।

বৰ্তমানৰ শৈক্ষিক পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীক যথেষ্ট কামৰ বোজা দিব পাৰে, তথাপি এই কাৰ্যই ছাত্ৰ-ছাত্ৰীক স্বপ্ন দেখাৰ পৰা বিৰত কৰিব নালাগে। জ্ঞান লাভৰ বাবে কঠোৰ শ্ৰম কৰাত ই বাধা নিদিয়ে। কঠোৰ শ্ৰম আৰু অধ্যৱসায় ধুনীয়া দেৱদূত যি আপোনাক সহায় কৰিব।

যাঠিৰ দশকত আমাৰ মহাকাশ কাৰ্যক্ৰমৰ স্বপ্নদ্ৰষ্টা প্ৰফেছৰ বিক্ৰম সাৰভায়ে এটা পৰিকল্পনা আগবঢ়ালে। ভাৰতে নিজৰ সঞ্চাৰ উপগ্ৰহ আৰু দূৰ সংবেদী উপগ্ৰহৰ আৰ্হি প্ৰস্তুত কৰাৰ লগতে তাৰ বিকাশ সাধন কৰিব লাগে। ভাৰতৰ মাটিৰ পৰা এই উপগ্ৰহ পোলাৰ কক্ষপথত প্ৰক্ষেপ কৰি দেশৰ প্ৰাকৃতিক সম্পদৰ আকলন কৰিব পাৰে। আজি তেওঁৰ সেই স্বপ্ন বাস্তৱায়িত হৈছে। আজি আমাৰ দেশ যিকোনো ধৰণৰ

অন্তৰীক্ষ প্ৰণালীৰ বিকাশ সাধন কৰাত সমৰ্থ হৈছে।

স্বপ্ন দেখা স্বপ্ন দেখা স্বপ্ন দেখা
তোমাৰ স্বপ্ন চিন্তালৈ ৰূপান্তৰিত হ'ব
চিন্তাই জন্ম দিব কাৰ্যৰ
আৰু তেতিয়া তুমি সফল হ'বা।[৮]

সকলো ল'ৰা-ছোৱালীক নিজে নিজে স্বপ্ন দেখিবলৈ উৎসাহিত কৰিব লাগে। তেওঁলোকৰ মনত স্বপ্ন নাথাকিলে সেই স্বপ্ন লাভ কৰাৰ বাবে অনুপ্ৰেৰিত নহ'ব। আপুনি দেখিব— লাহে লাহে সঠিক প্ৰচেষ্টাৰে স্বপ্নবোৰ চিন্তালৈ ৰূপান্তৰিত হয় আৰু প্ৰচেষ্টা আৰু শ্ৰমৰ জৰিয়তে সেই চিন্তাবোৰ কাৰ্যলৈ ৰূপান্তৰিত কৰিব পৰা যায়। কামৰ প্ৰতি দায়বদ্ধতা থাকিলেহে সাফল্য সম্ভৱপৰ। মই 'স্বপ্ন-চিন্তা-কাৰ্য' এই দৰ্শন প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মনত দৃঢ়ভাৱে প্ৰোথিত কৰিব বিচাৰোঁ।[৯]

ভাৰতবৰ্ষৰ যুৱ সম্প্ৰদায়ৰ বৃহৎ লক্ষ্য থাকিব লাগিব। ক্ষুদ্ৰ লক্ষ্য এক অপৰাধ।

আকাশৰ তৰা চুব নোৱৰাটো লাজৰ কথা নহয়।
কিন্তু চুব পৰাৰ লেখেৰে তৰা নাই—
সেইটোহে লাজৰ কথা।[১০]

জ্ঞান-পৰিশ্ৰম-অধ্যৱসায়

মানুহে চিন্তন আৰু জিজ্ঞাসাক বন্ধ কৰিব নোৱাৰে। সমস্যা সমাধানৰ বাবে কাম কৰিব লাগে। তাৰ বাবে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায় বা নেৰানেপেৰা চেষ্টাৰ দৰকাৰ।

আগতে মই আছিলোঁ এজন বিজ্ঞানী আৰু আজি দেশৰ ৰাষ্ট্ৰপতি— এই জীৱনে মোক তিনিটা গুণৰ আৱশ্যকতাৰ কথা শিকাইছে,— জ্ঞান, পৰিশ্ৰম আৰু অধ্যৱসায়।[১১]

আমাৰ দেশৰ এক উজ্জ্বল ভৱিষ্যৎ আছে। আমাৰ প্ৰত্যেকে, বিশেষকৈ ভৱিষ্যতে যি সকল দেশৰ নেতা হ'বগৈ সেই ল'ৰা-

ছোৱালীবিলাকে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। বিকশিত ভাৰতবৰ্ষৰ স্বপ্ন আপোনা আপুনি আহিব নোৱাৰে। কোনোবাই আমাক দানস্বৰূপেও দি নাযায়হি। সেইবাবে আমি নিজে ঠিক কৰা লক্ষ্য পূৰণ কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিব। কঠোৰ পৰিশ্ৰমৰ জৰিয়তেহে আমি ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰসমূহৰ মৈত্ৰীৰ মাজত গৌৰৱসহকাৰে থিয় কৰাব পাৰিম। যুৱ সম্প্ৰদায়ৰ কৃচ্ছ্ৰ-সাধনৰ বলতহে ভাৰতবৰ্ষ ২০২০ বৰ্ষৰ ভিতৰত এখন বিকশিত দেশ হ'ব পাৰিব।[১২]

বিদ্যাৰ্থীৰ ভূমিকা

'বিকশিত ভাৰতবৰ্ষ' এতিয়া আৰু স্বপ্ন হৈ থকা নাই। এই স্বপ্ন সফল হ'লে আটাইতকৈ বেছি লাভৱান হ'ব দেশৰ যুৱ সম্প্ৰদায়। সেইবাবে এই স্বপ্ন উপলব্ধিৰ প্ৰাথমিক পৰ্যায়তে আপোনালোকে যিমান পাৰে অৰিহণা যোগাব আৰু শৈক্ষিক আৰু ঘৰুৱা সীমনাৰ ভিতৰতে থাকি সাধ্য অনুসাৰে সেই স্বপ্নক গঢ় দিয়াৰ চেষ্টা কৰিব। পিতৃ-মাতৃ আৰু তোমালোকৰ দৰে বয়সৰ ল'ৰা-ছোৱালীৰ একমাত্ৰ চিন্তা হ'ল শিক্ষা-দীক্ষা সাং কৰাৰ পিছত তোমালোকৰ চাকৰিৰ সম্ভাৱনা। সৰু-সুৰা বাধাক ভয় নকৰাকৈ যি বিষয়ত তুমি অধ্যয়ন কৰি আছা সেই বিষয়ত তুমি যদি শ্ৰেষ্ঠত্ব লাভ কৰিব পাৰা তেনেহ'লে সন্দেহ নাই তোমাৰ সম্ভাৱনা আৰু ভৱিষ্যৎ উজ্জ্বল হ'ব। সীমান্তত কোনো চাৰিসীমা নাই। চাকৰি-বাকৰিৰ সম্ভাৱনা যথেষ্ট আছে, কিন্তু মানুহে যেতিয়া বহুত বাছ-বিচাৰ কৰি থাকে আৰু কেৱল চৰকাৰী চাকৰিহে বিচাৰে তেতিয়াই সাংঘাতিক সমস্যাৰ উদ্ভৱ হয়। যদি আপুনি শিল্প উদ্যোগ, আৰ্হি প্ৰস্তুত উদ্যোগ, নতুন উপায়েৰে কৃষি কাৰ্য অথবা সূচনা প্ৰৌদ্যোগিকী উৎপাদ বনোৱাৰ কথা ভাবিব পাৰে তেন্তে আপোনাৰ আগত অজস্ৰ সম্ভাৱনা আহি পৰিব। যুৱ সম্প্ৰদায়ৰ বাবে আটাইতকৈ দৰকাৰী কথা হ'ল এই যে তেওঁলোক জ্ঞান আৰু কায়িক

শ্ৰমৰ লেখীয়া উপাদানৰ জৰিয়তে সকলো ক্ষেত্ৰতে অৰিহণা যোগোৱাৰ বাবে মন স্থিৰ কৰিব লাগিব।

সাক্ষৰতাৰ মান বা স্তৰ উন্নত ৰাষ্ট্ৰৰ অন্যতম গুৰুত্বপূৰ্ণ সূচক। এশ কোটি মানুহৰ দেশ এখনক শিক্ষিত কৰাটো ইমান সৰু কাম নহয়। ইয়াৰ বাবে ডেকাসকলৰ পৰা আৰম্ভ কৰি সকলো বাজি ধৰোতাৰ অংশগ্ৰহণৰ প্ৰয়োজন। তোমালোকৰ বহুতেই সৌভাগ্যৱান যে উন্নতমানৰ শিক্ষা লাভ কৰাৰ বাবে ভাল বিদ্যালয়লৈ যাব পাৰিছা। কিন্তু তোমালোকৰ কিছুমান ভাই-ভনী, বিশেষকৈ গাঁৱৰ ল'ৰা-ছোৱালীখিনি তোমালোকৰ দৰে ভাগ্যৱান নহয়।

তৰা ঢুকি নোপোৱাটো একো লাজৰ কথা নহয়— কিন্তু ঢুকি পাবলৈকে তৰা নাই — সেইটোহে লাজৰ কথা।

উন্নত ৰাষ্ট্ৰৰ এটা ভাল লক্ষণ হ'ল এই যে 'অৱস্থাপন্ন মানুহবিলাকে' তেওঁলোকৰ আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকৰ মাজত সেতু নিৰ্মাণ কৰাৰ বাবে কঠোৰ শ্ৰম কৰে। সেইটো কৰাৰ এটা পন্থা হ'ল তোমালোকৰ বিদ্যালয়ৰ বাবে ওচৰৰ গাঁও এখনকে তুলি ধৰা। তোমালোকৰ প্ৰত্যেকে বন্ধৰ দিনত সেই গাঁওখনলৈ গৈ অন্ততঃ দুজন লোকৰ নিৰক্ষৰতা দূৰ কৰাত বৰঙণি যোগাব পাৰা আৰু তেওঁলোকৰ মনত জ্ঞানৰ স্পৃহা জগাব পাৰা।[১৩]

তদুপৰি, ল'ৰা-ছোৱালীহঁতে তেওঁলোকৰ বিদ্যালয় চৌহদ অথবা নিজৰ ঘৰত কম পক্ষেও দহটাকৈ গছৰ পুলি ৰোপণ কৰিব। আজিৰ পৰা কেইটামান বছৰৰ পিছত আমি আটায়ে এক শান্ত পৰিৱেশত কাম কৰিব পাৰিম। ই আমাৰ অভ্যন্তৰত সৃজনাত্মক চিন্তা-ভাবনা আৰু কাৰ্য সহজসাধ্য বা সুচল কৰি তুলিব।

বিদ্যাৰ্থীসকলে বয়োজ্যেষ্ঠ আৰু ৰুগ্ন লোকৰ যত্ন ল'ব পাৰে আৰু বিভিন্ন ধৰণৰ প্ৰতিবন্ধীৰ সংগী বা বন্ধু হ'ব পাৰে। এনে মহান ব্যৱহাৰে উন্নয়নমূলক কাম-কাজৰ বাবে অনুকূল আৰু

সুসংহত পৰিৱেশ ৰচনা কৰিব পাৰে। তুমি যি কামকে নকৰা, তাক সম্পূৰ্ণ কৰিবলৈ পূৰা শতাংশই নিষ্ঠা অথবা প্ৰচেষ্টাৰে কৰিবা। অনুশাসন, দৃঢ়সংকল্প আৰু প্ৰগাঢ় নিষ্ঠাই সফলতা আনে।

তিৰুবল্লুবৰৰ কুৰল এটাত এইটো সুন্দৰকৈ প্ৰকাশ কৰা হৈছে ঃ

ஆக்கம் அதர்வினாய்ச் செல்லும் அசைவிலா
ஊக்க முடையா னுழை.

ইয়াৰ অৰ্থ হ'ল এই যে সফলতা আৰু ধন-সম্পদে নিজৰ ৰাস্তা নিজে বিচাৰি লয় আৰু দৃঢ় ইচ্ছা শক্তি আৰু শৃংখলাবদ্ধ পৰিশ্ৰম কৰা মানুহৰ ওচৰ পায়গৈ। যিজন লোকৰ অদম্য মনোবল আৰু নিৰৱচ্ছিন্ন উদ্যম আছে সৌভাগ্যই তেওঁকেই বিচাৰি ল'ব।[১৪]

দেশৰ গৌৰৱ গাঁথা গাম কেতিয়া

যেতিয়া মই দেশখনৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি ফুৰোঁ, যেতিয়া মই দেশৰ উপকূলৰ চাৰিওফালে তিনিটা সাগৰৰ ঢৌৰ গৰ্জন শুনো, যেতিয়া মই বুকু ভৰাই গিৰিৰাজ হিমালয়ৰ পৰা বৈ অহা সুশীতল মলয়া বায়ু সেৱন কৰোঁ, যেতিয়া মই দুচকুৰে উত্তৰ-পূবৰ জৈৱ-বৈচিত্ৰ্য প্ৰত্যক্ষ কৰোঁ আৰু যেতিয়া মই পশ্চিমা মৰুভূমিৰ উষ্ণতা অনুভৱ কৰোঁ তেতিয়াই মই তৰুণৰ কণ্ঠ শুনো ঃ 'আমি কেতিয়াকৈ ভাৰতৰ গুণ-গান গাব পাৰিম ?'

কি হ'ব পাৰে ইয়াৰ উত্তৰ !

যুৱ সম্প্ৰদায়ে ভাৰতবৰ্ষৰ গুণ-গান গাব

বিদ্যাৰ্থীৰ বাবে শপত

- মই পঢ়া-শুনাত একাণপতীয়াকৈ লাগিম আৰু তাত উৎকৰ্ষতা লাভ কৰিম।
- মই অন্ততঃ পাঁচটি গছৰ পুলি ৰোপণ কৰিম আৰু গছকেইডালৰ শ্ৰীবৃদ্ধিৰ বাবে অনবৰতে [illegible] কৰি থাকিম।
- দুখী ভাই-ভনীৰ কষ্ট দূৰ কৰাৰ বাবে অবিৰাম চেষ্টা কৰি যাম।
- মই এজন [illegible] কৰিম আৰু মোৰ পৰিয়ালটোক [illegible]।
- মানসিক আৰু শাৰীৰিক [illegible] বাবে মই সদায় বন্ধুৰ দৰে [illegible] নিচিনাকৈ তেওঁলোককো [illegible] কৰাৰ বাবে [illegible] পৰিশ্ৰম কৰিম।
- নিজৰ দেশখনক [illegible] কৰাৰ বাবে মই সততাৰে কঠোৰ পৰিশ্ৰম কৰি যাম বুলি অংগীকাৰ কৰিলোঁ। [১৫]

লাগিলে ভাৰতবৰ্ষ দৰিদ্ৰতা, নিৰক্ষৰতা আৰু নিবনুৱাহীন উন্নত দেশ হ'ব লাগিব, যিখন দেশ অৰ্থনৈতিক সমৃদ্ধি, ৰাষ্ট্ৰীয় সুৰক্ষা আৰু আভ্যন্তৰীণ ঐক্য-সংহতিৰ গুণত চিৰ জ্যোতিষ্মান হ'ব।[১৬]

সীমান্তত কোনো চাৰিসীমা নাই।

বিগত চাৰিটা বছৰত মই হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে কথা পাতিছোঁ। মোৰ কেইজনমান বন্ধুৱে মোৰ নামত এটা ৱেব্ছাইট্ প্ৰতিষ্ঠা কৰিছে। তাৰ জৰিয়তে মই সকলোৰে লগত, বিশেষকৈ দেশৰ আৰু বাহিৰৰ যুৱ সম্প্ৰদায়ৰ সৈতে মত বিনিময় কৰি আহিছোঁ। যুৱকসকলৰ সৈতে ভাবৰ আদান-প্ৰদান কৰাৰ বাবে মই ৱেব্ছাইট্টোত তেওঁলোকৰ উদ্দেশ্যে দুটা প্ৰশ্ন সন্নিৱিষ্ট কৰিছোঁ। তাৰ প্ৰথমটো হ'ল ঃ 'আমি দেখিছোঁ যে যোৱা পঞ্চাশ বছৰৰো অধিক দিন ধৰি ভাৰত এখন বিকাশশীল দেশ হৈ আছে। ইয়াক 'বিকশিত দেশ'লৈ ৰূপান্তৰিত কৰাৰ বাবে তুমি কেনেদৰে অৰিহণা যোগাবা?'

দ্বিতীয়টো প্ৰশ্ন হ'ল— 'কেতিয়া মই ভাৰতৰ গুণ-গান গাব পাৰিম?' ইয়াৰ উত্তৰত মই কিছুমান মূল্যৱান পৰামৰ্শ লাভ কৰিছোঁ। মেঘালয়ৰ ছাত্ৰ এজনে এনেদৰে সঁহাৰি দিছিল— 'মই এজন শিক্ষক হ'ম (বৰং ইঞ্জিনীয়াৰিঙৰ অধ্যাপক)। কাৰণ মই ইয়াত ভাল। শিক্ষাদান কামটো কৰি মই ভালো পাম। আন বহুতো বৃত্তি আছে। কিন্তু ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়াবলৈ হয় অধ্যাপক নহয় সেনা হোৱাটো অন্যতম শ্ৰেষ্ঠ বৃত্তি বুলি মই বিবেচনা কৰোঁ।' কেনে মহান চিন্তা! এনে বিচক্ষণ চিন্তাৰ স্ৰোত অনিন্দ্য সুন্দৰ দেশ মেঘালয়ৰ পৰাহে আহিব পাৰে!

কেৰালাৰ ছোৱালী এজনীয়ে কৈছে— 'এটা মাত্ৰ ফুলেৰে মালা এধাৰ গাঁঠিব নোৱাৰি। মই মোৰ দেশৰ মানুহৰ অন্তৰত দেশপ্ৰেম জগাই তুলিম আৰু এখন বিকশিত

ভাৰতবৰ্ষৰ বাবে মালা গঁঠা কাম কৰিম!' গোৱাৰ চৌব্বিশ বছৰীয়া ল'ৰা এজনে এনেদৰে মনৰ ভাব ব্যক্ত কৰিছিল— 'মই এটা ইলেক্ট্ৰন হ'ম আৰু কক্ষপথৰ ইলেক্ট্ৰনৰ লেখীয়াকৈ মই এতিয়াৰে পৰা দেশৰ উন্নতিৰ হকে অবিৰাম কাম কৰি যাম।'

মই আগবঢ়োৱা দ্বিতীয়টো প্ৰশ্নৰ সন্দৰ্ভত আটলাণ্টাৰ এজন যুৱকে কৈছিল, "যিদিনা আমাৰ দেশ ভাৰতবৰ্ষই প্ৰয়োজন হ'লে যিকোনো দেশৰ বিৰুদ্ধে প্ৰতিবন্ধক লগাব পৰা শক্তি আহৰণ কৰিব সিদিনাই মই উদাত্ত কণ্ঠে ভাৰতৰ জয় গান গাম।" ডেকাজনৰ কথাৰ তাৎপৰ্য হ'ল এই যে অৰ্থনৈতিক শক্তিয়ে দেশৰ সমৃদ্ধিৰ লগে লগে ৰাষ্ট্ৰীয় ক্ষমতাও আনে।

অনুশাসন, দৃঢ়সংকল্প আৰু প্ৰগাঢ় নিষ্ঠাই সফলতা আনে।

ডেকা বয়সৰ বিভিন্ন শ্ৰেণীৰ লোকে এক মহান ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰেৰিত স্বপ্ন মনৰ মাজত কঢ়িয়াই লৈ ফুৰিছে। এটা কথা মনত ৰাখিব লাগিব যে আমাৰ দেশত যুৱকৰ সংখ্যা প্ৰায় ৫৪ কোটি। এইটো এটা বৃহৎ জনশক্তি। ৰাষ্ট্ৰৰ বাবে এক শক্তিশালী স্বপ্ন বা যোজনা প্ৰস্তুত কৰিলে অফুৰন্ত শক্তি-সামৰ্থ্যৰে দেশৰ যুৱশক্তি তৎপৰ হৈ উঠিব।"

যুৱ সম্প্ৰদায়ৰ গান

মই আৰু মোৰ দেশ ভাৰত

জ্ঞান প্ৰযুক্তি আৰু
স্বদেশপ্ৰেমেৰে সুসজ্জিত
এজন ভাৰতীয় যুৱ নাগৰিক মই
মোৰ দৃষ্টিত ক্ষুদ্ৰ লক্ষ্য এক অপৰাধ।
মই কাম কৰিম, ঘৰ্মাক্ত দেহাৰে
এক মহান ভৱিষ্যদৰ্শনৰ স্বাৰ্থত
ভাৰতবৰ্ষক এক উন্নত ৰাষ্ট্ৰৰ
ৰূপ দিয়াৰ ভৱিষ্যদৰ্শন

য'ত অৰ্থনীতি সবল হ'ব
য'ত থাকিব মূল্যবোধৰ গভীৰতা
শত কোটি নাগৰিকৰ ময়ো এজন
এটাই মাথোঁ মোৰ ভৱিষ্যদৰ্শন
ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰ ৰূপ দিয়াৰ
ই মোৰ মনত থিতাপি ল'লে।
আন সকলো সম্পদৰ তুলনাত
জ্বলি উঠা এক আত্মাই হ'ল
সবাতোকৈ শক্তিশালী সম্পদ
পৃথিৱীত, পৃথিৱীৰ ওপৰত, তলত—
সকলোতে— ;
ভাৰতক উন্নত কৰাৰ
সপোনটো পূৰ্ণ নহয় মানে
জ্ঞানৰ চাকিগছি মই জ্বলাই ৰাখিম।

প্ৰজ্জ্বলিত মন একোটাইঁত লৈ আমি সেই মহান স্বপ্ন উপলব্ধিৰ বাবে দেহৰ ঘাম মাটিত পেলাই কঠোৰ পৰিশ্ৰম কৰিলে সুস্থ-সবল উন্নত ভাৰতবৰ্ষৰ জন্মৰ বাবে ৰূপান্তৰণ প্ৰক্ৰিয়াৰ সূচনা হ'ব। তোমালোকৰ নিজ নিজ ভাষাত গাব পাৰিলে এই মনোৰম গীতটিয়ে সকলোৰে মন-প্ৰাণ ঐক্যবদ্ধ কৰিব।[১৮] ❑

৯

শক্তিশালী নাৰী

নাৰী শক্তিশালী হ'লে
সুস্থ সমাজ এখন
নিশ্চিত হয়।
এনে এটা দিন আছিল
যেতিয়া পুৰুষৰ তুলনাত
নাৰীক গোলাম বুলি গণ্য কৰা হৈছিল
জীৱনৰ প্ৰতিটো স্তৰতে
অগৌণ বা ন-ধৰ্তব্য
হিচাপে বিবেচিত কৰা হৈছিল
এতিয়া সেই দিন উকলিল।
এতিয়া এইটো সুন্দৰকৈ
প্ৰমাণিত হৈছে যে
পুৰুষতকৈ ঊৰ্দ্ধত নহ'লেও
যিকোনো কাম
পুৰুষৰ সমান
পাৰদৰ্শিতাৰে
সমাপন কৰিব পৰা
সামৰ্থ্য নাৰীৰো আছে।[১]

শক্তিশালী নাৰী

নাৰী আৰু ৰাষ্ট্ৰ নিৰ্মাণ

আমাৰ দেশৰ মুঠ জনসংখ্যাৰ ৪৮ শতাংশ নাৰী। এই ৪৮ শতাংশই যদি ৰাষ্ট্ৰৰ উন্নয়নত অৰিহণা যোগায় তেন্তে ২০২০ বৰ্ষৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ লৈ ৰূপান্তৰিত কৰা ৰাষ্ট্ৰীয় স্বপ্ন নিচেই ওচৰ চাপি আহিব।

আজিকালিৰ নাৰী প্ৰতিটো ক্ষেত্ৰতে ভাস্বৰ হৈ উঠিছে। তেওঁলোকৰ মাজৰ পৰা চিকিৎসক, ইঞ্জিনীয়াৰ (অভিযন্তা), অধিবক্তা, ৰাজনৈতিক নেত্ৰী, প্ৰশাসক, আৰক্ষী বিষয়া, প্ৰফেছনেল ওলাইছে। সশস্ত্ৰ সেনা বাহিনীতো তেওঁলোকে যোগদান কৰিছে। প্ৰবুদ্ধ নাৰী বিশেষকৈ ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে বহুত গুৰুত্বপূৰ্ণ; কাৰণ তেওঁলোকৰ চিন্তা-ভাৱনা, কাম কৰাৰ পদ্ধতি আৰু মূল্যবোধে এটা সৎ পৰিয়াল, এখন সুস্থ

সমাজ আৰু উৎকৃষ্ট ৰাষ্ট্ৰৰ নিৰ্মাণত ক্ষিপ্ৰ উন্নয়নৰ ফালে লৈ যাব।[২]

নাৰী যেতিয়া শক্তিশালী হয় তেতিয়া এখন সুস্থিৰ সমাজ নিশ্চিত হ'ব। তাৰ বাবে নাৰীৰ শিক্ষাক সৰ্বোচ্চ গুৰুত্ব প্ৰদান কৰিব লাগিব। ছোৱালীৰ বাবে মাধ্যমিক শিক্ষা আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ধাৰাবাহিকতা নিশ্চিত কৰিব লাগিব। তদুপৰি দূৰ শিক্ষাৰ পেকেজবিলাকৰ উন্নতি সাধন কৰি দূৰৱৰ্তী ঠাইৰ নাৰীৰ অভাৱ পূৰণ কৰিব লাগিব।[৩]

ভাৰতত নাৰীয়ে জীৱনৰ সকলো ক্ষেত্ৰতে শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ বাবে তেওঁলোকক সমান সুযোগ দিয়াৰ বহুদিনীয়া পৰম্পৰা আছে।

সাধাৰণ বুনিয়াদী শিক্ষা সাং কৰাৰ পিছত ছোৱালী এজনী কাৰিকৰী প্ৰশিক্ষণ কাৰ্যক্ৰমৰ বাবে সমৰ্থ হ'ব লাগিব। সেই প্ৰশিক্ষণে তেওঁলোকক হয় আত্মসংস্থাপন নতুবা কোনোবা অনুষ্ঠান-প্ৰতিষ্ঠানৰ চাকৰি বিচৰাৰ বাবে সমৰ্থ কৰিব। সেইটো কৰিব লাগিব ছোৱালীজনীৰ প্ৰৱণতা বা ৰাপ অনুসৰি আৰু বিশেষ বৃত্তি বা জীৱিকাৰ বাবে তেনে বিদ্যা বা দক্ষতাৰ আৱশ্যকতা অনুসৰি। প্ৰত্যেক নাৰীয়ে যাতে শিক্ষা লাভ কৰিব পাৰে আৰু যথাসম্ভৱ সোনকালে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰে তাৰ ওপৰত জোৰ দিব লাগিব।[৪]

অগ্ৰণী অভিযানত নাৰী

নাৰীয়েও যাতে সকলো ক্ষেত্ৰতে শ্ৰেষ্ঠত্ব অৰ্জন কৰিব পাৰে তাৰ বাবে ভাৰতবৰ্ষত নাৰীক পুৰুষৰ সমানে সুযোগ দিয়াৰ পুৰণি পৰম্পৰা আছে। অধিকাংশ বিকশিত দেশৰ তুলনাত ভাৰতীয় মহিলাৰ ভোটাধিকাৰ বহু আগৰে পৰা আছে। আনকি আগতেও আমি ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ আৰু ৰাণী মংগাম্মাৰ দৰে যোদ্ধা আৰু ৰাজ্যৰ শাসকৰ কাল বা যুগ দেখিবলৈ পাইছোঁ। প্ৰাচীন ভাৰতবৰ্ষৰ জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি আগবঢ়োৱা বিজ্ঞানী আৰু দাৰ্শনিক সকলৰ ভিতৰত তিনি হাজাৰ বছৰ পূৰ্বে জন্ম লাভ কৰা গাৰ্গী, দ্বাদশ

শতিকাৰ লীলাৱতী আৰু মৈত্ৰেয়ী অন্যতম। ভাৰতবৰ্ষ বিদেশীৰ অধীনত থকা কালছোৱাত ভাৰতীয় নাৰীৰ ভূমিকা কিছু ম্লান পৰিছিল যদিও দেশে স্বাধীনতা লাভ কৰাৰ লগে লগে ভাৰতীয় নাৰীৰ পুনৰভ্যুত্থান প্ৰত্যক্ষ কৰিব পৰা গ'ল।[৫]

সম্প্ৰতি নাৰী সকলো ক্ষেত্ৰত উদ্ভাসিত হৈছে।

নানা ঠাই ভ্ৰমণ কৰি ফুৰোঁতে মই বহুত নাৰীক লগ পাইছোঁ। নিজৰ নিজৰ বিশেষ ক্ষেত্ৰবোৰত তেওঁলোকে অগ্ৰণী কাম কৰিছে। তাৰ ভিতৰত কাঞ্চন চৌধুৰী ভট্টাচাৰ্য— তেওঁ উত্তৰাঞ্চলৰ আৰক্ষী সঞ্চালকপ্ৰধান হোৱা প্ৰথমগৰাকী নাৰী। বায়ু সেনা আৰু নৌবিভাগতো দুজন জ্যেষ্ঠ বিষয়া আছে। তেওঁলোক হ'ল ক্ৰমে এয়াৰ মাৰ্শ্বাল পি বন্দোপাধ্যায়, সঞ্চালকপ্ৰধান, চিকিৎসা সেৱা,(বায়ু) আৰু চাৰ্জন তথা ভাইচ্ এড্মিৰেল পুনীতা অৰোৰা, সঞ্চালকপ্ৰধান, চিকিৎসা সেৱা (নৌ বিভাগ)। তেওঁলোকে চিকিৎসাৰ ক্ষেত্ৰত উল্লেখযোগ্য কাম কৰি আছে। কেপ্টেইন সিপ্ৰা মজুমদাৰ আৰু কেপ্টেইন অশ্বিনী এ এছ পাৱাৰ— এওঁলোক উত্তৰ ফালৰ পৰা এভাৰেষ্ট শৃংগ আৰোহণ কৰা প্ৰথম মহিলা পৰ্বতাৰোহী। মই কাৰ্গীলত শূন্য ডিগ্ৰী তাপমানত থকা মহিলা সেনা বিষয়াৰ লগতো কথা পাতিছোঁ আৰু তেওঁলোকৰ সাহস আৰু মিছন সফল কৰা অধ্যৱসায় দেখি প্ৰশংসা নকৰাকৈ থাকিব পৰা নাই। ডাঃ শান্তাক সৌ সিদিনা ৰমণ মেগাছেচে বঁটাৰে সম্মানিত কৰা হৈছে। তেওঁ কেন্সাৰ প্ৰতিষ্ঠানত ৰেডিয়েচন অন্‌কোল'জী বিভাগ স্থাপিত কৰিছে। তেৱেঁই ভাৰতত প্ৰথম টিউমাৰ পঞ্জীকৰণৰ হস্পিতাল আৰম্ভ কৰিছে। তদুপৰি তেওঁৱেই প্ৰথম শিশু চিকিৎসা অন্‌কোল'জী ইউনিটো স্থাপন কৰিছে। সৰ্বোপৰি, নবেল বঁটা বিজয়ী মাদাৰ টেৰেছা মানৱ সেৱাৰ মূৰ্ত প্ৰতীক। এইসকল মহিলা সকলো ভাৰতীয় নাৰীৰ বাবে 'ৰোল মডেল' হোৱা উচিত।[৬]

ৰোহিনী দেৱী প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা (DRDO)ত কৰ্মৰত এগৰাকী জ্যেষ্ঠ বিজ্ঞানী। তেওঁ লঘু যুঁজাৰু বিমান (LCA)ৰ উপযোগী কাৰ্বন ব্ৰেক ডিস্কৰ নিচিনা এটা আকৰ্ষণীয় উৎপাদৰ বিকাশ সাধন কৰিছে। এই ব্ৰেক পেড আমদানি কৰাৰ ব্যৱস্থা খোলা ৰাখিব নে নিৰ্দিষ্ট সময়ৰ ভিতৰত দেশত ইয়াৰ নিৰ্মাণ প্ৰক্ৰিয়া অব্যাহত ৰখা হ'ব সেই লৈ প্ৰকল্পৰ লগত জড়িত দলটো অলপ দ্বিধাগ্ৰস্ত হৈছিল। গোটেই পৃথিৱীতে এইটো জনাই দিয়া হ'ল যে তেনেকুৱা বেক পেড মাত্ৰ কেইখনমান উন্নত দেশৰ বাদে আনে নিৰ্মাণ কৰিব নোৱাৰে। পশ্চিমৰ এজন অগ্ৰণী নিৰ্মাতাই আমাৰ এই কাৰ্যক্ৰমটোৰে ক্ষেত্ৰত প্ৰত্যাহ্বান জনালে। তেওঁ এইবুলি কৈছিল যে ভাৰতবৰ্ষত এনে এটা বস্তুৰ নিৰ্মাণ কোনোপধ্যেই সম্ভৱ নহয়। সুতৰাং তেওঁৰ পৰা উচ্চ মূল্যত কিনি সমস্যা সমাধান কৰাৰ প্ৰস্তাৱ আগবঢ়ালে।

কিন্তু প্ৰকল্পৰ দলটোৱে সাহস নেহেৰুৱালে আৰু ৰোহিনী দেৱীৰ নেতৃত্বত হাতত লোৱা স্বদেশী উদ্যোগক উৎসাহ যোগালে। বহুত মিছনত হোৱাৰ দৰে আৰম্ভণিতে এই উৎপাদবিধৰ প্ৰয়োজনীয় প্ৰদৰ্শন ক্ষমতা নাছিল, কিন্তু আৱশ্যকীয় ব্ৰেক কাৰ্য পূৰা হৈ গৈছিল। এইদৰে ৰোহিনী দেৱীৰ নেতৃত্বত দলটোৱে কঠোৰ পৰিশ্ৰম কৰি নিৰন্তৰ বৈজ্ঞানিক প্ৰয়াসৰ জৰিয়তে সকলো বাধা অতিক্ৰম কৰিলে আৰু অৱশেষত তেওঁলোকে পৰিযোজনাই নিৰ্ধাৰিত কৰা প্ৰদৰ্শন ক্ষমতাৰ লক্ষ্য পূৰণ কৰিলে। সম্পূৰ্ণ শতাংশ দেশতেই বিকশিত কৰা এই প্ৰযুক্তিৰ অসংখ্য আনুষংগিক সুযোগ-সুবিধা থকাৰ উপৰি অসামৰিক ক্ষেত্ৰতো ইয়াৰ প্ৰয়োগ আছে। এতিয়া সেই একেটা দল 'কাৰ্বন নেন' টিউব'ৰ ওপৰত কাম কৰি আছে আৰু ফাংচনেলী গ্ৰেডেড্ সামগ্ৰীৰ বিকাশ সাধনৰ বাবেও কাম কৰি আছে। বায়ুমণ্ডল আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত ব্যৱহাৰ কৰিবলগীয়া সামগ্ৰীৰ ক্ষেত্ৰত এক বিপ্লৱ

আনিব। এই কৰ্মই 'অসম্ভৱক সম্ভৱ কৰি তোলা' এগৰাকী মহিলা বৈজ্ঞানিকৰ সাহস, উদ্ভাৱনী শক্তি আৰু দায়বদ্ধতাৰ বিষয়ে অৱগত কৰায়।

'আকাশ' ক্ষেপণাস্ত্ৰ প্ৰণালীক ফেজ্‌দ্ এৰে ৰাডাৰ 'ৰাজেন্দ্ৰ'ৰ জৰিয়তে নিয়ন্ত্ৰিত কৰা হৈছিল। এই ৰাডাৰটোৱে একেলগে বহুতো বায়ুযান বিচাৰি উলিয়াব পাৰে আৰু সেই লক্ষ্যৰ ফালে বহুত ক্ষেপণাস্ত্ৰক পঠিওৱাৰ ক্ষেত্ৰত নিয়ন্ত্ৰিত কৰিব পাৰে। এই ক্ষমতা লাভ কৰাৰ বাবে গুৰুত্বপূৰ্ণ প্ৰযুক্তি হ'ল 'ফেজ ছিফ্‌টাৰ'। ৰাজেন্দ্ৰ ৰাডাৰৰ ৪৫০০ 'ফেজ ছিফ্‌টা'ৰ আছে। বিকশিত দেশসমূহৰ অৱৰোধৰ বাবে এই 'ফেজ ছিফ্‌টাৰ' বাণিজ্যিকভাৱে সহজলভ্য নাছিল। দিল্লীৰ ভাৰতীয় প্ৰৌদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰখ্যাত আৰু সন্মানিত বিজ্ঞানী প্ৰফেছৰ ভাৰতী ভট্টই তেওঁৰ দলৰ সৈতে এই 'ছিফ্‌টাৰ ফেজ'ৰ আৰ্হি প্ৰস্তুত কৰি বিকশিত কৰিছিল। সম্প্ৰতি ভাৰতৰ 'ফেজদ্ এৰে ৰাডাৰ টেক্‌নলজী' বিকশিত দেশবোৰৰ সৈতে সমপৰ্যায়ৰ। মানুহৰ ধৈৰ্যৰ অগ্নি পৰীক্ষা হয় মহাকাশ যাত্ৰা কৰাৰ সময়ত। এইটো প্ৰশংসনীয় যে হাৰিয়ানাৰ কণমানি টোপনিবিধুৰ বা কৰ্মতৎপৰতাহীন নগৰ এখনত জন্ম লাভ কৰা ছোৱালী এজনীয়ে এৰোনটিকেল ইঞ্জিনীয়াৰিং পাঠ্যক্ৰমত পঢ়া-শুনা কৰি এদিন 'মহাশূন্যৰ কন্যা' হোৱাৰ সপোন দেখিছিল। সেই মতে কঠোৰ পৰিশ্ৰম কৰি তেওঁ মহাকাশ যান (স্পে'চ্ ছাট্‌ল্)ৰ প্ৰথম ভাৰতীয় নাৰী সদস্য হৈছিলগৈ। সেই মহাকাশ যানত থাকি তেওঁ ৭৬০ ঘণ্টা পৰ্যন্ত উৰি একপ্ৰকাৰ অসাধ্য সাধন কৰিলে আৰু মহাকাশত উন্নত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰিলে। লক্ষ্য বা স্বপ্ন যিমানেই জটিল আৰু কঠিন নহওক কিয়, আত্মোৎসৰ্গৰ পৰাকাষ্ঠাৰে কল্পনা চাওলাই শৈশৱতে দেখা স্বপ্নক বাস্তৱায়িত কৰি আমাৰ আগত এক প্ৰকৃষ্ট উদাহৰণ দাঙি ধৰিছে।[১]

প্ৰতিটো সংগঠন বা প্ৰতিষ্ঠানক এই বিষয়ে সজাগ কৰি দিব লাগে যে পুৰুষ আৰু নাৰীৰ মাজত কোনো পাৰ্থক্য নাই।

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ প্ৰতিষ্ঠাপক ড° বিক্রম সাৰাভাই ঢুকোৱাৰ লগে লগে মহাকাশ কাৰ্যক্ৰমৰ প্ৰবন্ধনত এক সংকটাপন্ন অৱস্থাৰ সৃষ্টি হ'ল। 'ইছ্ৰো'ৰ তদানীন্তন অধ্যক্ষ প্ৰফেছৰ এম জি কে মেননে পৰিবৰ্তিত অৱস্থা আৰু মিছনক পুনঃ ব্যৱস্থিত কৰাৰ বাবে আহমেদাবাদৰ ইণ্ডিয়ান ইনষ্টিটিউট্ অৱ্ মেনেজমেণ্টৰ নামজ্বলা প্ৰবন্ধন বিশেষজ্ঞ প্ৰফেছৰ কমলা চৌধুৰীক দায়িত্ব দিলে। সেইমতে কমলা চৌধুৰীয়ে বিজ্ঞানী, কাৰিকৰী কৰ্মী আৰু কৰ্মচাৰীৰ বিভিন্ন বৰ্গৰ সাক্ষাৎকাৰ লৈ কাম আৰম্ভ কৰিলে আৰু ইছ্ৰোৰ বাবে এক অদ্বিতীয় পুনঃ সংগঠিত প্ৰৱন্ধন যোজনা প্ৰস্তুত কৰিলে। সেই যোজনা আজিও কাৰ্যকৰী হৈ আছে। ইয়াৰ দুটা দৰকাৰী স্থিতি বা পৰ্যায় আছে—বৈজ্ঞানিকসকলক ক্ষমতা প্ৰদান কৰা, সংগঠনৰ লক্ষ্য আৰু মানুহৰ স্বপ্ন-আশা-আকাঙ্ক্ষাক অগ্ৰাধিকাৰ দি মানৱকেন্দ্ৰিক মিছনৰ সৃষ্টি কৰা। তেনেকুৱা শক্তিসম্পন্ন সংগঠন যোজনাৰ বাবেই 'ইছ্ৰো'ত উৎসাহৰ তড়িৎ গতি প্ৰৱাহিত হ'ল। যাৰ ফলত ই গুৰুত্বপূৰ্ণ বিকাশৰ চাপ অতিক্ৰম কৰিলে আৰু ই এক সফল সংগঠন হ'ল। [৮]



সম অংশীদাৰ

হিমাচল প্ৰদেশ ভ্ৰমণলৈ যাওঁতে ৰাজকীয় কন্যা মহাবিদ্যালয়ৰ বিজয়া শৰ্মাই মোক সুধিছিল— স্বাধীন ভাৰতত ছোৱালীৰ ভূমিকা কি হোৱা উচিত। মই এইবুলি উত্তৰ দিছিলোঁ যে যিহেতু ৰাষ্ট্ৰৰ বিকাশত নাৰী আৰু পুৰুষ সমান অংশীদাৰ সেইবাবে পুৰুষ আৰু নাৰীৰ ভূমিকাৰ মাজত প্ৰকৃতপক্ষে একো ব্যৱধান নাই।[১]

বৰ্তমান নাৰী সবলীকৰণৰ যুগ। পুৰুষৰ তুলনাত নাৰীক গোলাম বা অধীন কৰি ৰখা আৰু জীৱনৰ প্ৰতিটো স্তৰতে নাৰীক অগৌণ বা ন-ধৰ্তব্য বুলি গণ্য কৰা দিন এতিয়া উকলিল। এতিয়া এইটো প্ৰমাণিত হৈছে যে পুৰুষতকৈ বেছি নহ'লেও, নাৰীয়ে এতিয়া যি কোনো কাম পুৰুষৰ সমান কুশলতা বা দক্ষতাৰে সম্পাদন কৰিব পাৰে।

লিংগ স্পৰ্শকাতৰতা প্ৰশিক্ষণ

বৰ্তমানে পুৰুষ আৰু নাৰীৰ বাবে লিংগ-স্পৰ্শকাতৰ-বিষয়বোৰৰ ওপৰত প্ৰশিক্ষণৰ প্ৰয়োজন আছে। ইয়াৰ লক্ষ্য হ'ল পুৰুষ আৰু নাৰীৰ বল-শক্তিৰ কথা স্বতন্ত্ৰভাৱে দাঙি ধৰা আৰু পুৰুষ আৰু নাৰীৰ পাৰস্পৰিক সহযোগ আৰু যোগদানত কোনো সংগঠনৰ সামূহিক লক্ষ্য কিদৰে পূৰণ কৰিব পাৰি তাক সকলোৰে দৃষ্টিগোচৰ কৰা। এনে প্ৰশিক্ষণে নাৰীৰ বিশেষ প্ৰয়োজনবিলাকৰ ওপৰত ধ্যান দিয়াৰ উপৰি সমাজত সুসমন্বয় বজাই ৰখাত মনোযোগ দিব লাগে। ই কৰ্মচাৰীসকলৰ মাজৰ ভুল ধাৰণা আৰু ভুল উপলব্ধিবোৰ দূৰ কৰিব। পুৰুষ আৰু মহিলাৰ কাম-কাজৰ যোজনা বনোৱা, কামৰ সময় নিৰ্ধাৰণ কৰা, দায়িত্ব আৰু কাম-কাজ ভগাই লোৱা— এইবোৰত মনোযোগ দিলে সংগঠনৰ পুৰুষ আৰু

মহিলাৰ মাজত সুস্থ বুজাপৰাৰ পৰিৱেশ সৃষ্টি হ'ব।

প্ৰতিটো সংগঠন বা প্ৰতিষ্ঠানক এই বিষয়ে সজাগ কৰি দিব লাগে যে পুৰুষ আৰু মহিলাৰ মাজত কোনো প্ৰভেদ নাই। পুৰুষ আৰু মহিলাৰ মাজত পূৰ্ব পৰিকল্পনা অবিহনে কাৰ্যক্ৰমৰ তালিকা অনুসৰি কামৰ বণ্টন কৰিব লাগে। উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ত এনেকুৱাকৈ কাম-কাজ চলোৱা হয়। পূৰ্ব পৰিকল্পনা নথকা তেনেকুৱা কামৰ আবণ্টনে মহিলাসকলৰ লগত সম ব্যৱহাৰ নকৰাৰ যি ধাৰণা তাক দূৰ কৰিব। তদুপৰি, সুবিধা অনুযায়ী সকলো কৰ্মচাৰীৰ উপস্থিতিত মাহত একোবাৰকৈ সভা একোখন আহ্বান কৰিব লাগে যাতে ভিন ভিন বিষয়াসকলৰ ব্যক্তিগত বিশেষ অসুবিধাবোৰ ভালকৈ আলোচনা কৰিব পৰা যায়। এনে ব্যৱস্থাৰ ফলত কাৰোবাৰ অসুবিধাবোৰ গম্ভীৰ যেন লাগিলে তাক শুধৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। এনেকুৱা স্বচ্ছ পদ্ধতিৰ সহায়ত লিংগ ভেদ থাকিলেও নিশ্চয় কৰ্মচাৰীসকলৰ মাজত, বিশেষকৈ মহিলাসকলৰ মাজত, আত্মবিশ্বাস বৃদ্ধি কৰিব। সময়ে সময়ে জ্যেষ্ঠ বিষয়াসকলে ভিন ভিন গোট পৰিদৰ্শন কৰি নাৰী-পুৰুষৰ দলবদ্ধ বা সামূহিক কামৰ গুৰুত্ব বুজাই দিব লাগে। কোনো কাৰ্যক্ৰমৰ যোজনা প্ৰস্তুত কৰাৰ সময়ত পুৰুষ আৰু মহিলাৰ মিশ্ৰিত দল গঠন কৰিব লাগে। কিছুমান ক্ষেত্ৰত নাৰীক নেতৃত্ব দিব লাগে আৰু কিছুমান ক্ষেত্ৰত পুৰুষে নেতৃত্ব গ্ৰহণ কৰিব লাগিব।[১০]

ৰাষ্ট্ৰৰ বিকাশত মহিলাসকল সমান অংশীদাৰ।

জাগ্ৰত নাৰী

ৰাষ্ট্ৰীয় আন্দোলনত ভাগ লোৱাৰ ইচ্ছা থকা ভৱিষ্যতৰ বৃত্তিধাৰী অথবা বৃত্তিসেৱী আৰু নেতৃস্থানীয় মহিলাৰ কথা ভাবিলেই মোৰ মহাকবি সুব্ৰমনীয় ভাৰতীয়াৰলৈ মনত পৰে। ১৯১০ চনত তেওঁ ভাৰতীয় নাৰীৰ ৰূপ অংকিত কৰি এই কবিতাটো ৰচনা কৰিছিল।

শিৰ উন্নত কৰি অগ্ৰসৰ হোৱা নাৰী
দৃষ্টি তেওঁৰ অভ্ৰভেদী লক্ষ্য অভিমুখী
নীতিৰ ক্ষেত্ৰত সততে অটল
ভয় নাই কদাপি।
গগনচুম্বী জ্ঞান-গৰিমাৰে ধন্য
মাৰ্জিত নাৰী
পথচ্যুত নহয় কদাপি।
অজ্ঞতাৰ অমানিশা বিনাশি
জ্ঞানৰ আলোকত
সন্ধান কৰে
জীৱনৰ অমিয়া সুখ
অথবা মোক্ষপ্ৰাপ্তিৰ পথ।
এয়াই ধৰ্ম জাগ্ৰত নাৰীৰ।

মোৰ বিশ্বাস— আমাৰ দেশৰ সকলো নাৰীৰ জীৱনত এদিন কবিৰ এই স্বপ্ন বাস্তৱায়িত হ'ব।" ❑

১০

এখন বিজ্ঞ সমাজ অভিমুখে

জ্ঞান সদায় সমৃদ্ধি
আৰু ক্ষমতাৰ
প্ৰেৰক বা চালিকা শক্তি।
সেইবাবে সমগ্ৰ পৃথিৱীত
জ্ঞানাৰ্জনক সৰ্বাধিক
গুৰুত্ব দিয়া হয়।
জ্ঞানসৰ্বস্ব অভিজ্ঞতাৰ
আদান-প্ৰদান
আমাৰ দেশৰ
প্ৰাচীন আৰু অতুলনীয়
সংস্কৃতি।

এখন বিজ্ঞ সমাজ অভিমুখে

বিজ্ঞ সমাজৰ জন্ম

বিগত শতিকাটোৰ ভিতৰত পৃথিৱীখনত এক ব্যাপক পৰিৱৰ্তন হৈছে। কায়িক শ্ৰমে গুৰুত্বপূৰ্ণ ভূমিকা লোৱা কৃষিপ্ৰধান সমাজৰ ঠাইত প্ৰযুক্তি, মূলধন আৰু শ্ৰমৰ প্ৰবন্ধনৰ ওপৰত নিৰ্ভৰশীল ঔদ্যোগিক সমাজৰ গুৰুত্ব বাঢ়ি গ'ল। এই ধৰণৰ প্ৰবন্ধন ব্যৱস্থাই প্ৰতিযোগিতামূলক লাভ বা সা-সুবিধা প্ৰদান কৰিছিল। আনহাতে বিগত দশকটোত সূচনা যুগৰ আগমন ঘটে য'ত সংবদ্ধতা (connectivity) আৰু ছফ্‌ট্‌ৱেৰ উৎপাদসমূহ দেশ বিশেষৰ অৰ্থব্যৱস্থাৰ প্ৰেৰক বা মুখ্য স্ৰোত হয়।

বৰ্তমানে একবিংশ শতিকাত এক নতুন সমাজৰ আগমন ঘটিছে য'ত মূলধন আৰু শ্ৰমৰ ঠাইত জ্ঞানে উৎপাদনৰ ঘাই

স্ৰোত হিচাপে আত্মপ্ৰকাশ কৰিছে। জ্ঞানৰ সমুচিত প্ৰয়োগৰ জৰিয়তে দেশ এখনে বিশাল ধন-সম্পত্তি অৰ্জন কৰিব পাৰে আৰু সুস্বাস্থ্য, শিক্ষা-দীক্ষা, আন্তঃগাঁথনি আৰু অন্যান্য সামাজিক সূচীৰ জৰিয়তে জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰিব পাৰে।

প্ৰাচীন জ্ঞান আমাৰ দেশৰ অতুলনীয় সম্পদৰ ভাণ্ডাৰ। ৰাষ্ট্ৰৰ কল্যাণ আৰু বিশ্বৰ , দৰবাৰত নিজৰ স্থিতি দৃঢ়তৰ কৰাৰ বাবে সেইটো অপৰিহাৰ্য।

বিদ্যায়তনিক সংৰচনা নিৰ্মাণ আৰু তাৰ চোৱা-চিতা কৰাৰ সামৰ্থ্য, জ্ঞান কৰ্মী বৃদ্ধি আৰু সৃষ্টি, শ্ৰীবৃদ্ধি বা বিকাশ আৰু নতুন নতুন জ্ঞান অন্বেষণৰ জৰিয়তে তেওঁলোকৰ উৎপাদনশীলতা বৃদ্ধি কৰা— এইবিলাকেই বিদ্যায়তনিক বা বিজ্ঞ সমাজৰ শ্ৰীবৃদ্ধি নিৰ্ধাৰণৰ মূল কাৰক। দেশৰ অৰ্থব্যৱস্থাৰ সকলো ক্ষেত্ৰতে জ্ঞানৰ সৃজন আৰু জ্ঞানৰ উপযোগ কিমান ফলপ্ৰসূভাৱে কৰিব পাৰিছে তাৰ সহায়তে দেশ এখনে বিজ্ঞ সমাজৰ ঢাপ বা পৰ্যায়ত উঠিছে নে নাই তাক বিচাৰ কৰা হয়।[২]

বিজ্ঞ সমাজৰ মাত্ৰা

জ্ঞান-সৰ্বস্ব অৰ্থব্যৱস্থাত সমাজৰ উদ্দেশ্য সামগ্ৰিক উন্নয়নৰ মৌলিক আৱশ্যকতাসমূহ পূৰণ কৰাৰ ঠাইত সশক্তকৰণৰ উদ্দেশ্যলৈ সলনি হৈ যায়।

> শিক্ষা ব্যৱস্থাত পাঠ্যপুথি শিক্ষণৰ সলনি মূল্যবোধ, প্ৰতিভা বা মেধা আৰু গুণৰ ওপৰত গুৰুত্ব দি সৃজনশীলতা আৰু ভাব বা চিন্তাৰ আদান-প্ৰদানৰ জৰিয়তে নিজে নিজে শিক্ষা আয়ত্ত কৰা নিয়ম প্ৰৱৰ্তিত হ'ব।
>
> কাম কৰা শ্ৰমিকসকল কুশলী বা অৰ্ধকুশলী হোৱাৰ সলনি বুদ্ধিবান বা জ্ঞানী, স্বয়ং-ক্ষমতাসম্পন্ন আৰু সহজবশ্য কুশলী হ'ব।

এই সমাজত কামৰ স্বৰূপ সংগঠিত আৰু হাৰ্ড্ওৱেৰ্ চালিত হোৱাৰ সলনি অপেক্ষাকৃত কম সংগঠিত আৰু ছফ্ট্ৱেৰ চালিত হ'ব।

প্ৰবন্ধন ৰীতিয়ে আদেশ দিয়াৰ সলনি প্ৰতিনিধিত্ব কৰাৰ ওপৰত জোৰ দিব।

ঔদ্যোগিক অৰ্থব্যৱস্থাৰ তুলনাত পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত প্ৰভাৱ কম হ'ব।

অৱশেষত, অৰ্থব্যৱস্থা উদ্যোগ-আধাৰিত বা চালিত হোৱাৰ সলনি জ্ঞান-আধাৰিত হ'ব।[৩]

বিজ্ঞ সমাজৰ উপাদান

বিজ্ঞ বা বিদ্যায়তনিক সমাজৰ দুটা গুৰুত্বপূৰ্ণ উপাদান আছে, যেনে— সামাজিক ৰূপান্তৰণ আৰু ধন-সম্পত্তিৰ উৎপাদন বা বৃদ্ধি।

একবিংশ শতিকাত এক নতুন সমাজৰ আগমন ঘটিছে য'ত মূলধন আৰু শ্ৰমৰ ঠাইত জ্ঞানেই উৎপাদনৰ ঘাই স্ৰোত বা উৎস হিচাপে দেখা দিছে।

বিজ্ঞ বা জ্ঞানসম্পন্ন সমাজৰ লক্ষ্য অভিমুখে আগবাঢ়ি যোৱাত আমাক পথ নিৰ্দেশ কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কৰ্মীবাহিনীয়ে মূল ক্ষেত্ৰবোৰ চিহ্নিত কৰিছে। সেইবোৰ যথাক্ৰমে সূচনা প্ৰযুক্তি, জৈৱ-প্ৰযুক্তি, মহাকাশ প্ৰযুক্তি, বতৰৰ পূৰ্বানুমান, বিপৰ্যয় বা আপদ প্ৰৱন্ধন, দূৰ-চিকিৎসা আৰু দূৰ-শিক্ষা, দেশীয় জ্ঞান উৎপাদ উৎপন্নকাৰী প্ৰযুক্তি, সেৱা ক্ষেত্ৰ আৰু 'ইন্ফোটেইন্মেণ্ট্'। এই ক্ষেত্ৰসমূহত ক্ষিপ্ৰভাৱে নিজৰ ক্ষমতা বা যোগ্যতা বঢ়াব লাগিব যাতে সেই সেৱাসমূহত হোৱা বিকাশ আৰু প্ৰগতিৰ ফলত সমাজৰ ৰূপান্তৰণ সম্ভৱ হয়।

জ্ঞানসম্পন্ন বা বিজ্ঞ সমাজ প্ৰতিষ্ঠাৰ দ্বিতীয় কাৰক বা

উপাদান হ'ল সম্পদৰ উৎপাদন। পৰিচিত ৰাষ্ট্ৰীয় মূল ক্ষেত্ৰসমূহত ইয়াৰ বয়ন বা বিকাশ হ'ব লাগিব। এই ক্ষেত্ৰসমূহত ধন উৎপাদন কৰাৰ ব্যৱস্থা-বিধি এইদৰে উন্নীত কৰিব লাগিব যাতে ২০০৮ বৰ্ষলৈকে প্ৰতিবছৰে ৫০ বিলিয়ন ডলাৰ ৰপ্তানিৰ লক্ষ্য পূৰণ কৰিব পৰা যায়। সূচনা প্ৰযুক্তিৰ ক্ষেত্ৰৰ বিশেষ প্ৰয়োগৰ জৰিয়তে সেইটো কৰিব পৰা যাব। তাৰ লগতে সমাজ ৰূপান্তৰণৰ বাবে ঘৰুৱা প্ৰয়োজন সাপেক্ষে ৩০ বিলিয়ন ডলাৰ মূল্যৰ সূচনা প্ৰযুক্তিৰ উৎপাদ উৎপন্ন কৰাৰ ক্ষমতা বিকশিত কৰিব লাগিব।

নীতি বা কৰ্মপন্থা আৰু প্ৰশাসনীয় কাৰ্যব্যৱস্থাৰ বিবৰ্তন বা বিকাশ, নিয়ন্ত্ৰণকাৰী পদ্ধতিৰ পৰিৱৰ্তন, পেটেণ্টৰ চিনাক্তকৰণ আৰু সৰ্বোপৰি তৰুণ আৰু শক্তিবান নেতাৰ সৃষ্টি হ'ল জ্ঞানসম্পন্ন সমাজৰ অন্যতম উপাদান। ধন উৎপন্নৰ বাবে এইটোও দৰকাৰ যে একে সময়তে ব্যৱসায়-বাণিজ্যৰ নীতিৰ বিকাশৰ ক্ষেত্ৰত নাগৰিক-প্ৰধান দৃষ্টিভংগী থাকিব লাগিব। ব্যৱহাৰকাৰীৰ অনুকূল প্ৰযুক্তিৰ সৃষ্টি আৰু উদ্যোগ-গৱেষণাগাৰ-শৈক্ষিক প্ৰতিষ্ঠানৰ এক শক্তিশালী পাৰস্পৰিক সংস্পৰ্শও স্থাপিত কৰিব লাগিব।[৪]

জ্ঞানসম্পন্ন সমাজৰ সমাজ ৰূপান্তৰণ আৰু ধন উৎপাদনৰ দৰে দ্বিমাত্ৰিক উদ্দেশ্য থাকিলেও বৰ্তমানে দেখা দিয়া তৃতীয় মাত্ৰাটো হ'ল ভাৰতবৰ্ষক জ্ঞানসম্পন্ন শক্তিলৈ ৰূপান্তৰিত কৰিব লাগিব। জ্ঞানসম্পন্ন সমাজক ধৰি ৰখা লাই খুঁটা দুটা হ'ল— কষ্টোপাৰ্জিত ধন আৰু ৰূপান্তৰিত সমাজ। জ্ঞানসম্পন্ন সমাজৰ পৰিপুষ্টিৰ বাবে ইয়াক সুৰক্ষিত কৰি ৰাখিব লাগিব। গতিকে তৃতীয় মাত্ৰাটো হ'ল জ্ঞানৰ সুৰক্ষা।

পৰম্পৰাগত জ্ঞানৰ সংৰক্ষণ

আমাৰ গাঁওবিলাকত বিপুল সম্পদৰ ভাণ্ডাৰ আছে। সেই সম্পদ ইতিহাস, লোক- সংগীত, কলা আৰু সাংস্কৃতিক পৰম্পৰা, লৌকিক ভেষজ চিকিৎসা আৰু বিপণন সূচনা তথা ব্যৱস্থাৰ মাধ্যমত লাভ কৰিব পাৰি। এনেবোৰ সূচনা আজিও মুখে মুখে চলি আহি আছে যদিও একো একোটা পুৰুষ বা পিৰিৰ লগে লগে সিবোৰ ক্ৰমান্বয়ে লোপ পাই আহিছে। ভৱিষ্যৎ প্ৰজন্মৰ লাভালাভৰ বাবে এই জ্ঞানৰ ভাণ্ডাৰ সংৰক্ষণ কৰি আগুৱাই নিব লাগিব।

ভাৰতবৰ্ষত সাহিত্য, সংগীত, পাৰম্পৰিক চিকিৎসা পদ্ধতি আৰু বিজ্ঞান আদিৰ ব্যাপক তথ্য বা সূচনা তাল পাতত অংকিত কৰা আছে। এই মূল্যৱান তথ্যসমূহ সংৰক্ষণ কৰা দৰকাৰ। সেই তাল পাতবোৰ স্কেনিং কৰিলেও বৰ বেছি কামত নাহিব। কাৰণ সেই তাল পাতবোৰ পঢ়ি তাৰ অৰ্থ উলিয়াব পৰা অথবা তাত উল্লিখিত গছ-বিৰিখ আৰু ৰত্নবোৰ চিনাক্ত কৰিব পৰা লোকৰ সংখ্যা তেনেই তাকৰ। আনহাতে যি কেইজন পঢ়িব পৰা লোক আছে তেওঁলোকেও আকৌ তাক ভালকৈ লিখিব নোৱাৰে অথবা কম্পিউটাৰতো ডিজিটেল ৰূপত সেই তথ্য সুমুৱাব নোৱাৰি। এই প্ৰাচীন লিপিবিলাক চকুৰে চিনি পোৱাটো বৰ জটিল সমস্যা, প্ৰায়োগিক দিশৰ পৰা প্ৰায় দুঃসাধ্য বুলিয়েই ক'ব পাৰি। মই ক'বৰ হ'লে স্কেন কৰা প্ৰতিটো তাল পাতৰ তথ্যবোৰ কোনো বিশেষজ্ঞৰ দ্বাৰা পঢ়ুৱাই তাক অডিঅ'ত ৰেকৰ্ড কৰি ল'ব লাগিব। তাৰ পিছত সেইটো ৱেব্‌ছাইটত

সুমুৱাই দি বিশেষজ্ঞসকলক যথাৰ্থ টীকা-টিপ্পনী আগবঢ়াবলৈ আহ্বান কৰিব লাগে আৰু তেওঁলোকৰ টিপ্পনী বা ব্যাখ্যাৰ সত্যতা প্ৰতিপাদন কৰিব লাগে। এই ডাটাবোৰ তাল পত্ৰ পঢ়িব পৰা বিশেষজ্ঞৰ এক নতুন প্ৰজন্ম সৃষ্টিতো ব্যৱহাৰ কৰিব পাৰি। কাৰণ এই শ্ৰেণীৰ লোক প্ৰায় নোহোৱা হৈছে।[৫]

নিশ্চল বা স্থবিৰ তথ্য মূল্যহীন।

ডিজিটেল পুথিভঁৰালৰ আৰম্ভণি

ডিজিটেল পুথিভঁৰালবোৰ আজিকালিৰ পুথিভঁৰালৰ ডিজিটেল সমতুল্যাংক নহয়। সেইবোৰ পুথিভঁৰালত কিতাপৰ বাহিৰেও জ্ঞানৰ প্ৰকাশ্য স্ৰোত স্বৰূপ পাণ্ডুলিপি আৰু পত্ৰ-পত্ৰিকাৰ উপৰি জ্ঞানৰ নিগূঢ় স্ৰোত স্বৰূপ ভাষণ, লোক-সংগীত, চিত্ৰকলা আৰু ভাস্কৰ্যৰ ৰূপত সূচনা আৰু আমাৰ ঐতিহ্য সংৰক্ষিত হৈ থাকে। সেয়ে আমাৰ জ্ঞান আৰু সংস্কৃতিৰ সকলো ৰূপক ডিজিটেল পুথিভঁৰালত একীকৃত কৰাৰ লক্ষ্যক আগুৱাই নিব লাগিব।[৬]

সৃজনশীলতাৰ পৰিপুষ্টি আৰু সকলো প্ৰকাৰ মানৱ জ্ঞানৰ জগতলৈ সোমোৱা পথ সুগম কৰাৰ উদ্দেশ্যে ভাৰতীয় বিজ্ঞান সংস্থান আৰু কাৰ্ণেগী মেলন বিশ্ববিদ্যালয়ৰ সহযোগত আৰু আমাৰ দেশৰ সূচনা প্ৰযুক্তি মন্ত্ৰালয়ৰ নেতৃত্বত প্ৰথম ভাৰতীয় ডিজিটেল পুথিভঁৰালৰ সিংহদ্বাৰ নিৰ্মাণৰ এক যোজনা হাতত লোৱা হৈছে। ২০০৩ চনত দ্বাৰ উদ্‌ঘাটন হোৱা এই পুথিভঁৰালটোৰ সৰ্বমুঠ বিশটা কেন্দ্ৰ বৰ্তমানে সমগ্ৰ দেশত চলি আছে। সম্প্ৰতি পঞ্চাশ হাজাৰো অধিক সংখ্যক গ্ৰন্থ 'ডিজিটাইজ্‌দ্' কৰা হৈছে। তাৰ ভিতৰত ন্যূনতম ত্ৰিশ হাজাৰখন নটা ভাৰতীয় বিভিন্ন ভাষাৰ গ্ৰন্থ আছে।

ডিজিটেল পুথিভঁৰালৰ কিছুমান সুবিধা আছে। স্থান-কাল,

জাতি, ধৰ্ম, বৰ্ণ, আৰ্থিক স্থিতি নিৰ্বিশেষে সকলো লোকে জ্ঞানৰ জগতত সোমোৱাৰ সম অধিকাৰ বা সুবিধা উপভোগ কৰিব পাৰে। ডিজিটেল পুথিভঁৰালে ঐক্যবদ্ধ কৰে, বিভাজিত নকৰে। ই অতীত আৰু বৰ্তমানৰ সংগম আৰু ই ভৱিষ্যৎ নিৰ্মাণ কৰে। ডিজিটেল পুথিভঁৰালে আমাৰ দুশ্চিন্তাৰ কাৰক ডিজিটেল বিভাজন বা অসমানতা দূৰ কৰিব।[৭]

বিভিন্ন স্রোত বা উৎসৰ সংমিশ্ৰণত ওপজা জ্ঞানহে শ্ৰেষ্ঠ জ্ঞান।

সংবদ্ধতা বা সংযোজনৰ জৰিয়তে সশক্তকৰণ

সংবদ্ধতাই বল বা শক্তি। সংবদ্ধতাই সম্পদ। সংবদ্ধতাই প্ৰগতি। দেশৰ এশ কোটি লোকৰ সমৃদ্ধিৰ বাবে সশক্তকৰণৰ মূল মন্ত্ৰ হ'ল— চৰকাৰ আৰু ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ বহুমুখী প্ৰতিষ্ঠানসমূহৰ মাজৰ সংবদ্ধতা আৰু অংশীদাৰত্ব অথবা সহযোগিতা। সহযোগিতা বা অংশীদাৰত্ব নিৰ্ভৰ শক্তি আৰু আৰ্থিক সমৃদ্ধি জ্ঞানৰ মুক্ত প্ৰৱাহ আৰু নিৰন্তৰ সীমাহীন সূচনা প্ৰৱাহৰ মাধ্যমেৰে উপলব্ধ হয়। ইয়াৰ লাভ অৰ্থনীতিৰ তিনিটা ক্ষেত্ৰ, যেনে— কৃষি, নিৰ্মাণ আৰু সেৱাসমূহত উপলব্ধ হয়।

বিকাশৰ প্ৰস্তাৱিত আৰ্হি এটাত অৰ্থনীতিৰ এই তিনিটা ক্ষেত্ৰৰ মাজৰ আন্তঃসংবদ্ধতা বা আন্তঃসংযোজনৰ বাবে চাৰিটা গ্ৰীড্ (সম্পৰ্ক কেন্দ্ৰ) আছে, যেনে— জ্ঞান গ্ৰীড, স্বাস্থ্য গ্ৰীড, ই-গভৰ্নেন্স্ গ্ৰীড আৰু গ্ৰামীণ গ্ৰীড। এই গ্ৰীড ব্যৱস্থাই গ্ৰামাঞ্চলত সত্তৰ কোটি লোকৰ আৰু নগৰাঞ্চলৰ ত্ৰিশ কোটিৰো অধিক লোকৰ জীৱনলৈ সমৃদ্ধি আনিব। এই পদ্ধতিৰ ফলত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা মুঠ ২৬ কোটি লোকৰ জীৱনলৈ পৰিৱৰ্তন আহিব।

জ্ঞান গ্ৰীড্

বৰ্তমান ভাৰতবৰ্ষত ভাৰ্চুৱেল বিশ্ববিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠান সৃষ্টি হ'ব ধৰিছে। ইয়াৰ উদ্দেশ্য হ'ল জ্ঞানৰ বণ্টন বা অংশগ্ৰহণ, জ্ঞানৰ প্ৰসাৰ আৰু জ্ঞানৰ পুনৰোপযোগ। ভাৰ্চুৱেল্ বিশ্ববিদ্যালয়সমূহে আমাক ভৱিষ্যতৰ প্ৰযুক্তি আৰু অত্যন্ত কম খৰচত উচ্চমানৰ শিক্ষা লাভৰ সুবিধা দিয়ে যদিও সি কেম্পাছ-বেছ্‌দ্ এডুকেচন বা বিদ্যালয় চৌহদৰ শিক্ষাৰ বিকল্প হ'ব নোৱাৰে। এনে ক্ষেত্ৰত, দুয়ো প্ৰকাৰ শিক্ষা সংস্থাপনৰ উৎকৃষ্টতা প্ৰদান কৰাটোৱেই ভাৰ্চুৱেল বিশ্ববিদ্যালয়ৰ বাবে একমাত্ৰ প্ৰত্যাহ্বান।

শিক্ষাৰ তিনিটা উপকৰণ আছে— পাঠদান, পুথিভঁৰাল আৰু গৱেষণাগাৰ। বাস্তৱ জগতত ন্যায়সংগত প্ৰৱেশ সদায় গণতান্ত্রিক গড় হিচাবত হয়। ভাৰচুৱেল বিশ্ববিদ্যালয়ৰ ন্যায়সংগত প্ৰৱেশে নেটৱৰ্কত উপলব্ধ সৰ্বোত্তম সংসাধন বুজায় সি শিক্ষক, পুথিভঁৰাল, গৱেষণাগাৰ যিয়েই নহওক লাগিলে। ইয়াৰ পৰিণাম হ'ল— এই নেট্‌ৱৰ্কে প্ৰত্যেকজন অংশগ্ৰহণকাৰীক সৰ্বোত্তম সংসাধন বা সম্পদ প্ৰদান কৰে।

নেটৱৰ্কৰ বাবে বেন্দ্‌উইদ্‌থ (পেটি বেধ)ৰ* ক্ষমতা বঢ়োৱাটো প্ৰয়োজনীয়। লেকচাৰৰ বাবে উপযুক্ত কেইশমান কিলোবাইটৰ ঠাইত ঔপচাৰিক বা আনুষ্ঠানিক ডিজিটেল পুথিভঁৰালৰ বাবে কিছু মেগাৱাট ক্ষমতা আৰু ইণ্টাৰনেট্ প্ৰধান অনানুষ্ঠানিক জ্ঞানৰ জগতৰ ঠাইত বিজ্ঞান আৰু ইঞ্জিনীয়াৰিঙৰ জ্ঞানসম্পন্ন বিশ্বৰ দূৰৱৰ্তী গৱেষণাগাৰৰ মাজত গিগাবাইট ক্ষমতাযুক্ত সম্পৰ্ক থাকিব লাগে। বেন্দ্‌উইদ্‌থ সস্তা আৰু যথেষ্ট সুলভ হোৱা বাবে এই বিশ্ববিদ্যালয়সমূহ দূৰৱৰ্তী উপকৰণ আৰু জটিল সুবিধাসমূহৰ ব্যৱহাৰত সক্ষম হ'ব পাৰিব। এই সুবিধাসমূহৰ প্ৰয়োগৰ জৰিয়তে উচ্চ শিক্ষাৰ ক্ষেত্ৰত অধ্যাপনা, শিক্ষণ আৰু গৱেষণাৰ পদ্ধতিত পৰিৱৰ্তন হ'ব পাৰে। অৱশেষত ই পূৰা শিক্ষা ব্যৱস্থাত সকলোৰে ন্যায়সংগত প্ৰবেশৰ সুবিধা প্ৰদান কৰিব।

বেন্দ্‌উইদ্‌থে অসমতা বা ভাৰসাম্যহীনতা দূৰ কৰি জ্ঞানসম্পন্ন সমাজত সমতা স্থাপন কৰে। আমাৰ দেশত

---

* পটি বেধ (bandwidth) কম্পনাংকৰ পৰিসৰ, যিটোৰ ভিতৰত ইলেক্‌ট্ৰনিক পৰিবৰ্ধক, বৰ্তনী, ৰেডিঅ' গ্ৰাহক যন্ত্ৰ আদিৰ দক্ষতা সৰ্বোচ্চ মাত্ৰাতকৈ এক নিৰ্দিষ্ট পৰিমাণৰ তললৈ নানামে।

বহু শ্ৰেষ্ঠ জ্ঞানসম্পন্ন সংস্থান আছে। কিন্তু দেশৰ বিভিন্ন অঞ্চললৈ সমহাৰত জ্ঞানৰ আহ-যাহ সম্ভৱ কৰাৰ বাবে আমি সমগ্ৰ দেশত সংবদ্ধতা স্থাপিত কৰিব লাগিব। তেতিয়াহে ৰাষ্ট্ৰীয় জ্ঞান গ্ৰীডৰ স্থাপনা সম্ভৱ হ'ব।

কেন্দ্ৰীভূত অসমতা বা ভাৰসাম্যহীনতা দূৰ কৰি জ্ঞানসম্পন্ন সমাজত সমতা স্থাপন কৰে।

স্বাস্থ্য গ্ৰীড

উচ্চ বিশেষজ্ঞতা সৰ্বস্ব আৰু সাধাৰণ চিকিৎসা প্ৰধান বিভিন্ন স্বাস্থ্য সেৱা কেন্দ্ৰসমূহক পৰস্পৰৰ সৈতে যুক্ত কৰি ৰাষ্ট্ৰীয় স্বাস্থ্য গ্ৰীডৰ স্থাপনা কৰাটো আৱশ্যকীয়। স্বাস্থ্য সেৱা প্ৰশিক্ষণ সংস্থান আৰু চিকিৎসা গৱেষণা সংস্থানৰ মাজৰ সম্পৰ্কৰ জৰিয়তে স্থাপিত হোৱা নেটৱৰ্কৰ মাধ্যমত উচ্চ বিশেষজ্ঞতাসম্পন্নসকলৰ মাজত অসাধাৰণ ৰোগসমূহৰ অধ্যয়ন আৰু অভিজ্ঞতা সম্পৰ্কে ভাব বিনিময় সম্ভৱপৰ হ'ব। ইয়াৰ সহায়ত বিভিন্ন সংস্থানৰ বিশেষজ্ঞ চিকিৎসকসকলে জটিল বেমাৰ-আজাৰ সম্বন্ধে পৰস্পৰে চৰ্চা কৰাৰ লগতে চিকিৎসাসেৱা প্ৰদান কৰিবও পাৰিব।

ই-প্ৰশাসন গ্ৰীড

আজি পৃথিৱীৰ অধিকাংশ দেশে শ্ৰেষ্ঠ প্ৰশাসন বা আমোলক গুৰুত্বপূৰ্ণ লক্ষ্য হিচাপে বাছি লৈছে আৰু মুক্ত চৰকাৰৰ বাবে কিছুমান বিশেষ ব্যৱস্থা হাতত লৈছে। ইণ্টাৰনেটৰ বিপ্লৱ শ্ৰেষ্ঠ প্ৰশাসন ব্যৱস্থাৰ শক্তিশালী কাৰক বা উপাদান হিচাপে প্ৰমাণিত হৈছে। কাৰণ ইয়াৰ সহায়ত যি কোনো সময়ত যি কোনো ঠাইত সেৱা উপলব্ধ কৰাটো সম্ভৱপৰ হৈছে। দেশৰ নাগৰিকক সেৱা উপলব্ধ কৰোৱাটো চৰকাৰ এখনৰ মুখ্য কাম। ঘাইকৈ ভাৰতৰ দৰে এশ কোটি জনসংখ্যাৰ গণতান্ত্ৰিক ৰাজ্য এখনত ই-প্ৰশাসনৰ গুৰুত্ব অপৰিসীম— কিয়নো ই মানুহক তুৰন্তে যি কোনো সূচনা

দিব পাৰে। ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰৰ মাজতো সন্ধিহীন সূচনা প্ৰৱাহ সম্ভৱ হ'ব।

বৈশিষ্ট্যমূলক দৃশ্য

মই নিৰ্বাচনৰ দৃশ্য এটা মনঃচক্ষুৰে কল্পনা কৰি চাইছোঁ। এজন প্ৰাৰ্থীয়ে যেনিবা কোনো এটা সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিছে। লগে লগে নিৰ্বাচনী বিষয়াই ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী দাটাবেছৰ ভিত্তিত তেওঁৰ নিৰ্ভৰযোগ্যতা পৰীক্ষা কৰি চাব। তেওঁৰ শৈক্ষিক অৰ্হতাৰ বাবে বিশ্ববিদ্যালয়ৰ ৰেকৰ্ড চালেই হ'ল। যি নিয়োগকৰ্তাৰ অধীনত তেওঁ চাকৰি কৰি আছে তাৰ পৰাই তেওঁৰ চাকৰিৰ ৰেকৰ্ড পোৱা যাব। আয়কৰ বিভাগৰ পৰা তেওঁৰ আয় আৰু সা-সম্পত্তিৰ



পৰিমাণৰ তথ্য পোৱা যাব। তেওঁৰ মাটি-বাৰীৰ হিচাব দেশৰ বিভিন্ন ঠাইৰ ভূমি প্ৰাধিকৰণৰ পঞ্জীয়নৰ পৰা লাভ কৰিব। তেওঁৰ সামাজিক সচেতনতা আৰু নাগৰিকৰ উপযোগী আচাৰ-ব্যৱহাৰৰ বিৱৰণ আৰক্ষী বিভাগৰ অপৰাধ শাখাৰ ৰেকৰ্ড আৰু ন্যায়িক ব্যৱস্থাৰ পৰা লাভ কৰিব।

আৱশ্যকীয় তথ্যাদি সংগৃহীত কৰা আৰু উচিত সময়ত পক্ষপাতিতা নোহোৱাকৈ প্ৰস্তুত কৰা সমগ্ৰ দেশৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ৱেব্ সেৱা ডাইৰেক্টৰীৰ সহায়ত নিৰ্বাচন বিষয়াই কম্পিউটাৰ টাৰ্মিনেলৰ পৰা মাত্ৰ কেইছেকেণ্ডমানৰ ভিতৰতে সমস্ত বিৱৰণ লাভ কৰিব। কৃত্ৰিম ইন্‌টেলিজেন্স্ ছফ্‌ট্‌ৱেৰে প্ৰাৰ্থীজনৰ যোগ্যতাৰ পৰিচয় বা বিশ্লেষণ দাঙি ধৰিব আৰু তেওঁ কিমানখিনি সফল ৰাজনৈতিক নেতা হ'ব পাৰিব তাৰো মান নিৰ্ধাৰণ কৰিব। দেশৰ দূৰৱৰ্তী খণ্ড এটাত বহি বহিয়েই নিৰ্বাচন বিষয়াজনে প্ৰাৰ্থীজনৰ যোগ্যতা নিৰূপণ কৰে আৰু তাৰ লগে লগে নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হয়। সকলো ভোটদাতাই ঘৰত বহি থাকিয়েই ভাৰ্চুৱেল মতদান কেন্দ্ৰৰ জৰিয়তে ভোটদান কৰিব।

ডিজিটেল পুথিভঁৰালে স্থান-কাল, জাতি, ধৰ্ম, বৰ্ণ, আৰ্থিক স্থিতি নিৰ্বিশেষে সকলো লোকক জ্ঞানৰ জগতত সোমোৱাৰ সম অধিকাৰ বা সুবিধা প্ৰদান কৰে।

এইটো এটা সপোন নে? এনেকুৱা হোৱাটো সম্ভৱনে? যদি সম্ভৱ তেনেহ'লে আমি কেতিয়া এই সুবিধা লাভ কৰিমহঁক? আমাৰ দেশৰ এক কোটি মানুহক শ্ৰেষ্ঠ প্ৰশাসন প্ৰদান কৰিব পাৰিমনে? এনে প্ৰশাসনে ক্ষিপ্ৰতাৰে সুবিধা প্ৰদান কৰিব পাৰিবনে? প্ৰশাসনে খাঁটি বা স্বচ্ছ লেনদেন বা আদান-প্ৰদান আৰু ভেজাল বা কৃত্ৰিম লেনদেনৰ পাৰ্থক্য উলিয়াব পাৰিবনে? প্ৰশাসনে বিশেষ সেৱাৰ জৰিয়তে প্ৰকৃত ঘটনাৰ তদন্ত কৰাই ভেজাল লেনদেনৰ ক্ষেত্ৰত ন্যায়িক দণ্ডৰ ব্যৱস্থা কৰিব পাৰিবনে? চৰকাৰৰ বহনসাধ্য খৰচৰ ভিতৰত ই-প্ৰশাসনে সেইটো কৰিব পাৰিবনে? এই ব্যৱস্থা কাৰ্যকৰী হ'লে তাক প্ৰকৃতাৰ্থত নাগৰিকৰ ই-প্ৰশাসন বুলিব পৰা যাব।

ডিজিটেল পুথিভঁৰালে ঐক্যবদ্ধ কৰে, বিভাজিত নকৰে।

এনেকুৱা প্ৰণালী স্থাপিত কৰাৰ বাবে ৰাজ্য আৰু জিলা প্ৰশাসন, নিৰ্বাচন আয়োগ, বিশ্ববিদ্যালয়, বেংক, গৃহ আৰক্ষী বিভাগ, বীমা কোম্পানীৰ দৰে বিভিন্ন চৰকাৰী বিভাগক সংযুক্ত কৰা উচ্চ স্তৰীয় বেন্দ্‌উইদ্‌থ সংস্থানত উল্লম্ব আৰু আনুভূমিক গ্ৰীড স্থাপনৰ প্ৰয়োজন যাতে এই গ্ৰীডৰ জৰিয়তে তৎক্ষণাৎ সূচনা লাভ কৰিব পাৰি আৰু তাত সূচনা উপলব্ধ কৰাব পাৰি যাৰ জৰিয়তে শ্ৰেষ্ঠ প্ৰশাসনৰ লক্ষ্য পূৰণ কৰিব পাৰি।

গ্ৰামীণ গ্ৰীড

মই মনেৰে গাঁও পঞ্চায়তত গ্ৰাম জ্ঞান কেন্দ্ৰ স্থাপন কৰাৰ কল্পনা কৰিছোঁ। ইয়াৰ লক্ষ্য হ'ল গাঁৱৰ মানুহক জ্ঞানৰ সহায়ত শক্তিশালী কৰা। এই ব্যৱস্থা গাঁওবাসীৰ বাবে জ্ঞান সংবদ্ধতাৰ স্থানীয় কেন্দ্ৰস্বৰূপ হ'ব আৰু গাঁও অঞ্চলত নগৰীয়া সা-সুবিধা প্ৰদান কৰা (Providing Urban Amenities to Rural Areas– PURA) সমগ্ৰ সংৰচনাৰ অন্তৰ্ভুক্ত হ'ব।

গ্ৰাম্য জ্ঞান কেন্দ্ৰসমূহে কৃষক, মাছমৰীয়া, কাৰিকৰ বা শ্ৰমশিল্পী, ব্যৱসায়ী, বেপাৰী, উদ্যমী, নিবনুৱা যুৱক আৰু ছাত্ৰৰ অভীষ্ট জনসংখ্যাৰ প্ৰয়োজন অনুসৰি দৰকাৰী ডেটা প্ৰদান কৰিব লাগিব। তেনে ধৰণে প্ৰদান কৰা সূচনাৰ স্থানীয় প্ৰাসংগিকতা অতিশয় গুৰুত্বপূৰ্ণ। মানুহক সাধাৰণ সূচনা লাগে, কিন্তু ডেটাবিলাক সদায় আপডেটিং কৰি থাকিব লাগে কাৰণে ছিষ্টেম্ ইণ্টিগ্ৰেটৰৰ বাবে সেইটো এটা সমস্যা হৈ দেখা দিয়ে।

অভিজ্ঞতাসম্পন্ন প্ৰশিক্ষিত মানুহক তথ্য বা সূচনা উৎপন্ন কৰাত নিয়োগ কৰিব লাগে। তেওঁলোকে মানুহক বতৰৰ পূৰ্বানুমান, বতৰ সম্বন্ধীয় বতৰা, মৎস্য, কৃষিজাত আৰু

অন্যান্য গ্ৰামীণ উৎপাদৰ বিপণনৰ ডেটাবোৰ সহজ-সৰল ভাষাত বুজাই দিব পাৰিব। এই ডেটাবোৰ বিভিন্ন সংবদ্ধ সংস্থানৰ পৰা আহিব লাগিব। ই মানুহক উচিত সময়ত সেৱা আগবঢ়াব। কিন্তু নিয়মিত আপডেটেদ্ তথ্য বা সূচনাৰ ভিত্তিত ডেটা ব্যৱহাৰৰ অনুকূল তথ্য বা সূচনালৈ ৰূপান্তৰিত হোৱাটো আচল প্ৰত্যাহ্বান।

ডিজিটেল পুথিভঁৰাল অতীত আৰু বৰ্তমানৰ সংগম আৰু ই ভৱিষ্যৎ নিৰ্মাণ কৰে।

গ্ৰামীন জ্ঞান কেন্দ্ৰই আন এটা বিষয়তো গুৰুত্ব দিব লাগিব। তৰুণসকলে যাতে গ্ৰামাঞ্চলত উন্নয়নমূলক কাম-কাজ হাতত লোৱাৰ উপৰি ব্যাপক সংস্থান বা নিযুক্তিৰ সুবিধা দিব পৰা নতুন উদ্যোগ কেন্দ্ৰ স্থাপন কৰিব পাৰে তাৰ বাবে তেওঁলোকক শক্তি দিব লাগিব। তাৰ বাবে এই কেন্দ্ৰসমূহে উদ্যোগ, বেংকিং আৰু বিপণন সংস্থাসমূহৰ মাজত সম্পৰ্ক স্থাপনৰ জৰিয়তে দক্ষতা আৰু জ্ঞান প্ৰদান কৰিবলৈ সক্ষম হ'ব লাগিব। কাৰণ, বিভিন্ন স্ৰোত বা উৎসৰ সংমিশ্ৰণত ওপজা জ্ঞানহে শ্ৰেষ্ঠ জ্ঞান।

বিকশিত ৰাষ্ট্ৰৰ লক্ষ্য বা সপোন বাস্তৱায়িত কৰা

ভাৰতবৰ্ষৰ সৰ্বমুঠ মাটি কালি হ'ল ৩৩ লাখ বৰ্গ কিলোমিটাৰ। তাৰ ভিতৰত সমুদ্ৰতটৰ দৈৰ্ঘ্য মুঠ ৭০০০ কিলোমিটাৰ। সমুদ্ৰপৃষ্ঠৰ পৰা ভূমি ভাগৰ উচ্চতা ঠায়ে ঠায়ে প্ৰায় ৮৬০০ মিটাৰ। বিস্তীৰ্ণ ভূমি ভাগ মৰুভূমি, পাহাৰ, পৰ্বত, সমুদ্ৰতট, দ্বীপ, উপত্যকা, সমতল আদিৰে বেষ্টিত। দেশখনৰ এশ কোটিৰো অধিক জনসংখ্যাৰ ভিতৰত শতকৰা সত্তৰ ভাগ মানুহ মুঠ ছয় লাখ গাঁৱত বাস কৰে। ভাৰতবৰ্ষ প্ৰাকৃতিক আৰু প্ৰতিযোগিতাত্মক সা-সুবিধাৰে আশীৰ্বাদপুষ্ট। ইয়াৰ কিছুমান সুকীয়া বৈশিষ্ট্যও আছে। কিন্তু সেইবোৰ পাণ্ডৱবৰ্জিত ঠাইত সিঁচৰতি হৈ আছে। তাৰ জ্ঞান তেনেই নগণ্য বা অপৰ্যাপ্ত।

আমাৰ সমাজ ৰূপান্তৰণ আৰু দেশৰ শ্ৰীবৃদ্ধিৰ বাবে দীৰ্ঘস্থায়ী

উন্নয়নৰ প্ৰয়োজন। এই দুটা পৰ্যায় একমাত্ৰ জ্ঞানসম্পন্ন সমাজ নিৰ্মাণৰ জৰিয়তেহে বাস্তৱায়িত হ'ব। একমাত্ৰ সিয়েইহে সমগ্ৰ দেশখনক শক্তিশালী কৰিব পাৰিব।

এখন বিজ্ঞ বা জ্ঞানসম্পন্ন সমাজ হ'ব পৰাৰ সকলো সুবিধা বা সম্ভাৱনা আছে ভাৰতবৰ্ষৰ। এই লক্ষ্য পূৰণ কৰাৰ একমাত্ৰ চাবি-কাঠি হ'ল বিদ্যুৎ আৰু জ্ঞানৰ যোগেদি স্থাপিত সংবদ্ধতা। এশ কোটি লোকক সংবদ্ধ বা সংস্পৰ্শিত কৰা প্ৰচেষ্টাত বহু ধৰণৰ প্ৰত্যাহ্বান আহিব পাৰে। আমি এই প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে নিজক প্ৰস্তুত কৰিব লাগিব আৰু ভাৰতবৰ্ষক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ় দিব লাগিব।[৮] ❑

১১

বিকশিত ভাৰত নিৰ্মাণ

আমি আটায়ে মিলি এনে এখন দেশ
নিৰ্মাণ কৰিব লাগিব
যি দেশ এই পৃথিৱীৰ ভিতৰত
আটাইতকৈ বাসোপযোগী হয়
আৰু যি দেশে
লাখ লাখ মানুহৰ মুখত
হাঁহি বিৰিঙাব পাৰে।[১]

বিকশিত ভাৰত নিৰ্মাণ

ব্যক্তিতকৈ দেশ শ্ৰেষ্ঠ

স্বাধীনতা সংগ্ৰামে আমাৰ মনৰ অভ্যন্তৰত এটা ধাৰণাৰ জন্ম দি তাক প্ৰতিপালন কৰিছিল। সেইটো হ'ল যিকোনো ব্যক্তি বা যিকোনো ধৰণৰ সংগঠনতকৈ দেশ শ্ৰেষ্ঠ। কিন্তু বিগত কেইটামান দশকত এনে জাতীয় উদ্যম স্তিমিত হৈ আহিছে। বৰ্তমানে আমাৰ আৱশ্যকতা হ'ল সকলো ৰাজনৈতিক দলে পাৰস্পৰিক সহযোগিতাৰ হাত আগবঢ়াই আমাৰ সকলোৰে সন্মুখত উদ্ভৱ হোৱা জ্বলন্ত প্ৰশ্নৰ উত্তৰ দিব লাগিব— 'ভাৰতবৰ্ষ কেতিয়ামানে এখন বিকশিত ৰাষ্ট্ৰ হ'বগৈ?'[২]

সমাজৰ সকলো স্তৰৰ লোকৰ মাজত সুসংগত চিন্তাধাৰা থাকিব লাগিব। আমি প্ৰত্যেকে এইটো ভাবিব লাগিব যে

কোনো ব্যক্তি বা সংগঠনতকৈ দেশ শ্ৰেষ্ঠ। আমাৰ বহুতৰ মনত এটা ধাৰণা আছে যে আমি এইটো কৰিব নোৱাৰিম। কিন্তু দেশৰ বিভিন্ন সংস্থানত কাম কৰাৰ অভিজ্ঞতা আৰু মিছনৰ ৰূপত চলা পৰিযোজনাবিলাকৰ পৰিণাম ওচৰৰ পৰা প্ৰত্যক্ষ কৰি মোৰ এটা ধাৰণা হৈছে। স্পষ্ট উদ্দেশ্যৰে আমি যেতিয়া কিবা এটা লক্ষ্য সাধন কৰিব বিচাৰিছোঁ তেতিয়া আমি সেই লক্ষ্য পূৰণ কৰিছোঁ। বেচৰকাৰী আৰু ৰাজহুৱা দুয়োটা ক্ষেত্ৰতে মই এইটো প্ৰত্যক্ষ কৰিছোঁ যে মিছনৰ ৰূপত কিবা এটা কৰাৰ সংকল্প ল'লে সফলতা লাভ কৰাটো নিৰ্ঘাত।[৩]

জাতীয় গৌৰৱৰ ধাৰণা বদ্ধমূল কৰা

আমাৰ শৰীৰৰ ঘাম বা অক্লান্ত পৰিশ্ৰমে উন্নয়নশীল ভাৰতবৰ্ষক এদিন উন্নত বা বিকশিত ভাৰতবৰ্ষলৈ ৰূপান্তৰিত কৰিব।

যেতিয়াই প্ৰচাৰ মাধ্যম বা অন্য মাধ্যমৰ জৰিয়তে হোৱা সাংস্কৃতিক দৌৰাত্ম্যত আপুনি উত্যক্ত হ'ব তেতিয়া আপুনি নিজকে সভ্যতাৰ অমৃত সন্তান বুলি ভাবিব। ইতিমধ্যে আমি বহু আক্ৰমণৰ নিগ্ৰহ-যাতনা ভুগিছোঁ। বহু ৰাজবংশই আমাক শাসন কৰিছিল যদিও আজি আমাৰ দেশ সকলো প্ৰকাৰ আক্ৰমণৰ পৰা মুক্ত এখন স্বাধীন দেশ। উপৰ্যুপৰি আক্ৰমণৰ পৰিণামস্বৰূপে আমি সিবিলাকৰ সাংস্কৃতিক উৎকৰ্ষখিনি গ্ৰহণ কৰিছোঁ আৰু বৈচিত্ৰ্যপূৰ্ণ জীৱনশৈলীৰ কোটি কোটি মানুহৰ দেশ এখন পৰিচালনা কৰাৰ বাবে আমি নেতৃত্বৰ মহান গুণ বিকশিত কৰিছোঁ।[৪] এতিয়া আমাৰ দেশক বিপন্ন কৰিব পৰা কোনো ধৰ্ম বা ব্যক্তিৰ ধৰ্মোন্মাদনাক আশ্ৰয় দিব নালাগিব।

ধৰ্মনিৰপেক্ষতাৰ আদৰ্শৰ ক্ষেত্ৰত অবিচলিত নিষ্ঠা বা দায়বদ্ধতা থাকিব লাগিব। এই ধৰ্মনিৰপেক্ষতাই আমাৰ ৰাষ্ট্ৰীয়তাৰ ভেটি বা সীমাসন্ধি প্ৰস্তৰ আৰু আমাৰ সভ্যতাৰো মূল বৈশিষ্ট্য। সকলো ধৰ্মৰ নেতাসকলৰ কণ্ঠত এটাই বাৰ্তা

ধ্বনিত হ'ব লাগিব— সেইটো হ'ল আমাৰ দেশৰ মানুহৰ মন আৰু অন্তৰৰ ঐক্য। তেতিয়া আমি অতি সোনকালে দেশৰ সোণালী যুগ দেখিবলৈ পামহঁক।[৫]

খাদ্য শস্য উৎপাদনত আমি আত্মনির্ভৰশীল হৈছোঁ। নিজৰ সঞ্চাৰ উপগ্ৰহ নিজে নির্মাণ কৰিছোঁ আৰু দূৰ সংবেদী উপগ্ৰহ উৎক্ষেপণ কৰিছোঁ। ভাৰতবৰ্ষ যেতিয়া পাৰমাণৱিক আৰু ক্ষেপণাস্ত্ৰ শক্তিসম্পন্ন দেশ হ'ল তেতিয়া উন্নত দেশসমূহে আমাৰ ওপৰত আৰ্থিক আৰু কাৰিকৰী প্ৰতিবন্ধ আৰোপ কৰিলে। ইফালে আমি আমাৰ কৃষি, প্ৰযুক্তি আৰু উদ্যোগৰ শক্তিৰে, সৰ্বোপৰি আমাৰ দেশৰ মানুহৰ সাহসৰ জৰিয়তে প্ৰতিৰোধ আৰু সংগ্ৰাম চলাই গৈছোঁ। এই শক্তি সততে অটুট ৰাখক আৰু গতি বেগ হাজাৰ গুণে বঢ়াই দিয়ক।

পৃথিৱীখনৰ চাৰিওফালে এবাৰ চকু দিলে নিজৰ দেশখন যে শ শ উন্নয়নশীল দেশৰ অন্যতম আৰু উন্নত 'G-8'ৰ অন্তৰ্ভুক্ত তথাকথিত উন্নত বা বিকশিত দেশ নহয় সেইটো প্ৰত্যক্ষ কৰি আপুনি কেতিয়াবা নিৰাশ হ'ব পাৰে। তেতিয়া আপুনি দেশৰ কোটি কোটি তেজস্বী মনৰ কথা মনত পেলাব। আন সম্পদৰ তুলনাত ই এই ধৰাৰ বুকু, ধৰাৰ উৰ্ধ্ব আৰু ধৰাৰ তলৰ আটাইতকৈ শক্তিশালী সম্পদ। আমাৰ শৰীৰৰ ঘামে উন্নয়নশীল ভাৰতবৰ্ষক এদিন উন্নত বা বিকশিত ভাৰতবৰ্ষলৈ ৰূপান্তৰিত কৰিব। এয়েই নতুন সহস্ৰাব্দৰ মিছন ২০২০ এক উন্নত বা বিকশিত ভাৰত।[৬]

প্ৰথম স্বপ্ন

প্ৰথম আমি ১৮৫৭ চনত স্বাধীনতাৰ সপোন দেখোঁ। সেই স্বপ্নই দেশত বৃহৎ পৰিৱৰ্তন সাধন কৰিছিল আৰু মন আৰু

উদ্দেশ্যৰ ক্ষেত্ৰত মানুহ এক হৈ দেশপ্ৰেম আৰু আত্মবলিদানৰ প্ৰবল ভাবত উদ্বুদ্ধ হৈছিল। জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে বিদেশীক ছেৰ পেলোৱা বা অতিক্ৰমি যোৱাৰ বাসনা প্ৰতিজন ভাৰতীয়ৰ অন্তৰত জাগি উঠিছিল। আত্মাভিমানৰ প্ৰয়োজনত মূৰ্ত হৈ উঠা এই মহত্ত্বপূৰ্ণ বিচাৰ জাতীয় সংগ্ৰামৰ কালছোৱাত ভাৰতীয় যুব সম্প্ৰদায়ৰ ক্ষেত্ৰত হৈ উঠিছিল প্ৰবল প্ৰেৰণাদায়ী শক্তি। নিজৰ শক্তিক প্ৰতিপন্ন কৰি, আমিও তেওঁলোকৰ লগত ফেৰ মাৰিব পাৰোঁ বুলি পশ্চিমীয়া দেশক দেখুওৱাটো আছিল ৰাষ্ট্ৰীয় আন্দোলনটোৰ এক অন্যতম বৈশিষ্ট্য। স্বাধীনতা সংগ্ৰামৰ এই প্ৰথম স্বপ্নই কি ৰাজনীতি, কি ৰাজহুৱা জীৱন, সংগীত, কবিতা, সাহিত্য অথবা বিজ্ঞান যিয়েই নহওক কিয়, জীৱনৰ সকলো স্তৰতে এচাম উচ্চ পৰ্যায়ৰ নেতাৰ জন্ম দিছিল।

দেশ এখনৰ নাগৰিকসকল যিমানে সৎ হ'ব দেশখনো হ'ব সিমানে ভাল। নাগৰিকসকলৰ আত্মিক বৈশিষ্ট্য, তেওঁলোকৰ প্ৰমূল্য আৰু চাৰিত্ৰিক বৈশিষ্ট্য দেশৰ অবয়বত প্ৰতিফলিত হয়।

দ্বিতীয় স্বপ্ন

আজি স্বাধীনতা লাভৰ ছয় দশকৰ পিছত মানুহৰ অন্তৰত এনে এটা তীব্ৰ আকাংক্ষা জাগি উঠিছে যে যিকোনো মূল্যৰ বিনিময়ত ভাৰতবৰ্ষ এখন বিকশিত দেশ হ'বই লাগিব। ৰাষ্ট্ৰৰ বাবে এইটো দ্বিতীয় স্বপ্ন। এই প্ৰত্যাহ্বানৰ বাবে আমি নিজক কিদৰে প্ৰস্তুত কৰিমইঁক?[১]

স্বপ্নক লক্ষ্যলৈ ৰূপান্তৰিত কৰক

আমাৰ দেশ বৰ্তমানে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ২৬ কোটি মানুহৰ জীৱনৰ উন্নতি সধাৰ দৰে এক বৃহৎ প্ৰত্যাহ্বানৰ মুখামুখি হৈছে। সেইসকল লোকৰ বাবে থকা ঠাই, খাদ্য, স্বাস্থ্য সুৰক্ষা আৰু সংস্থান বা নিযুক্তিৰ ব্যৱস্থা কৰিব লাগিব। বৰ্তমানে আমাৰ ৰাষ্ট্ৰীয় সৰ্বমুঠ ঘৰুৱা উৎপাদ (GDP) বছৰি ছয় শতাংশ হাৰত বাঢ়ি আছে।

তেনে ক্ষেত্ৰত, মানুহক দৰিদ্ৰ সীমাৰেখাৰ পৰা উৰ্ধৰ্বলৈ আনিবলৈ হ'লে পৰৱৰ্তী দশকত বছৰি শতকৰা দহ টকা হাৰত সুসমভাৱে বৃদ্ধি হ'ব লাগিব বুলি অৰ্থনীতিবিদসকলে পৰামৰ্শ আগবঢ়াইছে।

ঐক্যবদ্ধ বা সামূহিক কাৰ্য ঃ ঐক্যবদ্ধ কাৰ্য কৰাৰ বাবে ভাৰতবৰ্ষৰ সাধন ক্ষমতা থকা পাঁচটা বিভিন্ন ক্ষেত্ৰ চিহ্নিত কৰা হৈছে। সেই ক্ষেত্ৰকেইটা হ'ল কৃষি আৰু খাদ্য সংসাধন বা প্ৰস্তুতপ্ৰণালী; নিৰ্ভৰযোগ্য আৰু গুণসম্পন্ন বিদ্যুৎ শক্তি; স্থল পৰিবহন আৰু আন্তঃগাঁথনি; শিক্ষা আৰু স্বাস্থ্য সুৰক্ষা; তথ্য আৰু সঞ্চাৰ প্ৰযুক্তি; আৰু সামৰিক ক্ষেত্ৰ। এই পাঁচটা ক্ষেত্ৰ পৰস্পৰে ঘনিষ্ঠভাৱে সম্পৰ্কযুক্ত। সিবোৰৰ ক্ষিপ্ৰ বিকাশে ৰাষ্ট্ৰীয়, খাদ্য আৰু আৰ্থিক দিশত সুৰক্ষা আনিব।[৮]

আমাৰ দেশৰ বিপুল জনসংখ্যাৰ ভিতৰত এক বৃহৎ অংশ যুৱ সম্প্ৰদায়ৰ লোক। সেইটো আমাৰ দেশৰ অদ্বিতীয় শক্তি।

বিকাশৰ চালিকা শক্তি ঃ বিকাশশীল সমাজৰ দাবী পূৰণ কৰাৰ বাবে প্ৰাকৃতিক আৰু মানৱ সম্পদৰ সম্পূৰ্ণ আৰু যথোচিত প্ৰয়োগৰ ওপৰত গুৰুত্ব দিব লাগিব। আমি এই কথাটোও মনত ৰাখিব লাগিব যে আমাৰ দেশৰ মুঠ জনসংখ্যাৰ শতকৰা ৫০ ভাগেই যুৱ সম্প্ৰদায়। তেওঁলোকে উন্নততৰ মানদণ্ডৰে বাচি থকাৰ সপোন দেখে। কৃষি, নিৰ্মাণ আৰু সেৱা ক্ষেত্ৰ, ৰাষ্ট্ৰীয় সাধন ক্ষমতাৰ নিৰ্মাণ আৰু প্ৰযুক্তিত গুণবত্তাৰ সংযোগে উচ্চ আয়যুক্ত অতিৰিক্ত সংস্থানৰ সম্ভাৱনীয়তাৰ সৃষ্টি কৰিব। পানী, শক্তি, শিক্ষা আৰু দক্ষতা বা পাৰদৰ্শিতা, আন্তঃগাঁথনি আৰু সংস্থান সৃষ্টি এই পাঁচটা ৰাষ্ট্ৰীয় মিছন সক্ৰিয় কৰি দিব পাৰিলে বিকাশৰ ইঞ্জিন ক্ষিপ্ৰ গতিৰে ঘূৰিব। সেইদৰে বছৰি শতকৰা ১০ হাৰে বৰ্ধিত মুঠ ঘৰুৱা উৎপাদ লাভ কৰিব পৰা যাব।

বিকশিত ভাৰতবৰ্ষৰ স্বৰূপ

মোৰ দৃষ্টিত বিকশিত ভাৰতবৰ্ষৰ উপযুক্ত লক্ষণ বা বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল ঃ

- এনে এখন ৰাষ্ট্ৰ য'ত চহৰ আৰু গাঁৱৰ মাজত ব্যৱধানৰ ৰেখাডাল ক্ৰমশঃ সংকুচিত হৈ আহে।
- এনে এখন ৰাষ্ট্ৰ য'ত বিজুলী আৰু বিশুদ্ধ পানীৰ সম বিতৰণ হ'ব।
- এনে এখন ৰাষ্ট্ৰ য'ত কৃষি, উদ্যোগ আৰু সেৱা ক্ষেত্ৰসমূহে সমন্বিত ৰূপত একেলগে কাম কৰিব। প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে অবিৰতভাৱে ধনাগম হ'ব আৰু সংস্থানৰ ব্যাপক সম্ভাৱনাৰ সৃষ্টি হ'ব।
- এনে এখন ৰাষ্ট্ৰ য'ত সামাজিক আৰু আৰ্থিক বৈষম্যৰ বাবে প্ৰতিভাশালী প্ৰাৰ্থী উপযুক্ত শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয়।
- এনে এখন ৰাষ্ট্ৰ যিখন বুদ্ধি-বৃত্তি থকা প্ৰতিভাশালী বা দক্ষ পণ্ডিত আৰু সমগ্ৰ পৃথিৱীৰ বিজ্ঞানীসকলৰ বাবে শ্ৰেষ্ঠ ঠাই বা লক্ষ্য হ'ব।
- এনে এখন ৰাষ্ট্ৰ য'ত কোটি কোটি জনসংখ্যাৰ বাবে স্বাস্থ্য সুৰক্ষা নিশ্চিত হ'ব আৰু য'ৰ পৰা AIDS/TB আদিৰ দৰে সংক্ৰামক বেমাৰ, পানী আৰু বীজাণুৱে সংক্ৰমিত কৰা বেমাৰ, হৃদৰোগ আৰু কেন্সাৰৰ দৰে বেমাৰবোৰ লুপ্ত হৈ গৈছে।
- এনে এখন ৰাষ্ট্ৰ য'ত প্ৰশাসন বা চৰকাৰে সৰ্বশ্ৰেষ্ঠ প্ৰযুক্তি প্ৰয়োগ কৰে যাতে সেই প্ৰশাসন সমবেদনাপূৰ্ণ, স্বচ্ছ আৰু সহজে ঢুকি পাব পৰা হয় আৰু যি শাসন-ব্যৱস্থাৰ নিয়ম-নীতি সহজ-সৰল আৰু দুৰ্নীতিমুক্ত হয়।
- এনে এখন ৰাষ্ট্ৰ য'ত দৰিদ্ৰতা সম্পূৰ্ণৰূপে হ্ৰাস পাব;

এটা কোম্পানী বা দেশ এখনৰ মূল্যৱান সম্পদ হ'ল ইয়াৰ মানুহৰ দক্ষতা, উদ্ভাৱন ক্ষমতা বা কৌশল আৰু কল্পনা বা চিন্তা-চেতনা।

নিৰক্ষৰতা আৰু নাৰীৰ ওপৰত কৰা নির্যাতন বা অপৰাধ সমূলি লোপ পাব আৰু সমাজখন নির্বিৰোধ হ'ব।

- যিখন ৰাষ্ট্র সমৃদ্ধিশালী, নিটোল, নিৰাপদ, শান্তিপূর্ণ আৰু সুখৰ আলয় হয়।
- এনে এখন ৰাষ্ট্র যিখন এই ধৰাৰ ভিতৰত আটাইতকৈ সুখ-স্বাচ্ছন্দ্যৰ নিবাস হয় আৰু যি নিজৰ কোটি কোটি মানুহৰ মুখত হাঁহি বিৰিঙাব পাৰিব।[১০]

গণতন্ত্রৰ লগে লগে বিকাশ

বিকশিত ভাৰতবর্ষৰ বহু প্রত্যাশিত এই স্বপ্ন সংসদীয় গণতন্ত্রৰ জৰিয়তে বাস্তৱায়িত হ'ব লাগিব। কিয়নো এই সংসদীয় গণতন্ত্র আমাৰ চৰকাৰী প্রশাসন ব্যৱস্থাৰ আধাৰ বা ভেটি। আমাৰ সংবিধানৰ মূল গাঁথনি সময়ৰ পৰীক্ষাত উত্তীর্ণ হৈছে। দেশৰ মানুহ আৰু ৰাষ্ট্রৰ স্বার্থত সাংবিধানিক পদ্ধতিসমূহক সন্মান কৰা আৰু উর্ধ্বত তুলি ধৰাটোৱেই আমাৰ মুখ্য কাম।

ন্যায়িক ব্যৱস্থাত সকলোৰে ন্যায়সংগত আৰু নিৰপেক্ষ প্ৰৱেশ অধিকাৰ থাকিব লাগিব।

যৌথ বা সন্মিলিত সংঘ বা মৈত্রীৰ গাঁথনিৰ ভেটিত গঠিত ভাৰতবর্ষ এখন সংযুক্ত ৰাষ্ট্র। সংঘীয় ব্যৱস্থাৰ সংৰচনাৰ ভিতৰত ৰাজ্যসমূহৰ বাবে প্রতিযোগিতাত্মক ক্ষমতা বিকশিত কৰাৰ প্রয়োজন আছে যাতে ৰাষ্ট্রীয় আৰু বিশ্বৰ পর্যায়ত সকলোকে অতিক্রমি যায়গৈ। প্রতিযোগিতাই আর্থিক আৰু প্রবন্ধন ক্ষমতা বৃদ্ধিত সহায় কৰে আৰু নতুন নতুন প্রত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে সৃজনশীলতা ক্ষিপ্রতাৰে বৃদ্ধি কৰে। বর্তমানে দ্রুত পৰিৱর্তনশীল পৃথিৱীখনত তিষ্ঠি থাকি উন্নতি সধাৰ বাবে সেইটো আৱশ্যকীয়। ঘূৰা-ফিৰা কৰাৰ স্বাধীনতা, চিন্তাৰ স্বাধীনতা আৰু প্রকাশৰ স্বাধীনতা— এই কেইটা স্বচ্ছ জীৱন-যাপনৰ স্বতন্ত্রতাৰ অন্তর্গত। আমাৰ সংবিধানতো এই ব্যৱস্থা আছে। ইখন ৰাজ্যৰ পৰা সিখন ৰাজ্যলৈ যোৱাত কাকো বাধা আৰোপ কৰিব নোৱাৰে অথবা এটা অঞ্চলৰ

পৰা অন্য এটা অঞ্চললৈ যোৱাৰ পৰা কাকো বঞ্চিত কৰিব নোৱাৰে। তেতিয়া ঐক্যৰ বান্ধোন ছিঙি যাব। উন্নয়নমূলক কাম-কাজৰ বাধাহীন অগ্ৰগতিৰ স্বাৰ্থত অনুকূল বাতাবৰণ সৃষ্টি কৰাৰ বাবে আমি আটায়ে একেলগে কাম কৰিব লাগিব।

দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা দূৰীকৰণৰ লক্ষ্যৰে ক্ষিপ্ৰ উন্নয়নৰ উপৰি প্ৰতিজন ভাৰতীয় নাগৰিকে ৰাষ্ট্ৰীয় সুৰক্ষাক শীৰ্ষ বিষয় হিচাপে গণ্য কৰিব লাগিব। স্বাভাৱিকতে, ভাৰতবৰ্ষক আৰ্থিক, সামাজিক আৰু সামৰিক দিশৰ পৰা শক্তিশালী আৰু আত্মনিৰ্ভৰশীল কৰাটোৱেই আমাৰ দেশমাতৃকাৰ প্ৰতি, নিজৰ প্ৰতি আৰু ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি আটাইতকৈ গুৰুত্বপূৰ্ণ কৰ্তব্য হ'ব।[১১]

এখন দুৰ্নীতিমুক্ত নিকা সমাজ নিৰ্মাণৰ উদ্দেশ্যে মানবিশিষ্ট কৰা আৰু মূল্যবোধ আধাৰিত গুণগত শিক্ষা প্ৰৱৰ্তন কৰাটো এটা প্ৰত্যাহ্বানমূলক সমস্যা। সেই সমস্যাৰ সমাধান উলিয়াব লাগিব। ন্যায়িক ব্যৱস্থাত সকলোৰে ন্যায়সংগত আৰু নিৰপেক্ষ প্ৰবেশ অধিকাৰ থাকিব লাগিব। সমাজ আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত হ'বলগীয়া পৰিবৰ্তনৰ দৃষ্টিৰ পৰা এইটো সংবেদনশীল বিষয়। প্ৰদূষণমুক্ত আৰু শক্তি-অনুকূলীয় বা কম শক্তি খৰচ হোৱা নগৰীয়া পৰিবহন ব্যৱস্থাৰ ৰাষ্ট্ৰীয় অনুপাতো এক প্ৰত্যাহ্বান। এই ক্ষেত্ৰতো ক্ষিপ্ৰ মনোযোগ দিব লাগিব। এই প্ৰত্যাহ্বান বা সমস্যাবিলাকৰ নিৰাময়ৰ বাবে নীতি-নিৰ্ধাৰণ আৰু সমুচিত ব্যৱস্থা গ্ৰহণ অনিবাৰ্য আৰু গুৰুত্বপূৰ্ণ প্ৰয়াস। ইয়াৰ ওপৰতে ২০২০ বৰ্ষৰ ভিতৰত বিকশিত হ'বলগীয়া ৰাষ্ট্ৰৰ ভেটি নিৰ্মিত হ'ব।[১২]

প্ৰাকৃতিক সম্পদৰ সাৰ্থক প্ৰয়োগ

ৰাষ্ট্ৰৰ শক্তি ঘাইকৈ ইয়াৰ প্ৰাকৃতিক আৰু মানৱ সম্পদৰ ওপৰত নিৰ্ভৰশীল। প্ৰাকৃতিক সম্পদৰ কথা ক'বলৈ হ'লে

ভাৰতবৰ্ষৰ বিশাল সমুদ্ৰতটত সামুদ্ৰিক সম্পদ আৰু তেল সম্পদৰ বিশাল ভাণ্ডাৰ আছে। খনিজাত সম্পদৰ ক্ষেত্ৰত এটা কথা ক'ব পাৰি যে পৰম্পৰাগত পাৰ্থিৱ সম্পদৰ বাদেও এইটো সৰ্বজনবিদিত যে ভাৰতবৰ্ষৰ ওচৰত বহুমূলীয়া ধাতুৰ খনি আৰু কয়লাৰ সৰ্ববৃহৎ ভাণ্ডাৰ আছে। জৈৱ-বৈচিত্ৰ্যৰ ক্ষেত্ৰত ভাৰতে কেইখনমান অগ্ৰণী দেশৰ লগত ফেৰ মাৰিব পাৰে। এই প্ৰাকৃতিক সম্পদবিলাকৰ জ্ঞান-আধাৰিত মূল্য-সংযোজনৰ অৰ্থ হ'ল দেশক সমৃদ্ধিশালী কৰাৰ লগতে কেঁচা সামগ্ৰী ৰপ্তানি কৰাতকৈ মূল্য সংযোজিত উৎপাদ উৎপন্ন কৰি ৰপ্তানি কৰিব লাগিব। দূৰ-চিকিৎসা, দূৰ-শিক্ষা, ই-প্ৰশাসন আৰু বিপণনৰ ৰূপত ব্যৱসায়কৰণৰ বাবে সূচনা প্ৰযুক্তিৰ প্ৰয়োগে আমাৰ বিস্তৃতি বা প্ৰসাৰতা আৰু গতি ব্যাপকভাৱে বৃদ্ধি কৰিব।

প্ৰাচীন জ্ঞান আমাৰ দেশৰ অনুপম সম্পদ। দেশৰ প্ৰগতিৰ বাবে আৰু বিশ্বৰ দৰবাৰত নিজৰ স্থিতি মজবুত কৰাৰ বাবে ইয়াৰ প্ৰয়োগ কৰাটো অত্যন্ত প্ৰয়োজনীয়।

উন্নয়নশীল জনসম্পদ

আমাৰ দেশৰ বিশাল জনসম্পদৰ ভিতৰত এক বৃহৎ সংখ্যক লোক তৰুণ সম্প্ৰদায়ৰ। সেইটোৱেই আমাৰ দেশৰ অদ্বিতীয় শক্তি। শিক্ষা আৰু প্ৰশিক্ষণৰ জৰিয়তে অপটু জনশক্তিক সেৱা ক্ষেত্ৰ, কৃষি, উদ্যোগ আদিত দক্ষ আৰু সম্পদ সৃষ্টিকাৰীলৈ ৰূপান্তৰিত কৰিব পাৰি।

উচ্চ স্তৰীয় ছফ্টৱেৰ আৰু হাৰ্ডৱেৰৰ সৈতে যুক্ত লোকৰ প্ৰয়োজন বঢ়াই বৰ্তমান উদ্যোগৰ পৰা জ্ঞান আধাৰিত উদ্যোগৰ নিৰ্মাণ কৰিব পাৰি। ইয়াৰ জৰিয়তে গুণবত্তাৰ ক্ষেত্ৰত যথেষ্ট বিকাশ হ'ব। এটা কথা প্ৰচলিত আছে— 'কোম্পানী এটাৰ মূল্যৱান সাধন বা সম্পদ হ'ল তাৰ

মানুহবিলাকৰ দক্ষতা, উদ্ভাৱন ক্ষমতা আৰু কল্পনাশক্তি।' বিশ্বায়নৰ লগে লগে এইটো বেছি গুৰুত্বপূৰ্ণ হ'ব— কাৰণ প্ৰত্যেকৰে বিশ্বমানদণ্ডৰ প্ৰযুক্তিত প্ৰবেশ ঘটিব। তেনে ক্ষেত্ৰত প্ৰযুক্তিৰ সাৰ্থক প্ৰয়োগৰ সন্দৰ্ভত বিভিন্ন দেশৰ মানুহৰ কল্পনাশীলতাই হ'ব মূল বৈশিষ্ট্য। প্ৰকৃততে মিছন-সৰ্বস্ব পৰিযোজনা আৰু স্বচ্ছ প্ৰবন্ধন সংৰচনাৰ লগতে বিকাশ আৰু বিভিন্ন প্ৰযুক্তিৰ নতুন ব্যৱহাৰৰ যোগেদিয়েই ভাৰত এখন বিকশিত দেশ হ'ব।[১৩]

গ্ৰামীণ ভাৰতবৰ্ষৰ ৰূপান্তৰণ

ভাৰতবৰ্ষৰ প্ৰায় সত্তৰ কোটি লোক গ্ৰামাঞ্চলত, ছয় লাখ গাঁৱত বাস কৰে। গাঁও আৰু চহৰৰ বৈষম্য দূৰ কৰাৰ বাবে, সংস্থানৰ সুবিধা বঢ়োৱাৰ বাবে আৰু গ্ৰামাঞ্চলৰ শ্ৰীবৃদ্ধি কৰাৰ বাবে সমাজৰ বিভিন্ন বৰ্গৰ লোকক আৰ্থিক সা-সুবিধা প্ৰদান কৰাৰ লগতে গাঁওসমূহক সংযুক্ত কৰাটো অত্যন্ত জৰুৰী। বিগত দশকবিলাকত যি কাম কৰি আহিছোঁ আগলৈকো তাৰ পুনৰাবৃত্তি কৰি থাকিলে আমাৰ কাম নহ'ব। গাঁওবিলাকক সংযুক্ত কৰা কাম বঢ়োৱাৰ বাবে আমি নতুন উপায় উদ্ভাৱন কৰিব লাগিব। স্বকীয় বৈশিষ্ট্য অটুট ৰাখি গাঁওবিলাকক লৈ একোটা একোটা থুপ বা গোট বনাব পাৰি।

দেশৰ নাগৰিকসকল ভাল হ'লে দেশখনো ভাল হ'ব।

গ্ৰামীণ ভাৰতবৰ্ষক সমৃদ্ধিশালী কৰাৰ সংহত ব্যৱস্থাবোৰ হ'ল— উন্নত ৰাস্তা-ঘাট আৰু পৰিবহন ব্যৱস্থাৰ জৰিয়তে গাঁৱৰ থুপ বা গোটসমূহক শাৰীৰিকভাৱে সংযুক্তকৰণ; উচ্চ বেন্দউইদ্‌থ্ ফাইবাৰ অপ্‌টিক কেব্‌লৰ লগতে দূৰসঞ্চাৰ মাধ্যমেৰে ইলেক্‌ট্ৰনিক সংযুক্তি যিটো ইণ্টাৰনেট কিয়াস্কৰ মাধ্যমেৰে চহৰৰ পৰা গাঁৱলৈ যাব; শিক্ষাৰ জৰিয়তে জ্ঞান সংযোগকৰণ; কৃষক, কাৰিকৰ বা হস্তশিল্পী, কাৰু শিল্পীৰ প্ৰশিক্ষণ আৰু উদ্যমশীলতা বঢ়াব পৰা কাৰ্যক্ৰম।

আমি দেশৰ বাবে কি কৰিব পাৰোঁ— সামূহিকভাৱে আমি এনে এটা যোগাত্মক দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। তেতিয়াহে আমি একেলগে লাভৱান্বিত হ'বলৈ সমৰ্থ হ'ম।

বেংক, ক্ষুদ্ৰ ঋণ আৰু উৎপাদৰ বিপণনৰ সহায়ত কাৰবাৰ আৰম্ভ কৰিলে এই তিনি ধৰণৰ সংযুক্তিকৰণে আৰ্থিক সংযুক্তিৰ সৃষ্টি কৰিব। এনে সংযুক্তিকৰণৰ সমন্বিত ব্যৱস্থাৰ জৰিয়তে প্ৰবন্ধন সংৰচনা বা গাঁথনিত বিশেষ ক্ষমতা আহিব। ফলস্বৰূপে স্থানীয় স্তৰত যোজনা কাৰ্যকৰী কৰাৰ ক্ষমতা বিকশিত হ'ব আৰু শাসন ব্যৱস্থাৰ সৰলীকৰণৰ জৰিয়তে বিনিময় খৰচ কম হ'ব।[১৪]

নৈতিক মূল্য আৰু দৃষ্টিভংগী

বৰ্তমান সময়ৰ দাবী হ'ল সকলো নাগৰিকে সংযত বা অনুশাসনমূলক কাম কৰিব লাগিব। ই প্ৰবুদ্ধ বা তেজস্বী নাগৰিকৰ জন্ম দিব। দেশৰ নাগৰিকসকল ভাল হ'লে দেশখনো ভাল হ'ব। নাগৰিকসকলৰ আত্মিক বৈশিষ্ট্য, তেওঁলোকৰ নৈতিক মূল্য আৰু তেওঁলোকৰ চাৰিত্ৰিক দিশ— এইবোৰ দেশৰ বিন্যাস বা গঠনত প্ৰতিফলিত হয়। এইবোৰ বহুত গুৰুত্বপূৰ্ণ দিশ। এইবোৰ কাৰকেই দেশ এখন প্ৰগতিৰ পথেদি আগবাঢ়ি যাব নে ইয়াৰ গতি স্থবিৰ হ'ব সেইটো নিৰ্ণয় কৰিব। সেইবাবে, ইয়াৰ প্ৰতিজন নাগৰিকৰ অন্তৰত শাশ্বত নৈতিক মূল্যৰ ধাৰণা প্ৰোথিত কৰা দৰকাৰ। প্ৰত্যেকৰ অন্তৰত অনুশাসনৰ ধাৰণা সুমুৱাই দিব লাগিব। শিক্ষা ব্যৱস্থাই একেবাৰে প্ৰাথমিক পৰ্যায়ৰ পৰাই এই বিষয়ত মনোযোগ দিব লাগে। নাগৰিকসকলৰ অন্তৰত এই অনুশাসন সুমুৱাই দিয়াৰ বাবে এটা ব্যৱস্থা কাৰ্যকৰী হ'ব বুলি মই ভাবোঁ। তাৰ বাবে কি চৰকাৰী, কি ব্যক্তিগত খণ্ডৰ সকলো শিক্ষানুষ্ঠানত উচ্চতৰ মাধ্যমিক বা স্নাতক পৰ্যায়ত সকলো যুৱকৰ বাবে কমপক্ষেও ওঠৰ মাহ মানৰ বাবে এন চি চিৰ প্ৰশিক্ষণ দিয়াটো বাধ্যতামূলক কৰিব লাগিব।

দৈনন্দিন জীৱনত আমি আটায়ে সাধুতা, নিষ্ঠা আৰু সহনশীলতা আদি নৈতিক মূল্যসমূহৰ অনুশীলন কৰিব

লাগিব। ই আমাৰ ৰাজনীতিক ৰাজনৈতিক বিচক্ষণতালৈকে উন্নীত কৰিব। আমি দেশৰ বাবে কি কৰিব পাৰোঁ— সামূহিকভাৱে আমি এনে এটা যোগাত্মক দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। তেতিয়াহে আমি একেলগে লাভৱান্বিত হ'বলৈ সমৰ্থ হ'ম। আমাৰ পূৰ্বপুৰুষসকলে যি কৰি থৈ গৈছে বা যি এৰি থৈ গৈছে তাৰ পৰা আমাৰ প্ৰভুত পৰিমাণৰ লাভ হৈছে। ভাবীকালৰ বাবে এটা সকাৰাত্মক পৰম্পৰা এৰি থৈ যোৱাটো আমাৰ নৈতিক কৰ্তব্য আৰু দায়িত্ব। তেতিয়াহে মানুহে আমাক মনত ৰাখিব।[১৫]

সামূহিক প্ৰচেষ্টা

এবাৰ মই স্কুলীয়া ল'ৰা-ছোৱালীবিলাকক লগ পাওঁতে সুধিছিলোঁ— বিকশিত ভাৰতবৰ্ষৰ মিছন মানেনো তেওঁলোকে কি বুজে। উত্তৰত সৰু ল'ৰা এটাই এনে এটা কাহিনীৰ অৱতাৰণা কৰিলে ঃ

ভাবীকালৰ বাবে এটা সকাৰাত্মক পৰম্পৰা এৰি থৈ যোৱাটো আমাৰ নৈতিক কৰ্তব্য আৰু দায়িত্ব। তেতিয়াহে মানুহে আমাক মনত ৰাখিব।

এবাৰ কোনো এখন জংঘলত বনজুই লাগিল। কেউফালে বনজুই বিয়পি যোৱাত জংঘলৰ জন্তু আৰু চৰাই-চিৰিকতি আটায়ে প্ৰাণৰ মায়াত অত্ৰাহি হৈ পলাবলৈ দৌৰা-ধপৰা লগালে। কিন্তু কণমানি চৰাই এটাই ওচৰতে থকা পানীৰ ডোবা এটালৈ গৈ তাৰ কণমানি ঠোঁটটোৰে তাৰ পৰা এঠোঁট পানী আনি সেই বনজুইত ঢালি দিলে। জুইকুৰাই হাঁহি হাঁহি তাক ক'লে, 'জুইৰ ক্ৰোধৰ পৰা নিজক বচাব এৰি তুমি কি মূৰ্খৰ দৰে কাম কৰিছা?' চৰাইটোৱে উত্তৰ দিলে, 'চোৱা! মোৰ নিচিনাকৈ এই অৰণ্যৰ সকলো পক্ষী আৰু জন্তুৱে যদি পানী আনি তোমাৰ গাত ঢালি দিয়ে এই ঠাইত এটা মহাসাগৰৰ সৃষ্টি হ'ব আৰু নিমিষতে তুমি নুমাই থাকিবা।'

এই কাহিনীটোৰ কণমানি চৰাইটোৰ নিচিনাকৈ প্ৰতিজন

ব্যক্তিয়ে এখুদ এখুদকৈ কাম কৰি ভাৰতক এক সমৃদ্ধিশালী আৰু বিকশিত দেশ হিচাপে গঢ়িব লাগিব। সেই ল'ৰাজনৰ চাৰিত্রিক দৃঢ়তা দেখি মই বৰ ভাল পাইছোঁ। মোৰ এটা দৃঢ় বিশ্বাস আছে যে দেশৰ ৫৪ কোটি যুৱকে যদি কান্ধত কান্ধ মিলাই কাম কৰি যায় তেনেহ'লে ২০২০ বৰ্ষৰ বহু আগতেই ভাৰতবৰ্ষ এখন বিকশিত ৰাষ্ট্ৰ হ'ব।[১৬]

হে সৰ্বশক্তিমান প্ৰভু!
আমাৰ দেশৰ মানুহৰ মনত
এনে ভাবনা আৰু প্ৰক্ৰিয়াৰ সৃষ্টি কৰা
যাতে আটায়ে মিলিজুলি থাকিব পাৰে!
হে প্ৰভু!
তেওঁলোকক আশীৰ্বাদ দিয়া
যাতে আটায়ে ন্যায়ৰ পথ ল'ব পাৰে!
ন্যায়পৰায়ণতাই চৰিত্ৰ দৃঢ় কৰে।
প্ৰভু!
বিভেদকামী শক্তিক প্ৰতিহত কৰাৰ বাবে
আমাৰ ধৰ্মগুৰুসকলক শকতি দিয়া!
অইন ধৰ্ম বা মতাদৰ্শৰ প্ৰতি সহনশীল হওক
ব্যক্তি, সংস্থা আৰু দেশসমূহৰ মাজৰ বৈৰিতা
বন্ধুত্ব আৰু সমন্বয়লৈ ৰূপান্তৰিত হওক
প্ৰভু! মানুহক তেনে পথৰ সন্ধান দিয়া!
'ব্যক্তিতকৈ দেশ ডাঙৰ'
নেতা আৰু মানুহৰ মনত এই চিন্তাৰ জন্ম দিয়া!
হে ভগৱান!
আমাৰ দেশখন সুখ-সমৃদ্ধিৰ আলয় হওক
বিশ্ব শান্তিৰ বাবে আটায়ে অবিৰাম কাম কৰি যাওক
মানুহক সেই আশিস দিয়া।[১৭] ❑

১২

প্ৰবুদ্ধ নাগৰিকত্ব



প্ৰবুদ্ধ নাগৰিকত্বৰ তিনিটা উপাদান আছে ঃ মূল্যসৰ্বস্ব বা মূল্য আধাৰিত শিক্ষা, আধ্যাত্মিক শক্তিলৈ ৰূপান্তৰিত হোৱা ধৰ্ম আৰু বিকাশ বা উন্নয়নৰ জৰিয়তে অৰ্থনৈতিক সমৃদ্ধিৰ সৃষ্টি।

প্ৰবুদ্ধ নাগৰিকত্ব

ঈশ্বৰৰ সৃষ্টি

মানৱ জীৱ হিচাপে জন্মাটো অতিকৈ দুৰ্লভ
তাতোকৈ দুৰ্লভ দেহৰ বিকলাংগতা নোহোৱাকৈ জন্মাটো
বিকলাংগতা নোহোৱাকৈ জন্মিলেও
জ্ঞান আৰু শিক্ষা লাভ কৰাটো দুৰ্লভ
জ্ঞান আৰু শিক্ষা লাভ কৰিলেই যেনিবা
মানৱতাৰ বাবে সেৱা আগবঢ়োৱা
আৰু উচ্চতৰ সত্তাত অনুধ্যান কৰা
তাতোকৈ দুৰ্লভ।
কোনোৱে যদি এনে নিস্বাৰ্থ স্বৰ্গীয় জীৱন-যাপন কৰে
তেনে দিব্য আত্মাক স্বাগতম জনোৱাৰ বাবে
সৰগৰ আটাইকেউখন দুৱাৰ খোলা থাকে।

মহান তামিল কবি অৱৈয়াৰ-য়ে এই কবিতাটোত ভগৱানৰ

আটাইতকৈ মূল্যবান সৃষ্টি মানৱ জীৱনৰ স্বৰ্গীয় সত্তা বা প্ৰকৃতিক বৰ সুন্দৰকৈ অভিব্যক্ত কৰিছে।[২]

সুখ-শান্তিৰে ভৰা এখন সমৃদ্ধিশালী সমাজৰ বিৱৰ্তনৰ বাবে আমাক কি লাগে? যুদ্ধৰ পৰা মুক্তি— মনৰ অভ্যন্তৰ আৰু বাহিৰৰ যুদ্ধ। তদুপৰি আমাক লাগে আনক দিব পৰা আৰু মানুহক শক্তি বা ক্ষমতা দিব পৰা একোখন মানৱ হৃদয়। প্ৰবুদ্ধ নাগৰিকৰ অৰ্হতা অৰ্জন কৰা পথ-নক্সাই মূল্য আধাৰিত শিক্ষা, আধ্যাত্মিকতালৈ ৰূপান্তৰিত হোৱা ধৰ্ম আৰু ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰ মৰ্যাদালৈ নিব পৰা দূৰদৃষ্টিসম্পন্ন নীতিক সামৰি ল'ব লাগিব।[৩]

মূল্য আধাৰিত শিক্ষা

সমাজৰ বিভিন্ন উপাদানক শক্তিসম্পন্ন কৰি সেই দাৰ্শনিক চেতনাক কাৰ্যলৈ ৰূপান্তৰিত কৰিব পাৰিলে জীৱনৰ প্ৰতি শ্ৰদ্ধা বা মোহ প্ৰকৃতাৰ্থত সম্ভৱপৰ হ'ব।

চৰিত্ৰ বিকাশ হোৱাৰ বাবে স্কুলসমূহতহে আটাইতকৈ উপযুক্ত পৰিৱেশ বিৰাজ কৰে। কাৰণ পাঁচ বছৰৰ পৰা সোতৰ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীবিলাকে প্ৰায় ২৫,০০০ ঘণ্টামান সময় স্কুলত কটায়।

আনক দিয়াৰ যি নীতি তাক এই কেইটা প্ৰশ্নৰ জৰিয়তে বৃদ্ধি কৰিব লাগে, 'মোৰ শিক্ষা-দীক্ষাই কেনেকৈ আনৰ কল্যাণ সাধন কৰিব পাৰিব? নিজৰ উৎকৰ্ষ সাধনৰ উপৰিও, একে সময়তে অইন মানুহ আৰু ৰাষ্ট্ৰৰো উৎকৰ্ষ সাধনৰ বাবে মই কি বৰঙণি আগবঢ়াব পাৰিম?'

নৈতিক উৎকৰ্ষ আত্মগত কৰা বা মনৰ মাজত প্ৰোথিত কৰাৰ বাবে সহযোগিতা, সততা বা ন্যায় বিচাৰ, সামূহিক কাম, সঠিকভাৱে কাম কৰা আৰু উচিত বা ন্যায়সংগত কাম কৰা, কঠোৰ পৰিশ্ৰম আৰু নিজতকৈ শ্ৰেষ্ঠ স্বাৰ্থৰ প্ৰতি দায়বদ্ধতা আদি প্ৰমূল্যসমূহক গুৰুত্ব বা অগ্ৰাধিকাৰ দিব লাগিব। তাৰ লগতে আমাৰ সাংস্কৃতিক বিন্যাস আৰু আমাৰ মূল্যবোধৰ কথাও মনত ৰাখিব লাগিব।[৪]

ধৰ্মৰ আধ্যাত্মিকতালৈ ৰূপান্তৰণ

খ্ৰাইষ্ট্ কলেজ উদ্বোধন কৰাৰ বাবে মোক এবাৰ ৰাজকোটৰ বিছপ ৰেভাৰেন্দ্ ফাদাৰ গ্ৰেগৰী কেৰোটেম্প্ৰেল চি এম আই-য়ে আমন্ত্ৰণ কৰিছিল। কলেজখন উদ্বোধন কৰাৰ আগতে বিছপ ডাঙৰীয়াই মোক তেখেতৰ ঘৰলৈ নিমন্ত্ৰণ কৰিলে। তেখেতৰ নিমন্ত্ৰণ ৰক্ষা কৰি মই তেখেতৰ ঘৰলৈ গ'লোঁ। তেখেতৰ ঘৰ সোমোৱাৰ লগে লগে মোৰ মনত এনে এটা অনুভৱ হ'ল— মই যেনিবা কোনোবা এখন পুণ্যধামতহে প্ৰবেশ কৰিলোঁ। তেওঁৰ ঘৰটোত এটা অতুলনীয় প্ৰাৰ্থনা কক্ষ আছিল। তাত সকলো ধৰ্মৰ অনুভূতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ উপৰি সকলো ধৰ্মকে সংযুক্ত কৰা হৈছিল। বিছপ মহোদয়ে সেই প্ৰাৰ্থনা গৃহৰ তাৎপৰ্য মোক যেতিয়া শুনাই আছিল, তেতিয়া পাৰ্শ্বৱৰ্তী স্বামীনাৰায়ণ মন্দিৰৰ পৰা মোক মাতি পঠিয়ালে। ৰেভাৰেন্দ্ ফাদাৰ গ্ৰেগৰীক মই সেই কথাটো কোৱাৰ লগে লগে তেৰোঁ মোৰ লগত যাবলৈ ওলাল।

আমি আটায়ে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। প্ৰতিজন ব্যক্তিৰ হক বা অধিকাৰ ৰক্ষা কৰাৰ বাবে আমাৰ ব্যৱহাৰ ভদ্ৰ বা সংযত কৰিবলৈ সম্ভৱপৰ সকলো প্ৰয়াস কৰিব লাগিব।

দুপৰীয়া সময়ত আমি সেই মন্দিৰটো পালোঁগৈ। সচৰাচৰ সেইটো সময়তে মন্দিৰটো বন্ধ কৰা হয়। কিন্তু সেইদিনা বিশেষভাৱে আমাৰ বাবে মন্দিৰ খোলা ৰাখিলে। আমি মন্দিৰৰ গৰ্ভগৃহত প্ৰবেশ কৰিলোঁ। তাত ভগৱান কৃষ্ণৰ মূৰ্তিটো সুন্দৰকৈ থাপিত কৰা আছিল। আমাক মাতি নি কপালত তিলক পিন্ধাই দিলে। সেইটো এটা অতুলনীয় দৃশ্য আছিল। ৰেভাৰেন্দ্ ফাদাৰ গ্ৰেগৰী, আব্দুল কালাম আৰু যজ্ঞস্বামী সুন্দৰ ৰাজন— আটাইকেউজনৰে কপালত জিলিকি উঠিল মন্দিৰৰ তিলক। এইটো ঘটনাই আমাৰ দেশৰ ভিন ভিন ধৰ্মৰ মাজৰ সংযোগ বা সম্পৰ্কৰ প্ৰমাণ বা নিদৰ্শন দাঙি ধৰিছে। এইটো মোৰ এক অতুলনীয় আধ্যাত্মিক অভিজ্ঞতা।[৫]

প্ৰত্যেক ধৰ্মৰ দুটা উপাদান আছে— ধৰ্মীয় উপদেশ দান আৰু আধ্যাত্মিক অন্তৰ্দৃষ্টি। দয়া, মমতা আৰু প্ৰেমৰ দ্বাৰা প্ৰভাৱিত আধ্যাত্মিক কেন্দ্ৰিকতাক সমন্বিত মিছন বা লক্ষ্য হিচাপে মিলাই দিব লাগিব।[৬] ধৰ্মক আধ্যাত্মিকতালৈ পৰ্যবসিত কৰাৰ

ক্ষেত্ৰত অৰবিন্দ আশ্ৰমৰ 'মাদাৰ'ৰ কথাখিনিয়ে আমাক পথনিৰ্দেশ কৰিব— "মোৰ কোনো দেশ নাই, মোৰ কোনো সভ্যতা নাই, কোনো সমাজ, কোনো গোষ্ঠী নাই— একমাত্ৰ ঈশ্বৰৰ সৈতেহে আছে। মই কোনো প্ৰভু বা গৰাকী, কোনো শাসনকৰ্তা, কোনো আইন অথবা সামাজিক নীতি বা পৰম্পৰা নামানো— একমাত্ৰ ভগৱন্ত প্ৰভুকহে মানো।" [৭]

অৰ্থনৈতিক সমৃদ্ধি

২০২০ বৰ্ষৰ ভিতৰত এখন উন্নত ভাৰতবৰ্ষৰ লক্ষ্য সাধনৰ বাবে আমি এক ৰাষ্ট্ৰ হিচাপে সংকল্পবদ্ধ হৈছোঁহক। সামাজিক ৰূপান্তৰণত সহায়ক হোৱাকৈ উপযুক্ত নীতি আৰু আইন-কানুন বিধিবদ্ধ কৰি সেই লক্ষ্য পূৰণ কৰিব লাগিব। উন্নয়নৰ বাবে মূলক্ষেত্ৰ আৰু কাৰ্যসূচী চিনাক্ত কৰা হৈছে— সেইবোৰত সমন্বিত কাৰ্যব্যৱস্থাই বিকাশ ত্বৰান্বিত কৰিব। এতিয়া এই কাৰ্যক্ৰমৰ সমন্বিত ৰূপত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ব্যয়সাৰ্থক পদ্ধতিৰে কাৰ্যকৰণৰ প্ৰত্যাহ্বান আমি গ্ৰহণ কৰিব লাগিব। কাৰ্যকৰণৰ সময়ত নাগৰিকসকলে যাতে প্ৰয়োজনীয় সেৱা সমভাৱে আৰু আয়াসতে লাভ কৰে তাৰ প্ৰতিও চকু দিব লাগিব। [৮]

শাশ্বত সংহতিৰ বাবে বিশ্বজনীন দৃষ্টিভংগী

এই ধৰাৰ বুকুত বাস কৰা প্ৰত্যেকজন ব্যক্তিৰ মৰ্যাদা সহকাৰে

বাছি থকাৰ অধিকাৰ আছে। বিশেষ কৃতিত্ব বা গৌৰৱ অৰ্জনৰ উচ্চাকাংক্ষা সকলোৰে থাকিব। সেই মৰ্যাদা আৰু বিশেষ কৃতিত্ব লাভ কৰাৰ বাবে সঠিক আৰু উচিত পন্থাৰে ব্যাপক সা-সুবিধা লাভ কৰিব পৰা অৱস্থাই গণতন্ত্ৰৰ স্বৰূপকে বুজায়। আমাৰ সংবিধানে তাকেই নিৰ্দেশিত কৰিছে। ইয়েই আমাৰ জীৱন স্বাস্থ্যকৰ কৰিছে আৰু এক সত্য আৰু জীৱন্ত গণতন্ত্ৰত জীয়াই থকাটো সাৰ্থক কৰি তুলিছে।

আনৰ মতামত বা চিন্তাধাৰাৰ প্ৰতি বাঢ়ি অহা অসহিষ্ণুতা, অন্য মানুহৰ জীৱন-ধাৰণ বা অইন ধৰ্মৰ প্ৰতি বৰ্ধিত বিদ্বেষ বা বৈৰিতা অথবা মানুহৰ বিৰুদ্ধে আইনবিৰুদ্ধ হিংসাৰ জৰিয়তে পাৰ্থক্য বা বিৰোধৰ প্ৰকাশ কোনোপধ্যে সমৰ্থন কৰিব নোৱাৰি। আমি আটায়ে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। প্ৰতিজন ব্যক্তিৰ হক বা অধিকাৰ ৰক্ষা কৰাৰ বাবে আমাৰ ব্যৱহাৰ ভদ্ৰ বা সংযত কৰিবলৈ সম্ভৱপৰ সকলো প্ৰয়াস কৰিব লাগিব। গণতান্ত্ৰিক প্ৰমূল্যৰ এইটোৱে মূল ভেটি।[১]

যুদ্ধ-বিগ্ৰহৰ গতি বিজ্ঞান

এইটো স্পষ্ট যে মানুহৰ জীৱন যুদ্ধৰ সৈতে জড়িত। যুদ্ধৰ ধৰণৰ দেখদেখ তিনিটা ভাগ আছেঃ ১৯২০ চনলৈ; ১৯২০ৰ পৰা ১৯৯০ লৈ আৰু ১৯৯০ৰ পৰৱৰ্তী পৰ্যায়ৰ। প্ৰথমৰ ভাগটো মানৱ যুদ্ধ-বিগ্ৰহৰ কাল। এই মানৱ যুদ্ধৰ অভিপ্ৰায় আছিল হয় সাম্ৰাজ্য বিস্তাৰ নহয় ধন-সম্পত্তিৰ লিপ্সা অথবা ধৰ্মীয় আগ্ৰাসন বা আধিপত্য। এইবোৰ কাৰণতে পিছলৈ ১৯১৪ চনৰ প্ৰথম বিশ্বযুদ্ধৰ সূত্ৰপাত হৈছিল।

১৯২০ ৰ পৰা ১৯৯০ লৈ দ্বিতীয় কালছোৱা হ'ল মেচিন বা যন্ত্ৰচালিত যুদ্ধ-বিগ্ৰহৰ কাল। এই কালছোৱাত সমগ্ৰ পৃথিৱীয়ে নতুন যন্ত্ৰচালিত অস্ত্ৰ-শস্ত্ৰ আৰু প্লেটফৰ্ম বা বেদী ব্যৱহাৰত

উৰ্ধ্বমুখী গতি কৰিছিল। সেই অস্ত্ৰ-শস্ত্ৰ বা প্লেটফৰ্ম আছিল যুদ্ধ জাহাজ, যুঁজাৰু বিমান আৰু ডুব নাও আদি। দুই সমাজৰ মাজৰ মতাদৰ্শগত দ্বন্দ্ব বা সংঘাতৰ বাবেই এহাতে তদানীন্তন ছোভিয়েট ৰাষ্ট্ৰ আৰু আন ফালে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু মৈত্ৰী বা জোঁটবদ্ধ দেশসমূহ যুদ্ধত লিপ্ত হৈছিল। দ্বিতীয় বিশ্বযুদ্ধই জাপানৰ দুখন চহৰত আণৱিক বোমা প্ৰয়োগৰ ফলত সংঘটিত সংহাৰী ৰূপ প্ৰত্যক্ষ কৰিছে। ফলত কি হৈছে দুয়ো পক্ষই দহ হাজাৰকৈ পাৰমাণৱিক হাথিয়াৰ সংগ্ৰহ কৰিছে।

প্ৰতিজন নাগৰিকে যেতিয়া মৰ্যাদা সহকাৰে একোটাইঁত পৰিপূৰ্ণ জীৱন যাপন কৰিব পৰা হ'ব তেতিয়াহে ৰাষ্ট্ৰ-জীৱনলৈ শান্তি আৰু সমৃদ্ধি আহিব।

১৯৯০ চনৰ পিছৰ, তৃতীয়টো পৰ্যায় হ'ল বিশ্বায়ন ত্বৰান্বিত কৰা অৰ্থনৈতিক যুদ্ধ। প্ৰযুক্তিৰ সৰ্বাধিপত্যই প্ৰযুক্তিক নস্যাৎ ক্ৰমে তাৰ নিয়ন্ত্ৰণ সাধিত কৰিছে আৰু ৰাষ্ট্ৰসমূহক উন্নত, উন্নয়নশীল আৰু অনুন্নত শ্ৰেণীত পৃথক কৰিছে। ফলত পৃথিৱী বৰ্তমান এক নতুন যুদ্ধশৈলীৰ সন্মুখীন হৈছে। সেয়া হ'ল— ধৰ্মীয় সংঘাত, মতাদৰ্শগত বৈষম্য আৰু অৰ্থনৈতিক বজাৰৰ বাবে সংগ্ৰাম। এতিয়া পাৰস্পৰিক যুদ্ধৰ ভাবুকি, দেশসমূহৰ সীমাৰ বাহিৰৰ সন্ত্ৰাসবাদ, বিদ্ৰোহ আৰু আণৱিক আক্ৰমণৰ জটিল সমন্বিত ৰূপক আমি কিদৰে প্ৰতিহত কৰিমহঁক?

সন্ত্ৰাসবাদৰ কাৰণ

মতাদৰ্শগত সংঘাত বা বৈষম্য, ধৰ্মোন্মাদনা, ভেদভাব, বিভিন্ন সংগঠন আৰু ৰাষ্ট্ৰৰ মাজৰ অৰিয়াঅৰি বা শত্ৰুতা— এইবোৰেই সন্ত্ৰাসবাদৰ মূল কাৰণ। অন্তহীন বঞ্চনাই নৈৰাশ্যৰ জন্ম দিয়ে; প্ৰৰোচনাজনিত নৈৰাশ্যই বিচ্ছিন্নতাৰ জন্ম দিয়ে। বিচ্ছিন্নতাৰ অভিব্যক্তি দুটা ৰূপত প্ৰকাশ পায়— নিষ্ক্ৰিয়তাবাদ আৰু সক্ৰিয়তাবাদ। সক্ৰিয়তাবাদ গঠনমূলক অথবা ধ্বংসাত্মক ধৰণেও আবিৰ্ভূত হ'ব পাৰে। ইয়াৰ গঠনাত্মক ৰূপে উন্নয়ন কৰে। ধ্বংসাত্মক ৰূপে সন্ত্ৰাসবাদ,

হিংসা আৰু আগ্ৰাসনৰ জন্ম দিয়ে। কিছুমান দেশ অবিৰামভাৱে সীমাৰ সিপাৰত নিৰ্দয়ভাৱে সন্ত্ৰাসবাদত জড়িত হৈ পৰিছে। আমি ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে দূৰদৃষ্টিসম্পন্ন নীতি বিধিবদ্ধ কৰি আৰু কঠোৰ শ্ৰম কৰি, মূৰৰ ঘাম মাটিত পেলাই লক্ষ্যসৰ্বস্ব যোজনাসমূহ সম্পাদন কৰি ঐক্যবদ্ধভাৱে উন্মাদনাৰ সৃষ্টি কৰা অশুভ শক্তিসমূহৰ মুখামুখি হ'ব লাগিব।

এইখিনিতে, এদিন পূৰ্ণিমাৰ ৰাতি লিখা কবিতা এটিলৈ মোৰ মনত পৰিছে। জ্যোৎস্নাবিধৌত সেই ৰাতি মোৰ হৃদয়ত আচম্বিতে হোৱা সৃষ্টিকৰ্তাৰ স্বৰ্গীয় প্ৰতিধ্বনি শুনিবলৈ পাইছিলোঁ। মই শিহৰিত আৰু হতভম্ব হৈ পৰিছিলোঁ। সেই প্ৰতিধ্বনিয়ে মোক আৰু মোৰ বংশ-গোষ্ঠীক সম্পূৰ্ণভাৱে গ্ৰাস কৰিছিল।

হে মানৱ জাতি!
তোমালোকেই মোৰ সৃষ্টিৰ
শ্ৰেষ্ঠ জীৱ
তোমালোক বাচি থকিবা— বাচি থাকিবা
বিলাই দিয়া, বিলাই দিয়া
যেতিয়ালৈকে মানুহৰ সুখ আৰু দুখত
একগোট হৈ নোযোৱা।
তোমালোকৰ হৃদয়ত জন্মিব
মোৰ পৰমানন্দ
প্ৰেম এক নিত্য শাশ্বত প্ৰবাহ
এইটোৱেই মানৱতাৰ লক্ষ্য।[১০]

প্ৰবুদ্ধ নাগৰিকপ্ৰধান সমাজ

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত, ১৯৪৩ চনত ইউনাইটেড্ নেচনছ্ স্থাপিত হৈছিল। ইয়াৰ ঘোষিত লক্ষ্য হ'ল ৰাষ্ট্ৰসমূহৰ মাজত শান্তি-সম্প্ৰীতি আনয়ন কৰা আৰু দ্বন্দ্ব-সংঘাত দূৰীকৰণ

কৰা যাতে দেশসমূহৰ মাজত যুদ্ধ-বিগ্ৰহৰ সূত্ৰপাত নহয়। কিন্তু এই ইউনাইটেড্ নেচনছ্ থকা সত্ত্বেও আজি সমগ্ৰ বিশ্বই কি প্ৰত্যক্ষ কৰিছে— দুখনকৈ বৃহৎ একপক্ষীয় যুদ্ধ সংঘটিত হৈ গৈছে। সেইবাবে আমাক এনে এটা বিশ্ব সংস্থা লাগে যি সংস্থাই কোনো বিশেষ দেশৰ আৰ্থিক স্থিতি বা ক্ষমতাৰ বিচাৰ নকৰাকৈ ৰাষ্ট্ৰসমূহৰ মাজত শান্তি-সমৃদ্ধি আৰু জ্ঞানৰ অৱতাৰণা কৰিব পাৰে। বাস্তৱিকতে, এই ধৰাৰ বুকুৰ সকলো প্ৰবুদ্ধ নাগৰিকৰ বিৱৰ্তন বা বিকাশৰ পথ সুগম কৰাটোৱেই নতুন বিশ্ব সংস্থাটোৰ স্বপ্ন হ'ব লাগিব।

ধৰাৰ বুকুত আমাৰ প্ৰত্যাহ্বানবোৰ

ছশ কোটি মানুহৰ নিবাস এই ধৰাৰ বুকুত অজস্ৰ প্ৰত্যাহ্বান আছে। খোৱা পানীৰ অভাৱ, বিভিন্ন বেমাৰৰ জন্ম, বৰ্ধিত বায়ুমণ্ডলীয় প্ৰদূষণ, জীৱাশ্ম বস্তু আৰু অন্যান্য প্ৰাকৃতিক সম্পদৰ হ্ৰাস, কৃষিৰ বাবে পৰ্যাপ্ত ভূমিৰ অভাৱ আৰু সকলো নাগৰিকৰ বাবে সমহাৰৰ সা-সুবিধা লাভৰ অভাৱ— এনে এশ এবুৰি সমস্যা আছে। বহু ৰাষ্ট্ৰ আনৰ দ্বাৰা প্ৰসাৰিত কৰা সন্ত্ৰাসবাদৰ চিকাৰ হৈছে। এই ধৰাৰ তৰুণ প্ৰজন্মই সুখ-শান্তি আৰু সা-সুবিধাৰে ভৰা দেশ এখনত বসবাস কৰাৰ সপোন দেখি আছে। আমিও এইটো প্ৰত্যক্ষ কৰিছোঁ যে মুষ্টিমেয় কেইখনমান ৰাষ্ট্ৰৰ অৰ্থনৈতিক সমৃদ্ধিয়ে এই বিশ্বৰ বুকুলৈ স্থায়ী শান্তি আনিব পৰা নাই। আনহাতে কোনো এখন দেশে অকলে এই সমস্যাৰ মোকাবিলা কৰিবও নোৱাৰিব। মানৱ সমাজৰ বাবে সৌৰশক্তি ব্যৱহাৰ কৰা, লৱণমুক্তকৰণ পদ্ধতিৰে সমুদ্ৰৰ পানীক খোৱা পানীলৈ ৰূপান্তৰিত কৰা আৰু অন্য গ্ৰহৰ পৰা খনিজ পদাৰ্থ অনাৰ ব্যাপক যোজনাৰ প্ৰয়োজন। তেনে অৱস্থাত, বৰ্তমান দেশসমূহৰ মাজৰ বিৰোধ বা অন্তৰ্দ্বন্দ্বৰ কাৰণবোৰ তাৎপৰ্যহীন আৰু অবাঞ্ছিত হৈ

পৰিব। পৃথিৱীৰ সমগ্ৰ দেশৰ বাবে সুখ, শান্তি আৰু সমৃদ্ধি আনিব পৰা প্ৰবুদ্ধ নাগৰিকপ্ৰধান সমাজৰ এক নতুন আৰ্হিৰ বিকাশ সাধন কৰাত ভাৰতবৰ্ষই বৃহৎ ভূমিকা পালন কৰিব পাৰে।[১১]

এই পৃথিৱীত বঞ্চিত বা অভাৱগ্ৰস্ত জীৱন-যাপন কৰি থকা লোকসকলৰ উদ্দেশ্যে মই এটা চাৰি তৰপীয়া সপোনৰ কথা কওঁ ঃ

- প্ৰযুক্তি আৰু শিক্ষা সৰ্বস্ব এক আৰ্থ-সামাজিক আন্দোলন— যাৰ সহায়ত এখন সুৰক্ষিত আৰু বিকশিত দেশ লাভ কৰিব পৰা যাব।
- উন্নয়নশীল সমাজৰ অধিকাংশ লোকক দুখীয়া কৰি ৰখা অন্যায় অৰ্থ ব্যৱস্থাৰ পৰা মানুহক পুনৰ্জীৱন দান কৰা আৰু মুক্তি দিয়া।
- আধুনিক জ্ঞানৰ আলোকত ঐতিহ্য বা পৰম্পৰাৰ পুনৰ্জাগৰণ হওক যাতে সমগ্ৰ মানৱ জাতিৰ বাবে সি সুন্দৰতৰ, উজ্জ্বলতৰ আৰু মহত্তৰ জীৱনৰ বহিঃ আধাৰ হয়।
- বিংশ শতিকাত মানৱ জাতিক বিচলিত আৰু জ্বালাতন কৰা সমস্যাসমূহ সমাধানৰ বাবে বিৱৰ্তন বা বিকাশৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ হ'ব পৰাকৈ মানুহৰ মনবোৰক ঐক্যবদ্ধ কৰা।[১২]

এই ধৰাৰ বুকুৰ সকলো প্ৰবুদ্ধ নাগৰিকৰ বিৱৰ্তন বা বিকাশৰ পথ সুগম কৰাটোৱেই নতুন বিশ্ব সংস্থাটোৰ স্বপ্ন হ'ব লাগিব।

হেৰোৱা ভেৰা ছাগলীৰ কাহিনী

বাইবেলত বৰ্ণিত হেৰোৱা ভেৰা ছাগলীৰ কাহিনীটোত যীশুখ্ৰীষ্টই প্ৰশ্ন কৰিছে, 'তোমালোকৰ মাজৰ কোনোবা এজনৰ যদি এশটা ভেৰাৰ মাজৰ পৰা এটা ভেৰা হেৰায় কি কৰিবা? বাকী নিৰানব্বৈটা ভেৰা পথাৰত এৰি থৈ সেই

হেৰোৱা ভেৰাটো নোপোৱালৈকে বিচাৰি নাথাকিবানে? আৰু ভেৰাটো যেতিয়া বিচাৰি পাবা তুমি ইমানেই প্ৰফুল্লিত হ'বা যে আনন্দৰ আতিশয্যত ভেৰাটোক কান্ধত তুলি লৈ ঘৰলৈ যাবা। তাৰ পিছত তুমি তোমাৰ বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াক মাতি আনি ক'বা— আমি এটা ভোজভাত খাওঁ আহা— মই হেৰোৱা ভেৰাটো বিচাৰি পালোঁ।'

সেই ভেৰাৰখীয়াজনৰ বাবে হেৰোৱা ভেৰাটোৱেই একমাত্ৰ চিন্তাৰ বিষয় হৈ পৰিছিল। সেই গল্পটোত আমাৰ দেশৰ প্ৰতিজন নাগৰিকৰ বাবে এটা বাণী আছে। সেইটো হ'ল— তোমাৰ ঘৰৰ ওচৰে-পাঁজৰে এনে এটা ঘৰ পাব পাৰা য'ত বন্তি এগছি জ্বলা নাই। তুমি সেই ঘৰটো আলোকিত কৰাত সহায় কৰা। ঠিক সেইদৰে, শিক্ষকসকলে শ্ৰেণীকোঠাত শ শ মেধাসম্পন্ন ছাত্ৰ পাব পাৰে, তাৰে ভিতৰৰ কেইজনমানে হয়তো দয়া বা সহানুভূতিৰ মাজত বিদ্যা লাভ কৰিব খোজে। সকলো শিক্ষকে তেনে বিদ্যাৰ্থীৰ সন্ধান কৰি সিহঁতক বিদ্যা-শিক্ষা দিব। আমাৰ দেশৰ নেতাসকল! আপোনালোকে বহু মানুহ লগ পাইছে আৰু কিছুমানক সহায়ো নকৰাকৈ থকা নাই। কিন্তু আপোনালোকে এনে মানুহৰ সন্ধান কৰক যাক আপোনাৰ সহায়ৰ একান্ত প্ৰয়োজন। তেনে মানুহবোৰক মূল সুঁতিলৈ লৈ আনক! লোক প্ৰশাসনৰ সৈতে জড়িতসকলে সেৱা বা সহায় লাভ কৰাৰ একান্ত প্ৰয়োজন থকা অন্তিমজন ব্যক্তিলৈ বাট চাব লাগে যাতে তেওঁ সহানুভূতিশীল লোকৰ সহায় লাভ কৰা বুলি আশ্বস্ত হ'ব পাৰে। সেইদৰে, ন্যায় আৰু আইন প্ৰণয়ন বা বিধিবদ্ধ কৰা সংস্থাৰ লোকসকলে এনেকুৱা উপেক্ষিত লোকৰ সন্ধান কৰিব লাগে। কাৰণ সচৰাচৰ ন্যায়ব্যৱস্থা আৰু নাগৰিকৰ মাজত দুৰ্লঙ্ঘ্য প্ৰাচীৰ বা খলপ আছে যাৰ বাবে তেওঁলোকে আপোনালোকক ঢুকি নাপায়। ৰাষ্ট্ৰৰ বিকাশত সহযোগী হিচাপে মিডিয়া বা প্ৰচাৰ মাধ্যমে আমাৰ মানুহৰ সফলতাক প্ৰাধান্য দিব লাগে— সি লাগিলে

মোৰ কোনো ৰাষ্ট্ৰ নাই, কোনো সভ্যতা নাই— নাই কোনো সমাজ বা গোষ্ঠী। মই কেৱল ঈশ্বৰৰ অধীন। মই কোনো প্ৰভু বা গৰাকী, কোনো শাসক, কোনো আইন অথবা সামাজিক ৰীতি-নীতি নামানো— একমাত্ৰ ভগৱানকহে মানো।

প্ৰবুদ্ধ নাগৰিকৰ বাবে শপত

- মই যি বৃত্তিকে নলওঁ কিয়, তাক ভাল পাম আৰু সেইটো বৃত্তিতেই উৎকৰ্ষ সাধনৰ চেষ্টা কৰিম।
- এতিয়াৰে পৰা মই কমপক্ষেও দহজন লোকক লেখা-পঢ়া শিকাম।
- মই দহটা গছপুলি ৰুম আৰু সেই গছপুলিকেইটা যাতে বাঢ়ি আহে তাৰ বাবে ভালকৈ আপডাল কৰিম।
- মই গ্ৰামাঞ্চল আৰু নগৰাঞ্চললৈ গৈ নিচা আৰু জুৱাৰ আসক্তি থকা কমপক্ষেও পাঁচজন লোকক শুধৰাম।
- মই ৰোগীসকলৰ যন্ত্ৰণা লাঘৱ কৰাৰ চেষ্টা কৰিম।
- মূল্যবোধসৰ্বস্ব শিক্ষা আৰু ধৰ্মক আধ্যাত্মিক শক্তিলৈ ৰূপান্তৰিত কৰি মই ভাৰতবৰ্ষৰ অৰ্থনৈতিক শক্তি লাভৰ স্বপ্ন বাস্তৱায়িত কৰা কামত ভাগ লম।
- মই জাতি সম্প্ৰদায় আৰু ভাষাৰ ভিত্তিত কোনো ভেদ ভাৱক প্ৰশ্ৰয় নিদিওঁ।
- মই সদায় এক দুৰ্নীতিমুক্ত সৎ জীৱন-যাপন কৰিম আৰু আনেও যাতে স্বচ্ছ জীৱন-পদ্ধতি অৱলম্বন কৰে তাৰ বাবে আৰ্হি দেখুৱাম।
- মই শাৰীৰিক আৰু মানসিক প্ৰতিবন্ধীসকলৰ বন্ধু হ'ম আৰু তেওঁলোকেও যাতে সমাজৰ আন লোকৰ দৰে অনুভৱ কৰে তাৰ বাবে কাম কৰি যাম।
- মই সততে মোৰ দেশ আৰু দেশবাসীৰ সফলতা উদ্‌যাপন কৰিম।[১৫]

মাছ মৰা, খেতি-বাতি কৰা, শিল্পকৰ্ম অথবা গ্ৰামীণ ক্ষেত্ৰত লাভ কৰা যিকোনো সফলতা, যিয়েই নহওক লাগিলে। বিশ্বৰ দৰবাৰত প্ৰশংসিত হোৱা ভাৰতৰ বৃহৎ সাফল্যৰ মাজত ক'ৰবাত নহয় ক'ৰবাত গ্ৰামীণ বাস্তৱতা বা সাফল্যৰ সূক্ষ্ম জগত এখনো নিহিত থাকিব পাৰে— প্ৰচাৰ মাধ্যমে তাক উলিয়াই আনিব লাগে। প্ৰতিজন নাগৰিকে যেতিয়া মৰ্যাদাসহকাৰে একোটাইঁত পৰিপূৰ্ণ জীৱন-যাপন কৰিব পৰা হ'ব তেতিয়াহে ৰাষ্ট্ৰ-জীৱনলৈ শান্তি আৰু সমৃদ্ধি আহিব।[১৩]

সশক্তকৰণ

সমাজৰ বিভিন্ন উপাদানক শক্তিসম্পন্ন কৰি সেই দাৰ্শনিক চেতনাক কাৰ্যলৈ ৰূপান্তৰিত কৰিব পাৰিলে জীৱনৰ প্ৰতি শ্ৰদ্ধা বা মোহ প্ৰকৃতাৰ্থত সম্ভৱপৰ হ'ব। সন্তানৰ স্বাভাৱিক বিকাশৰ পৰ্যায়ত পিতৃ-মাতৃয়ে সিহঁতক শক্তিমন্ত কৰি তুলিলে সেই সন্তানসকল ভৱিষ্যতে দায়িত্বশীল নাগৰিক হ'ব পাৰিব। শিক্ষক এজন জ্ঞান আৰু অভিজ্ঞতাপুষ্ট হ'লে মূল্যবোধসৰ্বস্ব এক নতুন যুৱ সম্প্ৰদায়ৰ জন্ম হ'ব। এজন ব্যক্তি বা এটা দল প্ৰযুক্তিৰে শক্তিমান হ'লে তেওঁলোকৰ গাত উচ্চতৰ উপলব্ধি বা সফলতাৰ সম্ভাৱনা প্ৰবলতৰ হৈ উঠে। গাঁও এখনৰ নেতা এজনে তেওঁ বাস কৰা অঞ্চলটোৰ মানুহবিলাকক শক্তিৱান কৰিলে সমাজৰ বিভিন্ন ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰিব পৰা নেতাৰ আৱিৰ্ভাৱ হ'ব। ধৰ্মসমূহক যেতিয়া শক্তিশালী কৰা হয় আৰু ধৰ্ম যেতিয়া আধ্যাত্মিক শক্তিলৈ ৰূপান্তৰিত হয় তেতিয়া মানুহৰ অন্তৰত সুখ-শান্তিৰ শতদল প্ৰস্ফুটিত হ'ব। বিকশিত ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষৰ ৰূপান্তৰণৰ মাধ্যম হ'ল বিভিন্ন স্তৰত প্ৰবুদ্ধ নাগৰিকক জ্ঞানৰ শক্তিৰে সশক্তকৰণ।[১৪] ❑

১৩

সৃষ্টিশীল নেতৃত্ব

সৃষ্টিশীল নেতৃত্বই সেনাধ্যক্ষ বা নায়কৰ পৰা ক্ৰীড়া-প্ৰশিক্ষক, ব্যৱস্থাপকৰ পৰা পথ-প্ৰদৰ্শক, নিৰ্দেশকৰ পৰা প্ৰতিনিধি আৰু শ্ৰদ্ধা-ভক্তি বিচৰা লোকৰ পৰা আত্মসন্মান লাভ কৰা লোক আদিৰ পৰম্পৰাগত ভূমিকা সলনি কৰা কৰ্ম সম্পাদন কৰি আছে।[১]



সৃষ্টিশীল নেতৃত্ব

নেতৃত্বৰ প্ৰয়োজন

এখন বিকশিত ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় কাৰকবোৰনো কি? আমাৰ তাত প্ৰাকৃতিক সম্পদ আছে— আৰু আছে মানৱ সম্পদ। দেশৰ এশ কোটি জনসংখ্যাৰ ভিতৰত অনূৰ্ধ্ব পঁয়ত্ৰিশ বছৰৰ লোক আছে প্ৰায় সত্তৰ কোটি। এতিয়া আমাৰ দেশৰ বাবে প্ৰয়োজন তৰুণ নেতৃত্বৰ— যি ভাৰতবৰ্ষক বিকশিত দেশলৈ ৰূপান্তৰিত কৰাৰ বাবে সঠিক পথ-নিৰ্দেশনা কৰিব পাৰিব।

নেতাবিলাকে নতুন নতুন শ্ৰেষ্ঠ সংগঠনৰ জন্ম দিয়ে। গুণসম্পন্ন নেতাবিলাক চুম্বকৰ দৰে। তেওঁলোকে সংগঠনৰ বাবে টীম বা দল একোটাৰ জন্ম দিয়াৰ বাবে

শ্ৰেষ্ঠ লোকসকলক নিজৰ ফালে আকৰ্ষিত কৰে আৰু অসফলতাৰ সময়তো প্ৰেৰণামূলক নেতৃত্ব প্ৰদান কৰে। তেওঁলোকে সংকট বা আপদ-বিপদক ভয় নকৰে। অইনে তেওঁৰ বাবে কি কৰিব পাৰিব সেইটো সোধাৰ সলনি তেওঁ অন্যক কি দিব পাৰিব নেতা এগৰাকীয়ে সেই কথাটোহে চিন্তা কৰে।[২]

নেতাৰ গাত থাকিবলগীয়া গুণ

১৯৮৩ চনৰ জুন মাহত মই ডিফেন্স্ ৰিছাৰ্চ ডিজাইন্ লেবৰেটৰী (ডি আৰ ডি এল)ত কাম কৰি আছিলোঁ। তেতিয়া ইণ্টিগ্ৰেটেড্ গাইডেদ্ মিছাইল ডেভেলপ্‌মেণ্ট্ কাৰ্যসূচী অনুমোদিত হোৱাৰ কথা। তদুপৰি পৃথ্বী, অগ্নি, আকাশ, ত্ৰিশূল আৰু নাগ প্ৰতিটো মিছাইল বা ক্ষেপণাস্ত্ৰৰ বাবে গাইগুটীয়াকৈ প্ৰকল্প সঞ্চালক একোজন বাছনি কৰিব লাগে। বহুতো অভিজ্ঞতাসম্পন্ন বিজ্ঞানীয়ে এই মৰ্যাদাপূৰ্ণ পদৰ বাবে প্ৰতিযোগিতা কৰিছিল। তেওঁলোকৰ বেছিভাগেই জ্যেষ্ঠ আৰু বয়সতো পঞ্চাশৰ ওপৰ।

গুণসম্পন্ন নেতাবিলাক চুম্বকৰ দৰে। তেওঁলোকে শ্ৰেষ্ঠ লোকসকলক নিজৰ ফালে আকৰ্ষিত কৰে।

সেই যোজনা বা প্ৰকল্পবিলাকৰ মুৰব্বী পদকেইটাৰ বাবে সকলোতকৈ উপযুক্ত প্ৰাৰ্থী বাছনি কৰাৰ বাবে আমি এটা ডাঙৰ কৰ্মপন্থা হাতত ল'লোঁ। প্ৰকল্প সঞ্চালক পদৰ কাৰণে আৱশ্যকীয় অৰ্হতা চূড়ান্ত কৰাৰ বাবে মই ডি আৰ ডি এল-ৰ প্ৰৱন্ধন পৰিষদৰ সভা এখন আহ্বান কৰিলোঁ। প্ৰৱন্ধন পৰিষদৰ প্ৰতিজন সদস্যক মই ক'লোঁ, প্ৰকল্প সঞ্চালক পদটোৰ বাবে তেওঁ ভবা আটাইতকৈ উপযুক্ত বা আৱশ্যকীয় অৰ্হতাটো তাত আঁৰি থোৱা ব্লেকবৰ্ডখনত লিখি দিব লাগে।

সেইমতে সদস্যসকলৰ আটায়ে একোটাকৈ অৰ্হতাৰ কথা

লিখি দিওঁতে গোটেই তালিকাখন তলত দিয়া ধৰণৰ হ'লগৈ ঃ

* ৰকেট টেক্নলজী অথবা ছিষ্টেম্ ইঞ্জিনীয়াৰিঙত স্নাতকোত্তৰ ডিগ্ৰী অথবা ডক্টৰেট্ ডিগ্ৰীধাৰী হ'ব লাগিব।
* ক্ষেপণাস্ত্ৰৰ ক্ষেত্ৰ অথবা প্ৰৱন্ধন— যিকোনো এটা কাৰিকৰী বিষয়ত শ্ৰেষ্ঠত্ব অৰ্জন কৰিব লাগিব।
* ঘাইকৈ ক্ষেপণাস্ত্ৰ প্ৰণালীৰ শ্ৰেষ্ঠ আৰ্হি নিৰ্মাতা হ'ব লাগিব।
* দলৰ লোক হ'ব লাগিব।
* টিম বা দল আৰু কাৰ্যসূচীত অৰিহণা আগবঢ়োৱা বিভিন্ন সংস্থাৰ লগত সৌহাৰ্দপূৰ্ণ সম্পৰ্ক বজাই ৰখাত সমৰ্থ হ'ব লাগিব।
* অতি কমেও দহ বছৰৰ চাকৰি কাল থাকিব লাগিব যাতে প্ৰকল্প সঞ্চালকজনে ক্ষেপণাস্ত্ৰসমূহৰ বিকাশ সাধন কৰি সফলতাৰে উৎপাদনৰ পৰ্যায়লৈ লৈ যোৱাত চকু দিব পাৰে।
* কোনো নিন্দা বা মহা অভিযোগ আদিৰ উৰ্ধ্বত থকা সত্যনিষ্ঠ লোক হ'ব লাগিব।

নেতা এজনে অইনে তেওঁৰ কি কৰিব পাৰিব সেইটো সোধাৰ সলনি তেওঁ অন্যক কি দিব পাৰিব সেই কথাটোহে চিন্তা কৰে।

আমি আটায়ে যেতিয়া পদকেইটাৰ বাবে থাকিবলগীয়া অৰ্হতা বা গুণাৱলীৰ ওপৰত আলোচনা কৰিলোঁ তেতিয়া আমাৰ সদস্যসকলৰ মাজত এটা সহমত হ'ল। উল্লিখিত যিকোনো এটা কাৰিকৰী ক্ষেত্ৰ বা প্ৰৱন্ধনৰ ক্ষেত্ৰত প্ৰাৰ্থীজনৰ নিৰ্ভৰযোগ্যতা বা বিশ্বাসযোগ্যতাই প্ৰথম আৱশ্যকীয় গুণ বা অৰ্হতা হ'ব লাগিব। দ্বিতীয় আৱশ্যকীয় অৰ্হতা হ'ল বাছনি কৰা প্ৰকল্প সঞ্চালকজন বয়সত তৰুণ হ'ব লাগিব যাতে তেওঁ ক্ষেপণাস্ত্ৰৰ আৰ্হি নিৰ্মাণ আৰু বিকাশ সাধন কৰি উৎপাদনৰ পৰ্যায়লৈ লৈ যাব পাৰে। তৃতীয় বাছনিত উঠা প্ৰাৰ্থীজন নিন্দা অথবা মহাভিযোগৰ

উৰ্দ্ধৰ সত্যনিষ্ঠ লোক হ'ব লাগিব। বাছনিৰ এই চৰ্ত অনুসৰি যোগ্যতাৰ অন্য যিকোনো দুটা চৰ্ত বা গুণেৰে সমৃদ্ধ কেৱল চল্লিশ বছৰৰ তলৰ বিজ্ঞানীক প্ৰকল্প সঞ্চালক পদত নিযুক্তিৰ বাবে ছিলেক্‌চন পুল বা চয়নপুলত ৰখা হৈছিল।[৩]

মিছ দৰ্শনা প্ৰকাশম বোলা কিশোৰী এগৰাকীৰ গাত এক সবল নেতৃত্ব প্ৰস্ফুটিত হোৱা মই প্ৰত্যক্ষ কৰিলোঁ। আমেৰিকা যুক্তৰাষ্ট্ৰত পঢ়ি থকা স্কুলৰ ছাত্ৰী দৰ্শনাক মই ৰাষ্ট্ৰপতি ভৱনত লগ পাইছিলোঁ। আমেৰিকাৰ স্কুলত পঢ়ি থাকিলেও ছোৱালীজনীৰ মাতৃভাষা তামিল। তেওঁ তামিল ভাষাটো সলসলীয়াকৈ ক'ব পাৰিছিল। দৰ্শনাই ভাৰতৰ গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালীক উৎকৃষ্ট শিক্ষা প্ৰদানৰ যোজনা এটা আৰম্ভ কৰাৰ আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁৰ দৃঢ় বিশ্বাস আছিল যে তেওঁ তেওঁৰ মিছনত যোগদান কৰাৰ বাবে ল'ৰা-ছোৱালীবিলাকক অনুপ্ৰেৰিত কৰিব পাৰিব আৰু যোজনাটোৰ বাবে লগা পুঁজিও নিয়াৰিকৈ চলাব পাৰিব। তেওঁৰ মতে নেতা এজনৰ গাত চৈধ্যটা গুণ থাকিব লাগে— সাধুতা, আশাবাদ, দৃঢ়সংকল্প, দূৰদৃষ্টি, বিচাৰ ক্ষমতা, নিৰ্ণয় ল'ব পৰা বা সমস্যা সমাধানৰ ক্ষমতা, সৎসাহস, অল্পভাষী বা মিতভাষী বা সদালাপী হোৱা, সহযোগিতা, উৎসাহ-উদ্দীপনা, লোকক সহায় কৰাৰ প্ৰৱণতা, ভাবাবেগৰ উচ্ছ্বাস, ৰাজহুৱা ঠাইত ভাষণ দিব পৰা গুণ আৰু সাংগঠনিক দক্ষতা। দৰ্শনা শিশু শিক্ষা কাৰ্যসূচীৰ সমন্বয়ৰক্ষী (কোঅৰ্ডিনেটৰ) হ'ব খোজে। ল'ৰা-ছোৱালীক কি শিকাব, কেনেকৈ শিকাব আদি কথা বিতংভাৱে তেওঁ মোৰ আগত কৈছিল। আঁচনিৰ গুৰুত্বপূৰ্ণ কাম-কাজ নিজে সম্পাদন কৰাৰ লগতে স্বেচ্ছাসেৱকসকলে শিকোৱা পদ্ধতিৰো তদাৰক কৰিব। নগৰ আৰু গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালীক পাঠদান কৰিব পৰা কেইগৰাকীমান স্বেচ্ছাসেৱক প্ৰেৰিত কৰিব বিচাৰিছিল। এবাৰ এচাম ল'ৰা-ছোৱালীক শিক্ষিত কৰি ল'ব পাৰিলে তেওঁলোকৰ হতুৱায়েই গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালীক

এটা মহান মন আৰু এখন বিশাল অন্তৰ একেলগে বিচৰণ কৰে।

শিক্ষাদান কৰিব পাৰিব— সেই সংকল্পৰ কথাও তেওঁ বেকত কৰিলে। এই কাৰ্যসূচীৰ ঘাই লক্ষ্য হ'ব সৰু সৰু নগৰ আৰু গ্ৰামাঞ্চলৰ যিবোৰ ল'ৰা-ছোৱালীয়ে নেতৃত্বৰ কুশলতা বা দক্ষতাৰ আভাস পোৱা নাই অথবা নিজৰ ব্যাপক সম্ভাৱনীয়তাক কামত লগাব পৰা নাই— তেওঁলোকক।

দৰ্শনাৰ মতে নেতৃত্বৰ গুণ বা দক্ষতা আয়ত্ত কৰাটো গণিত বা সাহিত্যৰ পাঠ আওৰোৱাৰ দৰে উজু নহয়। বহু ল'ৰা-ছোৱালীয়ে যে আনৰ সমকক্ষ হ'ব পাৰে আৰু দৰ্শনাৰ দৰে নেতা হ'ব পাৰে আৰু তেনে ধৰণৰ উদ্যোগ হাতত ল'ব পাৰে এইটো তাৰ এটা প্ৰকৃষ্ট উদাহৰণ।[৪]

নেতাৰ দৃষ্টি ভৱিষ্যৎ অভিমুখী

জীৱনত কোনো মহান কৰ্মত সিদ্ধি লাভ কৰিব খুজিলে উদাৰতা বা মহানুভৱতা থাকিবই লাগিব!

১৯৬২ চনত মই ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ ৰকেট ইঞ্জিনীয়াৰ হিচাপে নিযুক্ত হৈছিলোঁ। মোৰ কাম আছিল বিভিন্ন ছাউণ্ডিং ৰকেটৰ লগত থকা পেলোড্ বা ক্ষেপণভৰৰ* পৰীক্ষা-নিৰীক্ষা কৰা। মোৰ ওপৰত ন্যস্ত কৰা এটা প্ৰকল্প বা যোজনা আছিল— বায়ুমণ্ডলৰ উচ্চস্তৰৰ ওপৰত চলাই থকা অধ্যয়নৰ বাবে ন'জ্-কোণ বা নাসাবৰণ+ বহন কৰা এক্স্-ৰে ক্ষেপণভৰৰ তাপ-বৰ্জন (pyro-jettisoning) পদ্ধতি। এই প্ৰণালীৰ কাৰ্যকাৰিতা বা ফলপ্ৰসূতা প্ৰমাণ কৰাৰ বাবে মই কেইবাটাও ক্ষেত্ৰ-পৰীক্ষা চলালোঁ। ইয়াৰ পিছত মোৰ দৃঢ়বিশ্বাস জন্মিল যে তিনি মাহৰ অন্তৰে অন্তৰে ক্ষেত্ৰ পৰিদৰ্শনত অহা প্ৰফেছৰ বিক্ৰম সাৰাভাইৰ সন্মুখত নিজৰ এই পৰীক্ষা প্ৰদৰ্শন কৰিবলৈ মাতিলে মই নিশ্চয় সফল হ'ব পাৰিম। প্ৰফেছৰ বিক্ৰম সাৰাভাইৰ আগমন সদায় গুৰুত্বসহকাৰে লোৱা হয়। তেওঁ পৰিদৰ্শনত অহাৰ আগে আগে আটায়ে নিজৰ নিজৰ পৰীক্ষা প্ৰস্তুত কৰি থয় আৰু

---

* পেলোড্ ঃ ক্ষেপণাস্ত্ৰৰ মূৰত থকা বোমা বা আন ভৰ— ক্ষেপণভৰ।

+ ন'জ্‌কোণ্ ঃ ক্ষেপণাস্ত্ৰৰ আগৰ তাপসহ অংশ— নাসাবৰণ।

তেওঁৰ আগত সেই পৰীক্ষা প্ৰদৰ্শন কৰি নিজৰ প্ৰতিভা বা বুৎপত্তি প্ৰমাণ কৰিবলৈ তৎপৰ হৈ থাকে। ময়ো তেনে প্ৰদৰ্শনৰ বাবে দুটাকৈ ক্ষেপণভৰ সাজু কৰি ৰাখিলোঁ। এদিন প্ৰফেছৰ সাৰাভাই আহিল আৰু তেওঁৰ আগত পৰীক্ষাবোৰ প্ৰদৰ্শন কৰা হ'ল। কিন্তু দৈৱদুৰ্বিপাকত মোৰ প্ৰথমটো পৰীক্ষা অসফল হ'ল। হাতত থকা সময়কণৰ ভিতৰতে মই বাৰে বাৰে পৰীক্ষা কৰি চালোঁ। কিন্তু দ্বিতীয় পৰীক্ষাটোতো মই অকৃতকাৰ্য হ'লোঁ। প্ৰফেছৰ সাৰাভায়ে মুখেৰে এটা শব্দও উচ্চাৰণ নকৰাকৈ গুচি গ'ল। স্বাভাৱিকতে মই বেয়াকৈ আতংকিত হ'লোঁ। গোটেই ৰাতি উজাগৰে থাকি মই অকৃতকাৰ্য হোৱাৰ খুটি-নাটিবোৰ পুংখানুপুংখভাৱে পৰীক্ষা কৰি চালোঁ। তাৰ পিছত ৰাতিয়েই মই হাতে লিখা প্ৰতিবেদন এটা যুগুতাই উলিয়ালোঁ। তেতিয়া মই উপলব্ধি কৰিলোঁ যে সেইটো আছিল গুণবত্তা আৰু নিৰ্ভৰযোগ্যতা বা বিশ্বাসনীয়তাৰ সৈতে যুক্ত সমস্যা। পিছদিনা পুৱা প্ৰফেছৰ বিক্ৰম সাৰাভায়ে মোক টেলিফোন কৰি মাতি পঠিয়ালে। মই বৰ হতাশ হ'লোঁ। ভাবিলোঁ— মই তেখেতৰ আগত অসফলতাৰ বাবে কাৰণ দৰ্শাব লাগিব। ভয়ে ভয়ে তেখেতৰ কোঠালৈ সোমাই গ'লোঁ। কিন্তু কি আচৰিত! প্ৰফেছৰ সাৰাভায়ে উষ্ণ হাঁহি এটা মাৰি মোক সম্ভাষণ জনালে। তাতোকৈ আচৰিত কথা— তেখেতে মোৰ হাতত এখন কাগজ তুলি দিলে। সেয়া আছিল ৰকেট ইণ্টিগ্ৰেচন লেবৰেটৰী অথবা ৰকেট সমন্বয়ন প্ৰয়োগশালা এটিৰ অনুমোদন। সেয়াই আছিল উৎক্ষেপণ যান কাৰ্যক্ৰমৰ সৈতে যুক্ত ছিষ্টেম ইণ্টিগ্ৰেচন লেবৰেটৰী অৰ্থাৎ প্ৰণালী সমন্বয়ন প্ৰয়োগশালাৰ সূচনা।[৫]

প্ৰকৃত নেতা এজনে সফলতাৰ বাবে তেওঁৰ সহকৰ্মীসকলকো কৃতিত্বৰ ভাগ দিয়ে। অথচ অসফলতাৰ দায়িত্ব নিজে গাত পাতি লয়।

নেতাই অসফলতাক শোষণ কৰি লয়

দুই দশকৰ আগতে, মই যেতিয়া ISROত কাম কৰি আছিলোঁ তেতিয়া মই পৰম উৎকৃষ্ট শিক্ষা লাভ কৰিছিলোঁ। এনে শিক্ষা বা জ্ঞান কোনো বিশ্ববিদ্যালয়ে

প্ৰদান কৰিব নোৱাৰে। প্ৰফেছৰ সতীশ ধাৱানে মোক ৰোহিনী উপগ্ৰহ কক্ষত স্থাপিত কৰাৰ বাবে উপগ্ৰহ উৎক্ষেপণ যান এছ এল ভি-৩ বিকশিত কৰিবলৈ নিৰ্দেশ দিয়ে। ১৯৭৩ চনত হাতত লোৱা সেইটো আছিল অন্যতম সৰ্ববৃহৎ উচ্চ প্ৰযুক্তিসম্পন্ন মহাকাশ কাৰ্যসূচী। মহাকাশ প্ৰযুক্তিৰ লগত যুক্ত আটায়ে এই কাৰ্যক্ৰমৰ সৈতে জড়িত হৈ পৰিছিল। হাজাৰ হাজাৰ বিজ্ঞানী, অভিযন্তা আৰু কাৰিকৰী বিভাগৰ লোকে দিনে-নিশাই কাম কৰিছিল। এনে প্ৰচেষ্টাৰ ফলতেই ১৯৭৯ চনৰ ১০ আগষ্টৰ পুৱতী নিশা উপগ্ৰহ উৎক্ষেপণ যান-৩-ৰ উৎক্ষেপণ বাস্তৱায়িত হৈছিল। সিদিনা এছ এল ভি-৩য়ে উৰণ মাৰিলে। প্ৰথম চৰণটোৱে বৰ সুন্দৰকৈ কাম কৰিছিল। কিন্তু দ্বিতীয় চৰণটোত নিয়ন্ত্ৰণ প্ৰণালীৰ কিবা এটা বিজুতি ঘটিল যাৰ ফলত মিছনটো সফল নহ'ল।

এজন উদ্যমীৰ গাত থাকিবলগীয়া মূল বৈশিষ্ট্যকেইটা হ'ল— বাসনা বা ইচ্ছা, প্ৰেৰণা, অনুশাসন আৰু দৃঢ়সংকল্প।

সেই ঘটনাটোৰ পিছত শ্ৰীহৰিকোটাত এখন সংবাদ মেল পতা হ'ল। প্ৰফেছৰ ধাৱানে মোকো এই সংবাদমেললৈ লৈ গৈছিল। সেই সংবাদমেলখনত তেওঁ মিছনটোত অসফল হোৱাৰ দায়িত্ব নিজে মূৰ পাতি ল'লে। আনহাতে মই আছিলোঁ সেই প্ৰকল্পৰ সঞ্চালক, আৰু মিছনটোৰো সঞ্চালক।

১৯৮০ চনৰ ১৮ জুলাইৰ দিনাখন আমি পুনৰায় এছ এল ভি-৩ উৎক্ষেপণ কৰিলোঁ। এইবাৰ আমি ৰোহিণী উপগ্ৰহক কক্ষত স্থাপিত কৰাত সফল হ'লোঁ। এইবাৰো এখন সংবাদ মেলৰ আয়োজন কৰা হ'ল। প্ৰফেছৰ সতীশ ধাৱানে এইবাৰ মোক আগৰ শাৰীত বহুৱাই দি সাংবাদিকসকলৰ আগত আমাৰ সফলতাৰ কাহিনী বিবৃত কৰিবলৈ দিছিল।

এই ঘটনাটোৰ পৰা মই এটা ডাঙৰ শিক্ষা লাভ কৰিলোঁ। প্ৰকৃত নেতা এজনে সফলতাৰ বাবে তেওঁৰ সহকৰ্মীসকলকো কৃতিত্বৰ ভাগ দিয়ে। অথচ অসফলতাৰ দায়িত্ব নিজে গাত পাতি লয়। এয়াই প্ৰকৃত নেতৃত্ব।

ভাৰতবৰ্ষৰ বিজ্ঞানী সম্প্ৰদায়টোৰ তেনে বহু নেতাৰ সৈতে আমাৰ একেলগে কাম কৰাৰ সৌভাগ্য হৈছিল। তাৰ ফলতেই বিকাশৰ ক্ষেত্ৰত বৃহৎ সাফল্য সম্ভৱ হৈছিল।[৬]

প্ৰকৃত নেতাই আনৰ সফলতাও উদ্‌যাপন কৰে

ন'বেল বঁটা বিজয়ী প্ৰফেছৰ নৰমান বৰলাগ এজন প্ৰসিদ্ধ কৃষি বিজ্ঞানী। তেওঁক ২০০5 চনৰ বাবে ড° এম এছ স্বামীনাথন বঁটা দিয়া হৈছিল। নতুন দিল্লীৰ বিজ্ঞান ভৱনত পতা জাকজমকতাপূৰ্ণ অনুষ্ঠানত তেওঁ আছিল মধ্যমণি। সভাগৃহত উপস্থিত থকা আটায়ে মুক্তকণ্ঠে তেওঁৰ প্ৰশংসা কৰিছিল।

তেওঁৰ কোৱাৰ পাল পৰিলত তেওঁ থিয় হ'ল আৰু কৃষি বিজ্ঞান আৰু উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ সন্দৰ্ভত সুবিস্তৃত ভাষণ দিলে। তেওঁ কৈছিল—ৰাজনৈতিক স্বপ্নদ্ৰষ্টা শ্ৰীচি সুব্ৰমণিয়াম আৰু কৃষি বিজ্ঞানী



ড° এম এছ স্বামীনাথনেই ভাৰতবৰ্ষৰ সেউজ বিপ্লৱৰ মূল হোতাস্বৰূপ আছিল। ভাষণ প্ৰসংগত তেওঁ ভাৰতত শ্বেত বিপ্লৱ (হোৱাইট্ ৰিভলিউচন)ৰ সূচনা কৰা ড° ভাৰ্গীজ কুৰিয়েনৰ কথাও গৌৰৱ সহকাৰে স্মৰণ কৰিছিল। তাৰ পিছতেই এক বিস্ময়কৰ ঘটনা ঘটিল।

ড° বৰলাগে মূৰটো ঘূৰাই তৃতীয়, পঞ্চম আৰু অষ্টম শাৰীত দৰ্শকৰ মাজত বহি থকা বিজ্ঞানীসকললৈ আঙুলিয়াই ড° ৰাজা ৰামক গম বিশেষজ্ঞ, ড° এছ কে ভাছালক মাকৈ বিশেষজ্ঞ আৰু ড° বি আৰ বাৰৱালেক বীজ বিশেষজ্ঞ বুলি চিনাকি কৰাই দিলে। তাৰ পিছত তেওঁ ক'লে যে সেই আটাইকেউজন বিজ্ঞানীয়ে ভাৰতবৰ্ষৰ সেউজ বিপ্লৱৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাইছিল। আটাইকেউজন বিজ্ঞানীক থিয় হ'বলৈ কৈ তেওঁ দৰ্শকৰ সৈতে তেওঁলোকক চিনাকি কৰাই দিলে। তেওঁৰ কথাত দৰ্শকেও তিনিওজন বিজ্ঞানীক হৰ্ষোল্লাসেৰে বিপুল আদৰণি জনালে। আমাৰ দেশত মই কোনোদিনে এনে দৃশ্য প্ৰত্যক্ষ কৰা নাছিলোঁ।

ড° নৰমান বৰলাগৰ এই কাৰ্যক মই বৈজ্ঞানিকৰ মহানুভৱতা আৰু এজন প্ৰকৃত নেতাৰ লক্ষণ বুলি অভিহিত কৰিছোঁ। জীৱনত মহান কৰ্মত সিদ্ধি লাভ কৰিবলৈ হ'লে আপোনাৰ অন্তৰত মহানুভৱতা থাকিবই লাগিব।[৭]

অলপতে মই এখন কিতাপ পঢ়িলোঁ। এটা সংগঠনৰ মেনেজমেণ্টে কেনেকৈ সমুদ্ৰৰ গৰ্ভত লীন হৈ যোৱা ডুব নাও এখন উদ্ধাৰ কৰিছিল সেইটোৱেই কিতাপখনৰ কাহিনী। মেনেজমেণ্টে ডুব নাওখন সমুদ্ৰৰ বুকুত হেৰাই যোৱা বুলি জানিব পাৰি চাৰিজন বিশেষজ্ঞৰ উপস্থিতিত সভা এখন আহ্বান কৰিলে। সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হ'ল। কিন্তু সেই সিদ্ধান্ত অনুসৰি ডুব নাওখনৰ সন্ধান আৰম্ভ কৰিলে যদিও সকলো প্ৰচেষ্টা অথলে গ'ল।

তাৰ পিছত সৰ্বোচ্চ মেনেজমেণ্টে সংস্থানটোৰ বিভিন্ন বিভাগৰ মুঠ চল্লিশজন লোকৰ উপস্থিতিত বৈঠক এখন পাতি ব্যাপক তদন্তৰ ব্যৱস্থা হাতত লোৱাৰ সিদ্ধান্ত কৰিলে। চল্লিশজন সদস্যৰ আটাইকেউজনৰ পৰা তদন্ত আগবঢ়াই নিয়াৰ বাবে সুকীয়া সুকীয়াকৈ পৰামৰ্শ বিচৰা হ'ল। পৰিণামস্বৰূপে চল্লিশটা পৰামৰ্শৰ মাজৰ পৰা পাঁচটা বিকল্প ওলাল। তাৰ ওপৰত ভিত্তি কৰিয়েই পাঁচটা সমান্তৰাল দলক অনুসন্ধান প্ৰক্ৰিয়া চলাবলৈ নিয়োগ কৰা হ'ল। অৱশেষত যেনিবা হেৰোৱা ডুব নাওখন উদ্ধাৰ হ'ল। ISRO আৰু DRDO-ৰ দৰে ভাৰতীয় বিজ্ঞান সংস্থানসমূহতো সমস্যা সমাধানৰ বাবে এনে কায়দা বা উপায় হাতত লোৱা হয়। তাত কাৰ্যক্ৰম সমীক্ষা বৈঠকত বিভিন্ন বিষয়ৰ বিশেষজ্ঞসকলে ভাগ লৈছিল। পৰিণামস্বৰূপে তেওঁলোকে সমস্যা নিৰূপণৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত লৈ সন্তোষজনক সমাধান বিচাৰি উলিয়াইছিল।[৮]

নৈতিক নেতৃত্ব

নেতাই নৈতিক নেতৃত্ব প্ৰদান কৰে। নৈতিক নেতৃত্বৰ দুটা কথা আছে। প্ৰথম— মানৱৰ কল্যাণকামী সম্মোহক আৰু শক্তিশালী স্বপ্ন দেখাৰ ক্ষমতা থাকিব লাগিব। এনে এক

স্থিতিৰ কল্পনা কৰিব লাগিব য'ত মানৱ জাতিয়ে বৰ্তমানতকৈ ভৱিষ্যতে বেছি ভাল কৰিব পাৰে। দ্বিতীয়— নৈতিক নেতৃত্বৰ সমুচিত কৰ্ম কৰাৰ মানসিকতা থাকিব লাগিব— তাৰ লগতে তেওঁ আনকো তেনে কাম কৰাৰ বাবে প্ৰভাৱিত কৰিব।[৯]

উদ্যমশীল নেতৃত্ব

নৈতিক নেতৃত্বই মানুহক উচিত কাম কৰাটো বিচাৰে। উদ্যমশীল নেতৃত্বই বিচাৰে মানুহে কামবোৰ শুদ্ধকৈ কৰাৰ অভ্যাস কৰক।

দেশৰ সৃষ্টিশীল নেতাৰ অনুপাত যিমানে অধিক হ'ব 'বিকশিত ভাৰতবৰ্ষ'ৰ দৰে স্বপ্ন বাস্তৱায়িত হোৱাৰ সম্ভাৱনীয়তাও সিমানে বেছি হ'ব।

'হট্‌মেইল' খ্যাতিসম্পন্ন উদ্যমী ব্যক্তি ছবীৰ ভাটিয়াক মই যেতিয়া লগ পাওঁ তেতিয়া তেওঁ মোক কিছুমান আকৰ্ষণীয় পৰিসংখ্যা দিছিল। তেওঁ কৈছিল যে আমেৰিকা যুক্তৰাষ্ট্ৰত শতকৰা নবৈ ভাগ সম্পদ সৃষ্টি কৰে লঘু উদ্যোগসমূহে। সেই প্ৰতিষ্ঠানবোৰত পঞ্চাশজনতকৈও কম সংখ্যক লোকক নিয়োগ কৰা হয়। চৰকাৰে তেনেবোৰ প্ৰতিষ্ঠানৰ বিকাশৰ বাবে উদ্যোগ গ্ৰহণ কৰে। উদ্যমশীল নেতৃত্বৰ তিনিটা অংগ। প্ৰথম— বিকাশৰ সন্দৰ্ভত সমস্যা নিৰূপণ আৰু তাৰ সমাধানৰ পথ। আমাৰ অভাৱ বা আৱশ্যকতাৰ বোধেৰে আৰম্ভ হোৱা উদ্যমশীলতাৰ জৰিয়তে এইটোও উপলব্ধি হয় যে মানৱ প্ৰাণী হিচাপে আমাৰ সকলোৰে অভাৱ বা প্ৰয়োজন একে ধৰণৰ। আমি নিজক যিদৰে সহায় কৰোঁ আনকো তেনে ধৰণে সহায় কৰাৰ মানসিকতাৰ পৰা উদ্যমশীলতা আহে। দ্বিতীয়— সম্ভাব্য বিপদৰ মুখামুখি হোৱাৰ মানসিকতা। উদ্যমশীলতাই কাম-কাজবোৰ ভিন্ন ধৰণে কৰাটো বিচাৰে— সেইক্ষেত্ৰত, চিন্তা-ভাবনাৰ ক্ষেত্ৰত সাহসী হ'ব লাগিব। সেইটো সদায় বিপদসংকুল। বৃহত্তৰ লাভৰ স্বাৰ্থত আপদ-বিপদৰ হিচাব কৰাৰ কৌশল আয়ত্ত কৰিব লাগিব। তৃতীয় কথাটো হ'ল— কামবোৰ উচিত ধৰণে কৰাৰ প্ৰবৃত্তি বা মানসিকতা থাকিব লাগিব।[১০]

এজন উদ্যমীৰ গাত থাকিবলগীয়া মূল বৈশিষ্ট্যকেইটা হ'ল— বাসনা বা ইচ্ছা, প্ৰেৰণা, অনুশাসন আৰু দৃঢ়সংকল্প। ভাবী উদ্যমীসকলৰ গাত নিম্নোক্ত বৈশিষ্ট্য বা লক্ষণবোৰ থাকিব লাগিব আৰু নাথাকিলেও সেইবোৰ নিজৰ অভ্যন্তৰত বিকশিত কৰিব লাগিব ঃ

- স্বপ্ন বা দিক্‌নিৰ্দেশক শক্তি বা উদ্দীপনা
- য'ত অন্য মানুহে লক্ষ্য নকৰে তাত সম্ভাৱনা প্ৰত্যক্ষ কৰাৰ ক্ষমতা
- নিতৌ নতুন সুবিধা আৰু প্ৰত্যাহ্বানৰ সন্ধান কৰা
- সৃষ্টিশীল হোৱা আৰু বন্ধ বাকচৰ বাহিৰলৈ আহি চিন্তা কৰাৰ বাবে সমৰ্থ হোৱা
- কামবোৰ নিয়াৰিকৈ কৰাৰ বাবে অবিৰাম যত্ন কৰা
- বিপদৰ মুখামুখি হোৱাৰ বাবে দৃঢ়চেতা হোৱা
- সক্ৰিয় বা সপ্ৰতিভ হোৱা আৰু ভৱিষ্যতৰ প্ৰতি গুৰুত্ব দিয়া
- উৎকৃষ্ট জ্ঞান আৰু কৰ্মদক্ষতাৰ ভেটি নিৰ্মাণ কৰা।[১১]

নেতৃত্বই আৰ্থিক উন্নতি সাধে

উন্নয়ন, আৰ্থিক সমৃদ্ধি, প্ৰযুক্তি, উৎপাদন, উৎপাদনশীলতা, কৰ্মচাৰীৰ ভূমিকা আৰু প্ৰৱন্ধনৰ মান— এইবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ আছে আৰু এই আটাইবোৰ সৃষ্টিশীল নেতৃত্বৰ সৈতে যুক্ত।

> প্ৰতিস্পৰ্দ্ধা বা প্ৰতিযোগিতামূলক মানসিকতাই এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়ন সশক্ত কৰে; প্ৰতিস্পৰ্দ্ধা জ্ঞান-শক্তিৰে সশক্ত হয়।
>
> প্ৰযুক্তি আৰু উদ্ভাৱন সংসাধন বা সম্পদৰ বিনিয়োগত প্ৰভাৱিত হয়। সম্পদৰ বিনিয়োগ ৰাজহ আৰু বিনিয়োগৰ পৰা হোৱা লাভাংশৰ দ্বাৰা সশক্ত হয়।

ৰাজহে শক্তি লাভ কৰে গ্ৰাহকৰ সঞ্জাত বা বিশ্বাসৰ জৰিয়তে বাৰ বাৰ হোৱা বিক্ৰী আৰু বস্তুৰ পৰিমাণৰ পৰা; গ্ৰাহকৰ বিশ্বস্ততা উৎপাদৰ গুণ আৰু মূল্যই সশক্ত কৰে। উৎপাদসমূহৰ গুণবত্তা আৰু মূল্য বা উপযোগিতা সশক্ত হয় কৰ্মচাৰীৰ উৎপাদকতা আৰু উদ্ভাৱনশীলতাৰ দ্বাৰা। কৰ্মচাৰীৰ বিশ্বস্ততা, কৰ্মচাৰীৰ সন্তুষ্টি আৰু কাম কৰাৰ পৰিৱেশ আদিয়ে কৰ্মচাৰীৰ উৎপাদকতাক শক্তি যোগায়।

কাম কৰাৰ পৰিৱেশ সশক্ত হয় প্ৰৱন্ধন আৰু সুস্থ প্ৰকল্প প্ৰৱন্ধনৰ দ্বাৰা। প্ৰৱন্ধন অধিকাৰীসকলে শক্তি লাভ কৰে সৃষ্টিশীল নেতৃত্বৰ পৰা। [১২]

কোনো নেতাই যেতিয়া নিজৰ প্ৰতিষ্ঠানত কৰ্মৰত লোকক সশক্ত কৰে তেতিয়া এনে নেতাৰ জন্ম হয় যি স্বয়ং ৰাষ্ট্ৰৰ গতি বা সোঁতকো সলনি কৰি দিব পাৰে।

সৃষ্টিশীল নেতৃত্ব

২০২০ বৰ্ষৰ ভিতৰত ভাৰতবৰ্ষক এক বিকশিত ৰাষ্ট্ৰ হিচাপে ৰূপান্তৰিত কৰাৰ স্বপ্ন ফলিয়াবৰ বাবে সৃষ্টিশীল নেতৃত্বৰ ক্ৰমবিকাশ এক গুৰুত্বপূৰ্ণ সংঘটক বা কাৰক। কোন সেই সৃষ্টিশীল নেতা? সৃষ্টিশীল নেতা এজনৰ গাত থাকিবলগীয়া গুণবোৰ কি কি?

সৃষ্টিশীল নেতৃত্বই সেনাধ্যক্ষ বা নায়কৰ পৰা ক্ৰীড়া-প্ৰশিক্ষক, ব্যৱস্থাপকৰ পৰা পথ-প্ৰদৰ্শক, নিৰ্দেশকৰ পৰা প্ৰতিনিধি আৰু শ্ৰদ্ধা-ভক্তি বিচৰা লোকৰ পৰা আত্মসন্মান লাভ কৰা লোক আদিৰ পৰম্পৰাগত ভূমিকা সলনি কৰা কৰ্ম সম্পাদন কৰি আছে।

দেশত সৃষ্টিশীল নেতাৰ অনুপাত যিমানে অধিক হ'ব 'বিকশিত ভাৰতবৰ্ষ'ৰ দৰে স্বপ্ন বাস্তৱায়িত হোৱাৰ সম্ভাৱনীয়তাও সিমানে বেছি হ'ব। [১৩]

শক্তিশালীকৰণ ঃ নেতৃত্বৰ লক্ষ্য

সম্প্ৰতি আমাৰ যিটো বস্তুৰ সৰ্বাধিক প্ৰয়োজন সেইটো হ'ল— কি ৰাজনীতি, কি প্ৰশাসন, কি ধৰ্ম, ব্যৱসায়, শিক্ষা অথবা বিজ্ঞান— জীৱনৰ সকলো স্তৰতে আমাৰ মাজত প্ৰবুদ্ধ আৰু স্বপ্নদৰ্শী নেতাৰ আবিৰ্ভাৱ বা ক্ৰমবিকাশ। কিয়নো আমাৰ ৰাষ্ট্ৰ আৰু সমাজৰ ক্ৰমবিকাশৰ ওপৰত তেওঁৰ প্ৰভাৱ বিদ্যমান হয়। প্ৰবুদ্ধ নেতৃত্বই সশক্তকৰণৰ মূল ধুৰা। সুতৰাং বৰ্তমান সময়ৰ দাবী হ'ল আমাৰ সমাজৰ বিভিন্ন বৰ্গত প্ৰবুদ্ধ নেতৃত্ব বিকশিত হওক।

কিয়নো তেনে নেতাৰ দুচকুত থাকে অযুত স্বপ্ন আৰু অন্তৰত থাকে শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ বাবে নৈতিক দায়বদ্ধতা।

কোনো নেতাই যেতিয়া নিজৰ প্ৰতিষ্ঠানত কৰ্মৰত লোকক সশক্ত কৰে তেতিয়া এনে নেতাৰ জন্ম হয় যি স্বয়ং ৰাষ্ট্ৰৰ গতি বা সোঁতকো সলনি কৰি দিব পাৰে।[১৪] ❑

১৪

অদম্য শক্তি

বিজয়ৰ বাবে আমাক সাহস লাগে
যি সাহসে আমাক এই ধৰাৰ বুকুৰ
এডুখৰি ন্যায়সংগত স্থানলৈ লৈ যাব পাৰে
যি সাহসে এইটো স্বীকৃতি দিব যে
এক গৌৰৱোজ্জ্বল সভ্যতাৰ
উত্তৰাধিকাৰী হিচাপে আমি
এই গ্ৰহত এডুখৰি ন্যায্য ঠাই পোৱাৰ যোগ্য।
সেই অদম্য শক্তি বা সাহস
আমাৰ অভ্যন্তৰত জাগৃত কৰিব পাৰিলে
ন্যায্য প্ৰাপ্তিৰ পৰা
একোৱে আমাক বিৰত কৰিব নোৱাৰে।[১]

অদম্য শক্তি

প্ৰতিবন্ধকতাৰে যুঁজাৰ সাহস

'এবিলিম্পিক্‌ছ্' (Abilympics)ত ভাগ লোৱাৰ বাবে ভিন্ ভিন্ ধৰণৰ প্ৰায় এহাজাৰমান প্ৰতিবন্ধী শিশু আহিছিল। সেই প্ৰতিবন্ধী শিশুসকলক ৰাষ্ট্ৰপতি ভৱনলৈ আমন্ত্ৰিত কৰা হৈছিল। সেই শিশুসকলক মই এটা নিচেই সৰু কবিতা আবৃত্তি কৰি শুনালোঁ। সেই বিশেষ উদ্দেশ্যটোক লৈয়েই মই কবিতাটো লিখিছিলোঁ—

আমি আটায়ে ঈশ্বৰৰ সন্তান
হীৰাতকৈও দৃঢ় আমাৰ মন
আমি জয় লাভ কৰিম
জয় লাভ কৰিম—
প্ৰবল ইচ্ছাশক্তিৰ জোৰত।
ঈশ্বৰ লগত থাকিলে
কোননো যাব আমাৰ বিৰুদ্ধে!

কবিতাটো শুনি ইৰাণৰ মুস্তাফা বোলা ল'ৰা এজন মোৰ

ওচৰ চাপি আহিল। ল'ৰাটোৰ দুয়োখন ভৰি নাই। কৃত্ৰিম ভৰি লগোৱা। মোৰ কাষলৈ আহি তেওঁ মোৰ হাতত কাগজ এটুকুৰা দিলে। কাগজৰ টুকুৰাটোত তেওঁ পাৰ্চী ভাষাত এটা সুন্দৰ কবিতা লিখি আনিছিল। কবিতাটোৰ নাম 'সাহস'।

সাহস

মোৰ ভৰিহাল নাই
মোৰ মনে মোক সকীয়ায়
নাকান্দিবা—
কিয়নো
মই আনকি সম্ৰাটৰ আগতো
নত কৰিব নোখোজোঁ নিজৰ শিৰ!

ল'ৰাজনৰ ইতিবাচক চিন্তা আৰু জীৱনৰ সৈতে মুখামুখি হোৱাৰ সাহস আৰু আশাবাদ দেখি মই সঁচাকৈয়ে অভিভূত হ'লোঁ।[২]

অন্যায়-অধৰ্মৰে যুঁজাৰ সাহস

২০০৪ চনত মই আফ্ৰিকা ভ্ৰমণলৈ গৈছিলোঁ। তেতিয়া মহাত্মা গান্ধীৰ পদাংকৰ সন্ধানত পীটাৰ্মেৰিট্‌জ্‌বাৰ্গ যাত্ৰা কৰাৰ বাবে মই ডাৰবানৰ পাৰ্শ্ববৰ্তী পেৰ্ন্‌ৰিচ্‌ ষ্টেচনত এখন ৰে'লত উঠিলোঁ। এই ষ্টেচনৰ পৰাই গান্ধীয়ে নিজৰ ভাগ্য নিৰ্ণায়ক যাত্ৰা আৰম্ভ কৰিছিল। এই যাত্ৰাই পিছলৈ গান্ধীজীৰ জীৱনৰ মোৰ সলাই দিছিল।

মহৎ কাৰ্য-সম্পাদনৰ উচ্চতৰ লক্ষ্যাভিমুখী স্বপ্ন বা কৃষ্টি হ'ল অদম্য শক্তিৰ প্ৰথম উপাদান।

১৮৯৩ চনৰ ৭ জুনৰ দিনা তেওঁ প্ৰিটোৰীয়া যাত্ৰা কৰিবলৈ ৰে'লত উঠিছিল। মোকৰ্দমাৰ মোক্কেলবিলাকক লগ কৰাৰ বাবে তেওঁ তালৈ গৈছিল। তেওঁৰ বাবে প্ৰথম শ্ৰেণীৰ আসন এখন সংৰক্ষিত কৰা হৈছিল। নিশা প্ৰায় ন মান বজাত ৰে'লখনে পীটাৰ্মেৰিট্‌জ্‌বাৰ্গ ষ্টেচনত প্ৰৱেশ কৰাৰ লগে লগে এজন শ্বেতাংগ লোক ডবাটোলৈ উঠি গ'ল।

লক্ষ্য সাধনৰ পথত অহা সকলো বিঘিনি বা অন্তৰায় আঁতৰোৱাৰ সামৰ্থ্য হ'ল অদম্য শক্তিৰ দ্বিতীয়টো উপাদান।

সেইটো ডবাতে এজন কৃষ্ণাংগ লোকেও ভ্ৰমণ কৰা দেখি শ্বেতাংগজন খণ্ডত জ্বলি-পকি উঠিল। তেওঁ ডবাটোৰ পৰা ওলাই গৈ তুৰন্তে দুজন বিষয়াক লৈ ঘূৰি আহিল। বিষয়া দুজনে গান্ধীক সেই ডবাটোৰ পৰা ওলাই ভেন কম্পাৰ্ট্‌মেণ্টত বহিবলৈ ক'লে। গান্ধীয়ে তাৰ বিৰোধিতা কৰি আসন সলনি কৰিবলৈ অস্বীকাৰ কৰাত কনিষ্টবল এজনে তেওঁক গঁতিয়াই ৰে'লৰ ভিতৰৰ পৰা বাহিৰ কৰি দিলে। তেওঁ লগত অনা টোপোলা-টুপলিবিলাকো বাহিৰলৈ দলিয়াই দিলে। য'ৰে গান্ধী ত'তে এৰি ৰে'লখন গৈয়েই থাকিল।

সেইদিনা নিশাটো গান্ধীয়ে ষ্টেচনৰ প্ৰতীক্ষালয়তে পাৰ কৰিলে। তেতিয়া আছিল শীতৰ দিন। হাড় কঁপোৱা জাৰ। তেওঁৰ অ'ভাৰকোটটো টোপোলাৰ ভিতৰতে আছিল যদিও পুনৰ অপমানিত হোৱাৰ ভয়ত নুলিয়ালে। গান্ধীয়ে ভাৰতলৈ ঘূৰি অহাৰ কথা ভাবিলে। কিন্তু তেওঁ নহাটোকে ঠিক কৰিলে— কিয়নো তেনে এটা সিদ্ধান্ত হ'ব কাপুৰুষালি। তাত থাকিয়েই তেওঁ গোষ্ঠীদ্বন্দ্বৰ লেখীয়া অভিশাপৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ বাবে অংগীকাৰ কৰিলে। এই ঘটনাই গান্ধীজীৰ জীৱনৰ গতি সলনি কৰি দিলে। তেওঁ কৈছে "ঠিক সেই দিনটোৰ পৰাই মোৰ সক্ৰিয় অহিংস আন্দোলন আৰম্ভ হ'ল।"

আমি ভ্ৰমণ কৰা ৰে'লখন আৰু ডবাটো মহাত্মা গান্ধীয়ে ভ্ৰমণ কৰা ডবাটোৰ সৈতে হুবহু একে। পীটাৰ্‌মেট্ৰিজ্‌বাৰ্গ ষ্টেচনত নামি মই এখন ফলক দেখিলোঁ। সেই ফলকখনৰ ওচৰতে মহাত্মাক গঁতিয়াই পেলাই দিয়া হৈছিল। সেই ফলকখনত এইদৰে লিখা আছিল ঃ

"এই ফলকখনৰ ওচৰতে ১৮৯৩ চনৰ ৭ জুনৰ দিনাখন মোহন দাস কৰমচাঁদ গান্ধীক প্ৰথম শ্ৰেণীৰ ডবাৰ পৰা উৎখাত কৰা হৈছিল। এই ঘটনাটোৱে তেওঁৰ জীৱনৰ মোৰ সলাই দিলে। তেতিয়াই তেওঁ গোষ্ঠীগত অত্যাচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ বদ্ধপৰিকৰ হ'ল। প্ৰকৃতাৰ্থত সেই

দিনাখনৰ পৰাই তেওঁৰ সক্ৰিয় অহিংস আন্দোলন আৰম্ভ হৈছিল।" ৩

এক অদম্য শক্তি

দক্ষিণ আফ্ৰিকালৈ যাওঁতে মই ড° নেলছন মেণ্ডেলাক সাক্ষাৎ কৰিছিলোঁ। ড° নেলছন মেণ্ডেলাৰ বাবেই দক্ষিণ আফ্ৰিকাই স্বাধীনতা লাভ কৰিছিল। তেওঁৰ জীৱনৰ পৰা শিকিবলগীয়া দুটা কথা আছে— অদম্য শক্তি আৰু ক্ষমাৰ গুণ।

দক্ষিণ আফ্ৰিকাৰ কেপ্ টাউন চহৰ টেবল্ মাউণ্টেইনৰ বাবে বিখ্যাত। ইয়াৰ তিনিটা শৃংগ আছে— টেব্‌ল পীক্, ডেভিল পীক আৰু ফেক্ পীক্। সেই শৃংগবিলাকৰ মাজত দিনজোৰা মনোমুগ্ধকৰ দৃশ্য বিৰাজ কৰি থাকে। কেতিয়াবা শুকুলা মেঘ আৰু কেতিয়াবা কৃষ্ণবৰ্ণ মেঘে শৃংগকেইটা অনবৰতে ঘেৰি থাকে। টেবল মাউণ্টেইন আটলাণ্টিক মহাসাগৰৰ সাগৰীয় উপকূলৰ নিকটৱৰ্তী। কেপটাউনৰ পৰা আমি হেলিকপ্টাৰেদি ৰবেন আইলেণ্ডলৈ গ'লোঁ। ৰবেন আইলেণ্ড পাওঁতে দেখোঁ— সাগৰৰ ঘনঘোৰ গৰ্জনৰ বাদে সমগ্ৰ দ্বীপটো তেনেই শান্ত-নীৰৱ। সেই নীৰৱতাৰ প্ৰতীকী অৰ্থ হ'ল এই যে সেই ঠাইতেই এজন ব্যক্তিৰ স্বাধীনতাক শৃংখলিত কৰা হৈছিল। আহমেদ কেথ্ৰাদা বোলা দক্ষিণ আফ্ৰিকীয় লোক এজনে আমাক স্বাগতম জনালেহি। তেওঁ ড° নেলছন মেণ্ডেলাৰ সৈতে একেলগে জে'লত আছিল। দ্বীপটোত আমাক এটা কোঠা দেখুওৱা হ'ল, যিটো কোঠাৰ ভিতৰত নেলছন মেণ্ডেলাক সুদীৰ্ঘ ২৬ বছৰ কাল আবদ্ধ কৰি ৰখা হৈছিল। কোঠাটো দেখি মই অতিশয় আচৰিত হৈছিলোঁ। ইমানেই সৰু কোঠা— অথচ তাৰ ভিতৰতে থকা-মেলা কৰাৰ উপৰি মানুহৰ নিত্য কৰ্মবোৰো সম্পন্ন কৰিব লাগিছিল। মনত ৰাখিবলগীয়া কথা হ'ল এই যে ছফুট দীৰ্ঘদেহী ড° নেলছন মেণ্ডেলাক বৰ্ণবৈষম্যৰ বিৰুদ্ধে কৰা ছাব্বিশ বছৰীয়া সংগ্ৰামৰ সময়ত তেনে এটি ক্ষুদ্ৰ কোঠাতেই বন্দী কৰি

আত্মবল অভ্যন্তৰৰ পৰাই ওপজে।

ৰখা হৈছিল। তেওঁৰ জীৱনৰ বেছিভাগ সময় সেই দ্বীপটোৰ সৰু কুঠৰীটোতে পাৰ হৈছিল। প্ৰখৰ ৰ'দৰ তাপত তেওঁক ওচৰৰ পাহাৰখনলৈ শিল ভঙাৰ বাবে লৈ যোৱা হৈছিল। সেই সময়তে তেওঁৰ দৃষ্টিশক্তিও বেয়া হৈ গৈছিল। অবৰ্ণনীয় দৈহিক নিৰ্যাতনত নিগৃহীত হোৱাৰ পিছতো তেওঁ সমগ্ৰ পৃথিৱীক দেখুৱাই দিছিল তেওঁৰ অদম্য আত্মবল। বন্দীত্বৰ কালছোৱাত প্ৰত্যেক দিনা ৰাতি জে'লৰ ৱাৰ্ডেন বিছনালৈ যোৱাৰ পিছত তেওঁ কঠোৰ পৰিশ্ৰম কৰি সৰু সৰু আখৰেৰে কিতাপ লিখি আছিল। তেনেকৈ ৰাতি ৰাতি অকণি অকণি আখৰেৰে লিখা কিতাপখনেই হ'ল তেওঁৰ বিখ্যাত গ্ৰন্থ— 'এ লং ওৱাক্ টু ফ্ৰীডম্'।

ড° নেলছন মেণ্ডেলাক তেওঁৰ জোহান্সবাৰ্গৰ নিজৰ ঘৰত লগ পোৱাটো মোৰ জীৱনৰ এক উল্লেখযোগ্য ঘটনা। মই যেতিয়া তেওঁৰ ঘৰত প্ৰৱেশ কৰিলোঁ তেতিয়া প্ৰত্যক্ষ কৰিলোঁ— তেওঁৰ ত্ৰিমাত্ৰিক অবয়ৱ প্ৰাণপ্ৰাচুৰ্যৰে উদ্ভাসিত হৈ আছে। মই তেওঁৰ মাজত বৰ্ণবৈষম্যৰ নিগ্ৰহৰ পৰা দক্ষিণ আফ্ৰিকাক স্বাধীন কৰা বিশাল ব্যক্তিত্বৰ লোকজনক প্ৰত্যক্ষ কৰিলোঁ। তেওঁৰ মাজত মই আৰু এজন ভিন্ন ব্যক্তিৰ সাক্ষাৎ পালোঁ— যিজন ব্যক্তিয়ে দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি হোৱাৰ পিছত সকলো মানুহকে, আনকি যিসকলে তেওঁক বেয়া ব্যৱহাৰ কৰিছিল— বৰ্ণবৈষম্যৰ পোষকতা কৰিছিল আৰু তেওঁক জে'ল দিছিল, তেওঁলোককো সমদৃষ্টিৰে একেখন

দেশৰ নাগৰিক হিচাপে গ্ৰহণ কৰিছিল। তেওঁৰ লগত কৰমৰ্দন কৰি এজন মহান আত্মাৰ হাতত ধৰা যেন মই অনুভৱ কৰিছিলোঁ। ড° নেলছন মেণ্ডেলাৰ পৰা লাভ কৰা শিক্ষাটোৱেই যেনিবা তিৰুকুৰলৰ এটা কুৰলৰ মাজেদি অনুৰণিত হৈছে, যাৰ অৰ্থ এনেকুৱা ঃ

"তোমাক যিসকলে দুৰ্ব্যৱহাৰ কৰিছে তেওঁলোকৰ বাবে সমুচিত শাস্তি হ'ল তেওঁলোকৰ মংগল সাধন কৰা।" [৪]

অদম্য আত্মবল কি?

অদম্য আত্মবলৰ দুটা উপাদান আছে। প্ৰথমটো উপাদান হ'ল এই যে কাৰ্য সম্পাদনৰ উচ্চতৰ লক্ষ্যাভিমুখী স্বপ্ন বা দৃষ্টি থাকিব লাগিব। সন্তি কবি তিৰুবল্লুবৰে ২২০০ বৰ্ষৰ আগতে লিখি থৈ যোৱা 'তিৰুকুৰল'ৰ কবিতা এফাকি এই সন্দৰ্ভত উল্লেখ কৰিলোঁ ঃ

வெள்ளத் தனைய மலர்நீட்டம் மாந்தர்தம்
உள்ளத் தனையது உயர்வு

[নৈ বা হ্ৰদ বা পুখুৰীৰ গভীৰতা যিয়েই নহওক লাগিলে, অথবা তাৰ পানীৰ অৱস্থা যেনেকুৱাই নহওক কিয়, তাত সদায় ভেঁটফুল ফুলিবই।] সেইদৰে লক্ষ্যত উপনীত হোৱাৰ বাবে দৃঢ়সংকল্প থাকিলে হাজাৰটা সমস্যা বা আহুকাল থাকিলেও সফলতা লাভ কৰাটো নিশ্চিত।

দ্বিতীয় উপাদানটো হ'ল এই যে কোনো মিছন বা লক্ষ্য সাধনৰ পথত আহিব পৰা সকলো বাধা বা অন্তৰায় অতিক্ৰম বা পৰাভূত কৰাৰ ক্ষমতা। বৃহৎ কাৰ্যক্ৰম আৰু পৰিযোজনা ব্যস্ত আমাৰ বহুতৰ ক্ষেত্ৰত এনে অভিজ্ঞতা হয় যে সফলতা আপোনাৰ হাতে ঢুকি পোৱাতে নাথাকে। সফলতাৰ বাটত অলেখ বাধা বা অন্তৰায় থাকে। এই সময়ত তিৰুবল্লুবৰৰ

কবিতা এফাকিয়েই প্ৰণিধানযোগ্য ঃ

இடும்பைக்கு இடும்பை படுப்பர் இடும்பைக்கு
இடும்பை படாஅ தவர்

ইয়াৰ অৰ্থ হ'ল— সফল নেতা এজনক কোনো সমস্যাই টলাব বা পৰাভূত কৰিব নোৱাৰে। তেওঁ সমস্যাক পৰাভূত কৰি পৰিস্থিতিক নিজৰ নিয়ন্ত্ৰণলৈ আনে। মই ভাবোঁ এই দুটা 'কুৰল'-এ অদম্য আত্মবলৰ বৈশিষ্ট্য বা গুণ প্ৰকাশ কৰিছে।[৫]

মনোবল

বুলগেৰিয়া ভ্ৰমণলৈ যাওঁতে মই তাৰ ৰাষ্ট্ৰীয় শিল্প প্ৰদৰ্শনী কক্ষ (নেচনেল আৰ্ট গেলাৰী)টোও চালোঁ। সেই সময়ত তাত ঘাইকৈ বুলগেৰিয়াৰ কলাকাৰৰ শিল্প প্ৰদৰ্শনী এখন চলি আছিল। লগতে বিখ্যাত বুলগেৰিয়ান শিল্পী Zlatju Bojadjiev-ৰ জন্ম তিথি উপলক্ষে তেওঁৰেই শিল্পকৰ্মসমূহৰো প্ৰদৰ্শনী হৈ আছিল। পক্ষাঘাতগ্ৰস্ত হৈ তেওঁৰ সোঁহাতখন অকামিলা হৈ পৰাত বাওঁহাতেৰে কৰা শিল্পকৰ্ম কিছুমানৰ লগতে তেওঁৰ শ শ পেইণ্টিং দেখি মই অভিভূত আৰু অনুপ্ৰেৰিত হ'লোঁ। নিজৰ অন্তৰত থকা অদম্য মনোবলৰ বাবেহে তেওঁ বাওঁহাতেদি পেইণ্টিং কৰিব পাৰিছিল। ইয়াৰ পৰা মোৰ এইটো আভাস হ'ল যে শাৰীৰিক অক্ষমতাই কেতিয়াও সৃষ্টিশীল প্ৰতিভাক দবাই ৰাখিব নোৱাৰে। কিয়নো মনোবলেহে মানুহক শক্তি যোগায় আৰু সেই প্ৰেৰণাৰে উদ্বুদ্ধ হৈ মানুহে নিজৰ লক্ষ্য পূৰণ কৰাৰ বাবে আগবাঢ়ে।[৬]

শাৰীৰিক অক্ষমতাৰ উপলব্ধি বা বোধজ্ঞান মনতহে থাকে। শাৰীৰিকভাৱে অক্ষম হওক বা নহওক, নিৰ্মল আৰু প্ৰবুদ্ধ মনৰ মানুহ এজন দেশ এখনৰ বাবে মূল্যবান নাগৰিক। মনত অদম্য মনোবলৰ সৃষ্টি কৰি শাৰীৰিক প্ৰতিবন্ধকতা

থকা লোকসকলক সমৃদ্ধ কৰিব পাৰি।'

মানুহে আপোনাক কিহৰ বাবে মনত ৰাখিব?

মই লগ পোৱা মানুহবিলাকক সততে এই দুটা প্ৰশ্ন সোধোঁ:
'আপুনি জীৱনত ইমান দিনে কি শিকিলে?'
'মানুহে আপোনাক কিহৰ বাবে মনত ৰাখিব?'

এইচ আই ভি/এইড্‌ছ্ থকা লোকৰ বাবে ভাৰতীয় নেটৱৰ্কত নেচনেল এড্‌ভোকেচী অফিচাৰ হিচাপে কৰ্মৰত শ্ৰীমতী আশা ৰামাইয়া নিজেও এইচ আই ভি/এইড্‌ছ্ আক্ৰান্ত ৰোগী। তেওঁ দুয়োটা প্ৰশ্নৰে মৰ্মস্পৰ্শী উত্তৰ দিছিল।

সফল নেতা এজনক কোনো সমস্যাই টলাব বা পৰাভূত কৰিব নোৱাৰে। তেওঁ সমস্যাক পৰাভূত কৰি পৰিস্থিতিক নিজৰ নিয়ন্ত্ৰণলৈ আনে।

> "মই নিজে এইচ আই ভি/এইড্‌ছ্ আক্ৰান্ত ৰোগী বুলি চিনাক্ত হোৱাৰ পৰা মোৰ প্ৰকৃত শিক্ষা গ্ৰহণ আৰম্ভ হ'ল— আৰু তেতিয়াৰ পৰা বাস্তৱৰ মুখামুখি হ'লোঁ। স্বামীৰ পৰিয়ালটোৱে মোক তেওঁলোকৰ ঘৰৰ পৰা উলিয়াই দিলে। ইফালে মোৰ পিতৃয়েও তেওঁৰ ঘৰ ত্যাগ কৰিবলৈ ক'লে। বতাহে যেনি তেনি উৰুৱাই লৈ ফুৰা সৰা গছৰ পাত এটাৰ দৰে মোৰ জীৱনটোও এজনী অকলশৰীয়া পৰিত্যক্ত নাৰীৰ দৰে দুঃসহ হৈ উঠিল। পোনপ্ৰথমে নিজক বচোৱাটোৱে মোৰ আগত ডাঙৰ সমস্যা হৈ দেখা দিলে। মোৰ নাৰীত্বক ধন্যবাদ, তাৰ বলতেই মই প্ৰচণ্ড মানসিক আঘাতটো চম্ভালি ল'লোঁ আৰু মোক ঘৰৰ পৰা উলিয়াই দিয়া মানসিক যন্ত্ৰণাকো পৰাভূত কৰিলোঁ। মই এটা কথা উপলব্ধি কৰিলোঁ যে ভাৰতবৰ্ষত এইচ আই ভি/এইড্‌ছ্ আক্ৰান্ত লোকসকলৰ জীৱনত পৰিৱৰ্তন অনাৰ বাবে যত্ন কৰাটো মোৰ এটা দায়িত্ব।
>
> আজি মোৰ অবিৰত প্ৰচেষ্টাৰ বাবে এইচ আই ভি আক্ৰান্ত লোকৰ সহযোগত মোক সমাজে স্বীকাৰ কৰি লৈছে। অকল সেয়াই নহয়, সমাজৰ উচ্চস্তৰৰ

মানুহবিলাকেও মোৰ ওচৰলৈ আহি মোৰ মতামত, পথ-নির্দেশনা আৰু বিভিন্ন ব্যক্তিগত বিষয়ত মোৰ পৰামর্শ বিচাৰি আহে। মই আনৰ বাবে অনুপম আদর্শ হোৱাত মোৰ পিতৃ-মাতৃয়ে এতিয়া মোক লৈ গর্ব কৰে। পৰিয়ালৰ মানুহ আৰু বন্ধু-বান্ধৱৰ সমর্থনত মই এইচ আই ভি আক্ৰান্ত লোক এজনৰ সৈতে পুনৰ বিয়াত বহিলোঁ। মোৰ স্বামীয়ে আমাৰ সমাজৰ এইচ আই ভি আক্ৰান্ত লোকসকলৰ কল্যাণৰ হকে কাম কৰি যাবলৈ মোক উৎসাহ-উদগনি দিলে।

আমি সন্তান এটি জন্ম দিয়াৰ কথা ভাবিলোঁ যদিও অনিশ্চয়তাৰ মাজত সিদ্ধান্ত লোৱাটো কিমান কঠিন মই তেতিয়াহে বুজি পালোঁ। আমাৰ মনত এক অজান আশংকাই দেখা দিছিল— নৱজাতক শিশুটোও যদি এইচ আই ভি আক্ৰান্ত হৈ জন্মে! বিপদাশংকা দূৰ কৰাৰ বাবে আমি দুয়ো চিকিৎসা বিজ্ঞানৰ সকলো দিহা-পৰামর্শ কঠোৰভাৱে মানি চলিলোঁ। পিছত আমি জয়ী হ'লোঁ। বহু পৰীক্ষা-নিৰীক্ষাৰ অন্তত আমাৰ শিশু সংক্ৰমিত হোৱা নাই বুলি আমাক আশ্বাস দিলে। এতিয়া আমাৰ দায়িত্ব বাঢ়িল— আগন্তুক বিশ বছৰ ধৰি আমি আমাৰ সন্তানটিৰ ভৱিষ্যতৰ পৰিকল্পনা কৰিব লাগিব। এতিয়া শিশুটিৰ শিক্ষা-দীক্ষা, সুৰক্ষা আৰু ভৱিষ্যৎ সুনিশ্চিত কৰি পিতৃ-মাতৃৰ দায়িত্ব পালন কৰি আমাৰ মূল্যৱান সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰিম। এইদৰে আমি জানিলোঁ যে স্বপ্নবোৰক নিজৰ আয়ত্তলৈ আনি লক্ষ্য পূৰণ কৰাৰ বাবে সম্ভাব্য আশংকা মূৰ পাতি ল'লেহে স্বপ্ন বাস্তৱায়িত হয়।

আপুনি নিজকে বিকশিত কৰিব লাগিব আৰু নিজৰ জীৱন নিজে গঢ়িব লাগিব।

জীৱনৰ কঠিনতম মুহূর্তত অকলে থিয় দি প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ যি সাহস মই দেখুৱালোঁ আৰু জীৱন সংগ্ৰামৰ মাজত যি আশাৰ কিৰণ লাভ কৰি তাৰে আনকো আলোকিত কৰিলোঁ তাৰ বাবে মোক দেশৰ

বিভিন্ন ঠাইত বাস কৰা এইচ আই ভি/এইড্‌ছ্ আক্ৰান্ত ৰোগীবিলাকে, মোৰ পৰিয়াল, আত্মীয়-স্বজন আৰু সংগী আটায়ে মোক মনত ৰাখিব।"

সাহসৰ বলত শ্ৰীমতী আশাই মাৰাত্মক ব্যাধি এটাক পৰাভূত কৰাটো আমি দেখিলোঁ। তাতোকৈ ডাঙৰ কথা হ'ল নিজ পিতৃ-মাতৃ, স্বামী আৰু সমাজে তেওঁৰ দেহত যি কালিকা সানি দিছিল তাকো তেওঁ নিজ হাতে ধুই-পখালি পেলালে। ইয়াকে মই অদম্য মনোবল বুলি কওঁ।

শাৰীৰিক অক্ষমতাৰ ধাৰণা মনতহে থাকে।

কিহৰ বাবে আপোনাক মনত ৰাখিব লাগে বুলি আপুনি ভাবে? আপোনাৰ পি এইচ ডিৰ থেছিছখনৰ বাবে আপোনাক মনত পেলাব লাগে নেকি? নে আপোনাৰ উদ্ভাৱনী চিন্তাৰ বাবে আপোনাক মনত ৰাখিব লাগে? আপুনি নিজকে বিকশিত কৰিব লাগিব আৰু নিজৰ জীৱনক নিজে গঢ় দিব লাগিব। এই কথাটো আপুনি এটা পৃষ্ঠাত লিখি থ'ব। সেই পৃষ্ঠাটোৱেই মানৱ ইতিহাসৰ গ্ৰন্থৰ দৰকাৰী পাত হ'ব পাৰে। সেই পৃষ্ঠাটো আৱিষ্কাৰৰ, উদ্ভাৱনৰ, উদ্‌ঘাটনৰ অথবা অন্যায়-অধৰ্মৰ বিৰুদ্ধে যুঁজা – যি বিষয়ৰে নহওক কিয়, জাতিৰ বুৰঞ্জীৰ সেই এটা পাত সৃষ্টি কৰাৰ বাবে আপোনাক মনত পেলোৱা হ'ব।'

অদম্য মনোবল জগাই তোলক

"যুৱক-যুৱতীসকলক মই ক'ব বিচাৰোঁ যে তেওঁলোকে আশা আৰু সাহস হেৰুৱাব নালাগে। আপোনাৰ সন্মুখৰ কামটো নিৰ্ভয়ে আৰু নিষ্ঠাৰে কৰিলে আপোনাৰ হাতলৈ সফলতা আহিবই। নিৰ্বিৰোধ আৰু নিঃসংকোচে মই দৃঢ়ভাৱে ক'ব পাৰোঁ যে ভাৰতীয় মানুহৰ মেধা শক্তি কোনো টিউটনিক, নৰ্ডিক অথবা এংলো-ছেক্সন মানুহৰ মেধা শক্তিতকৈ কোনো গুণে কম নহয়। বোধকৰোঁ আমাৰ একমাত্ৰ সাহসৰেই অভাৱ! সম্ভৱ আমাৰ চালকশক্তিৰ অভাৱ যি শক্তিয়ে মানুহক যিকোনো ঠাইলৈ লৈ যাব পাৰে! মই ভাবোঁ— আমাৰ মনত একধৰণৰ

হীনমন্যতাৰ ভাব জন্মিছে। মোৰ বিচাৰ মতে, ভাৰতৰ এতিয়া যিটো বস্তুৰ প্ৰয়োজন সেইটো হ'ল পৰাভৱী শক্তিক সমূলঞ্চে ধ্বংস কৰা।”

এইখিনি ন'বেল বঁটা বিজেতা ভাৰতীয় বিজ্ঞানী ছাৰ চি ভি ৰমনে বিৰাশী বছৰ বয়সত, ১৯৬৯ চনত ডেকা স্নাতকসকলক উদ্দেশি দিয়া ভাষণ।[১০]

অদম্য মনোবলে কিদৰে সফলতা লাভ কৰাৰ বাবে আৰু পৃথিৱীখনক সুখ-সমৃদ্ধিৰ স্বৰ্গলৈ ৰূপান্তৰিত কৰাৰ শক্তি দিয়ে সেইটো গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰৰ এই কবিতাটিত বৰ্ণিত হৈছে ঃ

হে প্ৰভু !
তযু চৰণত মোৰ প্ৰাৰ্থনা
দূৰ কৰা মোৰ মৰ্মস্থলীৰ দৈন্যতা
মোক শক্তি দিয়া
সহজভাৱে আনন্দ আৰু বেদনা সহিবলৈ
মোক শক্তি দিয়া
তোমাৰ সেৱাত মোৰ ভক্তি যাতে সফল হয়।
মোক শক্তি দিয়া প্ৰভু
আৰ্তজনক যাতে কদাপি বিমুখ নকৰোঁ
অথবা ধৃষ্টজনৰ শক্তিৰ আগত যাতে
আঁঠু বেঁকা কৰিব নালাগে।
প্ৰভু, মোক এনে শক্তি দিয়া
প্ৰাত্যহিক তুচ্ছতাৰ উৰ্ধ্বত
যাতে শিৰ উন্নত কৰি ৰাখিব পাৰোঁ।
মোক শক্তি দিয়া, প্ৰভু
তোমাৰ সস্নেহ ইচ্ছাৰ আগত
মোৰ শক্তি-সামৰ্থ্য যাতে তোমাতেই
সমৰ্পণ কৰিব পাৰোঁ।[১১] ❑

১৫

প্রসংগ নির্দেশ

■ মোক অনুপ্ৰাণিত কৰা ব্যক্তিসকল

১. ৫৭ তম্ গণতন্ত্ৰ দিৱসৰ আগদিনা ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণ ঃ ২৫-০১-২০০৬
২. নতুন দিল্লীৰ ৰাষ্ট্ৰীয় মহিলা আয়োগৰ দ্বাৰা ৰাজধানীত আয়োজিত সভাত দিয়া অভিভাষণ আৰু ছাত্ৰী-বিদ্যাৰ্থীসকলৰ সৈতে বাক্যালাপ ঃ ১৭-০১-২০০৫
৩. বাংগালোৰস্থিত ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানত দিয়া অভিভাষণ আৰু তাৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকবৃন্দৰ সৈতে বাক্যালাপ ঃ ১৪-১০-২০০৪
৪. শিশু দিৱস উপলক্ষে আগদিনা আকাশবাণীৰ যোগে প্ৰচাৰিত অভিভাষণ ঃ ১৩-১১-২০০৩
৫. উধমপুৰৰ আৰ্মী পাবলিক্ স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বাক্যালাপ ঃ ০৩-০৫-২০০৪

■ মোৰ শিক্ষাগুৰুসকল

১. শ্ৰীনগৰত শিক্ষকসকলৰ সৈতে মত বিনিময় ঃ ১৯-০৮-২০০৪
২ চণ্ডীগড়ৰ পি জি আই সভা গৃহত শিক্ষকসকলক সম্বোধন ঃ ০৪-০৯-২০০৩
৩. শিক্ষকসকলক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া ভাষণ ঃ ০৫-০৯-২০০৪
৪ বুদ্ধগয়াত শিক্ষকসকলৰ সৈতে বাক্যালাপ ঃ ৩১-০৫-২০০৩
৫. নতুন দিল্লীত শিক্ষকসকলক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া ভাষণ ঃ ০৫-০৯-২০০৪
৬ নতুন দিল্লীত শিক্ষক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া ভাষণ ঃ ০৫-০৯-২০০৫
৭ কলকাতাৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ত দিয়া অভিভাষণ আৰু বাক্যালাপৰ সময়ত এটা প্ৰশ্নৰ উত্তৰ দিয়া সময়ত ঃ ০১-১০-২০০৪
৮. শিক্ষক দিৱস উপলক্ষে আকাশবাণীৰ যোগেদি প্ৰচাৰিত ঃ ০৪-০৯-২০০৩
৯ শ্ৰীনগৰত শিক্ষকসকলৰ সৈতে ভাব বিনিময় ঃ ১৯-০৮-২০০৪
১০ শিক্ষক দিৱস উপলক্ষে আকাশবাণীযোগে প্ৰচাৰিত ঃ ০৪-০৯-২০০৩
১১. প্ৰথম 'কম্পিউটাৰ লিটাৰেচী এক্সচেলেন্স্ এৱাৰ্ড্ ফৰ্ স্কুল' প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২৯-০৮-২০০২
১২. কলকাতাৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ অধ্যাপক ছাত্ৰৰ সৈতে বাক্যালাপ ঃ ০১-১০-২০০৪
১৩ ভুবনেশ্বৰত শিক্ষকসকলক সাক্ষাৎ কালত ঃ ১৪-০৫-২০০৩
১৪ নতুন দিল্লীত শিক্ষক দিৱস উপলক্ষ্যে দিয়া অভিভাষণ ঃ ০৫-০৯-২০০৫
১৫ শিক্ষকৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ০৫-০৯-২০০৪
১৬ শিক্ষক দিৱসৰ আগদিনা আকাশবাণীযোগে প্ৰচাৰিত ঃ ০৪-০৯-২০০৩
১৭. নতুন দিল্লীত শিক্ষকক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া অভিভাৰণ ঃ ০৫-০৯-২০০৪
১৮. তৃতীয় বাৰ্ষিক 'কম্পিউটাৰ লিটাৰেচী এক্সচেলেন্স্ এৱাৰ্ড্ফৰ স্কুল' প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ০৭-১২-২০০৫
১৯ প্ৰথম 'কম্পিউটাৰ লিটাৰেচী এক্সচেলেন্স্ এৱাৰ্ড্ছ্ ফৰ স্কুল' প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২৯-০৮-২০০২
২০ নতুন দিল্লীত শিক্ষকসকলক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ০৫-০৯-২০০৪

২১. নতুন দিল্লীত 'আউটষ্টেণ্ডিং টিচাৰ্ছ্'ক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠান দিয়া অভিভাষণ ঃ ০৫-০৯-২০০৫
২২. নতুন দিল্লীত শিক্ষকসকলক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ০৫-০৯-২০০৪

■ শিক্ষাৰ উদ্দেশ্য

১. ৰাষ্ট্ৰীয় যুব সন্মিলন সুত্তুৰ, মহীশূৰত দিয়া উদ্বোধনী ভাষণ ঃ ১৫-১০-২০০৪
২. নতুন দিল্লীত 'থাৰ্ড এনুৱেল কম্পিউটাৰ লিটাৰেচী এক্সচেলেন্স এৱাৰ্ডছ্' প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ০৭-১২-২০০৪
৩. নতুন দিল্লীত ৰাজ্যপালৰ সন্মিলনত দিয়া অভিভাষণ ঃ ১৪-০৬-২০০৫
৪. নতুন দিল্লীত ফাষ্ট কম্পিউটাৰ লিটাৰেচী এক্সচেলেন্স এৱাৰ্ডছ্' প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২৯-০৮-২০০২
৫. পণ্ডিচেৰী ছাত্ৰ-ছাত্ৰীৰ লগত ভাব বিনিময় ঃ ০১-১১-২০০৪
৬. চেন্নাইৰ পদ্ম শেষাদ্ৰি বাল ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত দিয়া অভিভাষণ ঃ ০১-১২-২০০৫
৭ নতুন দিল্লীত চিবিএছইৰ প্লেটিনাম জুবিলী অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২৮-০৭-২০০৪
৮. শিক্ষক দিবস উপলক্ষে নতুন দিল্লীত ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণ ঃ ০৫-০৯-২০০৫
৯ শ্ৰীনগৰত শিক্ষকসকলৰ সৈতে ভাব বিনিময় ঃ ১৯-০৮-২০০৪
১০ শিক্ষক দিবস উপলক্ষে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণ ঃ ০৫-০৯-২০০৪
১১. শ্ৰীনগৰত শিক্ষকসকলৰ সৈতে ভাব বিনিময় ঃ ১৯-০৮-২০০৪
১২. চণ্ডীগড় পি জি আই অডিটৰিয়ামত শিক্ষকসকলৰ উদ্দেশ্যে দিয়া অভিভাষণ ঃ ০৪-০৯-২০০৩
১৩ নতুন দিল্লীৰ জৈন বিদ্যা ভাৰতী ইনষ্টিটিউটত দীক্ষান্ত সমাৰোহত দিয়া অভিভাষণ ঃ ২০-১০-২০০৫
১৪. মহাপ্ৰভু আচাৰ্য মহাপ্ৰাণজী, অধ্যাত্ম সাধনা কেন্দ্ৰ, মেহৰৌলী সন্মিলন উপলক্ষে দিয়া অভিভাষণ ঃ ১৪-১০-২০০৫
১৫ মুম্বাইত অনুষ্ঠিত 'কেৰিয়াৰ ফেয়াৰ'ত দিয়া অভিভাষণ ঃ ০৮-০২-২০০৪
১৬. নতুন দিল্লীত শিক্ষক দিবস উপলক্ষে দিয়া ভাষণ ঃ ০৫-০৯-২০০৫
১৭. নতুন দিল্লীত শিক্ষকসকলক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান উপলক্ষে দিয়া অভিভাষণ ঃ ০৫-০৯-২০০৪

■ সৃজনশীলতা আৰু নতুনত্ব

১. বেদব্যাস বিদ্যালয়ম, মালপুৰম্বা, কোঝিকোডত দিয়া অভিভাষণ ঃ ২৫-০৯-২০০৩
২. চণ্ডীগড়ত অনুষ্ঠিত শিশু বিজ্ঞান কংগ্ৰেছত দিয়া অভিভাষণ ঃ ০৫-০১-২০০৪
৩ শংকৰ আন্তঃৰাষ্ট্ৰীয় শিশু প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২২-০৩-২০০৫
৪. হিমাচল প্ৰদেশৰ পীটাৰ হোফ্‌ত কলেজ/বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ সৈতে বাক্যালাপ ঃ ২৩-১২-২০০৪
৫. শংকৰ আন্তঃৰাষ্ট্ৰীয় শিশু প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২২-০৩-২০০৫

৬. পোর্ট ব্লেয়াৰৰ JNRM অডিটৰিয়ামত ছাত্ৰ-ছাত্ৰীৰ সৈতে বাক্যলাপ ঃ ০৫-০৫-২০০৫
৭. বালযোগ মিত্ৰ মণ্ডল, মুংগেৰত দিয়া অভিভাষণ ঃ ১৪-০২-২০০২
৮. পোর্ট ব্লেয়াৰৰ JNRM অডিটৰিয়ামত ছাত্ৰ-ছাত্ৰীৰ সৈতে বাক্যালাপ ঃ ০৫-০৫-২০০৫
৯. নতুন দিল্লীত, ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত ২০০২-২০০৩ বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় বালশ্ৰী পুৰস্কাৰ সমাৰোহত দিয়া অভিভাষণ ঃ ১০-০২-২০০৪
১০. ডুবাইৰ দ্য ইণ্ডিয়ান স্কুলত দিয়া অভিভাষণ ঃ ১৯-১০-২০০৩
১১. নেচনেল ইনোভেচন ফাউণ্ডেচন, আহমেদাবাদৰ তৃতীয় বাৰ্ষিক পুৰস্কাৰ বিতৰণ সমাৰোহত দিয়া অভিভাষণ ঃ ০৫-০১-২০০৫
১২ গুজৰাটৰ ৰাজকোটস্থিত সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয় বাৰ্ষিক বক্তৃতা প্ৰদান অনুষ্ঠান ঃ ১২-০১-২০০৬
১৩. নেচনেল ইনোভেচন ফাউণ্ডেচন, আহমেদাবাদৰ তৃতীয় বাৰ্ষিক পুৰস্কাৰ বিতৰণ সমাৰোহত দিয়া অভিভাষণ ঃ ০৫-০১-২০০৫
১৪. কলকাতাৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ত দিয়া অভিভাষণ ঃ ০১-১০-২০০৪

■ **কলা আৰু সাহিত্য**

১. নতুন দিল্লীত অনুষ্ঠিত শংকৰ আন্তঃৰাষ্ট্ৰীয় বাল প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ সমাৰোহত দিয়া অভিভাষণ ঃ ১৭-০১-২০০৩
২. নতুন দিল্লীত ২০০২ বৰ্ষৰ ৩৮ তম জ্ঞানপীঠ বঁটা প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২৭-০৯-২০০৫
৩. নতুন দিল্লীৰ প্ৰগতি ময়দানত অনুষ্ঠিত একাদশ দিল্লী গ্ৰন্থমেলাত দিয়া অভিভাষণ ঃ ২৭-০৮-২০০৫
৪. চেন্নাইত আন্না বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ কাৰ্যালয়ত অগ্নি ছিৰাণ্ডৰলৰ ১,০০,০০০ কপি প্ৰদান উপলক্ষে দিয়া অভিভাষণ ঃ ১৯-০৬-২০০৩
৫. নতুন দিল্লীৰ প্ৰগতি ময়দানত অনুষ্ঠিত একাদশ দিল্লী গ্ৰন্থমেলাত দিয়া অভিভাষণ ঃ ২৭-০৮-২০০৫
৬. নতুন দিল্লীত অনুষ্ঠিত ২০০২ বৰ্ষৰ ৩৮ তম জ্ঞানপীঠ বঁটা প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২৭-০৯-২০০৫
৭. নতুন দিল্লীৰ প্ৰগতি ময়দানত অনুষ্ঠিত একাদশ দিল্লী গ্ৰন্থমেলাত দিয়া অভিভাষণ ঃ ২৭-০৮-২০০৫
৮. নতুন দিল্লীত অনুষ্ঠিত সংগীত নাটক অকাডেমী পুৰস্কাৰ প্ৰদান কালত দিয়া অভিভাষণ ঃ ২৬-০৮-২০০৫
৯. বাংগালোৰত অনুষ্ঠিত বাংগালোৰ গায়ন সমাজৰ শতবাৰ্ষিকী উদ্‌যাপন উপলক্ষে দিয়া অভিভাষণ ঃ ২০-০৮-২০০৫
১০ কলকাতাৰ ৰামকৃষ্ণ বিবেকানন্দ মিছনত দিয়া অভিভাষণ ঃ ২১-০১-২০০৩
১১. বাংগালোৰ গায়ন সমাজৰ শতবাৰ্ষিকী উদ্‌যাপন উপলক্ষে দিয়া অভিভাষণ ঃ ২০-০৮-২০০৫
১২ মুম্বাইৰ শ্ৰীৰাজৰাজেশ্বৰী ভৰত নাট্য মন্দিৰৰ হীৰক জয়ন্তী সমাৰোহত দিয়া অভিভাষণ ঃ ১২-০৯-২০০৫
১৩. নতুন দিল্লীৰ অনুষ্ঠিত ৫২ তম ৰাষ্ট্ৰীয় কথাছবি বঁটা প্ৰদান অনুষ্ঠানত দিয়া অভিভাষণ ঃ ০২-১০-২০০৫

১৪ জয়পুৰত অনুষ্ঠিত আৰ কে লক্ষ্মণৰ কাৰ্টুন প্ৰদৰ্শনীত দিয়া অভিভাষণ : ১৭-১১-২০০৫

১৫ কলকাতাৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ত দিয়া ভাষণ : ০১-১০-২০০৪

১৬ নতুন দিল্লীত অনুষ্ঠিত শংকৰ আন্তঃৰাষ্ট্ৰীয বাল প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ সমাৰোহত দিয়া অভিভাষণ : ১৭-০১-২০০৩

■ শাশ্বত প্ৰমূল্য

১ নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত দিয়া অভিভাষণ : ১২-০১-২০০৫

২ নতুন দিল্লীৰ শ্ৰীসত্য সাই ইণ্টাৰনেচনেল চেণ্টাৰ এণ্ড স্কুলত দিয়া অভিভাষণ : ০৮-০২-২০০৩

৩ ডুবাইৰ ইণ্ডিয়ান হাইস্কুলত দিযা অভিভাষণ : ২০-১০-২০০৩

৪ নতুন দিল্লীত, ছাউথ এছিয়ান চেপ্টাৰ্চ অব্ ট্ৰেন্সপাৰেন্সি ইণ্টাৰনেচনেল ইণ্ডিয়াৰ ক্ষেত্ৰীয সন্মিলনত দিয়া অভিভাষণ : ২৫-১১-২০০৫

৫ হৰিদ্বাৰত ভাৰত স্কাউট্‌ছ্ এণ্ড গাইডছ্‌ৰ পঞ্চদশ ৰাষ্ট্ৰীয় জম্বুৰীত অভিভাষণ : ১৬-১০-২০০৫

৬ নতুন দিল্লীত, ছাউথ এছিয়ান ছেপ্টাৰ্ছ অব্ টেন্স্ পাৰেন্সি ইণ্টাৰনেচনেল ইণ্ডিয়াৰ ক্ষেত্ৰীয সন্মিলনত দিযা অভিভাষণ : ২৫-১১-২০০৫

৭ নতুন দিল্লীত, ৫৭ তম গণতন্ত্ৰ দিৱস উপলক্ষে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণ : ২৫-০১-২০০৬

৮ নতুন দিল্লীত, ছাউথ এছিযান চেপ্টাৰ্চ অব ট্ৰেন্সপাৰেন্সি ইণ্টাৰগেশ্যনেল ইণ্ডিয়াৰ ক্ষেত্ৰীয় সন্মিলনত দিয়া অভিভাষণ : ২৫-১১-২০০৫

৯ নতুন দিল্লীত, ৫৭ তম গণতন্ত্ৰ দিৱস উপলক্ষে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিযা ভাষণ : ২৫-০১-২০০৬

১০ মহান জন্মদিৱসত বিচাৰ, নতুন দিল্লী : ০৪ ০৭-২০০৫ (ঘটনা)

১১ গুড়গাঁৱত, কনভেনচন অন্ ইভলিউচন অব এ গুড হিউমেন বিইংৰ উদ্বোধনী অভিভাষণ : ১৯-০৪-২০০৩

১২ ডুবাইত, ইণ্ডিযান হাইস্কুলত দিয়া ভাষণ : ২০-১০-২০০৩

১৩ ইণ্টাৰনেচনেল চিল্ড্ৰেন ব্ৰড্‌কাষ্টিং দিৱস উপলক্ষে আকাশবাণীৰ ৰেকৰ্ডিং : ১১-১২-২০০৫

১৪ মহীশূৰৰ ছুস্তুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ সন্মিলনত দিয়া অভিভাষণ : ১৫-১০-২০০৪

১৫ নতুন দিল্লী, ৫৭ তম গণতন্ত্ৰ দিৱস উপলক্ষে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণ : ২৫-০১-২০০৬

■ বিজ্ঞান আৰু আধ্যাত্মিকতা

১ নতুন দিল্লীৰ জৈন বিশ্বভাৰতী ইন্সটিটিউটৰ চতুৰ্থ দীক্ষান্ত সমাৰোহত অভিভাষণ : ২০-১০-২০০৫

২ নতুন দিল্লীৰ জৈন বিশ্বভাৰতী ইন্সটিটিউটৰ চতুৰ্থ দীক্ষান্ত সমাৰোহত অভিভাষণ : ২০-১০-২০০৫

৩ গুৱাহাটীত অনুষ্ঠিত দ্বাদশ ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছত দিয়া ভাষণ : ৩১-১২-২০০৪

৪. নতুন দিল্লীত, শিক্ষক দিৱস উপলক্ষে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণ : ০৫-০৯-২০০৫
৫. বেংগলী ইঞ্জিনীয়াৰিং এণ্ড ছায়েন্স ইউনিভাৰ্ছিটী, শিৱপুৰ, হাওড়া, কলকাতাত দিয়া ভাষণ : ১৩-০৭-২০০৫
৬. কলকাতা, যাদৱপুৰ বিশ্ববিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন সমাৰোহত দিয়া ভাষণ : ১৩-০৭-২০০৫
৭. নতুন দিল্লীৰ আই আই টি ৰ ইণ্ডিয়ান ফিজিক্‌ছ এছোচিয়েচনত দিয়া ভাষণ : ৩১-০৩-২০০৫
৮. নতুন দিল্লী, ফাৰ্ষ্ট কম্পিউটাৰ লিটাৰেচী এক্সচেলেছ এৱাৰ্ডছ্‌ ফৰ স্কুলছত দিয়া ভাষণ : ২৯-০৮-২০০২
৯. বেংগলী ইঞ্জিনীয়াৰিং এণ্ড ছায়েন্স ইউনিভাৰ্ছিটী, শিৱপুৰ, হাওড়া, কলকাতাত দিয়া ভাষণ : ১৩-০৭-২০০৫
১০. পোৰবন্দৰত, বিবেকানন্দ ইন্‌ষ্টিটিউট অব্‌ ভেলু এডুকেচন এণ্ড্‌ কাল্‌চাৰৰ উদ্বোধনী ভাষণ : ১২-০১-২০০৬
১১. নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ইউনিভাৰ্ছিটীত দিয়া অভিভাষণ : ১২-০১-২০০৫
১২. গুৱাহাটীত, বিভিন্ন স্কুলৰ ল'ৰা-ছোৱালীৰ মাজত দিয়া অভিভাষণ : ১৬-০১-২০০৩
১৩. শ্ৰীনগৰৰ নেশ্যনেল ইন্‌ষ্টিটিউট অব্‌ টেক্‌নল'জীৰ ছাত্ৰসকলৰ সৈতে বাক্যালাপ : ১৯-০৮-২০০৪
১৪. দয়াৱতী মোডী একাডেমী স্কুলৰ ছাত্ৰসকলক দিয়া বাণী : ২০-০৭-২০০৪
১৫ কলকাতাৰ শ্ৰীঅৰবিন্দ ভৱনত শ্ৰীমাৰ ১২৫তম জন্মদিৱস উপলক্ষে দিয়া অভিভাষণ : ২৭-০২-২০০০
১৬. নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত স্পিৰিচুৱেল গাৰ্ডেনৰ উদ্বোধনী অনুষ্ঠানত দিয়া অভিভাষণ : ২৬-০৬-২০০৪

■ **ভৱিষ্যতৰ নাগৰিক**

১. মহীশূৰৰ ছুত্তুৰৰ জে এছ এছ স্কুলত দিয়া অভিভাষণ : ২৭-১২-২০০২
২. হৰিদ্বাৰত ভাৰত স্কাউট্‌ছ্‌ এণ্ড্‌ গাইড্‌ছ্‌ৰ পঞ্চদশ ৰাষ্ট্ৰীয় জাম্‌বুৰীত অভিভাষণ : ১৬-১০-১০০৫
৩. নতুন দিল্লীত ৰাষ্ট্ৰপতি ভৱনত ৰাজ্যপালসকলৰ সন্মিলনত দিয়া অভিভাষণ : ১৪-০৬-২০০৫
৪ মহীশূৰৰ ছুত্তুৰত ৰাষ্ট্ৰীয় যুৱ সন্মিলনত দিয়া অভিভাষণ : ১৫-১০-২০০৪
৫ হিমাচল প্ৰদেশৰ পীটাৰ হফত কলেজ/বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বাক্যালাপ : ২৩-১২-২০০৪
৬. মহাৰাষ্ট্ৰৰ নন্দগাঁৱত দিয়া ভাষণ : ১৫-১০-২০০৪
৭ মহীশূৰৰ ছুত্তুৰত ৰাষ্ট্ৰীয় যুৱ সন্মিলনত দিয়া অভিভাষণ : ১৫-১০-২০০৪
৮. নতুন দিল্লীত অনুষ্ঠিত প্ৰথম শিশু শিক্ষা সন্মিলন, ২০০২ উপলক্ষে দিয়া অভিভাষণ : ১৪-১১-২০০২
৯ মহীশূৰৰ ছুত্তুৰত জে এছ এছ স্কুলত দিয়া অভিভাষণ : ২৭-১২-২০০২
১০. নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত, ফৰিদাবাদৰ এইচাৰ স্কুলৰ ছাত্ৰসকলৰ সৈতে বাক্যালাপ : ৩১-০৮-২০০৫

১১. গুৱাহাটীত, দ্বাদশ ৰাষ্ট্ৰীয় শিশুৰ বিজ্ঞান কংগ্ৰেছত দিয়া অভিভাষণ ঃ ৩১-১২-২০০৪

১২. মহীশূৰৰ ছুত্তুৰৰ জে এছ এছ স্কুলত দিয়া অভিভাষণ ঃ ২৭-১২-২০০২

১৩. তিৰুচিৰাপল্লীত, বিদ্যাৰ্থীৰ সৈতে বাক্যালাপ আৰু ভাষণ ঃ ২০-১২-২০০৩

১৪. কোঝিকোড্ডিৰ বেদব্যাস বিদ্যালয়ত দিয়া অভিভাষণ ঃ ২৫-০৯-২০০৩

১৫. চেন্নাইৰ পদ্ম শেষাদ্রি বাল ভবন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত অভিভাষণ আৰু বিদ্যাৰ্থীসকলৰ সৈতে কথোপকথন ঃ ০১-১২-২০০৫

১৬. ৰাষ্ট্ৰপতিৰ কাৰ্যভাৰ গ্ৰহণৰ পিছত দিয়া অভিভাষণ ঃ ২৫-০৭-২০০২

১৭. তিৰুচিৰাপল্লীৰ বিদ্যাৰ্থীসকলৰ সৈতে কথোপকথন আৰু ভাষণ ঃ ২০-১২-২০০৩

১৮. ৰাষ্ট্ৰপতিৰ কাৰ্যভাৰ গ্ৰহণৰ পিছত দিয়া অভিভাষণ ঃ ২৫-০৭-২০০২

■ শক্তিশালী নাৰী

১. মুম্বৌৰীত অনুষ্ঠিত মহিলা আৰক্ষী কৰ্মীৰ দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলনত দিয়া অভিভাষণ ঃ ২৭-০৭-২০০৫

২. মুছৌৰীত অনুষ্ঠিত মহিলা আৰক্ষী কৰ্মীৰ দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলনত দিয়া অভিভাষণ ঃ ২৭-০৭-২০০৫

৩ বাংগালোৰত বিশ্বপ কটন বালিকা বিদ্যালয়ত দিয়া অভিভাষণ ঃ ০৫-১১-২০০৪

৪ পুণাত অৱস্থিত প্ৰীত মন্দিৰ (নিঃস্ব আৰু অনাথ শিশুৰ আলয়) দিয়া ভাষণ ঃ ০১-০২-২০০৫

৫. তৃতীয় বিশ্ব মহিলা বিজ্ঞান সংগঠনৰ মহাসভা আৰু নতুন সহস্ৰাব্দত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত মহিলাৰ গৱেষণাৰ প্ৰভাব সন্দৰ্ভত হোৱা সন্মিলনত দিয়া অভিভাষণ ঃ ২১-১১-২০০৫

৬. হায়দৰাবাদৰ RBVRR মহিলা মহাবিদ্যালয়ত দিয়া অভিভাষণ ঃ ০৫-০৮-২০০৫

৭. তৃতীয় বিশ্ব মহিলা বিজ্ঞান সংগঠনৰ মহাসভা আৰু নতুন সহস্ৰাব্দত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত মহিলাৰ গৱেষণাৰ প্ৰভাব সন্দৰ্ভত হোৱা সন্মিলনত দিয়া অভিভাষণ ঃ ২১-১১-২০০৫

৮ মুছৌৰীত অনুষ্ঠিত মহিলা আৰক্ষী কৰ্মীৰ দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলনত দিয়া অভিভাষণ ঃ ২৭-০৭-২০০৫

৯. নতুন দিল্লীত অনুষ্ঠিত ইণ্ডিয়ান উইমেন্‌ছ্ প্ৰেছ কৰপ্‌ছৰ বাৰ্ষিক উৎসৱত দিয়া অভিভাষণ ঃ ১৯-১০-২০০৫

১০. মুছৌৰীত অনুষ্ঠিত মহিলা আৰক্ষী কৰ্মীৰ দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলনত দিয়া অভিভাষণ ঃ ২৭-০৭-২০০৫

১১. হায়দৰাবাদৰ RBVRR মহিলা মহাবিদ্যালয়ত দিয়া অভিভাষণ ঃ ০৫-০৮-২০০৫

■ এখন বিজ্ঞ সমাজ অভিমুখে

১. ডেৰাডুনৰ ডুন স্কুলত দিয়া অভিভাষণ ঃ ১৯-১০-২০০২

২ কোজিকোডিত ভাৰতীয় প্ৰবন্ধন সংস্থানত দিয়া অভিভাষণ ঃ ২৫-০৯-২০০৩

৩. নতুন দিল্লীত ডিজিটেল লাইব্ৰেৰীজ-অৰ আন্তৰ্জাতিক সন্মিলনৰ উদ্বোধন

উপলক্ষ্যে দিয়া অভিভাষণ ঃ ২৪-০২-২০০৪

৪. ডেৰাডুনৰ ডুন স্কুলত দিয়া ভাষণ ঃ ১৯-১০-২০০২

৫. নতুন দিল্লীত ইণ্ডো-ইউ এছ মিলিয়ন বুক ডিজিটেল লাইব্ৰেৰী ষ্টিয়াৰিং কমিটী মিটিং (ভি ডি অ' কন্‌ফাৰেন্সিঙৰ জৰিয়তে) ঃ ২৯-০৫-২০০৫

৬. নতুন দিল্লীত ডিজিটেল লাইব্ৰেৰীজ-অৰ আন্তৰ্জাতিক সন্মিলনৰ উদ্বোধনী উপলক্ষ্যে দিয়া অভিভাষণ ঃ ২৪-০২-২০০৪

৭. ইণ্ডিয়া পোৰ্টেলৰ ডিজিটেল লাইব্ৰেৰীৰ উদঘাটন উপলক্ষে দিয়া অভিভাষণ ঃ ৰাষ্ট্ৰপতি ভৱন, নতুন দিল্লী ঃ ০৮-০৯-২০০৩

৮. নতুন দিল্লীত অনুষ্ঠিত এম্পাবাৰ্ড ইভেণ্টত অংশগ্ৰহণকাৰীসকলৰ সৈতে কথোপকথন আৰু অভিভাষণ ঃ ২০-১২-২০০৫

■ বিকশিত ভাৰত নিৰ্মাণ

১. বাংগালোৰত অনুষ্ঠিত বাংগালোৰ আন্তৰ্জাতিক কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২১-১১-২০০৫

২. ভাৰত স্কাউট্‌ছ এণ্ড গাইড্‌ছ্‌ৰ পঞ্চদশ ৰাষ্ট্ৰীয় জম্বুৰীৰ উদ্‌ঘাটন উপলক্ষে দিয়া অভিভাষণ ঃ ১৬-১০-২০০৫

৩ বাংগালোৰত অনুষ্ঠিত বাংগালোৰ আন্তৰ্জাতিক কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২১-১১-২০০৫

৪. চণ্ডীগড়ত অনুষ্ঠিত শিশু বিজ্ঞান কংগ্ৰেছত দিয়া ভাষণ।

৫. ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ কাৰ্যভাৰ গ্ৰহণ উপলক্ষে দিয়া অভিভাষণ ঃ ২৫-০৭-২০০২

৬. চণ্ডীগড়ত অনুষ্ঠিত শিশু বিজ্ঞান কংগ্ৰেছত দিয়া ভাষণ ঃ

৭ শ্ৰীনগৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি সংস্থানৰ বিদ্যাৰ্থীৰ সৈতে কথোপকথন ঃ ১৯-০৮-২০০৪

৮ গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীক সম্বোধন ঃ ১৬-০১-২০০৩

৯ বাংগালোৰত অনুষ্ঠিত বাংগালোৰ আন্তৰ্জাতিক কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২১-১১-২০০৫

১০. বাংগালোৰত অনুষ্ঠিত বাংগালোৰ আন্তৰ্জাতিক কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত দিয়া অভিভাষণ ঃ ২১-১১-২০০৫

১১. ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ কাৰ্যভাৰ গ্ৰহণ উপলক্ষে দিয়া অভিভাষণ ঃ ২৫-০৭-২০০২

১২. নতুন দিল্লীত ৰাজ্যসভাৰ দ্বিশত অধিবেশনত উদ্বোধনী ভাষণ ঃ ১১-১২-২০০৩

১৩ কোজিকোডিত ভাৰতীয় প্ৰবন্ধন সংস্থানত দিয়া অভিভাষণ ঃ ২৫-০৯-২০০৩

১৪. শ্ৰীনগৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি সংস্থানৰ বিদ্যাৰ্থীৰ সৈতে কথোপকথন ঃ ১৯-০৮-২০০৪

১৫ ৫৭তম গণতন্ত্ৰ দিৱস উপলক্ষে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া অভিভাষণ ঃ ২৫-০১-২০০৬

১৬. গুৱাহাটীত অনুষ্ঠিত দ্বাদশ ৰাষ্ট্ৰীয় শিশুৰ বিজ্ঞান কংগ্ৰেছত দিয়া অভিভাষণ ঃ ৩১-১২-২০০৪

১৭. কলকাতাৰ শ্ৰীঅৰবিন্দ ভৱনত শ্ৰীশ্ৰীমাৰ ১২৫তম জন্মদিৱস উপলক্ষে দিয়া অভিভাষণ ঃ ২৭-০২-২০০৪

■ **প্ৰবুদ্ধ নাগৰিকত্ব**

১. গুজৰাটৰ ৰাজকোটত সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয়ৰ অনুষ্ঠিত বাৰ্ষিক বক্তৃতা অনুষ্ঠানত দিয়া অভিভাষণ ঃ ১২-০১-২০০৬

২. কোচীৰ অল্ আমীন পাব্লিক স্কুলত দিয়া অভিভাষণ ঃ ২৬-০৫-২০০৩

৩. নতুন দিল্লীত, শ্ৰীসত্য সাই আন্তৰ্জাতিক কেন্দ্ৰ আৰু স্কুলত দিয়া ভাষণ ঃ ০৮-০২-২০০৩

৪. কোচীৰ অল্ আমীন পাব্লিক স্কুলত দিয়া অভিভাষণ ঃ ২৬-০৫-২০০৩

৫. কলকাতাৰ ৰামকৃষ্ণ মিছনত স্বামী বিবেকানন্দৰ পূৰ্বপুৰুষৰ ঘৰ আৰু সাংস্কৃতিক কেন্দ্ৰৰ উদ্‌ঘাটন সমাৰোহত দিয়া অভিভাষণ ঃ ০১-১০-২০০৪

৬. কলকাতাৰ বিশ্বভাৰতীৰ অধ্যাপক আৰু ছাত্ৰৰ সৈতে কথোপকথন আৰু অভিভাষণ ঃ ০১-১০-২০০৪

৭ কলকাতাত, শ্ৰীঅৰবিন্দ ভৱনৰ শ্ৰীমাৰ ১২৫ তম জন্ম বাৰ্ষিকী সমাৰোহত অভিভাষণ ঃ ২৭-০২-২০০৪

৮. নতুন দিল্লীত দ্য ৰিজনেল কন্‌ফাৰেন্স অব্ দ্য ছাউথ এছিয়ান ছেপ্‌টাৰ্ছ অব্ ট্ৰেন্সপাৰেন্সী ইণ্টাৰনেচনেল ইণ্ডিয়াৰ উদ্‌ঘাটন সমাৰোহত অভিভাষণ ঃ ২৫-১১-২০০৫

৯ নতুন দিল্লীত, শ্ৰীসত্য সাই আন্তৰ্জাতিক কেন্দ্ৰ আৰু স্কুলত দিয়া ভাসণ ঃ ০৮-০২-২০০৩

১০. গুৰগাঁৱত অনুষ্ঠিত 'কন্‌ভেনচন্ অন্ ইভলিউচন অব্ এ গুড্ হিউমেন বিইং'ত দিয়া অভিভাষণ ঃ ১৯-০৪-২০০৩

১১. নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক-ছাত্ৰৰ সৈতে কথোপকথন আৰু অভিভাষণ ঃ ১২-০১-২০০৫

১২ কলকাতাৰ বিশ্বভাৰতীৰ অধ্যাপক আৰু ছাত্ৰৰ সৈতে কথোপকথন আৰু অভিভাষণ ঃ ০১-১০-২০০৪

১৩ নতুন দিল্লীত, ৫৭তম গণতন্ত্ৰ দিবস উপলক্ষে ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণ ঃ ২৫-০১-২০০৬

১৪. গুৰগাঁৱত অনুষ্ঠিত 'কন্‌ভেনচন্ অন্ ইভলিউচন অব্ এ গুড্ হিউমেন বিইং'ত দিয়া অভিভাষণ ঃ ১৯-০৪-২০০৩

১৫. শ্ৰীহৰিকোটাৰ সতীশ ধাৱান স্পে'চ্ চেণ্টাৰত ছাত্ৰৰ উদ্দেশ্যে দিয়া ভাষণ ঃ ১০-১০-২০০৩

■ **সৃষ্টিশীল নেতৃত্ব**

১. কোজিকোডিত ভাৰতীয় প্ৰবন্ধন সংস্থানত দিয়া ভাষণ ঃ ২৫-০৯-২০০৩

২. কোজিকোডিত ভাৰতীয় প্ৰবন্ধন সংস্থানত দিয়া ভাষণ ঃ ২৫-০৯-২০০৩

৩ চেন্নাইৰ 'লয়োলা ইন্‌ষ্টিটিউট অব্ বিজনেছ্ এডমিনিষ্ট্ৰেচন'ত দিয়া ভাষণ ঃ ১-১২-২০০৫

৪ মাদুৰাইত 'ইয়ং এণ্টাৰ প্ৰিনিয়াৰ্ স্কুল অব্ তামিলনাডু চেম্বাৰ অব্ কৰ্মাচ এণ্ড ইণ্ডাষ্ট্ৰী'-ত দিয়া অভিভাষণ ঃ ২৭-০৮-২০০৪

৫. তিৰুৱনন্তপুৰমত VSCC-ৰ ডেকা অভিযন্তাসকলৰ সৈতে কথোপকথন ঃ ২৮-০৭-২০০৫

৬. হায়দৰাবাদৰ কাঞ্চন বাঘ কে ভি স্কুলত দিয়া অভিভাষণ ঃ ১৯-০১-২০০৪

৭. কলকাতাৰ যাদবপুৰ বিশ্ববিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন সমাৰোহত দিয়া অভিভাষণ ঃ ১৩-০৭-২০০৫
৮. চেন্নাইৰ 'লয়োলা ইন্‌ষ্টিটিউট অব্ বিজনেছ্ এডমিনিষ্ট্ৰেচন'ত দিয়া ভাষণ ঃ ১-১২-২০০৫
৯. চেন্নাইৰ SSN college of Engineering Kalawakham ত দিয়া অভিভাষণ ঃ ১৭-১২-২০০৩
১০. চণ্ডীগড়ৰ ভাৰ্গৱ অডিটৰিয়াম, PGI ত দিয়া ভাষণ ঃ ২৯-০৯-২০০৩
১১. মাদুৰাইত 'ইয়ং এণ্টাৰ প্ৰিনিয়াৰ্ স্কুল অব্ তামিলনাডু চেম্বাৰ অব্ কৰ্মাচ এণ্ড্ ইণ্ডাষ্ট্ৰী'-ত দিয়া অভিভাষণ ঃ ২৭-০৮-২০০৪
১২. নতুন দিল্লীত, স্মল এণ্টাৰপ্ৰিনিয়াৰসকলৰ ৰাষ্ট্ৰীয় অভিবৰ্তন আৰু ৰাষ্ট্ৰীয় বঁটা প্ৰদান উপলক্ষে দিয়া অভিভাষণ ঃ ২৮-১০-২০০৫
১৩. কোজিকোডিত ভাৰতীয় প্ৰবন্ধন সংস্থানত দিয়া ভাষণ ঃ ২৫-০৯-২০০৩
১৪. বাংগালোৰত বাংগালোৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত দিয়া অভিভাষণ ঃ ২১-১১-২০০৫

■ অদম্য শক্তি

১ কোজিকোডিৰ মালপুৰস্বাত বেদব্যাস বিদ্যালয়ত দিয়া অভিভাষণ ঃ ২৫-০৯-২০০৩
২. গোৱাৰ সঞ্জয় স্কুলত দিয়া অভিভাষণ ঃ ১৩-০১-২০০৪
৩. নতুন দিল্লীত, দ্বিতীয় লেফ্‌টেনাণ্ট্ অৰুণ ক্ষেত্ৰপালৰ স্মৃতিত দিয়া অভিভাষণ ঃ ১৬-১১-২০০৫
৪. বাংগালোৰৰ বিশ্বপ কটন বালিকা বিদ্যালয়ত দিয়া অভিভাষণ ঃ ০৫-১১-২০০৪
৫. পোৰবন্দৰত বিবেকানন্দ ইন্‌ষ্টিটিউট অব ভেল্যু এডুকেচন এণ্ড কালচাৰত দিয়া অভিভাষণ ঃ ১২-০১-২০০৬
৬. শিশু দিবস উপলক্ষ্যে আকাশবাণীৰ জৰিয়তে প্ৰসাৰিত ভাষণ ঃ ১৩-১১-২০০৩
৭. গোৱাৰ সঞ্জয় স্কুলত দিয়া অভিভাষণ ঃ ১৩-০১-২০০৪
৮. শ্বিলঙত আসাম ৰাইফলছ্ ওৱাইভ্‌ছ্ ৱেলফেয়াৰ এছোচিয়েচনে আয়োজিত কৰা 'A Conclave HIV/AIDS : A Uniformed Intervention' উদ্বোধন উপলক্ষে দিয়া অভিভাষণ ঃ ২৩-০৯-২০০৫
৯. বাংগালোৰৰ ভাৰতীয় বিজ্ঞান সংস্থানৰ অধ্যাপক-ছাত্ৰৰ সৈতে কথোপকথন আৰু অভিভাষণ ঃ ১৪-১০-২০০৪
১০. কোজিকোডিৰ মালপুৰস্বাত বেদব্যাস বিদ্যালয়ত দিয়া অভিভাষণ ঃ ২৫-০৯-২০০৩
১১. কলকাতাৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ত দিয়া অভিভাষণ ঃ ০১-১০-২০০৪

❑ ❑ ❑